


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ২৮৭ ■ গুৱাহাটী ■ শুকুৰবাৰ, ২৭ মে', ২০২২, ১২ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 287 Dainandin Barta ■ Guwahati, Friday ■ 27 May, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only


## বিশ্বনাথত তিনিখন আদৰ্শ হাইস্কুল উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মধ্যাহ্ন আহাৰ গ্ৰহণ মুখ্যমন্ত্ৰী শৰ্মাৰ**

### প্ৰস্তাৱিত বিশ্বনাথ মেডিকেল কলেজ হাস্পতাল নিৰ্মাণ কাৰ্য পৰিদৰ্শন ঃ বিশ্বনাথ জিলালৈ ১০০ কোটিটকীয়া পেকেজ মুখ্যমন্ত্ৰীৰ ঃ চাহ বাগিচা অঞ্চলৰ লোকক নিমখ দিয়া চাহ সেৱন নকৰিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৬ মে' ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিনজোৰা কাৰ্যসূচীৰে উপস্থিত হয় বিশ্বনাথ জিলাত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশ্বনাথ জিলাৰ অন্তৰ্গত প্ৰতাপগড় চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, হাটিঙা চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু সাকোমঠা চাহ বাগিচা আদৰ্শ উচ্চ ■ ৮ পৃষ্ঠাত



*শিক্ষাৰ্থীৰ মাজত মন্ত্ৰী অতুল বৰা*

## 'পৰিৱাৰবাদী' দল কেৱল ৰাজনৈতিক সমস্যা নহয় গণতন্ত্ৰৰো ডাঙৰ শত্ৰু ঃ প্ৰধানমন্ত্ৰী মোদী

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ মে' ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৃহস্পতিবাৰে পৰিয়ালতান্ত্ৰিক ৰাজনৈতিক দলৰ বিৰুদ্ধে সৰৱ হৈ পৰে। পৰিয়ালতন্ত্ৰৰ বিৰুদ্ধে মন্তব্য কৰি মোদীয়ে কয় যে 'পৰিৱাৰবাদী' দলটো কেৱল এটা ৰাজনৈতিক সমস্যা নহয়, আমাৰ দেশৰ গণতন্ত্ৰ আৰু যুৱ-প্ৰজন্মৰ আটাইতকৈ ডাঙৰ শত্ৰু। ইণ্ডিয়ান স্কুল অৱ বিজনেছৰ (আইএছবি) ২০সংখ্যক বাৰ্ষিক সমাৰোহত অংশগ্ৰহণ কৰিবলৈ মোদীয়ে হায়দৰাবাদলৈ গৈছে। মোদীয়ে কয় যে এনে দলসমূহে কেৱল তেওঁলোকৰ নিজৰ বিকাশৰ বিষয়েহে ■ ৮ পৃষ্ঠাত

**শিৱসাগৰত আধাৰ কাৰ্ড নিৰ্মাণৰ নামত বালাজীৰ মহালুণ্ঠন**

## হাজাৰ হাজাৰ আৱেদনকাৰীৰ ধন লৈ আত্মগোপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৬ মে' ঃ** বিত্তীয় প্ৰতিষ্ঠান, শিক্ষানুষ্ঠানৰ লগতে সকলো ক্ষেত্ৰতে অতিকে জৰুৰী বুলি বিবেচিত হোৱা আধাৰ কাৰ্ড নিৰ্মাণৰ নামত শিৱসাগৰত সংঘটিত হৈছে এক ভয়ংকৰ কেলেংকাৰি। শিৱসাগৰ পৌৰ সভাৰ কাৰ্যালয়ত খোপনি পুতি আধাৰ কাৰ্ড নিৰ্মাণৰ নামত বালাজী নামৰ কোম্পানীটোৱে হাজাৰ হাজাৰ আৱেদনকাৰীৰ পৰা ধন আদায় লৈ আত্মগোপন কৰাক লৈ ■ ৮ পৃষ্ঠাত

**ঢকুৱাখনাত চৰকাৰী অনুদান অবিহনেই মৰা চামপৰা নৈৰ ওপৰত দলং নিৰ্মাণ**

**■ আশ্বাস-প্ৰতিশ্ৰুতিতে দায়িত্ব শেষ স্থানীয় জনপ্ৰতিনিধিৰ ■**

## নিজৰ গাঁঠিৰ ধনেৰে ৫৮ মিটাৰ দৈৰ্ঘ্যৰ দলং নিৰ্মাণ

**শলাগ ল'লে ৰঞ্জিত চুতীয়াক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ২৬ মে' ঃ** কি জনপ্ৰতিনিধি, কি পঞ্চায়ত প্ৰতিনিধি-যেন সকলো লংকালৈ গৈ ৰাৱণ এতিয়া। কেৱল নিৰ্বাচনৰ সময়খিনিত পূৰ্ব চৰকাৰৰ দিনৰে পৰা ■ ৮ পৃষ্ঠাত



## লক্ষীপুৰত পুনৰ বন্যহস্তীৰ আক্ৰমণত এজনৰ মৃত্যু

**উজাগৰে কটাইছে লক্ষীপুৰ বনাঞ্চলৰ দাঁতিকাষৰীয়া ৰাইজ ঃ গুৰুত্ব দিয়া নাই ৰাইজৰ দাবীক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২৬ মে' ঃ** লক্ষীপুৰত ক্ৰমে হাতী-মানুহৰ সংঘাতে তীব্ৰ ৰূপ লৈছে। বন্যহস্তীৰ আক্ৰমণত পুনৰ প্ৰাণ গ'ল এগৰাকী ব্যক্তিৰ। নিহত লোকজনৰ নাম বৈদ্যনাথ কোচ বুলি ■ ৮ পৃষ্ঠাত

## কলিয়াবৰত নকল সোণ-নগদ ধনসহ গ্ৰেপ্তাৰ ৪ প্ৰৱঞ্চক

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়বৰ, ২৬ মে' ঃ** এক গোপন সূত্ৰৰ পম খেদি কালি নিশা আৰক্ষীৰ এক অভিযানত কলিয়াবৰৰ উলুৱনী আৰক্ষী নিৰেশৰ অন্তৰ্গত ৩নং বৰঘুলিৰ চিৰাজুল ইছলামৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ চাৰি ঠগ-প্ৰৱঞ্চকক। কলিয়াবৰ মহকুমাৰ উলুৱনী থানা এলেকাধীন বৰঘুলিত ■ ৮ পৃষ্ঠাত

# পানীৰ মাজত উত্তৰ গুৱাহাটী খণ্ড প্ৰাথমিক চিকিৎসালয়

**এই ছবি ঃ সেই ছবি**

**চাফাই কৰ্মী নাহে কাৰ্যালয়লৈ ■ দিন হাজিৰা দি কৰ্মচাৰী নিয়োগ চিকিৎসালয়ত ■ মেৰামতিৰ ধন চিকিৎসা বিষয়াৰ পকেটত সোমোৱাৰ অভিযোগ ■**



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৬ মে' ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টিত স্বাস্থ্য খণ্ডৰ পয়া লগা ছবি প্ৰতিফলিত হৈছে। আবদ্ধ পানী, হাবি-জংঘলৰ ভৰত ভূত বাংলা নে চিকিৎসালয় ধৰিবকে নোৱাৰা হৈছে সমষ্টিৰ চিকিৎসালয়খন। বছৰৰ পিছত বছৰ হাবি-জংঘল, পানীৰ মাজত নৰকসদৃশ পৰিৱেশৰ মাজত চিকিৎসক তথা স্বাস্থ্যকৰ্মী এতিয়া সহাৱস্থান কৰিবলৈ অভ্যস্ত হৈ পৰিছে। ২২খন উপস্বাস্থ্য কেন্দ্ৰ সামৰি উত্তৰ গুৱাহাটী খণ্ড প্ৰাথমিক চিকিৎসালয়ত বাজিছে বিপদ ঘণ্টা। জহি-খহি উঁৱলি যোৱা চিকিৎসালয় গৃহ মেৰামতিৰ অভাৱত বৰষুণৰ পানীৰে একাকাৰ হৈ পৰিছে। এতিয়া চিকিৎসালয়ৰ মাজত মহ পালনৰ বাবে উদ্যোগ লোৱা যেনহে অনুমান কৰিব পাৰি। স্বাস্থ্য বিভাগৰ কোটিটকীয়া বিজ্ঞাপনৰ এক বিপৰীতধৰ্মী ছবি দেখা গ'ল উত্তৰ গুৱাহাটী খণ্ড প্ৰাথমিক চিকিৎসালয়ত। বিভাগৰ তৰফৰ পৰা ঘৰৰ চৌহদত টায়াৰ, খালী পাত্ৰ আবদ্ধ পানী নাৰাখিবলৈ আমাক বহুমূলীয়া উপদেশ দিয়ে। কিয়নো আবদ্ধ পানীত মহৰ বংশ বৃদ্ধি হয়। এই কথা এতিয়া সকলোৱে মন-মগজুত ইতিমধ্যে সোমাইছে। ■ ৮ পৃষ্ঠাত

**নগাঁৱৰ বৰপাঠৰীত হত্যাকাণ্ড**

## বন্ধুয়ে মিলি হত্যা কৰিলে পৱনক

**ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ ৩**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ মে' ঃ** নগাঁও সদৰ থানাৰ অন্তৰ্গত বৰপাঠৰী সূতাৰ গাঁৱত যোৱানিশা সংঘটিত হয় এক হত্যাকাণ্ড। আজি পুৱা এই হত্যাকাণ্ডৰ কথা পোহৰলৈ অহাত সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে গাঁওখনৰ পৱন বৰা নামৰ যুৱকজনৰ মৃতদেহ ■ ৮ পৃষ্ঠাত

**ৰূপকোঁৱৰৰ পৈতৃক গৃহ 'পকী'ৰ স্মৃতি সজীৱ কৰিবলৈ মুখ্যমন্ত্ৰীৰ এখন বিশেষ ফটো**

## ২২ বছৰৰ পিছত ঐতিহাসিক 'পকী'ত অসমৰ মুখ্যমন্ত্ৰী

**গান্ধীজীয়ে শোৱা বিছনা, ৰূপকোঁৱৰ-কলাগুৰু-নটসূৰ্যৰ ব্যৱহৃত সামগ্ৰী প্ৰত্যক্ষ কৰি অভিভূত ড° হিমন্ত বিশ্ব শৰ্মা**

### তেজপুৰত পুৱাই মহাভৈৰৱ মন্দিৰত আৰতি কৰি পূজা-অৰ্চনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৬ মে' ঃ** নিজৰ এলবামত সাঁচি ৰাখিব এখন বিশেষ আলোকচিত্ৰ। সেইবাবেই আজি অসমীয়া সংস্কৃতিৰ খনিকৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৈতৃক গৃহ তেজপুৰৰ 'পকী' বৰ্তমানৰ জ্যোতিভাৰতীৰ চোতালত অকলে পচন্দৰ এখন ফটো উঠিলে মুখ্যমন্ত্ৰীয়ে। ইয়াৰ পিছতেই ক'লে- অসমৰ যিসকল লোকে আজিও তেজপুৰৰ ঐতিহাসিক 'পকী' লৈ অহা নাই সেই সকলক এবাৰৰ বাবে হ'লেও 'পকী' লৈ আহি অসমৰ জাতীয় জীৱনৰ পুৰোধা ৰূপকোঁৱৰ, কলাগুৰু, নটসূৰ্য ব্যৱহৃত সংৰক্ষিত সা সামগ্ৰী সমূহ চোৱা ■ ৮ পৃষ্ঠাত



## বকোৰ ছমৰীয়াত শিক্ষা বিভাগৰ চৰকাৰী কিতাপ দুই ট্ৰাক জব্দ

**ঘটনাৰ লগত জড়িতক দৃষ্টান্তমূলক শাস্তিৰ দাবী**

**দৈনন্দিন বাৰ্তা সেৱা, বকো, ২৬ মে' ঃ** যি সময়ত ৰাজ্যৰ লাখ লাখ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী চৰকাৰী বিনামূলীয়া পাঠ্যপুথিৰ অভাৱত হাহাকাৰ কৰি ফুৰিছে, তেনে সময়তে কামৰূপ ■ ৮ পৃষ্ঠাত




## গহপুৰৰ বাগিচা অঞ্চলত তিনিখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় ৰাইজলৈ উচৰ্গা মন্ত্ৰী পীযূষ হাজৰিকাৰ

**গহপুৰৰ ব্ৰহ্মাজান, হেলেম আৰু নয়া ঘগৰা চাহ বাগিচা**

## ২৪, ৩৯ আৰু ১৯জন পূৰ্বে বিদ্যালয় এৰা ল'ৰা-ছোৱালীৰ নামভৰ্তি



**নৱনিৰ্মিত বিদ্যালয়কেইখনত ইতিমধ্যে বিদ্যালয় এৰা ল'ৰা-ছোৱালীয়ে পুনৰ নামভৰ্তি কৰাটো অতি শুভ লক্ষণ ঃ মন্ত্ৰী হাজৰিকা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ২৬ মে' ঃ** অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি দিনজোৰা কাৰ্যসূচীৰে গহপুৰৰ তিনিখন চাহ বাগিচা অঞ্চলত তিনিখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন কৰে। চাহ বাগিচা অঞ্চলত বসবাস কৰা লোকসকলৰ শিক্ষাৰ দিশত অভূতপূৰ্ব সংযোজনেৰে অসম চৰকাৰে ১১৯খন বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক ■ ৮ পৃষ্ঠাত

## ৰাজ্যত অব্যাহত চোৰাং বগা চাউলৰ ক'লা ব্যৱসায়

**যোগীঘোপাত গঢ়ি উঠিছে পিডিএছৰ চোৰাং চাউলৰ বৃহৎ ঘাটি ঃ নীৰৱ বিভাগ-প্ৰশাসন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৬ মে' ঃ** ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাসৰ অভিভাৱক জিলা বঙাইগাঁৱত গঢ়ি উঠিছে চোৰাং চাউলৰ বৃহৎ ঘাটি। বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত যোগীঘোপাৰ কাবাইটাৰীত এটা চক্ৰই দীৰ্ঘদিনৰ পৰা চোৰাং চাউলৰ বৃহৎ ঘাটি গঢ়ি তুলি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। এনেদৰে মুকলিকৈ চোৰাং চাউলৰ ব্যৱসায় চলাই থকাৰ পিছতো এইক্ষেত্ৰত জিলাখনৰ যোগান বিভাগ তথা প্ৰশাসন নীৰৱ হৈ থকাৰ অভিযোগ উত্থাপন হৈছে। ■ ৮ পৃষ্ঠাত

## নেলীৰ ৰাজপথত দাউ দাউকৈ জ্বলিল বাহন

**কথমপি প্ৰাণৰক্ষা তিনি যাত্ৰীৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ২৬ মে' ঃ** নেলীৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত দাউ দাউকৈ জ্বলি উঠিল হোণ্ডাই ভেনু বাহন। জানিব পৰা মতে আজি পুৱতি নিশা অন্য এখন বাহনৰ স'তে খুন্দা মৰাৰ ফলত দাউ ■ ৮ পৃষ্ঠাত

## সাত মাহৰ মূৰকত আটক ডাকঘৰৰ অভিকৰ্তাক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৬ মে' ঃ** গ্ৰাহকৰ প্ৰায় ৫০-৬০ লাখ জমাকৃত ধন আত্মসাৎ কৰি বিগত বৰ্ষৰ অক্টোবৰ মাহৰ পৰা আত্মগোপন কৰি থকা কোকৰাঝাৰ ডাকঘৰৰ ক্ষুদ্ৰ সঞ্চয় যোজনাৰ অভিকৰ্তা নিবেদিতা দাসক আজি আৰক্ষীয়ে পুনৰ আদালতত হাজিৰ কৰোৱায়। উল্লেখ্য, ■ ৮ পৃষ্ঠাত

## ডাম্পিং গ্ৰাউণ্ড স্থাপনেৰে পৰিৱেশ বিনষ্ট

**পামহী কেনেলেৰে দূষিত পানী পেলোৱা কাৰ্য বন্ধ কৰা, নিৰ্মাণৰত অৱস্থাত থকা শ্বহীদ উদ্যানৰ প্ৰতি চৰম ভাবুকি ঃ জাতীয় দল-সংগঠনৰ ভূমিকাৰ বিষয়ত অন্তৰংগ আলাপ, মত-বিনিময়**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৬ মে' ঃ** বিশ্বৰ অন্যতম প্ৰাকৃতিক জলাশয় হিচাপে পৰিগণিত হৈ অহা দীপৰ বিলক ৰক্ষা কৰিবলৈ দীপৰ বিলৰ গাতে লাগি থকা অঞ্চল হিচাপে আমি আজাৰা কেওটপাৰাবাসীয়ে সদায় কাম কৰি আহিছো আৰু কৰি যাম। আমাৰ অঞ্চলটোৰ বেছি ভাগ লোক অনুসূচিত ■ ৮ পৃষ্ঠাত






### প্ৰলয়ংকৰী বানত নগাঁও জিলাৰ ২৫৫খন গাঁৱৰ ১৬,৩৬৯ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত

## নগাঁৱত অত্যধিক বৃদ্ধি পাইছে শাক-পাচলিৰ দাম

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৬ মে' ঃ** নগাঁও জিলাৰ কামপুৰ, ৰহা আৰু নগাঁও ৰাজহ চক্ৰৰ এলেকাত হৈ যোৱা বছৰৰ প্ৰথমটো বানত কৃষক ৰাইজৰ বিস্তৰ ক্ষতিসাধন হয়। বিভিন্ন কৃষিকৰ্ম কৰি পৰিয়াল ■ ৮ পৃষ্ঠাত

## পৰিকল্পিতভাৱে বটদ্ৰৱা থানা আক্ৰমণ কৰিছিল

**সংবাদ মেলত আৰক্ষী অধীক্ষক লীনা দলে**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ মে' ঃ** নগাঁও আৰক্ষী অধীক্ষক কাৰ্যালয়ত আজি এক সংবাদ মেল আয়োজন কৰি আৰক্ষী অধীক্ষক লীনা দলেয়ে কয়—'বটদ্ৰৱা থানা আক্ৰমণ সম্পূৰ্ণ পৰিকল্পিত আছিল। কুখ্যাত অপৰাধীয়ে সম্পূৰ্ণ পৰিকল্পিতভাৱে এই আক্ৰমণৰ ঘটনা সংঘটিত কৰিছিল। ছফিকুলৰ মৃত্যুৰ সুযোগ গ্ৰহণ কৰিছিল কুখ্যাত অপৰাধীয়ে।' আনহাতে, বটদ্ৰৱা থানা আক্ৰমণৰ ঘটনাৰ তদন্ত সঠিক দিশত অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি আৰক্ষী অধীক্ষকগৰাকীয়ে কয় যে ইতিমধ্যে ■ ৮ পৃষ্ঠাত

# গড়গাঁও মহাবিদ্যালয়ত 'বৌদ্ধিক সম্পদৰ অধিকাৰ' বিষয়ক আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৬ মে'ঃ** শিৱসাগৰ জিলাৰ উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত ১৬ মে'ৰ পৰা ২১ মে'লৈকে 'ইন্টেলেকচুৱেল প্ৰপাৰ্টি ৰাইটচ্ ফ'ৰ দা প্ৰ'শ্যন এণ্ড প্ৰটেকশ্যন অৱ ইন'ভেশ্যন' শীৰ্ষক এখন আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনলাইন কৰ্মশালা অনুষ্ঠিত হৈ যায়। কৰ্মশালাখনৰ আয়োজনত তেজপুৰ বিশ্ববিদ্যালয়ৰ ডিপিআইআইটি-আইপিআৰ চেয়াৰ আৰু লণ্ডন বিশ্ববিদ্যালয়ৰ দ্য চিটি ল' স্কুলৰ আইপিইজি-এ সহযোগিতা আগবঢ়ায়। কৰ্মশালাখনত শিক্ষক-শিক্ষাৰ্থী, গৱেষক আৰু উদ্ভাৱকসকলৰ মাজত উদ্ভাৱনীমূলক ন ন ধাৰণাৰ আদান-প্ৰদান হোৱাৰ লগতে পেটেণ্ট, কপিৰাইট, ট্ৰেডমাৰ্ক আদি বিষয়ৰ আলোচনাৰে দৈনন্দিন জীৱনত আইপিআৰ সম্পৰ্কীয় বিষয়সমূহৰ প্ৰতি সচেতনতা সৃষ্টি কৰিবলৈ চেষ্টা কৰে। কৰ্মশালাৰ বিভিন্ন কাৰিকৰী বৈঠকসমূহত সমল ব্যক্তি হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ ডিপিআইআইটি-আইপিআৰ চেয়াৰৰ প্ৰাধ্যাপক প্ৰীতম দেৱ, আইপিআৰ চেয়াৰৰ এণ্ড মেনেজমেণ্ট কোষৰ সহকাৰী প্ৰবন্ধক মৌমিতা গোস্বামী, বেংগালুৰু(বেচ)ৰ ড° বি আৰ আম্বেদকাৰ স্কুল অৱ ইকনমি' ইউনিভাৰ্চিটিৰ সহকাৰী অধ্যাপক সদেৱ ডেনিছ, জাৰ্মানীৰ মিউনিখ ইণ্টেলেকচুৱেল প্ৰপাৰ্টি ল' চেণ্টাৰৰ টিউটৰ আটাউল কৰিম, অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ পেটেণ্ট ইনফৰমেশ্যন চেণ্টাৰৰ বিজ্ঞানী দেবাশীষ দত্ত, লণ্ডন বিশ্ববিদ্যালয়ৰ দ্য চিটি ল স্কুলৰ ইণ্টেলেকচুৱেল প্ৰপাৰ্টি ল'ৰ বিভাগ ড' এনৰিক' ব'নাদিও' আৰু শ্ৰীলংকাৰ জেনেৰেল ছাৰ জন কোটেলাৱালা প্ৰতিৰক্ষা বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ জ্যেষ্ঠ অধ্যাপক লিহিনী ডি চিলভা। সমল ব্যক্তিসকলে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উদ্ভাৱন সুৰক্ষাৰ বাবে দ্বিতীয় স্তৰৰ পেটেণ্ট প্ৰণালী, মানসম্পন্ন অত্যাৱশ্যকীয় পেটেণ্ট, ভাৰত তথা উন্নয়নশীল দেশসমূহত বৌদ্ধিক সম্পত্তি তথা উদ্ভাৱনৰ প্ৰাসংগিকতা তথা আইপিআৰ সম্পৰ্কীয় অন্যান্য বিষয়ত বিস্তৃতভাৱে আলোচনা কৰে। যুৱ প্ৰজন্মৰ উদ্ভাৱনী তথা অভিনৱ ধাৰণাসমূহ উপস্থাপন কৰাৰ সুযোগ দিয়াৰ লগতে তেওঁলোকক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে কৰ্মশালাৰ সৈতে সংগতি ৰাখি স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ মাজত 'ইনভেটিভ ইক'চিষ্টেম' বিষয়ক এখনি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাত গড়গাঁও মহাবিদ্যালয়ৰ অংকুৰ গগৈয়ে প্ৰথম স্থান, মেঘালয়ৰ ইউনিভাৰ্ছিটি অফ চায়েন্স এণ্ড টেকন'লজিৰ লবহাং তাছি, শৰ্মিন বেগম আৰু গৌৰাঙ্গ বৰায়ে দ্বিতীয় স্থান আৰু গড়গাঁও মহাবিদ্যালয়ৰ অংশুমান শেনচোৱা, অনুপম দে, ৰুক্মায়া য়াছমিন আহমেদ, আৰু সদিকুৰ ৰহমানে তৃতীয় স্থান লাভ কৰে। যোৱা ২১ মে' তাৰিখে অনুষ্ঠিত কৰ্মশালাৰ সামৰণি অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যনাথ মহন্তই সকলো সমল ব্যক্তিৰ লগতে উদ্ভাৱনী তথা অভিনৱ ধাৰণা প্ৰতিযোগিতাখনিৰ বিচাৰক, গড়গাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়া, কৰ্মশালা-সমন্বয়ক ড° পাকিজা বেগমৰ লগতে আয়োজক সমিতিৰ সকলো সদস্য তথা সহযোগিতা আগবঢ়োৱা প্ৰতিষ্ঠান দুটালৈ ধন্যবাদ জনায়।



# চেঙাৰ কাছুমাৰাত খহনীয়া প্ৰতিৰোধৰ দাবীত ৰাইজৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৬ মে'ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত কাছুমাৰা-কাশিমপুৰত ব্ৰহ্মপুত্ৰৰ সুঁতি নৈয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ ফলত খহনীয়াই তাণ্ডৱ চলাইছে অঞ্চলটোত আৰু খহনীয়াৰ তাণ্ডৱ দেখি শংকিত হৈ পৰিছে কাছুমাৰা-কাশিমপুৰ গাঁৱৰ নৈপৰীয়া গয়া। বিঘত কেইবা বছৰ ধৰি খহনীয়াই তাণ্ডৱ চলাই আহিছে অঞ্চলটোত যাৰ ফলত গৰাখহনীয়াৰ কৱলত পৰি ইতিমধ্যে জাহ গৈছে বহু পৰিয়ালৰ সপোনৰ ঘৰ-দুৱাৰ, খেতি মাটি, চৰকাৰী বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান। গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বাৰম্বাৰ স্থানীয় সাংসদ, চেঙা সমষ্টিৰ বিধায়কক চৰকাৰক বহু আবেদন নিবেদন কৰিও আজিলৈকে নাপালে কোনো ধৰণৰ সুফল। ফলত উপায়ন্তৰ হৈ আজি নৈৰ পাৰলৈ ওলাই আহিল খহনীয়া গ্ৰস্ত পৰিয়াল আৰু অসম চৰকাৰ, জলসম্পদ বিভাগ, ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা, বৰপেটাৰ সাংসদ আব্দুল খালেক, চেঙা বিধান সভা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। খহনীয়াৰ কৱলত পৰি সৰ্বহাৰা হোৱা নৈপৰীয়া ৰাইজে নৈৰ পাৰতে জনপ্ৰতিনিধি আৰু চৰকাৰৰ বিৰুদ্ধে বিভিন্ন প্ৰতিবাদী শ্লোগান আওৰাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অচিৰেই চৰকাৰ-জনপ্ৰতিনিধি তথা জলসম্পদ বিভাগক কাছুমাৰা অঞ্চলক ব্ৰহ্মপুত্ৰ সুতি নৈৰ গৰাখহনীয়া কৱলৰ পৰা ৰক্ষা কৰাৰ লগতে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ কাতৰ অনুৰোধ জনাইছে প্ৰতিবাদকাৰী ৰাইজে।

# বৰপথাৰত নদীত জাঁপ দি নৱম শ্ৰেণীৰ ছাত্ৰীৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২৬ মে'ঃ** ৰাজ্যত দিনক দিনে বৃদ্ধি পাব ধৰিছে আত্মহননৰ দৰে ঘটনাৰ। ধনশিৰি মহকুমাৰ বৰপথাৰতো বুধবাৰে বিয়লি সংঘটিত হৈছে তেনে এক শোকাবহ ঘটনাৰ। এগৰাকী নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীয়ে ধনশিৰি নদীৰ দলঙৰ ওপৰৰ পৰা জাঁপ দি আত্মহত্যা কৰা ঘটনাই এতিয়া অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীত অধ্যয়নৰ ছাত্ৰীগৰাকীৰ নাম বিনীতা কুমাৰ(১৫)। বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত দুৱৰণি অঞ্চলৰ বাসিন্দা মহন কুমাৰৰ কন্যা আছিল ছাত্ৰীগৰাকী। পুৱা স্কুললৈ ওলাই যোৱা ছাত্ৰীগৰাকী স্কুল ছুটী হোৱাৰ পাছত ঘৰলৈ ঘূৰি নহাত পৰিয়ালৰ লোকে বিচাৰ খোচাৰ কৰে যদিও পৰৱৰ্তী সময়ত ছাত্ৰীগৰাকীয়ে আত্মহত্যা কৰা বুলি জানিব পাৰে। ছাত্ৰীগৰাকীয়ে বৰপথাৰ নগৰৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰ আঁতৰত থকা ধনশিৰি নদীৰ দলঙৰ ওপৰৰ পৰা জপিয়াই আত্মহত্যা কৰে। উল্লেখ্য যে কোনো লোকে দলঙৰ ওপৰত স্কুলৰ বেগ এটা দেখি আৰক্ষীক খবৰ দিয়াত ততাতৈয়াকৈ ঘটনাস্থলীত আৰক্ষী উপস্থিত হয়গৈ। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা ছাত্ৰীগৰাকীৰ স্কুল বেগ আৰু এখন আত্মহত্যাৰ টোকা উদ্ধাৰ কৰে। ছাত্ৰীগৰাকীৰ আত্মহত্যাৰ সঠিক কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও আত্মহত্যাৰ টোকাত ছাত্ৰীগৰাকীয়ে ঘৰুৱা অশান্তিৰ বাবে এই পথ ল'লে বুলি লিখি থৈ গৈছে। ইপিনে বাতৰি লিখা পৰলৈকে এছ ডি



আৰ এফ বাহিনীয়ে উদ্ধাৰ অভিযান চলাই আছে যদিও ছাত্ৰ গৰাকীৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। নৱম শ্ৰেণীৰ ছাত্ৰীগৰাকীৰ আত্মহত্যাৰ ঘটনাই সমগ্ৰ বৰপথাৰৰ লগতে অধ্যয়নৰত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ মাজত শোকৰ ছাঁ পেলাইছে।

### হানল'ক্ৰকত বনৰীয়া হাতীৰ উপদ্ৰৱ

# ভূক্তভোগীলৈ সহায়ৰ হাত বিজেপি প্ৰাৰ্থী লংবিছনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ২৬ মে'ঃ** বৈঠালাংছ' আৰক্ষী চকীৰ অন্তৰ্গত হানল'ক্ৰকত আজি পুৱতি এটি অকলশৰীয়া বনৰীয়া হাতীয়ে বৃহত্তৰ হানল'ক্ৰক অঞ্চলত উপদ্ৰৱ চলাই। আজি কেইবাদিনো ধৰি অঞ্চলটোত বাঢ়নীপানীয়ে সৃষ্টি কৰা সাগৰসদৃশ জলপৃষ্ঠৰ বাবে জনাঞ্চলত কোনো বনৰীয়া জন্তুৰ বাবে বাসোপযোগী নোহোৱাৰ সমান্তৰালকৈ তীব্ৰ খাদ্য সংকটত পৰা পৰিলক্ষিত হৈছে। উক্ত অঞ্চলত শেহতীয়াকৈ বনৰীয়া হাতীৰো ব্যাপক উপদ্ৰৱৰ সৃষ্টি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আজি পুৱতিনিশা এটি অকলশৰীয়া হাতীয়ে চাৰৰা গাঁৱৰ বিভিন্ন ঠাইত উপদ্ৰৱ চলাই কেইবাটিও ঘৰ ভাঙি তহিলং কৰে। উক্ত ঘটনাৰ খবৰ পাই তাৎক্ষণিকভাৱে উপস্থিত হয় সমাগত কাৰ্বি পৰিষদীয় নিৰ্বাচনৰ স্থানীয় প্ৰাৰ্থী লংবিছন বে'। অতি দৰিদ্ৰ পৰিয়ালৰ বাসগৃহসমূহ হাতীয়ে ভাঙি দিয়াৰ ফলত বিজেপি প্ৰাৰ্থী বে'য়ে কিছু আৰ্থিক অনুদান আগবঢ়াই তাৎক্ষণিকভাৱে বাসগৃহসমূহ মেৰামতি কৰি ল'বৰ বাবে আহ্বান জনাই। বে'ৰ এই কাৰ্য দেখি চাৰৰা গাঁৱৰ ৰাইজে যথেষ্ট সন্তুষ্টি লাভ কৰাৰ লগতে লংবিছন বে' জিন্দাবাদ ধ্বনি দি আকাশ-বতাহ কঁপাই তোলে।

# ধুবুৰী জিলা কৃষক মৰ্চাৰ উদ্যোগত ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ টিফিন বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেবা, ধুবুৰী, ২৬ মে'ঃ** ধুবুৰীৰ গৌৰীপুৰ গনেশ মন্দিৰৰ প্ৰাংগণত ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ এখন টিফিন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কৃষক সকলো বিভিন্ন চৰকাৰী আঁচনি সম্পৰ্কে আলোচনা কৰে। কৃষক সকলক চৰকাৰে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ চৰকাৰী আঁচনি দি সহায়-সহযোগ কৰি থাকে। ইয়াত উপস্থিত থাকে ধুবুৰী জিলা কৃষক মৰ্চাৰ সভাপতি অমিত আগৰৱালাৰ লগত অসম ৰাজ্যিক পৰ্য্যায়ৰ সদস্য কাবেন্দ্ৰা ডেকা আৰু অসম ৰাজ্যিক পৰ্যায়ৰ সহ-প্ৰভাৰিদিনেশ দাস আৰু ধুবুৰী জিলাৰ কৃষক মৰ্চাৰ বিভিন্ন পৰ্যায়ৰ কাৰ্য-কৰ্তাসকল।

### সদৌ কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ সদস্য ধৰ্মেন্দ্ৰ ৰায়ৰ বিয়োগ

# সাতদিনলৈ অৰ্ধনমিত হৈ থাকিব সংগঠনৰ পতাকা ঃ গভীৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৬ মে'ঃ** সদৌ কোচ ৰাজবংশী যুৱ- ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বৰ্তমানৰ কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ সাধাৰণ সদস্য ( জি এম) ধৰ্মেন্দ্ৰ ৰায়ে বুধবাৰে বিয়লি ৫ঃ৫০ মান বজাত গুৱাহাটীৰ বি বৰুৱা কেন্সাৰ হস্পিতালত চিকিৎসাধীন হৈ থকা অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। প্ৰয়াত ৰায়ে ভালে কেইবছৰ ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল আৰু বিগত কিছুদিন পূৰ্বৰ পৰা তেওঁৰ শাৰীৰিক অৱনতি ঘটিছিল। উল্লেখ্য যে ধৰ্মেন্দ্ৰ ৰায়ে দীৰ্ঘদিন ধৰি কোচ ৰাজবংশী যুৱ - ছাত্ৰ সন্মিলনীৰ নেতৃত্ব বহন কৰি আহিছিল আৰু জাতীয় সংগ্ৰামৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। নিজৰ শাৰীৰিক অসুস্থতাৰ বিষয়ে জানিও কেতিয়াও হাৰ মনা



নাছিল। কিন্তু অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিবলগীয়া হ'ল বুলি এক প্ৰেছ বিবৃতিত উল্লেখ কৰিছে সদৌ কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ সভাপতি কিশোৰজ্যোতি ৰায় আৰু সাধাৰণ সম্পাদক হিতেশ সিংহই। সভাপতি আৰু সাধাৰণ সম্পাদকদ্বয়ে বিবৃতিটোত সংগঠনটোৰ প্ৰাক্তন সাধাৰণ সম্পাদকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে নেতাগৰাকীৰ মৃত্যু যুৱ-ছাত্ৰ সন্মিলনীৰ বাবে অপুৰণীয় ক্ষতি বুলি কয়। লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। সংগঠনটোৰ সভাপতি আৰু সাধাৰণ সম্পাদকে বিবৃতিটোত উল্লেখ কৰা মতে প্ৰয়াত ধৰমেন্দ্ৰ ৰায়ৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বুধবাৰৰ পৰা সাত দিনৰ বাবে সদৌ কোচ ৰাজবংশী যুৱ- ছাত্ৰ সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ লগতে জিলা আৰু আঞ্চলিক সমিতিৰ পতাকা অৰ্ধনমিত হৈ থাকিব। ইপিনে যুৱ- ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সাধাৰণ সম্পাদকগৰাকীৰ মৃত্যুত সংগঠনটোৰ বঙাইগাঁও জিলা সমিতি, কেএচিৰ মুখ্য পাৰিষদ গোকুল বৰ্মনকে ধৰি বিভিন্নজনে গভীৰ শোক প্ৰকাশ কৰিছে।

# ৰামদিয়া নিবাসী বিশিষ্ট সমাজকৰ্মী, ভকত দেৱেন ডেকাৰ মৃত্যু ঃ শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৬ মে'ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সত্ৰনগৰী ৰামদিয়াৰ উজানকুৰি বাদুলীপাৰা নিবাসী দেৱেন ডেকা আৰু ইহসংসাৰত নাই। জানিব পৰামতে তেখেতৰ মঙ্গলবাৰে মেলেনিয়া ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল যদিও বুধবাৰে পুৱাৰ ভাগত তেওঁৰ মৃত্যু হয়। অৱশ্যে তেখেত এখন ফামাৰ্চী দি জীৱন নিৰ্বাহ কৰাৰ উপৰিও বংশী গোপালসত্ৰৰ মূল ভকত আৰু হিত



সাধিনীসভাৰ ভাগৱতী সমাজৰ সেৱক হোৱাৰ লগতে ভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল। তেখেতৰ নশ্বৰদেহ পোনে পোনে ৰামদিয়া হিতসাধিনী সভা ৰাস মণ্ডপ প্ৰাংগণলৈ অনা হয় ।তাত হিতসাধিনী সভা, ৰামদিয়া পুথিভৰাল আৰু সামূহিক সাংস্কৃতিক কেন্দ্ৰৰ বিষয়ববীয়া অতুল চন্দ্ৰ কাকতি, অজিত ঠাকুৰীয়া, মনেশ্বৰ তালুকদাৰ, হৰমোহন মেধিয়ে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে ৩ নং পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্য বিপুল দাস, হাজো আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জোনালী ডেকা পাঠক, হাজো মণ্ডল বিজেপিৰ সভাপতি ভূপেন কলিতা, হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, এমণ্ট্ৰন গুৱাহাটীৰ উপ-প্ৰৱন্ধক দিনমণি ভাণ্ডাৰ কায়স্থ, শ্বহীদ খগেন ভৰালী গাওঁ পঞ্চায়তৰ সভানেত্ৰী দিপাঞ্জলী ভৰালীয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেখেতে পত্নী, পুত্ৰ-কন্যাসহ বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

### খাৰুপেটীয়াত আমছুৰ ৪২তম্ শ্বহীদ দিৱস পালন

# শ্বহীদৰ আত্মাৰ চিৰশান্তিৰ বাবে সমূহীয়া দোৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ২৬ মে'ঃ** সংখ্যালঘু সম্প্ৰদায়ৰ নাৰ্য্য প্ৰাপ্তিৰ দাবীত অসমৰ বিভিন্ন জিলা আৰু মহকুমাৰ সদৰ ঠাই সমূহত ১৯৮০ চনৰ ২৬ মে তাৰিখে প্ৰতিবাদ কৰিবলৈ গৈ অসমত পুলিচবাহিনীৰ গুলিত নিজৰ প্ৰাণ আহুতি দিয়াৰ লগতে ঘূনীয়া হোৱা বীৰ শ্বহীদ সকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আমছুৱে। সেই শ্বহীদ বীৰসকলৰ আত্মাৰ চিৰ শান্তি আৰু ঘূনীয়া সকলৰ আৰোগ্য কামনাৰ্থে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ দৰং জিলা সমিতিৰ উদ্যোগত অহা সংখ্যালঘু জনতাৰ ওপৰত অসম আৰক্ষী বাহিনীৰ লাঠিচাৰ্চ আৰু আৰক্ষীৰ গুলীত বহুতো ব্যক্তি শ্বহীদ হবলগীয়া হৈছিল। সেই দাবীৰ আজি ৪২ বছৰ অতিবাহিত হ'ল কিন্তু এই সংখ্যালঘু জনতাৰ সংবিধান প্ৰদত্ত অধিকাৰ আজিলৈকে নাপালে। এইবীৰ পুৰুষ সকলৰ আত্মাই চিৰশান্তি লাভ কৰক তাৰ কামনাৰে ওজাগাও হাফিজিয়া মাদ্ৰাছাৰ প্ৰধান শিক্ষক হাফিজ ছামচুল হকে দোৱাত সহযোগ কৰে। জিলা আমছুৰ সভাপতি মাহবুবুল আলমে আতঁ ধৰা সভাত ভাষণ



আৰু ওজাগাঁও আঞ্চলিক সমিতিৰ সহযোগত ওজাগাও হাফিজিয়া মাদ্ৰাছাত ৪২তম শ্বহীদ দিৱস উদযাপন কৰা হয়। আমছুৰ শ্বহীদ দিৱস উপলক্ষে পুৱাই আমছুৰ পতাকা উত্তোলন কৰে দৰঙ জিলা আমছুৰ সভাপতি মাহবুবুল আলমে ।পতাকা উত্তোলন কৰাৰ পাচতেই জাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলক স্মৰণ কৰি দোৱা কৰা হয়। শ্বহীদ দিৱস উপলক্ষে আয়োজন কৰা সভাত কেন্দ্ৰীয় সমিতিৰ সহঃ সম্পাদক আলেপ উদ্দিন আহমেদ, ছাইফুল ইছলামে ভাষণ প্ৰসংগত কয় যে চৰকাৰৰ সকলো ক্ষেত্ৰতে লাঞ্চিত,বঞ্চিত,অৱহেলিত জাতিটোৰ বাবে হাজাৰ হাজাৰ সংখ্যালঘু ৰাইজ ৰাজ পথত ওলাই আহিছিল। নিজৰ প্ৰাপ্তিৰ দাবীত ওলাই প্ৰসঙ্গত কয় যে শ্বহীদসকলৰ আত্মা বলিদানৰ শ্ৰদ্ধা জনাই অনাগত দিনত দেশ তথা জাতিৰ হৈ কাম কৰিব লাগিব লগতে সংখ্যালঘু জনগণৰ সামগ্ৰিক উন্নয়নত গুৰুত্ব দিব লাগিব। নহ'লে আমি কেতিয়াও উন্নত জাতি হিচাপে প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিম। উক্ত কাৰ্যসূচীত উপস্থিত থাকে দৰং আমছুৰ কাৰ্যকৰী সভাপতি হজৰ আলী, মুখ্য সাংগঠনিক সম্পাদক জিয়াউল হক, সাধাৰণ সম্পাদকদ্বয় মইনুল হক ছাকিব আহমেদ(ৰাজু) ওজাগাঁও আঞ্চলিক সমিতিৰ সভাপতি খলিলুৰ ৰহমান, উপ-সভাপতিদ্বয় আব্দুল ৰেজ্জাক, মতলেপ আলী, সাং সম্পাদকদ্বয় মুৰ্শিদ আলম, খলিলুৰ ৰহমানৰ লগতে বিভিন্ন আঞ্চলিকৰ সদস্যসকলে।

### ছিপাঝাৰত বিদ্যুৎ বিভাগৰ মৰণফাণ্ড

# অভিযোগ দিয়াৰ পিছতো গা লৰা নাই বিষয়া-কৰ্মচাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২৬ মে'ঃ** ৰাজ্য চৰকাৰৰ শক্তি বিভাগৰ অন্তৰ্গত ছিপাঝাৰ বিদ্যুৎ সংমণ্ডলৰ অধীনস্থ ছিপাঝাৰ পৌৰসভাৰ ৬ নং ৱাৰ্ডত বিভাগটোৱে বিদ্যুৎ পৰিবাহী তাঁৰৰ নামত মৰণফাণ্ড পাতি থৈছে। উল্লেখ্য যে ৱাৰ্ডটোত দীৰ্ঘদিন ধৰি বিদ্যুৎ পৰিবাহী তাঁৰ হাতেৰে চুব পৰা দূৰত্বতে ওলমি আছে। যাৰ বাবে যি কোনো মুহুৰ্ততে অঘটন ঘটাৰ সম্ভাৱনা প্ৰকট হৈ আছে। ইপিনে বিষয়টোৰ সন্দৰ্ভত স্থানীয় ৰাইজে ছিপাঝাৰস্থ উপ-সংমণ্ডলৰ কাৰ্যালয়ত অবগত কৰিছে যদিও গা লৰা নাই কাৰ্যালয়টোৰ কোনো বিষয়া-কৰ্মচাৰীৰ। তেনে পৰিপ্ৰেক্ষিতত আজি সংবাদ মাধ্যমৰ আগত জাঙুৰ খাই উঠে ক্ষোভিত ৰাইজ। একেদৰে ছিপাঝাৰৰ নৱ গঠিত পৌৰ সভাকো এই বিষয়ে জনোৱাৰ পিছতো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। উল্লেখযোগ্য যে মাথোঁ ৬নং ৱাৰ্ডতেই নহয় উপ সংমণ্ডলটোৰ অন্তৰ্গত ভালেমান ঠাইত বিদ্যুৎ পৰিবাহী তাঁৰ সমূহ বিপদজনক দূৰত্বত ওলমি আছে।

# নলবাৰীত কাৰ্যবাহী অভিযন্তাক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৬ মে'ঃ** নলবাৰী গ্ৰাম্য গড়কাপ্টানী পথ সংমণ্ডল কক্ষত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত নলবাৰী গ্ৰাম্য গড়কাপ্তানী পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা দ্বিজেন পাটগিৰিক আনুষ্ঠানিক ভাবে বিদায় সম্বৰ্ধনা জ্ঞাপন জনোৱা হয়। বিদায়ী কাৰ্যবাহী অভিযন্তা গৰাকীয়ে নলবাৰীত প্ৰায় ডেৰ বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰিছিল। বুধবাৰে অনুষ্ঠিত অনুষ্ঠনত কাৰ্যালয়টোৰ কৰ্মচাৰীসকলে ফুলাম, জাপি, গামোচা, শৰাই, মানপত্ৰ, ছাতি আদিৰে কাৰ্যবাহী অভিযন্তাগৰাকীক বিদায় সম্ভাষণ জনায়। উক্ত সভাত নৱনিযুক্ত কাৰ্যবাহী অভিযন্তা পৰেশ হালৈও লগতে সহকাৰী কাৰ্যবাহী অভিযন্তা উপগুপ্ত মৰল, ইউচুফ আলী আহমেদ, মনোৰঞ্জন নাথ আদি বহু সংখ্যক লোক উপস্থিত থাকে।



# নাট্যকাৰ, পৰিচালক, কবি আদৰ্শ শিক্ষক তিলক বৈশ্যক ছয়গাঁও চিক মিক ক্লাবৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৬ মে'ঃ** প্ৰচাৰ বিমুখ এখন নাটক কিমান জনপ্ৰিয় হ'লেই আহ্বায়ক কমিটিয়ে নাট্যকাৰৰ ঘৰত উপস্থিত হয় সম্বৰ্ধনা জনায় তাৰ এক বিৰল সাক্ষী হৈ ৰ'ল নলবাৰী জিলাৰ মৰোৱা ।যোৱা ২৩ মে'ত ছয়গাঁও চিক-মিক ক্লাবৰ সভাপতি দেৱেশ্বৰ তালুকদাৰ আৰু অন্য জন ক্লাবৰ সদস্য তথা এসময়ৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ অভিনেতা অবিনাশ কলিতা উপস্থিত হয় মৰোৱাৰ আদৰ্শ শিক্ষক তথা নাট্যকাৰ পৰিচালক কবি তিলক বৈশ্য ডাঙৰীয়াৰ বাসগৃহত। তেওঁলোকৰ আমন্ত্ৰণত থিয়েটাৰ ভাগ্যদেৱীৰ মঞ্চত সদ্য-সমাপ্ত নাট্য বৰ্ষত প্ৰদৰ্শিত দক্ষ নাট্যকাৰ তিলক বৈশ্য দেৱৰ নাট "মাতাল পৃথিৱী" চাই ক্লাবৰ উদ্যোগতা তথা দৰ্শক সকল



হেনো অতিকৈ আপ্লুত হৈছিল। সেয়েহে কৃতজ্ঞতাৰ চিন স্বৰূপে তেখেত সকলোৰ ক্লাবৰ তৰফৰ পৰা নাট্যকাৰজনক তামোল -পান এযোৰ ফুলাম গামোচা এখন আৰু এহেজাৰ টকাৰ বৰঙণি আগবঢ়ায়। অনাকাঙ্খিত বিষয়টোৱে নাট্যকাৰজনক বাৰুকৈয়ে অভিভূত কৰে। নাট্যকাৰ গৰাকীয়েই চিক-মিক ক্লাবৰ লগতে প্ৰতিগৰাকী দৰ্শক ৰাইজক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।

## ৰাশিফলত আজিৰ দিনটো

**১২ জেঠ, শুকুৰবাৰ, ২৭ মে', ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা দ্বাদশী, নক্ষত্ৰ ঃ অশ্বিনী, জন্ম ৰাশি ঃ মেষ ৰাশি**
**সূৰ্যোদয়- ৪-৩৬-৬ সূৰ্যাস্ত- ৬-৩-৫**



■ **মেষ** ঃ কৰ্মোন্নতি ■ **বৃষ** ঃ গৃহ অশান্তি ■ **মিথুন** ঃ সম্পদ হানি ■ **কৰ্কট** ঃ ধনাগম ■ **সিংহ** ঃ কৃতকাৰ্যতা ■ **কন্যা** ঃ প্ৰেমত শুভ ■ **তুলা** ঃ ধন লাভ ■ **বৃশ্চিক** ঃ পিতৃ বিৰোধ ■ **ধনু** ঃ ব্যস্ততা ■ **মকৰ** ঃ বন্ধুৰ সহায় ■ **কুম্ভ** ঃ উৎসাহ বৃদ্ধি ■ **মীন** ঃ কৰ্মব্যস্ততা।

### চিটি মহাবিদ্যালয়ত 'ত্ৰিধাৰা'ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

# ড° কন্দৰ্প কুমাৰ ডেকা আৰু ড° কৰবী ডেকা হাজৰিকাক বিশেষ সৰ্ম্বধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৬ মে'ঃ** সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান ত্ৰিধাৰাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি কালি ডিব্ৰুগড়ৰ নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা পৰিৱেশ কৰ্মী জয়ন্ত কুমাৰ গগৈ আৰু যাদৱ বৰাই গছপুলি ৰোপণেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতেই বিয়লি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা প্ৰতিষ্ঠা দিৱসৰ মূল কাৰ্যসূচীত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে বিশিষ্ট শিক্ষাবিদ ড° কৰবী ডেকা হাজৰিকা, বিশিষ্ট চিকিৎসক ডাঃ শান্তনু লহকৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া শৈক্ষিক পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বড়া, শিক্ষাবিদ ড° গোপাল হাজৰিকা, চিটি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপিকা জ্যোতি বৰগোহাঁই, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁই, অৱসৰপ্ৰাপ্ত সাংস্কৃতিক বিষয়া ড° পবিত্ৰ কুমাৰ পেগু, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি ইন্দ্ৰ গগৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্মীসন্থা সম্পাদক জয়ন্ত কুমাৰ গগৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয় ভাওনাৰ উদ্‌যাপন সমিতিৰ সম্পাদক বলিন নাথ, ড° ৰূপলেখা বৰবৰা দাস, বৰ্ণালী সোণোৱাল, ত্ৰিধাৰা উপদেষ্টা যাদব বৰা কে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰি ত্ৰিধাৰাৰ লক্ষ্য উদেশ্য আৰু কৰ্মসূচীক ভূয়সী প্ৰশংসা কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী মাজতে অৰুণ হাজৰিকাই প্ৰস্তত কৰা সত্যনাথ বৰাৰ এটি গীত উন্মোচন কৰে ড° কন্দৰ্প ডেকা আৰু ড° কৰবী ডেকা হাজৰিকাই। উক্ত অনুষ্ঠানতে অসমত পৰিৱেশ্য কলা বিষয়টোক শৈক্ষিক বিষয়ৰূপে প্ৰতিষ্ঠা দিয়াৰ দুগৰাকী মুল ব্যক্তি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° কন্দৰ্প কুমাৰ ডেকা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক ড° কৰবী ডেকা হাজৰিকাক ত্ৰিধাৰা তৰফৰ পৰা বিশেষ সৰ্ম্বধনা জ্ঞাপন কৰা হয় । সম্বৰ্ধনা গ্ৰহণ কৰি ড° ডেকা আৰু হাজৰিকাই পৰিৱেশ্য কলা বিষয়টো প্ৰতিষ্ঠাৰ ক্ষেত্ৰত থকা প্ৰত্যাহবান আৰু সম্ভাৱনীয়তাৰ কথা উল্লেখ কৰে। ত্ৰিধাৰা উপদেষ্টা মৃণাল কুমাৰ বৰুৱাই আগধৰা অনুষ্ঠানটিত আদৰণি ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁইয়ে। অনুষ্ঠানত সত্ৰীয়া নৃত্য আৰু লোকনৃত্য কৰ্মশালা সমল ব্যক্তি তাপসী হাজোৱাৰী আৰু গংগা বসুমতাৰী সম্বৰ্ধনা জনোৱাৰ লগতে অংশগ্ৰহণকাৰী সকলকো আনুষ্ঠানিকভাৱে মানপত্ৰ প্ৰদান কৰে। উদীয়মান কণ্ঠশিল্পী মূৰ্চ্ছনা বড়াই বৰগীত পৰিৱেশন কৰি আৰম্ভ কৰা প্ৰতিষ্ঠা দিৱস অনুষ্ঠানটিত সত্ৰীয়া নৃত্য, লোকনৃত্যকে ধৰি কেইবাটিও আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান পৰিৱেশিত হয়। উল্লেখ্য যোৱা বৰ্ষৰ ২৪ মে'ত প্ৰতিষ্ঠা লাভ কৰা ত্ৰিধাৰাই যোৱা বৰ্ষত কৰ্মশালা, বক্তৃতানুষ্ঠান আদি অনুষ্ঠিত কৰি ৰাইজৰ মাজত বিশেষ সমাদৰ বুটলিবলৈ সক্ষম হৈছে।

# লাহৰীঘাটৰ কাঠনিত গৰাখহনীয়া আৰু পাৰঘাটৰ বিৰুদ্ধে নৈ পাৰত স্থানীয় ৰাইজৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৬ মে'ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কাঠনিত খহনীয়া আৰু পাৰঘাটৰ বিৰুদ্ধে কাঠনিৰ নৈপাৰত স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিবাদ ।কাঠনি অঞ্চলত অব্যাহত আছে ব্ৰহ্মপুত্ৰৰ খহনীয়া। খহনীয়া প্ৰতিৰোধত জলসম্পদ বিভাগে গুৰুত্ব নিদিয়াৰ অভিযোগ। ইফালে চৰ চাপৰিৰ পৰা আহ-যাহ কৰা ইঞ্জিন চালিত নাৱৰে অঞ্চলটোলৈ কঢ়িয়াইছে বিপদ ।প্ৰতি বৃহস্পতিবাৰ আৰু ৰবিবাৰে পাৰঘাটত প্ৰায় এশখন ইঞ্জিন চালিত নাৱ এনেদৰে চলাচল কৰে। ফলত অঞ্চলটোত ব্যাপক হাৰত বৃদ্ধি পাইছে খহনীয়া। ইফালে অঞ্চলটোত চলাচল কৰি থকা ইঞ্জিন চালিত নাৱ সমূহ বন্ধ কৰিবলৈ স্থানীয় ৰাইজে প্ৰশাসনক দাবী জনাইছিল যদিও কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ। ফলত বৃহস্পতিবাৰে কাঠনিৰ এইসকল নৈপৰীয়া ৰাইজ এনেদৰে প্ৰশাসনৰ বিৰুদ্ধে আহিল ওলায়। জলসম্পদ বিভাগ আৰু আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে উত্তাল প্ৰতিবাদ।



জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
২৭ মে', ২০২২ ■ শুকুৰবাৰ ■ গুৱাহাটী ■ ১২ জেঠ, ১৯৪৪ শক


**আমগুৰি চাহ বাগিচাত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু**

# পূৰ্বৰ কংগ্ৰেছ চৰকাৰে চাহ কোম্পানীৰ দোষ দেখুৱাই চাহ বাগিচাৰ ৰাইজক ৰামঠগন দিছিল



**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২৬ মে' ঃ** পূৰ্বৰ কংগ্ৰেছ চৰকাৰে চাহ কোম্পানীৰ দোষ দেখুৱাই চাহ বাগিচাৰ ৰাইজক ৰামঠগন দিছিল। চাহ কোম্পানী সমূহে চাহ বাগিচা অঞ্চলৰ উন্নয়ন নকৰাৰ বাবে চাহ বাগিচাৰ অঞ্চলবোৰ আৰ্থ-সামাজিক ভাৱে পিছপৰি ৰ'ল। শিৱসাগৰ জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী আমগুৰি চাহ বাগিচাত অসম চৰকাৰে অনুমোদন দিয়া আমগুৰি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় মুকলি কৰি অসমৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এনেদৰে মন্তব্য কৰে। মন্ত্ৰী গৰাকীয়ে তেওঁৰ বক্তব্যত বৰ্তমান চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ যুগান্তকাৰী সিদ্ধান্তৰ ফলশ্ৰুতিত সম্প্ৰতি চাহ বাগিচা অঞ্চলসমূহত উন্নয়নৰ ধাৰা আৰম্ভ হৈছে বুলি তাৎপৰ্য মন্তব্য কৰে। বৰ্তমান চৰকাৰে বিশেষকৈ চাহ বাগিচা অঞ্চলৰ বাবে কৰা বিভিন্ন উন্নয়নমূলক কামৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰি মন্ত্ৰী গৰাকীয়ে পূৰ্বৰ চৰকাৰ বিলাকৰ কাৰ্যকালত চহৰ অথবা অন্যান্য গ্ৰামাঞ্চলতকৈ সততে পিছপৰি ৰোৱা চাহ বাগিচা অঞ্চলৰ ৰাইজে অন্যান্য অঞ্চলৰ সৈতে আৰ্থ-সামাজিক উন্নয়ৰ ক্ষেত্ৰত সমানে আগবাঢ়ি যোৱাৰ বাবে বৰ্তমান চৰকাৰখনে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি মন্তব্য কৰে। চাহ বাগিচা অঞ্চলৰ ৰাইজক শিক্ষা, স্বাস্থ্য আদি সকলো সুবিধা দিব পাৰিলে চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়েও প্ৰশাসনিক বিষয়া, চিকিৎসক, ইঞ্জিনিয়াৰ হ'ব পাৰিব বুলি কয়। সভাত শিৱসাগৰ জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমল জ্যোতি গগৈ উপস্থিত থাকি অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আমগুৰি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ে সুশিক্ষা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। পুনম ঘাটোৱাৰে পৰিবেশন কৰা এটি বৰগীতেৰে আৰম্ভ হোৱা এই নৱ নিৰ্মিত আদৰ্শ বিদ্যালয়খনৰ উদ্বোধনী সভাত শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘনিধি দাহাল, আমগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° আছফিয়া চুলতান, আমগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মিতালী লাইন, আমগুৰি আউনী আটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰ, কালুগাঁৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পবিত্ৰ প্ৰাণ ভট্টাচাৰ্য, সত্ৰাধিকাৰ দেৱ মহন্ত, বীৰেন গোৱালাকে মুখ্য কৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৰঙণি বিচৰাৰ পূৰ্বে হিমন্ত বিশ্ব শৰ্মাই ক'ভিড কেয়াৰ ফাণ্ডৰ হিচাব দিয়ক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ মে' ঃ** অসমত হোৱা প্ৰলয়ংকাৰী বানৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৰঙণি আহ্বান কৰি বিজ্ঞাপন প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৰঙণি আহ্বান সাধাৰণ কথা যদিও ক'ভিডৰ সময়ত অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ক'ভিড কেয়াৰ ফাণ্ডৰ হিচাব দাখিল কৰিবলৈ এতিয়াও বাকী আছে। সেয়ে আম আদমী পাৰ্টীয়ে পুনৰ সাহায্য পুঁজিলৈ বৰঙণি আহ্বান কৰাৰ পূৰ্বে ক'ভিড কেয়াৰ ফাণ্ডৰ হিচাব দাখিল কৰিবলৈ দাবী জনাইছে। ক'ভিডৰ সময়ত অসমত বিভিন্ন ব্যক্তি আৰু কোম্পানীৰ পৰা চৰকাৰে কোটি কোটি টকা বৰঙণি লাভ কৰিছিল। আনকি কৰ্মচাৰীসকলৰ পৰাও এদিনৰ দৰমহা কাটি ৰখা হৈছিল। এই বৃহৎ ধনৰাশি কি কি কামত চৰকাৰে খৰচ কৰিলে, সেই বিষয়ে জানিবলৈ বিভিন্ন পক্ষই দাবী জনাই আহিছে যদিও চৰকাৰে ইয়াৰ উত্তৰ দিয়া নাই। বিধানসভাতো বিষয়টো বিৰোধীয়েহে উত্থাপন কৰিছে যদিও বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে খৰচৰ হিচাব কৰি থকা হৈছে বুলি কৈ উত্তৰ দিয়াৰ পৰা বিৰত থকা আম আদমী পাৰ্টীয়ে উদ্বিগ্নতাৰে লক্ষ্য কৰিছে। ইফালে এই পুঁজিৰ ধনৰ ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উত্থাপন হৈছে। কোনো নিয়ম নমনাকৈ কোটি কোটি টকাৰ ঠিকা আবণ্টনৰ গুৰুতৰ অভিযোগত অভিযুক্ত বিজেপি চৰকাৰ। এই অনিয়মক আম আদমী পাৰ্টীয়ে বৃহৎ কেলেংকাৰী হিচাপে অভিহিত কৰে। চৰকাৰী ধন এনেদৰে ব্যয় কৰা চৰকাৰ জনতাৰ ওচৰত জবাবদিহি হ'বই লাগিব। অসমৰ অৰ্থনীতিৰ ওপৰত কু-প্ৰভাৱ পেলোৱা এনেধৰণৰ পুঁজিৰ অপব্যৱহাৰ বন্ধ নোহোৱাকৈ পুনৰ বানৰ নামত মুখ্যমন্ত্ৰীয়ে সাহায্য পুঁজিলৈ বৰঙণি আহ্বান কৰা কাৰ্য আম আদমী পাৰ্টীয়ে কোনোপধ্যে মানি ল'ব নোৱাৰে। অসমক দুৰ্নীতিমুক্ত ৰাজ্য হিচাপে চাব বিচৰা প্ৰতিজন নাগৰিকে আশা কৰে ক'ভিড কেয়াৰ ফাণ্ডৰ হিচাব চৰকাৰে দাখিল কৰক। অন্যথা সাহায্য পুঁজিলৈ মুখ্যমন্ত্ৰী মহোদয়ে বৰঙণি আহ্বান কৰাৰ নৈতিক অধিকাৰ হেৰুৱাই পেলাইছে।

# নেলীত দুৰ্ঘটনাগ্ৰস্ত গাড়ী জ্বলি ভস্মীভূত, কথমপি প্ৰাণৰক্ষা তিনি আৰোহীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাৰপূজীয়া, ২৬ মে' ঃ** জাগীৰোডৰ নেলীত আজি পুৱতি নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে জ্বলি ভস্মীভূত হয় এখন বিলাসী বাহন । নেলীৰ উৰণীয়া সেঁতুৰ সমীপত নিয়ন্ত্ৰণ হেৰুৱাই আন এখন গাড়ীত খুন্দা মৰাৰ ফলতে জ্বলি যায় বিলাসী হুণ্ডাই গাড়ীখন । গুৱাহাটীৰ পৰা নগাঁৰ অভিমুখী আছিল গাড়ীখন । পথত দপ্‌দপ্ কৈ জ্বলি যোৱা হুণ্ডাই গাড়ীখনৰ নম্বৰ হৈছে এ এছ ০১ ই ভি ৫৩৩৯। এই ভয়ংকৰ দুৰ্ঘটনাটোত গাড়ীখনত থকা তিনিজন আৰোহীৰ কথমপি প্ৰাণ ৰক্ষা পৰে যদিও তিনিওজন লোক আঘাতপ্ৰাপ্ত হয় । ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ আঘাতপ্ৰাপ্ত লোক তিনিজনক লগে লগে নেলী ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰে। জানিব পৰা মতে উক্ত লোক তিনিজনৰ ঘৰ নগাঁৱত। পথতে জ্বলি উঠা গাড়ীখন পাছত আৰক্ষীয়ে অগ্নি নিৰ্বাপক গাড়ীৰ সহায়ত জুই নুমুৱাবলৈ সক্ষম হয়।

# অন্ধকুঠৰীত পুত্ৰ ঃ ন্যায় বিচাৰি প্ৰতিবাদ কৰি কৰি যোৰহাট ৰাজপথত ঢলি পৰিল বয়োজ্যেষ্ঠা মাতৃ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২৬ মে' ঃ** ছ'চিয়েল মিডিয়াত আলফাৰ এটা ভিডিঅ'ত এটা কমেণ্ট কৰিছিল যোৰহাট খুটীয়াপোটা নৱজ্যোতি দাস নামৰ এজন যুৱকে।তাৰ পিছতেই নিশাৰভাগত যুৱকজনৰ ঘৰত উপস্থিতত হ'ল আৰক্ষী। আৰক্ষীয়ে যুৱকজনক এটা চহী কৰাই আকৌ এৰি দিয়াৰ প্ৰতিশ্ৰুতি দি আহিছিল পিতৃ-মাতৃক। পিতৃ-মাতৃক দি থৈ অহা প্ৰতিশ্ৰুতি পাহৰি যোৰহাট আৰক্ষীয়ে নৱজ্যোতি দাসক জেল হাজোতলৈ প্ৰেৰণ কৰে।।পুত্ৰক পুনৰ ঘৰলৈ পঠিয়াই দিয়া প্ৰতিশ্ৰুতিক অৱমাননা কৰি আৰক্ষীয়ে অন্ধ কাৰাগাৰৰ কুঠৰীলৈ পুত্ৰক প্ৰেৰণ কৰা খবৰ পিতৃ-মাতৃ আৰু গাৱৰ ৰাইজে জানিব পাৰি আজি যোৰহাট আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সন্মুখৰ এটি ৰোড অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পুত্ৰৰ ন্যায় দাবীৰে প্ৰতিবাদ কৰি থাকোতে শোকত ভাগি পৰি ৰাজপথতে মূৰ্চা যায় দুৰ্ভগীয়া মাতৃগৰাকী। উল্লেখযোগ্য যে দুৰ্ভগীয়া নৱজ্যাতিয়ে বিভিন্ন সময়ত আৰক্ষীকে ধৰি অৰ্ধসামৰিক বাহিনী পৰীক্ষাত অৱতীৰ্ণ হৈ আহিছিল যদিও কৃতকাৰ্য হ'ব পৰা নাছিল। খং অভিমান আৰু হতাশাত ভুগি এইদৰে আলফা এটা ভিডিঅ'ত ছ'চিয়েল মিডিয়াত কমেণ্ট কৰিছিল।

**প্ৰধানমন্ত্ৰী আৱাস যোজনা চহৰাঞ্চলৰ গৃহৰ আধাৰশিলা স্থাপন বিধায়ক ৰূপক শৰ্মাৰ**

# নিজৰ এখন আপোন ঘৰ গঢ় দিয়াৰ সপোন থাকে সকলোৰে ঃ ৰূপক শৰ্মা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ মে' ঃ** নিজৰ এখন আপোন ঘৰ গঢ় দিয়াৰ সপোন থাকে সকলোৰে। অৱশ্যে বহুতৰে বাবে সেয়া সম্ভৱ হৈ নুঠে। তেনে লোকসকলৰ সপোন পূৰণৰ বাবেই দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে "প্ৰধানমন্ত্ৰী আৱাস যোজনা" শীৰ্ষক এক অভিলাষী আঁচনি ৰূপায়ন কৰিছে। এই আঁচনিৰ জৰিয়তে ইতিমধ্যে আৰ্থিকভাবে দুৰ্বল দেশৰ লাখ লাখ জনগণৰ এখন আপোন ঘৰ সম্ভৱ হৈ উঠিছে। এই মন্তব্য নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ । আজি নগাঁও চহৰৰ ১৮ নং ৱাৰ্ডত প্ৰধানমন্ত্ৰী আৱাস যোজনা চহৰাঞ্চলৰ অধীনত গৃহৰ আধাৰশিলা স্থাপন কৰি বিধায়ক ৰূপক শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনা চহৰাঞ্চলৰ জৰিয়তে হিতাধিকাৰীসকলৰ নিজৰ এখন আপোন ঘৰৰ সপোন বাস্তৱায়িত হোৱা বুলি উল্লেখ কৰি লগতে কয় যে অসমতো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰ্থিকভাবে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ নিজাকৈ এখন আপোন ঘৰ নিৰ্মানৰ সপোন পূৰণ হৈছে। বিধায়ক শৰ্মাই নগাঁও পৌৰসভাৰ ১৮ নং ৱাৰ্ডত প্ৰধানমন্ত্ৰী আৱাস গৃহৰ আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থাকি সন্তোষ লাভ কৰা বুলিও মন্তব্য কৰে। আধাৰশিলা অনুষ্ঠানত নগাঁও পৌৰসভাৰ পৌৰপতি অম্বিকা মজুমদাৰ , উপ-পৌৰপতি সীমান্ত বৰা, ১৮ নং ৱাৰ্ডৰ আয়ুক্ত সুব্ৰত দত্ত ,প্ৰাক্তন উপ পৌৰপতি মৃণালিনী ৰয় প্ৰমুখ্যে নগৰ উন্নয়ন বিভাগ, পৌৰসভাৰ বিষয়া সকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।




**অসম কৃষি বিশ্ববিদ্যালয়লৈ ৰাষ্ট্ৰীয় সন্মান**

# ৰাষ্ট্ৰীয় কৃষি শিক্ষা মূল্যায়ন ব'ৰ্ডৰ 'এ' গ্ৰেড লাভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২৬ মে' ঃ** কৃষি শিক্ষা, গৱেষণা আৰু সম্প্ৰসাৰণৰ দিশত প্ৰণালীবদ্ধভাৱে আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়লৈ ৰাষ্ট্ৰীয় কৃষি শিক্ষা মুল্যায়ন ব'ৰ্ডে 'এ' গ্ৰেড প্ৰদান কৰিছে । ৰাষ্ট্ৰীয় কৃষি শিক্ষা মূল্যায়ন ব'ৰ্ডৰ ১৭ মাৰ্চ ২০২২ তাৰিখে অনুষ্ঠিত ৩০ সংখ্যক সভাৰ সিদ্ধান্ত মৰ্মে অসম কৃষি বিশ্ববিদ্যালয়ক এ গ্ৰেড প্ৰদান কৰিছে। ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ শিক্ষাৰ মান পৰীক্ষা আৰু সংস্কাৰ শাখাৰ সহকাৰী সঞ্চালক প্ৰধান ড° পি এছ পাণ্ডেই অসম চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যলৈ প্ৰেৰণ কৰা পত্ৰৰ জৰিয়তে এই বিষয়ে জানিবলৈ দিছে । বিশ্ববিদ্যালয়খনৰ এই মূল্যায়ন ৩১ মাৰ্চ ২০২৬ লৈকে অহা ৫ বছৰৰ বাবে প্ৰযোজ্য হব। উল্লেখ্য, ৰাষ্ট্ৰীয় কৃষি শিক্ষা মুল্যায়ন বৰ্ডৰ পাঁচজনীয়া এটা দলে বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯খন মহাবিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে দৃশ্যশ্ৰব্য ব্যৱস্থাপনাৰে বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ অৱস্থাৰ বিস্তৃতভাবে বুজ লোৱাৰ পাছত এই সন্মান প্ৰদান কৰে । এই মূল্যায়নৰ পাছত বিশ্ববিদ্যালয়খনে স্ব-শিক্ষণ ব্যৱস্থাৱলী, শিক্ষাৰ্থী-শিক্ষক তথা ডিগ্ৰী পাঠ্যক্ৰমৰ গতিবিধি নিয়মীয়াকৈ পৰ্যবেক্ষণ কৰিব ভাৰতীয় কৃষি অনুসন্ধান পৰিষদে। তদুপৰি স্নাতক-স্নাতকোত্তৰ আৰু পি এইচ ডি ডিগ্ৰী সম্পৰ্কীয় সামৰ্থতা তথা ফেকাল্টী- কাৰিকৰী আৰু সহযোগী কৰ্মচাৰীৰ স্ব-মুল্যায়িত প্ৰতিবেদনো নিয়মীয়াকৈ প্ৰস্তুত কৰিব লাগিব। ইতিমধ্যে এই খবৰে অসম কৃষি বিশ্ববিদ্যালয় পৰিয়ালক উৎফুল্ল কৰি তুলিছে। এই সন্দৰ্ভত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুত চন্দন ডেকাই কয় যে এই সন্মান আমাৰ দলগত প্ৰচেষ্টাৰ ফচল । আমাৰ বিশ্ববিদ্যালয় পৰিয়ালে সামুহিকভাবে দায়বদ্ধতাৰে নিৰৱচ্ছিন্নভাবে কাম কৰি অহাৰ বাবেই আমি এইবাৰ ৩:২০ লাভ কৰি এ গ্ৰেড লাভ কৰিছো। এই গ্ৰেড লাভৰ পাছত আমাৰ বিশ্ববিদ্যালয়ে আৰ্থিক অনুদান লাভৰ দিশত অধিক সহায়ক হৈ আমাৰ উত্তৰণৰ দিশত ফলপ্ৰসূ হ'ব বুলি আশা কৰিছো।

# পেঙেৰীত আদৰ্শ বিদ্যালয়ৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ২৬ মে' ঃ** আজি ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে



পেঙেৰী চাহ বাগিচাত স্থাপিত চৰকাৰী আদৰ্শ বিদ্যালয়খন শুভ উদ্বোধন কৰে। তাৰ পাছতেই অনুষ্ঠিত উদ্বোধনী সভাত পেঙেৰী চাহ বাগিচাৰ পৰিচালক মঞ্জু বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰাৰ বিপৰীতে জ্যেষ্ঠ সাংবাদিক ৰবীন মৰাণ, স্থানীয় বিধায়ক ভাস্কৰ শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু পেঙেৰী চাহ বাগিচাৰ পৰিচালন সঞ্চালক, বিশিষ্ট পুঁজিপতি আনন্দ গোয়েলে বক্তব্য ৰাখে। উল্লেখ্য যে অসমৰ ১৭ খন জিলাৰ ৯৭ খন চৰকাৰী আদৰ্শ বিদ্যালয়ৰ উন্মোচনী কাৰ্য কালিৰে পৰা আৰম্ভ হৈ অহা ৩১ মে'ৰ ভিতৰত সামৰণি পৰিব। উক্ত সংখ্যক বিদ্যালয়ৰে ১৭ খন তিনিচুকীয়া জিলাত পৰতিস্থিত হৈছে। কিন্তু সেই সংখ্যক বিদ্যালয়ত নিয়োজিত ৯৭ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী নৱনিযুক্ত নহয়, প্ৰাদেশীকৃত বিদ্যালয়ৰ পৰা চান কাঢ়ি অনা শিক্ষক-শিক্ষয়িত্ৰীহে। এক কথাত কব লাগিব শিক্ষানুষ্ঠানখনৰ সুন্দৰ বাৰ্তাই পেঙেৰীত শৈক্ষিক দিশত অভূতপূৰ্ব অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব।

# নাজিৰা উঃ মাঃ বহুমুখী বিদ্যালয়ত উপস্থিত শিক্ষামন্ত্ৰী তথা প্ৰাক্তন ছাত্ৰ ডাঃ ৰণোজ পেগু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৬ মে' ঃ** নাজিৰাৰ দুখনকৈ আদৰ্শ বিদ্যালয় উদ্বোধন কৰিবলৈ আহি আজি ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগু পূৰ্বে পঢ়ি যোৱা নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত দুপৰীয়া উপস্থিত হয় । ১৯৭৩ চনত ষষ্ঠ শ্ৰেণীত নামভৰ্তি কৰি ১৯৭৬ চনত অষ্টম শ্ৰেণীৰ পৰা অন্য বিদ্যালয়লৈ যোৱা ডাঃ ৰণোজ পেগু আজি প্ৰাক্তন ছাত্ৰ হিচাপে নাজিৰাৰ শতবৰ্ষ গৰকা বিদ্যালয়ত উপস্থিত হৈ নষ্টাল'জিক হৈ পৰে। বিদ্যালয়ৰ শিক্ষক, শিক্ষয়িত্ৰী,ছাত্ৰ-ছাত্ৰীয়ে সম্বৰ্দ্ধনা জনোৱা সময়তে প্ৰাক্তন ছাত্ৰ তথা নাজিৰাৰ বিধায়ক তথা অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, বিজেপিৰ নেতা ময়ুৰ বৰগোহাঁই ,জিলা উপায়ুক্তৰ লগতে থাওৰাৰ বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকে ।প্ৰাক্তন ছাত্ৰ ডাং ৰনোজ পেগুৱে নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত পঢ়াৰ সময়ৰ ৰেজিষ্টাৰ বহীত নাম চাই নষ্টালজিয়া হৈ পৰে আৰু সেই সময়ত পঢ়াত বেয়া আছিল বুলি মন্তব্য কৰে।

NIT NO. 05 (RIDF-XXVII, NABARD) 2022-23

**SHORT NOTICE INVITING E-TENDER**

Chief Engineer, Minor Irrigation, Assam on behalf of Governor of Assam invites online bids for the works of 'Construction of Kairara, Paikarkuchi, Barkhanajan & Digheli Pathar MDTW I/Schemes under RIDF-XXVII (NABARD) 'amounting to Rs.118.109 Lakh (Approx) under Dharampur-Barkhetri-Nalbari Division (lrrigation) Nalbari. Details may be seen at website http://assamtenders.gov.in also in the office of the undersigned during office hours from 27/05/2022to 23/06/2022 up to 2PM.

**Chief Engineer,**
**Minor Irrigation, Assam**
**Chandmari, Guwahat-3.**

**Janasanyog /C/3274/22**

**Guwahati Metropolitan Development Authority**
STATFED Building, Bhangagarh, Guwahati - 781005
Website: **www.gmda.assam.gov.in** Tel: 0361-2529650/9824
E-mail: **ceogmdaghy@gmail.com** Fax: 0361-2529991

**No. GMDA/DEV/122/2022/18** **Dated: 26-05-2022**

**CORRIGENDUM**

In reference to this office Short Tender Notice No. GMDA/DEV/122/2022/6, dated 18-05-2022 and GMDA/DEV/122/2022/7, dated 18-05-2022, this is to inform all concerned that, the last date & time of submission of Online bids for procurement of Sodium Hypochlorite Solution & Ferric Alum is hereby extended till **04-06-2022 up to 3.00 P.M**. Accordingly the last date & time of opening of bids is also extended till **06-06-2022 up to 3.00 P.M**.

Further, in respect of supply of Sodium Hypochlorite solution, the specification should be read as "conforming to (IS 11673:1992) Grade-II" instead of "ISI marked" as appeared in the NIT due to oversight.

All other terms & conditions of the NIT & Detailed Bid Documents issued earlier shall remain unchanged. This Corrigendum may be seen and downloaded on Govt. e-tendering portal **https://assamtenders.gov.in** and in GMDA's website **www.gmda.assam.gov.in**.

*Sd/-* **Chief Executive Officer**
Guwahati Metropolitan Dev. Authority
Bhangagarh, Guwahati - 5

**Guwahati Metropolitan Development Authority**
STATFED Building, Bhangagarh, Guwahati - 781005
Website: **www.gmda.assam.gov.in** Tel: 0361-2529650/9824
E-mail: **ceogmdaghy@gmail.com** Fax: 0361-2529991

**No. GMDA/DEV/115/2022/18** **Dated: 26-05-2022**

**SHORT TENDER NOTICE**

Sealed tenders in prescribed format eventually to be drawn up in P.W.D. F-2 Form (Modified) affixing non-refundable court fee stamp of ₹8.25 (Rupees eight and paisa twenty five) only from reputed, experienced & financially sound individuals/ firms are invited by the undersigned at the office of the Guwahati Metropolitan Development Authority for the following works and will be received up to **2:30 P.M. on 03-06-2022** and will be opened at **3:00 P.M**. on the same day. In case of unscheduled holiday on the date of opening of the tender, the tender will be opened on the next working day at the same time and place. The Detailed Tender Papers may be obtained on all working days from **27-05-2022 to 02-06-2022** on payment of non-refundable tender fee of ₹500.00 (Rupees Five Hundred) only against the work at GMDA's cash counter up to **2.30 P.M**.

| Sl. No. | Description of Work | Approx. value of work (₹) | 2% Earnest Money (₹) |
|---|---|---|---|
| 1. | Supply & Installation of pre Fabricated and modular decorative structural patios made of sustainable materials in Hengrabari Park. | 23,65,348.00 | 47,307.00 |
| 2. | Supply & Installation of pre Fabricated and modular sitting arrangement made of sustainable materials in Hengrabari Park. | 14,34,627.00 | 28,693.00 |

*Sd/-* **Chief Executive Officer**
Guwahati Metropolitan Dev. Authority
Bhangagarh, Guwahati - 781005

**Form No. 3**
**[See Regulation-15 (1)(a)] / 16(3)**
**DEBTS RECOVERY TRIBUNAL GUWAHATI**
Suwarna Bhawan, House No. 12, New Town Path,
Near Hanuman Mandir, G.S. Road, Ulubari, Guwahati- 781007 (Assam)

**Case No.: OA / 94 / 2022**
**Summons under sub-section (4) of section 19 of the Act, read with sub-rule (2A) of rule 5 of the Debt Recovery Tribunal (Procedure) Rules, 1993.**
**Exh. No. 1820**

**BANK OF BARODA**
*- VS -*
**M/S. RONGPI TEA PLANTATION**

To,
**(1) M/S. RONGPI TEA PLANTATION**
Represented by its Proprietor, Shri Semn Rongpi, S/o Late Hari Chandra Rongpi, Vill- Singnot Teron Gaon .P.O.- Chowkihola, Karbi Anglong, Assam-782475
**(2) MR. JABIDUR RAHMAN**
S/o Azizur Rahman, Resident of Forest Range Office Tiniali, Ward No. 2, Golaghat, Assam.

**SUMMONS**

WHEREAS, OA/94/2022 was listed before Hon'ble Presiding Officer / Registrar on **20.05.2022.**

WHEREAS this Hon'ble Tribunal is pleased to issue summons/notice on the said Application under section 19(4) of the Act, (OA) filed against you for recovery of debts of **Rs. 33,52,079.03/-** (application along with copies of documents etc. annexed).

In accordance with sub-section (4) of section 19 of the Act, you, the defendants are directed as under :-

(i) to show cause within thirty days of the service of summons as to why relief prayed for should not be granted;

(ii) to disclose particulars of properties or assets other than properties and assets specified by the applicant under serial number 3A of the original application;

(iii) you are restrained from dealing with or disposing of secured assets or such other assets and properties disclosed under serial number 3A of the original application, pending hearing and disposal of the application for attachment of properties;

(iv) you shall not transfer by way of sale, lease or otherwise, except in the ordinary course of his business any of the assets over which security interest is created and/or other assets and properties specified or disclosed under serial number 3A of the original application without the prior approval of the Tribunal;

(v) you shall be liable to account for the sale proceeds realised by sale of secured assets or other assets and properties in the ordinary course of business and deposit such sale proceeds in the account maintained with the bank or financial institutions holding security interest over such assets.

You are also directed to file the written statement with a copy thereof furnished to the applicant and to appear before **Registrar** on **05.07.2022** at **10:30 A.M.** failing which the application shall be heard and decided in your absence.

**Given under my hand and the seal of this Tribunal on this date: 21.05.2022.**
Signature of the Officer Authorised to issue summons

**Form No. 3**
**[See Regulation-15 (1)(a)] / 16(3)**
**DEBTS RECOVERY TRIBUNAL GUWAHATI**
Suwarna Bhawan, House No. 12, New Town Path,
Near Hanuman Mandir, G.S. Road, Ulubari, Guwahati- 781007 (Assam)

**Case No.: OA / 95 / 2022**
**Summons under sub-section (4) of section 19 of the Act, read with sub-rule (2A) of rule 5 of the Debt Recovery Tribunal (Procedure) Rules, 1993.**
**Exh. No. 1821**

**BANK OF BARODA**
*- VS -*
**M/S. SARSING TEA PLANTATION**

To,
**(1) M/S. SARSING TEA PLANTATION**
Represented by its Proprietor, Mr. Sarsing Terang, S/o Mr. Waisong Terang, Village- Singnot Teron Gaon, P.O.- Chowkihola, Karbi Anglong, Assam-782475.
**(2) MRS. MONISHA HAZARIKA**
W/o Late Biren Hazarika, Resident of Marwari Patty, Ward No. 1, Golaghat.

**SUMMONS**

WHEREAS, OA/95/2022 was listed before Hon'ble Presiding Officer / Registrar on **20.05.2022.**

WHEREAS this Hon'ble Tribunal is pleased to issue summons/notice on the said Application under section 19(4) of the Act, (OA) filed against you for recovery of debts of **Rs. 33,49,640.48/-** (application along with copies of documents etc. annexed).

In accordance with sub-section (4) of section 19 of the Act, you, the defendants are directed as under :-

(i) to show cause within thirty days of the service of summons as to why relief prayed for should not be granted;

(ii) to disclose particulars of properties or assets other than properties and assets specified by the applicant under serial number 3A of the original application;

(iii) you are restrained from dealing with or disposing of secured assets or such other assets and properties disclosed under serial number 3A of the original application, pending hearing and disposal of the application for attachment of properties;

(iv) you shall not transfer by way of sale, lease or otherwise, except in the ordinary course of his business any of the assets over which security interest is created and/or other assets and properties specified or disclosed under serial number 3A of the original application without the prior approval of the Tribunal;

(v) you shall be liable to account for the sale proceeds realised by sale of secured assets or other assets and properties in the ordinary course of business and deposit such sale proceeds in the account maintained with the bank or financial institutions holding security interest over such assets.

You are also directed to file the written statement with a copy thereof furnished to the applicant and to appear before **Registrar** on **05.07.2022** at **10:30 A.M.** failing which the application shall be heard and decided in your absence.

**Given under my hand and the seal of this Tribunal on this date: 21.05.2022.**
Signature of the Officer Authorised to issue summons

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৭ মে'■২০২২■ ১২ জেঠ ■গুৱাহাটী

## ছিপাঝাৰত শোকাৱহ দুৰ্ঘটনা আৰু উন্নয়নৰ ছবি

ৰাজ্যত সঘনাই সংঘটিত আইন বলৱৎ থকা সত্ত্বেও ৰুধিব পৰা নাই ভয়াৱহ দুৰ্ঘটনা। ছিপাঝাৰৰ লেখাৰুপাৰাত পোন্ধৰ নং ৰাষ্ট্ৰীয় ঘাইপথত পুৱা ৫.১৫ বজাক সংঘটিত এটা শোকাৱহ পথ দুৰ্ঘটনাত তিনি ছাত্ৰসহ পাঁচজন লোকৰ মৃত্যু ঘটে সৌ সিদিনা। সেইদিনা আনদিনাৰ দৰে ছিপাঝাৰৰ মাৰৈৰ জিণ্টুমণি, ইন্দাদুল আৰু ৰেকিব আলীৰ মৃত্যু হয়। উল্লেখ্য যে, তিনিওজনে সমনীয়া বন্ধুৰ সৈতে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰলৈ দৌৰিবলৈ আহিছিল। খেলপথাৰত অনুশীলন কৰি ঘৰলৈ উভতি যোৱাৰ পথত লেখাৰুপাৰাৰ সমীপত ৰাষ্ট্ৰীয় ঘাইপথত তেওঁলোকক গুৱাহাটীমুখী নিয়ন্ত্ৰণহীন তীব্ৰবেগী ট্ৰাক এখনে পিছফালৰ পৰা মহটিয়াই নিয়ে। লগতে ৰাষ্ট্ৰীয় পথটোৰে প্ৰাতঃভ্ৰমণলৈ যোৱা লেখাৰুপাৰাৰ দুগৰাকী মহিলাকো একে সময়তে ট্ৰাকখনে মহটিয়াই নিয়ে। দুয়োগৰাকীকে জৰুৰী চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়াৰ পথত মৃত্যু হয়। বাকী তিনিজন আঘাতপ্ৰাপ্ত চাহিল আখতাৰ, ইয়াজুল হক আৰু ফাৰুক আহমেদ সম্প্ৰতি গুৱাহাটীত চিকিৎসাধীন হৈ আছে। মন কৰিবলগীয়া কথাটো হৈছে দুৰ্ঘটনাটোত মৃত্যু হোৱা তিনিওজন ছাত্ৰই এইবেলিৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। চৰম আৰ্থিক দীনতাৰ মাজেৰে অধ্যয়নৰ লগতে নিয়মীয়াকৈ ক্ৰীড়াৰ অনুশীলন কৰি অহা ছাত্ৰকেইজনে ভৱিষ্যতে আৰক্ষী নাইবা ভাৰতীয় সৈন্য বাহিনীত সংস্থাপন লাভৰ সপোন দেখিছিল। দৌৰি আৰু শাৰীৰিক অনুশীলন কৰি ৰাজ্যৰ হাজাৰ হাজাৰ যুৱতীয়ে আৰক্ষীত নিযুক্তি লাভৰ উৎসাহজনক বিষয়টোৱে আন বহুতৰ লগতে এই ছাত্ৰকেইজনৰ মনতো সপোন, আশাৰ সঞ্চাৰ কৰিছিল। সেই সপোন আৰু আশাক লৈয়েই ছাত্ৰকেইজনে নিজে পুৱা দৌৰা আৰু শাৰীৰিক অনুশীলন অব্যাহত ৰাখিছিল। কিন্তু এখন কালৰূপী ট্ৰাকে নিমিষতে চূৰমাৰ কৰিলে তেওঁলোকৰ সেই সপোন, আশা-আকাংক্ষা। উল্লেখ্য যে, মৃত্যু হোৱা ইন্দাদুল হকৰ ঘৰুৱা অৱস্থা অতি শোচনীয়। পিতৃ-মাতৃৰ আশা ল'ৰাই পঢ়া-শুনা কৰি চাকৰি কৰি ঘৰখন স্বচ্ছল কৰিব। ৰেকিবৰ পিতৃয়ে ৰিক্সাৰে ৰন্ধন গেছ ঘৰে ঘৰে দি আশা পুহিছিল ল'ৰাই আৰক্ষীত চাকৰি কৰিব। এই অভিশপ্ত পুৱাতেই তেওঁলোকৰ সপোন থানবান হৈ গ'ল। নিষ্ঠুৰ নিয়তিয়ে সকলো কাঢ়ি লৈ গ'ল। উল্লেখ্য যে, দৰঙৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথটোৰ কোনো উন্নয়ন নোহোৱা আৰু মঙলদৈৰ পৰা বাইহাটালৈ এই পথছোৱাত সঘনাই সংঘটিত দুৰ্ঘটনাৰ বাবে দৰংবাসী তথা বিভিন্ন দল-সংগঠনে ওজৰ-আপত্তি দি আহিছে। উল্লেখ্য যে ৰাজ্যখনত শিক্ষা, ক্ৰীড়া আদি সকলো দিশতে ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলক আগবঢ়াই নিয়াৰ প্ৰতিশ্ৰুতি প্ৰতিখন চৰকাৰেই প্ৰদান কৰি আহিছে যদিও সমগ্ৰ অঞ্চলটোত কোনো এখন খেলপথাৰ নাই। ৰাইজে দাবী কৰি অহা সত্ত্বেও অঞ্চলটোত খেলপথাৰৰ কোনো আঁচনি চৰকাৰৰ হাতত নাই। দুৰ্ঘটনাৰ পিছত সেই দাবী পুনৰ উঠিছে। ইতিমধ্যে ছিপাঝাৰবাসীয়ে বছৰ বছৰ ধৰি ব্যস্ত পোন্ধৰ নং ৰাষ্ট্ৰীয় পথটোৰ কোনো ধৰণৰ উন্নয়ন নোহোৱাৰ অভিযোগ পুনৰ চৰকাৰৰ ওচৰত আৱেদন জনাইছে। কোনো কোনো সময়ত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ কৰি অহাৰ দৰে ঘটনা সংঘটিত হোৱাৰ পিছত ক্ষুব্ধ ৰাইজে আজিও প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে লোকসভা কিম্বা বিধানসভাৰ নিৰ্বাচনৰ আগত প্ৰতিগৰাকী প্ৰাৰ্থীয়ে পোন্ধৰ নং ৰাষ্ট্ৰীয় ঘাইপথ চাৰিশৰীয়া কৰি বাইপাছ কৰাৰ প্ৰতিশ্ৰুতি দি আহিছে যদিও সকলো ফুটুকাৰ ফেন হৈ যায়। দৰংবাসীক এনেদৰেই প্ৰৱঞ্চনা কৰি অহাৰ অভিযোগ প্ৰতিখন চৰকাৰকেই ৰাইজে দোষাৰোপ কৰি আহিছে যদিও কোনো ফল ধৰা নাই। উন্নয়নৰ জয়ঢোল বজোৱা চৰকাৰে অনাগত দিনত কেনে ব্যৱস্থা লয় সেয়াহে লক্ষণীয় হ'ব।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### স্থায়ী সমাধান কৰাত চৰকাৰ ব্যৰ্থ হৈছে

বিগত কিছুদিন ধৰি বাতৰিকাকত বা অন্যান্য দূৰদৰ্শনত উপলব্ধ বানাপানী আৰু ভূমিস্খলনৰ বাতৰিয়ে জনসাধাৰণক আতংকিত কৰি তুলিছে। বিগত বৰ্ষৰ দৰে এই বৰ্ষতো বানাক্ৰান্তৰ হাহাকাৰ আৰু ভূমিস্খলনৰ প্ৰসংগই বাতৰিৰ শিৰোনাম দখল কৰিবলৈ সক্ষম হৈছে। ই অসমৰ জনসাধাৰণৰ বাবে দুৰ্ভাগ্যজনক। কিয়নো বিভিন্ন প্ৰতিশ্ৰুতি লৈ সহানুভূতিৰ মুখা পিন্ধি চৰকাৰ আহে আৰু যায়, কিন্তু বানাক্ৰান্তৰ হাহাকাৰ প্ৰতি বছৰে দেখে-শুনে, তথাপি তাৰ স্থায়ী সমাধান কৰাত গুৰুত্ব নিদিয়ে। আনকি বিশেষজ্ঞৰ সহায় লৈ স্থায়ী সমাধানৰ ব্যৱস্থা কৰা আজিলৈকে দেখা পোৱাৰ সৌভাগ্য নহ'ল। আনহাতে, হেলিকপ্টাৰেৰে পৰিদৰ্শন কৰা, সাহায্য আগবঢ়োৱা, ইয়াকে ৰাজনীতিৰ ৰূপ দি শাসক-বিৰোধীৰ মাজত হোৱা নাটক প্ৰত্যেক বছৰে উপলব্ধ হয়। আপোনজনক হেৰুৱাৰ দুখ কেৱল সাধাৰণ জনতাইহে উপলব্ধি কৰিব পাৰে। এতিয়া প্ৰশ্ন হয় যে বানপানী আৰু ভূমিস্খলনৰ সমস্যাৰ কেতিয়া ওৰ পৰিব? ইয়াৰ স্থায়ী সমাধান কেতিয়াও নোলাব নেকি? শাসক পক্ষই স্থায়ী সমাধানৰ বাবে কিবা দিহা দিব পাৰিবনে? জনসাধাৰণে আকৌ আপোনজনক হেৰুৱাব লগা হ'ব নেকি? ইয়াৰ স্থায়ী সমাধান কি হ'ব?

■ ৰিতু ৰশ্মি হাজৰিকা
ফোন ঃ ৯৭০৬৬-১৬৪৩৫

### মুখ্যমন্ত্ৰীৰ অনিৰুদ্ধ জয় যাত্ৰা

সময় গতিশীল, আহিব চৰকাৰ, যাব চৰকাৰ কিন্তু ৰৈ যাব কৰ্ম। যি দৰে আদৰ্শ, সততা, নিৰ্ভীকতাৰ বাবে আজিও মাননীয় অটলবিহাৰী বাজপেয়ী ডাঙৰীয়াৰ নাম লয়। বৰ্তমান দেশৰ একমাত্ৰ শক্তিশালী সুদক্ষ ৰাষ্ট্ৰীয় ৰাজনৈতিক দল বিজেপি। কিমান চেষ্টা, ত্যাগ আৰু দেশৰ প্ৰতি থকা শ্ৰদ্ধাৰ বাবে এয়া সম্ভৱ হৈছে জনতাই জানে। ১৯৯১ চনত মাত্ৰ দহজন সদস্য অসম বিধানসভালৈ নিৰ্বাচিত হোৱা বিজেপি দল আজি বিপুল সংখ্যাগৰিষ্ঠ। দেশৰ প্ৰতি ভক্তি জনতাৰ প্ৰতি দায়বদ্ধতা থাকিলে, দৃঢ়তা, কৰ্মস্পৃহা থাকিলে দল যিয়ে নহওক প্ৰগতিৰ পথ অনিৰুদ্ধ বুলি প্ৰমাণ কৰিলে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। অসমবাসীৰ চৰকাৰ পৰিৱৰ্তন মুখ্যমন্ত্ৰীৰ পৰিৱৰ্তনৰ বহু অভিজ্ঞতা আছিল কিন্তু ড° হিমন্ত বিশ্ব শৰ্মাই শাসনৰ বাঘজৰী হাতত লোৱাৰ পাছত হোৱা পৰিৱৰ্তন আমাৰ বাবে অভূতপূৰ্ব। আগতে কোনো কোনো মুখ্যমন্ত্ৰীয়ে শাসন ভাৰ লৈ পূৰ্বৰ চৰকাৰক দোষ দি কৰ্মচাৰীক নিয়মীয়াকৈ দৰমহাকে দিব নোৱাৰিছিল। কেন্দ্ৰৰ স'তে বুজাবুজিৰ চুক্তি আদি বিভিন্ন কথাৰে বহু বছৰ নিযুক্তি বন্ধ হৈছিল। চাকৰি পালেও দৰমহা কেতিয়া লাভ কৰিব অনিশ্চিত আছিল। আজিকালি সকলো সলনি কৰিলে ড° হিমন্ত বিশ্ব শৰ্মাই। কৰ'নাই কোঙা কৰাৰ সময়তো সাধাৰণ জনতাক সঞ্জীৱনী দিলে মুখ্যমন্ত্ৰী ডাঙৰীয়াই। বিষয়াৰ হেমাহি বা কাৰ্যকাৰিতাৰ অদক্ষতাৰ বাবে কোনো কোনো ক্ষেত্ৰত অনিয়ম-অভিযোগৰ বাতৰি প্ৰকাশিত হ'লেও বৰ্ষপূৰ্তিত এক কথাত মুখ্যমন্ত্ৰীক প্ৰশংসা কৰিব লাগিব। ৰাইজে বিচৰা ধৰণে এশ শতাংশ বা নব্বৈ শতাংশ কাম পূৰ্বৰ চৰকাৰে কৰিছিল বা ভৱিষ্যতে কৰিব পাৰিব বুলি ক'ব নোৱাৰি। প্ৰথম বাৰ্ষিকৰ কৰ্মক্ষমতা দেখি সম্পূৰ্ণ পাঁচ বছৰত ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে প্ৰায় আশী শতাংশ কাম কৰিব পাৰিব বুলি আশা কৰিব পাৰি। শেহতীয়াকৈ আৰক্ষী নিযুক্তিত মেধা আৰু দুখীয়া পৰিয়ালৰ যুৱকে চাকৰি লাভ কৰা শুনি সুখী হ'লোঁ। চৰকাৰী বিভাগসমূহ আগতকৈ সক্ৰিয় আৰু জনতাৰ ওচৰ চপাই অনাৰ বাবে বৰ্ষপূৰ্তিৰ সুবিধাতে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিলোঁ। খেলিমেলি কম আৰু উন্নয়নৰ অনিৰুদ্ধ গতিৰ আশাৰে।

■ পৱন কুমাৰ বৰা
ফোন ঃ ৮৬৩৮৯-২৪৬৭৭

■ চৰাইদেউৰ ওঠৰখন চৰকাৰী বিদ্যালয়ত অনিৰ্দিষ্ট কাললৈ লাগিল তলা ■

# বিদ্যালয় চামিলকৰণে উদঙাইছে শিক্ষা বিভাগৰ নগ্ন স্বৰূপ ঃ কোন দিশে চৰকাৰী ব্যৱস্থা

মৃদুল কুমাৰ চাহু

ৰাজ্যৰ শিক্ষা বিভাগে অতি ধুম-ধামেৰে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ যোগ্যতাৰ পৰীক্ষা লোৱা সন্ধিক্ষণতেই চৰাইদেউ জিলাৰ চৰকাৰী বিদ্যালয়সমূহৰ এখন কৰুণ ছবি বহিঃপ্ৰকাশ ঘটিল। বহুকেইটা যুগান্তকাৰী আঁচনিয়ে শিক্ষা ব্যৱস্থাত উত্তৰণ ঘটাবলৈ চেষ্টা কৰা চৰকাৰৰ সন্মুখতে চৰকাৰী বিদ্যালয়সমূহত দ্ৰুতগতিৰে ছাত্ৰ-ছাত্ৰী হ্ৰাস পোৱাৰ ফলত শিক্ষা বিভাগে বাধ্য হৈ বহুসংখ্যক বিদ্যালয়ত অনিৰ্দিষ্ট কালৰ বাবে তলা লগাবলৈ বাধ্য হৈছে। এফালে চৰকাৰী বিদ্যালয়ত শিক্ষক নিযুক্তি ত্বৰান্বিত গতিৰে অব্যাহত ৰখাৰ সময়ছোৱাৰেই চৰাইদেউ জিলাৰ সোণাৰি শিক্ষা খণ্ডৰ অধীনৰ প্ৰায় তেৰখনতকৈ অধিক উচ্চ নিম্ন প্ৰাথমিক বিদ্যালয়ক ছাত্ৰ-ছাত্ৰীৰ অভাৱত পাৰ্শ্ববৰ্তী বিদ্যালয়ত সংলগ্ন কৰিছে। লক্ষ লক্ষ টকা অপচয় ব্যয় কৰি নিৰ্মাণ কৰা চৰকাৰী বিদ্যালয়কেইখন চামিলকৰণ কৰাৰ পিছতেই উক্ত বিদ্যালয়সমূহৰ অস্তিত্বহীন হৈ পৰিব। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিৰূপণ নকৰাকৈ লক্ষ লক্ষ টকা অপচয় কৰি নিৰ্মাণ কৰা বিদ্যালয়সমূহক ছাত্ৰ-ছাত্ৰীৰ অভাৱত চামিলকৰণৰ দ্বাৰা অনিৰ্দিষ্ট কাললৈ তলাবন্ধ কৰাত একোখন শিক্ষানুষ্ঠান বন্ধ হৈ পৰিল। বহু আশা আৰু প্ৰত্যাশাৰে অঞ্চলটোৰ সচেতন নাগৰিকসকলে শৈক্ষিক দিশটোক গুৰুত্ব আৰোপ কৰি প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ পৰাত শিক্ষানুষ্ঠানসমূহ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা সচেতন ব্যক্তিসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিগত নব্বৈ দশকলৈকে উক্ত বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী গিজগিজাই আছিল। পৰ্যায়ক্ৰমে বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দ্ৰুতগতিৰে হ্ৰাস পাব ধৰে। গ্ৰাম্য অঞ্চলৰ অভিভাৱকসকলৰ মাজত চৰকাৰী বিদ্যালয়ৰ প্ৰতি মোহভংগ ঘটাৰ পৰিণামত অভিভাৱকসকল নিজৰ সন্তানৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি বেচৰকাৰী খণ্ডৰ বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত হৈ নিজৰ সন্তানক নামভৰ্তি কৰাবলৈ ধৰে। কিয় চৰকাৰী শিক্ষানুষ্ঠানৰ প্ৰতি অভিভাৱকৰ মোহভংগ ঘটিছে বিদ্যালয়ৰ লগত জড়িত শিক্ষক-শিক্ষয়িত্ৰীসকলে কেতিয়াবা আত্মসমালোচনা কৰিছিল নে? ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত হ্ৰাস পোৱাৰ মূল কাৰণ হৈছে অভিভাৱকসকলৰ লগত শিক্ষক-শিক্ষয়িত্ৰীৰ যোগসূত্ৰৰ অভাৱ। শিক্ষকতাৰ পৰিৱৰ্তে চাকৰি কৰা মানসিকতাক অতিমাত্ৰা প্ৰাধান্য দিয়াৰ ফলত শিক্ষক আৰু অভিভাৱকৰ মাজত থকা যোগাযোগত ব্যাঘাত জন্মে। যাৰ ফলত অভিভাৱকসকল মোহিত হৈ নিজৰ সন্তানক উক্ত বিদ্যালয়ৰ পৰা আঁতৰাই নিয়াৰ ফলত চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব ধৰে। সচেতন অভিভাৱকসকলে এনে সিদ্ধান্ত গ্ৰহণ কৰিলেও বাগিচা অধ্যুষিত অঞ্চলৰ চৰকাৰী বিদ্যালয়সমূহত এখন বিপৰীত ছবিৰ বহিঃপ্ৰকাশ ঘটিছে। ৰাজ্যৰ অধিকসংখ্যক চৰকাৰী বিদ্যালয়ৰ অস্তিত্ব জীয়াই ৰাখিছে বাগিচা আৰু সংখ্যালঘু বসতি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে। চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকল সচেতন নোহোৱা হেতুকে বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে নিৰাপদৰূপে নিৰ্বাচন কৰি বাগিচা অধ্যুষিত অঞ্চলত নিয়োজিত হ'বলৈ চেষ্টা কৰে। চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাৰ অন্যতম কাৰণ বিভাগটোৰ একাংশ কমিছন ভোগী কৰ্মচাৰী। কমিছনৰ মোহত অসত্যক সত্যলৈ ৰূপান্তৰ কৰি শিক্ষা বিভাগক ভুল তথ্যৰে পৰিচালিত কৰাৰ ফলত লাহে লাহে চৰকাৰী বিদ্যালয়সমূহৰ নগ্ন ছবি পোহৰলৈ আহিব ধৰে। শেহতীয়াভাৱে চৰাইদেউ জিলাৰ সোণাৰি শিক্ষা খণ্ডত চামিলকৰণ হোৱা তথ্যই বিভাগটোৰ স্বৰূপ উদঙাই দিছে। আমাৰ হাতত পৰা তথ্য মতে সোণাৰি শিক্ষা খণ্ডৰ অধীনৰ চামিল হোৱা বিদ্যালয়সমূহ হৈছে এনেদৰে— ৬৯৫নং ৰুকাং প্ৰাথমিক বিদ্যালয়খনক চামিল কৰিছে ৰুকাং মধ্য ইংৰাজী বিদ্যালয়ত, লাইচেং মিলন প্ৰাথমিক বিদ্যালয়খনক চামিল কৰিছে খাৰঘৰীয়া ডবা এম ভি স্কুলত, দিৰৈ প্ৰাথমিক বিদ্যালয়ক চামিল কৰিছে দিৰৈ ৰিজাৰ্ভ মধ্য ইংৰাজী বিদ্যালয়ত, বৰভূঞা প্ৰাথমিক বিদ্যালয়খনক পাটসাঁকো আদৰ্শ প্ৰাথমিক বিদ্যালয়ত, খৈৰাবস্তি প্ৰাথমিক বিদ্যালয়ক ৫১৫নং হিঙৰাজান প্ৰাথমিক বিদ্যালয়ৰ লগত, বৰাহী মজদুৰ প্ৰাথমিক বিদ্যালয়খনক ৮২৩নং হেলকাটোপ প্ৰাথমিক বিদ্যালয়ত, ৰঙা বননি প্ৰাথমিক বিদ্যালয়খনক চামিল কৰিছে পশ্চিম ৰঙাপথাৰ প্ৰাথমিক বিদ্যালয়ত, ৬১৫ নং মাউত গাঁও প্ৰাথমিক বিদ্যালয়খনক চামিল কৰিছে ককৰামৰা প্ৰাথমিক বিদ্যালয়ত, ২২১নং জজলী প্ৰাথমিক বিদ্যালয়খনক চামিল কৰিছে ৬২৮নং মোহন দেওধাই প্ৰাথমিক বিদ্যালয়ত, চন্দ্ৰজ্যোতি প্ৰাথমিক বিদ্যালয়খনক চামিল কৰিছে ১৫৩নং জজলী হাবি প্ৰাথমিক বিদ্যালয়ত, ১০৫০নং নেহৰু প্ৰাথমিক বিদ্যালয়খনক চামিল কৰিছে তুলসী ফুকন প্ৰাথমিক বিদ্যালয়ত। কোৰোকানী কৈৱৰ্ত প্ৰাথমিক বিদ্যালয়খনক চামিল কৰিছে ৫৮৬নং নিৰ্মলীয়া প্ৰাথমিক বিদ্যালয়ত। মধুপুৰ প্ৰাথমিক বিদ্যালয়খনক চামিলকৰণ কৰিছে ৫৮৬ নং নিৰ্মলীয়া প্ৰাথমিক বিদ্যালয়ৰ লগত। ইতিপূৰ্বে শিক্ষা খণ্ডটোৰ পাঁচখন প্ৰাথমিক বিদ্যালয় চামিলকৰণ কৰিছে। সোণাৰি শিক্ষা খণ্ডৰ শিক্ষা বিষয়াৰ দ্বাৰা স্বাক্ষৰিত চামিলকৰণ কৰা বিদ্যালয়ৰ নাম তালিকা ফাদিল হোৱাৰ পিছতেই জিলাখনৰ ১৮খন চৰকাৰী বিদ্যালয়ৰ অপমৃত্যু ঘটা এখন কৰুণ ছবিৰ বহিঃপ্ৰকাশ ঘটিল। এনেদৰে যদি ৰাজ্যখনত ছাত্ৰ-ছাত্ৰীৰ অভাৱত বিদ্যালয়সমূহ চামিলকৰণৰ নামত চৰকাৰী বিদ্যালয়সমূহৰ অপমৃত্যু ঘটি থাকিলে অনাগত দিনত চৰকাৰী বিদ্যালয়সমূহৰ অস্তিত্বক লৈ প্ৰত্যাহ্বান সৃষ্টি হ'ব, সেয়া নিশ্চিত। ইফালে শিক্ষা ক্ষেত্ৰত চৰকাৰে সংস্কাৰ আনিবলৈ প্ৰয়াস কৰাৰ সন্ধিক্ষণতেই ৰাজ্যৰ একাংশ শিক্ষাৰ ব্যৱসায় কৰা ছেকেণ্ডাৰী পৰ্যায়ৰ উচ্চ শিক্ষানুষ্ঠানে হাইস্কুল চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পূৰ্বে শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰি শিক্ষাৰ ক্ষেত্ৰত নতুন পৰম্পৰা আৰম্ভ কৰিছে। পৰীক্ষাত অৱতীৰ্ণ হোৱা উক্ত ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষানুষ্ঠানত প্ৰদান কৰা শিক্ষা ব্যৱস্থাই কিহৰ ইংগিত দিছে। হাইস্কুল পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক ফলাফলৰ পূৰ্বে প্ৰদান কৰা শিক্ষাক লৈ আজিৰ অভিভাৱকসকলে কৰা দৌৰা-দৌৰিৰ কাৰণক লৈ সাধাৰণ অভিভাৱক সন্ধিহান।

# গাড়ীখনক নিয়ন্ত্ৰণ কৰিবলগীয়া মানুহবোৰক আজিকালি গাড়ীখনেহে নিয়ন্ত্ৰণ কৰে চাগে?


■ পিংকু ডেকা

বৰ্তমান বাৰিষাৰ বানপানীৰ বাবে কম-বেছি পৰিমাণে গাঁৱৰ বহুতো খেলপথাৰ এতিয়াও পানীৰ তলতে ডুব গৈ আছে। সেই বানপানীৰ মাজতেই মধ্যবিত্ত পৰিয়ালৰ কেইবাটাও ল'ৰাই পুৱাৰ শীতল শেতেলীত শুই শুই ডেকা জীৱনৰ ৰং-বিৰঙৰ আমোঘ আনন্দ উপভোগ কৰাৰ পৰিৱৰ্তে নতুবা গুট্‌খা, মদ-ভাঙ খাই দিন-দুপৰলৈ শুই থকাৰ বিপৰীতে দেশমাতৃৰ উদ্দেশ্যে নিজৰ জীৱনক দান কৰাৰ একমাত্ৰ পণ বুকুত বান্ধি দুবেলা দুমুঠি ঠিক মতে খাবলৈ নোপোৱা দেউতাক-মাকৰ মুখত হাঁহি বিৰিঙাবলৈ কোনোৱে ভাৰতীয় সেনাত আকৌ কোনো কোনোৱে অসম আৰক্ষীত যোগদান কৰাৰ সপোন ৰচে এই ওখ ওখ আলি-বাটসমূহত। বিশেষকৈ আমাৰ সমাজৰ গাঁওসমূহত এনেকুৱা বহুতো ল'ৰা-ছোৱালী আছে, যি নিজ দেশ তথা সমাজ, ঘৰখনৰ প্ৰতি দায়বদ্ধ হৈ ৰাতিপুৱা হোৱাৰ লগে লগে খেতিপথাৰলৈ হাল বাবলৈ যোৱা দেউতাকৰ সৈতে শোৱাপাটী এৰি ততাতৈয়াকৈ মুখ-হাত ধুই মাকে দিয়া চাহ কাপ খায় সমনীয়াৰ সৈতে দৌৰিবলৈ ওলাই যায়। বুকুত মাত্ৰ এটাই সপোন ৰচে সেয়া হ'ল— সেনা জোৱানত ভৰ্তি হৈ দেশমাতৃৰ প্ৰতি কিবা এটা কৰা। দৌৰি থকাৰ মাজতে বিভিন্ন ধৰণৰ ৰসাল ৰসাল কথা কৈ ইজনে সিজনক পিছ পেলাই আগবাঢ়ে নিজৰ লক্ষ্য স্থানলৈ। এনেদৰে প্ৰতিদিনে নিজৰ লক্ষ্য স্থানত উপনীত হ'বলৈ কিছুমানে সক্ষম হয় আৰু কিছুমানে হয়তো জীৱন বাটত কেতিয়াও ভাগৰি নপৰো বুলি ভাবিও অৱশেষত ভাগৰি পৰি সপোনৰ নাওখনৰ ব'ঠাপাট বুকুতে সাবটি থকা সময়ত পুৱাৰ হেঙুলীয়া ৰহণত ক'লা ডাৱৰে ভুমুকি মাৰি মৰমৰ দোলৰে বান্ধ খায় থকা দেউতাক-মাকৰ বুকু উদং কৰি অকালতে জীৱন বাটৰ পৰা ফালৰি কাটি একাষৰীয়া হৈ জীৱন নামৰ নাটকখন আধাতে সামৰি অনিচ্ছা সত্ত্বেও গতি কৰে অনন্ত আদিলৈ আৰু সেনা জোৱান হৈ 'জয় হিন্দ' বুলি শ্ল'গান দিয়াৰ আশাৰে পুনৰ বাট চাব লগা হয় পূৰ্বজন্মলৈ।

উদাহৰণ স্বৰূপে ক'ব বিচাৰিছোঁ, আপোনাৰ-মোৰ অসমতেই কেঁচা মাটিৰ সুবাস লৈ ডাঙৰ-দীঘল হোৱা তথা ৰূপে-গুণেও সকলো সময়তে অসমৰ সম্পূৰ্ণ অসমীয়া বুলি চিনাকি দি থকা দৰং জিলাৰ ছিপাঝাৰৰ ৰাজপথত পুৱা সময়ত দৌৰি থকা অৱস্থাতেই ট্ৰাকে মহটিয়াই নিহত কৰা আমাৰ ভাইটীসদৃশ সৰু সৰু ল'ৰাকেইজনৰ মৃত্যুৰ ঘটনাই সঁচাকৈয়ে মনত বৰ আঘাত হানিছে। দেশৰ সেনা জোৱান তথা আৰক্ষী হোৱাৰ সপোনৰ পম খেদি বাৰিষাৰ বানে গৰকা খেলপথাৰৰ পৰিৱৰ্তে ৰাজপথত দৌৰা অভ্যাস কৰি থকা তেজাল অসমীয়া ল'ৰাকেইজনৰ মৃত্যুৰ কৰুণ ঘটনাই আজিও চকুলো বোৱাই তোলে। প্ৰথমে, ঈশ্বৰৰ ওচৰত সেৱা জনাওঁ যাতে ভাইটীকেইজনৰ আত্মাই সদ্‌গতি লাভ কৰে লগতে আমি নিজেও দুখ প্ৰকাশ কৰাৰ উপৰি আত্মীয়ৰ দুখৰ সমভাগী হওঁ। কিন্তু কথা হ'ল এতিয়া দুখঃ প্ৰকাশ কৰিলেই হয়তো আমাৰ সকলোবোৰ কাম শেষ হৈ নাযায়। দুখ প্ৰকাশ কৰাৰ লগতে আমি প্ৰত্যেকেই (সাধাৰণ নাগৰিক, অভিভাৱক, যান-বাহন চলাই থকা ব্যক্তিসকল, জিলাখনত কৰ্তব্যৰত হৈ থকা চৰকাৰী মুখীয়ালসকল, চৰকাৰ ইত্যাদি) এনেকুৱা ঘটনাৰ বাবে হ'ব পৰা নিজৰ নিজৰ দোষসমূহ উনুকিয়াই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত, যাতে পৰৱৰ্তী সময়ত পুনৰ এনে ধৰণৰ কাৰ্যই গ্ৰাস কৰি উঠিব নোৱাৰে। আনহাতে, নিহত ভাইটীকেইজনৰ আত্মায়ো হয়তো নিশ্চিতভাৱে বিচাৰিব যাতে 'মানুহে গাড়ী চলাওক বা নিয়ন্ত্ৰণ কৰক কিন্তু গাড়ীয়ে যাতে মানুহক নিয়ন্ত্ৰণ কৰিবলগীয়া নহয়।' কিয়নো এনে কৰিলে পিছৰ পৰ্যায়ত যে এনেকুৱা অন্য অঘটন নঘটিব তাক ন দি কেতিয়াও হয়তো ক'ব নোৱাৰিম। গতিকে আমি প্ৰত্যেকেই নিজকে একো একোজন সুনাগৰিক ব্যক্তি হিচাপে সমাজত চিনাকি দি নাগৰিকত্বৰ দায়বদ্ধতা গ্ৰহণ কৰি এইক্ষেত্ৰত সহযোগিতা প্ৰদান কৰিব লাগে। ইয়াৰ উপৰি পুৱা-গধূলিৰ সময়ছোৱাত কম-বেছি পৰিমাণে সকলোবোৰ ঠাইতে আজিকালি দুই-এজন বয়োজ্যেষ্ঠ মানুহৰ লগতে কিছু ডেকা, যুৱক-যুৱতী দৌৰা অভ্যাস কৰিবলৈ প্ৰায়েই ওলাই আহে। এই ডেকা যুৱক-যুৱতীসকলে প্ৰধানকৈ সেনা নতুবা আৰক্ষীত ভৰ্তি হ'বৰ বাবেই দৌৰা অভ্যাস কৰি থকা দেখা যায়। আকৌ এইসকল ডেকা যুৱক-যুৱতীৰ বেছি ভাগেই আৰ্থিকভাৱে জুৰুলা মধ্যবিত্ত ঘৰৰ পৰিয়ালৰ পৰাই অহা। কেতিয়াবা আপুনি গাড়ীৰে গৈ থকা অৱস্থাত নতুবা খোজ কাঢ়ি গৈ অৱস্থাত এনেদৰে ৰাজপথত বা গাঁওৰ ভিতৰৰ বাট পথত দৌৰি থকা লৰাবোৰ দেখিলে সময় অনুসাৰে পাৰিলে অলপ সময় ৰৈ দি আপোনাৰ তাত মজুত থকা পানীৰ বটল এটাকেই দি চাবচোন মজুত নাথাকিলেও আপুনি সিহঁতক পাৰে মানে উৎসাহ দিবলৈ চেষ্টা কৰিবচোন। আমি নিশ্চিত যে আপোনাৰ সেই উৎসাহ উদ্দীপনাৰ বাবে লৰা জনে আৰু এধাপ আগলৈ যাবলৈ সক্ষম হবই। গতিকে, শেষত ছিপাঝাৰৰ এনে অবাঞ্চিত ঘটনাৰ বাবে পুনৰ দুখ প্ৰকাশ কৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰি ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনাই পুনৰ মূৰ দাঙি উঠিব নোৱাৰে তাৰ বাবে চৰকাৰ, প্ৰশাসন, সাধাৰণ মানুহ ইত্যাদি সকলোবোৰ সদায় সচেতন হৈ থকাটো খুবেই জৰুৰী।

ফোন ঃ ৬০০১৯৩৫৩২৮

# হতাশাগ্ৰস্ত মানসিক ব্যাধিৰ অন্যতম কাৰণ



■ ভাস্কৰজ্যোতি কুটুম

মানৱ জীৱনত এনেকুৱা কিছুমান শব্দ আছে দৈনন্দিন জীৱনক প্ৰভাৱিত কৰে। ইয়াৰ ভিতৰত অন্যতম হৈছে হতাশাগ্ৰস্ত। ইয়াৰ মূলতঃ কাৰণ বুলিলে আজিকালিৰ সদাব্যস্ত যান্ত্ৰিক ব্যৱস্থাৰ কথা উল্লেখ কৰিব পাৰোঁ। কিয়নো বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ যুগত ডাঙৰ-সৰু, কিশোৰ-কিশোৰী, যুৱক-যুৱতী, প্ৰাপ্তবয়স্কৰ পৰা ধৰি বৃদ্ধলৈ সকলো শ্ৰেণীৰ মানুহৰ মাজত নানান ধৰণৰ সমস্যাত ভুগিব ধৰিছে। ইয়াৰ ভিতৰত অন্যতম উল্লেখনীয় সমস্যা হৈছে হতাশাগ্ৰস্ত। হতাশাগ্ৰস্তৰ বাবে বয়স ভেদে সমস্যাসমূহৰ ভিন্নতা ৰূপত দেখা দিছে বুলি ক'ব পাৰোঁ। তদুপৰি এজন প্ৰাপ্তবয়স্ক বয়সত বা সাংসাৰিক জীৱনত বা উপাৰ্জনৰ ক্ষেত্ৰত কোনো এগৰাকী ব্যক্তিৰ এনেবোৰ সমস্যাই দেখা দিব পাৰে। কিয়নো এজন ব্যক্তি কৰ্মক্ষেত্ৰত বহু চেষ্টা কৰিও সফল হ'ব নোৱৰা, নিজৰ কৰ্মক লৈ সন্তুষ্টি লাভ নকৰা, সময় মতে পদোন্নতি নোহোৱা বা সঘনাই কৰ্মক্ষেত্ৰ সলনি হৈ থকা আদি অজুহাতত মানুহৰ জীৱনলৈ হতাশা অহাটো স্বাভাৱিক বুলি ক'ব পাৰি। তদুপৰি পাৰিবাৰিক জীৱনত জীৱন সংগীৰ পৰা মৰম, আদৰ, সন্মান ত্ৰুটি হ'লে নাইবা অন্যান্য সমস্যাৰ কাৰণে শতাশ হোৱা দেখা পাওঁ। ইয়াৰ ভিতৰত বুজাবুজিৰ অভাৱ, ইজনে-সিজনক সময় দিব নোৱৰা, সন্দেহ ইত্যাদি কাৰণত মানুহ হতাশ আৰু অৱসাদগ্ৰস্ত হ'ব পাৰে। সাম্প্ৰতিক সময়ত হতাশাগ্ৰস্ত যুৱক-যুৱতীসকলৰ মাজত সৰ্বাধিক প্ৰভাৱিত হোৱা দেখিবলৈ পাইছোঁ। কিয়নো শিক্ষা অনুযায়ী কৰ্মসংস্থাপনৰ অভাৱ কাৰণে অৱসাদে আৱৰি ধৰিছে। কাৰণ কৰ্মসংস্থাপনৰ অভাৱৰ সমান্তৰালকৈ প্ৰেমৰ বিফলতা, প্ৰতাৰণা আদিৰ কাৰণে যুৱক-যুৱতীৰ মাজত হতাশ হোৱা দেখিবলৈ পাওঁ। কিয়নো সাম্প্ৰতিক কাল বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ কাল। যাৰ ফলত এজন প্ৰেমিকে নিজৰ প্ৰেমিকক সদায় কাষত পোৱাৰ দৰে হ'ল। কাৰণ মোবাইলে সকলোবোৰ সম্ভৱ কৰিছে। সেয়ে প্ৰেমিকে প্ৰেমিকাৰ বা প্ৰেমিকাই প্ৰেমিকৰ ফোন কলৰ বাবে অপেক্ষাত অতিষ্ঠ হ'লে নানান ধৰণৰ ঘটনা সংঘটিত কৰা দেখিবলৈ পাইছোঁ। কাৰণ তেওঁ প্ৰেমৰ হতাশাগ্ৰস্তৰ দৰে ৰোগত আক্ৰান্ত হৈ পৰে। এই কাৰণে আমি হতাশ এক মানসিক ব্যাধিৰ অন্যতম কাৰণ বুলি ক'ব পাৰোঁ। কিয়নো মানুহে হতাশাগ্ৰস্ত হৈ যিকোনো সৎ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে।

হতাশাগ্ৰস্ত মানসিক ব্যাধিৰূপে সৰ্বাধিক প্ৰভাৱিত হৈছে। যাৰ ফলত ভৱিষ্যৎ দিন চিন্তনীয় হৈ পৰিছে। বিশেষকৈ নাবালক-নাবালিকৰ ওপৰত প্ৰভাৱ পৰা দেখিবলৈ পাইছোঁ। এই কাৰণে আমি সজাগতা হোৱাৰ অত্যন্ত প্ৰয়োজনবোধ কৰিছোঁ। সেয়ে সচেতন নাগৰিকে এই ৰোগৰ পৰা বাচিবলৈ আজিকালি সময়ে সময়ে মানসিক ৰোগৰ চিকিৎসক বা পৰামৰ্শদাতাৰ সৈতে আলোচনা কৰে। তদুপৰি কিছুমানে নিজৰ হতাশাগ্ৰস্ত ৰোগৰ পৰা মুক্তি পাবলৈ জ্যোতিষৰ ওচৰত পৰামৰ্শ গ্ৰহণ কৰে। কিন্তু ইয়াৰ সমান্তৰালকৈ প্ৰায়সংখ্যক লোকে অজ্ঞানতা বা সচেতনতাৰ অভাৱত নাইবা লোকলজ্জাৰ ভয়ত সমস্যাসমূহৰ বিষয়ে চিকিৎসকৰ ওচৰত মুকলিমূৰীয়াকৈ ব্যক্ত কৰিব নিবিচাৰে। সেই কাৰণে এই সমস্যা সোনকালে প্ৰতিৰোধ কৰাটো সম্ভৱ নহ'ব। সাম্প্ৰতিক সময়ত বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ কালত আমি জ্যোতিষীৰ ভাষাৰে- পৌৰাণিক নিয়মেৰে দান, উপাসনা, শ্ৰীসুক্ত স্তোত্ৰ পাঠ আদি কৰাতকৈ হতাশ কেনেকৈ সৃষ্টি হৈছে, ইয়াৰ বিষয়ে ভালদৰে অধ্যয়ন কৰা উচিত বুলি ভাবোঁ। তদুপৰি এজন মনোবিজ্ঞান চিকিৎকৰ ওচৰত আলোচনা কৰি কেনেদৰে হতাশাগ্ৰস্ত দূৰ কৰিব পাৰি, ইয়াৰ বিষয়ে আলোচনা কৰা উচিত, তেতিয়া নিশ্চিতভাৱে আমাৰ জীৱনত এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিব পাৰিম বুলি ক'ব পাৰোঁ। কিন্তু সাধাৰণতে মানসিক ব্যাধিৰ দৰে সমস্যা সমাধানৰ বাবে আমি মুকলিমূৰীয়াকৈ সমস্যাসমূহ আলোচনা কৰিব লাগিব । যদিহে এনেদৰে কৰোঁ তেতিয়া নিশ্চয় সমস্যাৰ সমাধান হোৱাৰ লগতে মানুহৰ জীৱনলৈ হতাশা আঁতৰিব আৰু মনুষ্যৰ জীৱনলৈ এক নতুনত্ব আহিব।

ফোন ঃ ৬০০৫০১২৫৮১

◆ হতাশাগ্ৰস্ত মানসিক ব্যাধিৰূপে সৰ্বাধিক প্ৰভাৱিত হৈছে। যাৰ ফলত ভৱিষ্যৎ দিন চিন্তনীয় হৈ পৰিছে। বিশেষকৈ নাবালক-নাবালিকৰ ওপৰত প্ৰভাৱ পৰা দেখিবলৈ পাইছোঁ। এই কাৰণে আমি সজাগতা হোৱাৰ অত্যন্ত প্ৰয়োজনীয় বোধ কৰিছোঁ। সেয়ে সচেতন নাগৰিকে এই ৰোগৰ পৰা বাচিবলৈ আজিকালি সময়ে সময়ে মানসিক ৰোগৰ চিকিৎসক বা পৰামৰ্শদাতাৰ সৈতে আলোচনা কৰে ◆

# আমাৰ সুখবোৰক নিজৰ সুখ বুলি সাবটি লোৱা ব্যক্তিজন 'দেউতা'

■ দীপাংকৰ জ্যোতি দত্ত



আমাৰ ঘৰৰ সকলোৰে সকলো চাহিদা পূৰণ কৰা একমাত্ৰ মানুহজনেই হ'ল আমাৰ 'দেউতা'। বহু কষ্ট স্বীকাৰ কৰিও ঘৰৰ সকলোৰে দায়িত্ব বহন কৰা মানুহজনেই হ'ল আমাৰ দেউতা। আমাৰ সৰু-ডাঙৰ সুখবোৰ নিজৰ সুখ বুলি সাবটি লোৱা ব্যক্তিজনো দেউতা। এনেকুৱা বহুবাৰ হৈছিল, যেতিয়া মা আৰু দেউতাই গোপনে কথা পতা শুনিছিলো। মায়ে কৈছিল— 'ল'ৰাটোৰ ইউনিফৰ্ম, ডাঙৰ ছোৱালীজনীৰ কিতাপ আৰু সৰুজনীৰ টিউচন মাচুল দিবলগীয়া আছে, কিন্তু ইমান খৰচ হ'লে ঘৰৰ বজাৰ কৰিবলৈ পইচা হ'বনে?' দেউতাই বিনাদ্বিধাই কয়— 'সেইবোৰ তুমি চিন্তা কৰিব নালাগে, মই কিবা এটা কৰিম' আৰু আমি গম নোপোৱাকৈয়ে সকলো যোগাৰ হৈ যায়। পূজা বা বিহুৰ বজাৰ কৰাৰ মুহূৰ্তত মায়ে দেউতাৰ কাৰণে ছাৰ্ট এটা কিনিব ক'লে দেউতাই প্ৰায়ে অগ্ৰাহ্য কৰে আৰু কয়— নালাগে দিয়া, মোৰ ছাৰ্টটো নতুনেই হৈ আছে দেখোন, মোৰ সেইটোৱে কিছুদিন চলি যাব (আচলতে পাপাৰ বাজেটত আমাৰ তিনিটাৰ বাবেহে পইচা আছিল)। দেউতাই ভোকে-ভাগৰে কাম কৰি হ'লেও নিজৰ ল'ৰা-ছোৱালীৰ অভাৱবোৰ পূৰণ কৰে। ইমানৰ পাছতো কেতিয়াবা দেউতাক টান কথা কৈ পাওঁ আৰু পাছত অনুভৱ কৰো যে নোকোৱা হ'লেই ভাল আছিল। যেতিয়া আমাৰ মূৰৰ ওপৰত বৰগছডাল থাকে আমি তাৰ মূল্য বুজি নাপাওঁ, যাৰ নাই সিহে বুজে বৰগছডালৰ অবিহনে জীৱনটো কিমান বেদনাদায়ক, কিমান নিষ্ঠুৰ। কিন্তু আমি কেতিয়াবা অনুভৱ কৰিবলৈ পাহৰি যাওঁ যে আমাৰ জীৱনত দেউতাৰ ভূমিকা, দেউতাৰ নিস্বাৰ্থ ত্যাগ আৰু বুজাব নজনা মৰম জন্মৰলগ্নৰে পৰা লৈ আমি ডাঙৰ হোৱাৰ পাছতো দেউতাই ইহজগত এৰি নোযোৱালৈকে আমাক ৰক্ষণাবেক্ষণ প্ৰদান কৰি যায়। দেউতাৰ ইমানখিনি ত্যাগৰ পিছত আমি আমাৰ দায়িত্ব পালন কৰিবলৈ পাহৰি যাওঁ। জাতিৰ পিতা মহাত্মা গান্ধীও দেউতাকৰ মৃত্যুত অনুতপ্ত হৈছিল। কিয়নো মহাত্মা গান্ধীয়ে যি দৰে দেউতাকক পৰিচৰ্যা কৰিব লাগিছিল সেইদৰে কৰিব পৰা নাছিল। দেউতাকৰ যিটো সময়ত অসুখ হৈছিল, সেই সময়তে মহাত্মা গান্ধীৰ পত্নী গৰ্ভৱতী হৈছিল। সেই বাবে তেওঁ ভীষণ লাজ পাইছিল। মহাত্মা গান্ধী বেছি ভাগ সময়তে দেউতাকৰ ওচৰত আছিল যদিও শেষ নিশ্বাস ত্যাগ কৰাৰ সময়ত কাষত নাছিল, সেয়ে মহাত্মা গান্ধীয়ে সেই কলংক আঁতৰাব পৰা নাই বুলি আত্মজীৱনীত উল্লেখ কৰি গৈছে। এয়া আছিল মহামানৱ মহাত্মা গান্ধীৰ দেউতাকৰ প্ৰতি থকা শ্ৰদ্ধা, ভক্তি। মা-দেউতা দুয়োজনৰ অবিহনে জীৱনটোৰ নিশ্চয়তা নাই। সেয়েহে আজি মাত্ৰ দেউতাকলৈয়ে গৌৰৱ অনুভৱ কৰি একলম লিখিলোঁ।

ফোন ঃ ৮৬৩৮৫-৭৪৬৪১

■ ডলু চাহ বাগিচাৰ উচ্ছেদত চাহ জনগোষ্ঠী লোকৰ বুকু জ্বলিছে

■ প্ৰয়োজন হ'লে ৰাজপথলৈ ওলাম ঃ তেৰছ গোৱালা

# দুলীয়াজানত চাহ বাগিচা আদৰ্শ বিদ্যালয় উদ্বোধন



অসম চৰকাৰৰ শ্ৰম, নিয়োগ আৰু চাহ জনগোষ্ঠী উন্নয়ন দপ্তৰৰ মন্ত্ৰী সঞ্জয় কৃষাণৰ। আজি অসম চৰকাৰে চাহ বাগিচা এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উন্নয়নৰ উদ্দেশ্যে স্থাপন কৰা চাহ বাগিচা আদৰ্শ বিদ্যালয় আঁচনিৰ অধীনত দুলীয়াজানত নিৰ্মিত ডিৰিয়াল চাহ বাগিচা আদৰ্শ বিদ্যালয়খন উদ্বোধন কৰি অসম চৰকাৰৰ মন্ত্ৰীগৰাকীয়ে আৰু কয় যে শ্ৰমমন্ত্ৰী হিচাপে শ্ৰমিকৰ স্বাৰ্থৰ কথা সদায় আগস্থান দিয়ে। সেয়ে ডলু চাহ বাগিচাৰ শ্ৰমিকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ সন্দৰ্ভত তেওঁ মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰা বুলি উল্লেখ কৰি চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আদৰ্শ বিদ্যালয় স্থাপনৰ আঁচনি গ্ৰহণ কৰা বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে, একেটা অনুষ্ঠানতে ভাষণ প্ৰদান কৰি দুলীয়াজানৰ বিধায়ক তেৰছ গোৱালাই কয় যে চাহ গছত আমাৰ আত্মা থাকে, ডলু চাহ বাগিচাত চাহ গছ উচ্ছেদ কৰাত আমাৰ বুকু জ্বলিছে, কেৱল ডলু চাহ বাগিচাই নহয় অইল ইণ্ডিয়া লিমিটেড, অ' এন জি চি, বি চি পি এল, অসম আৰক্ষী সকলোৱে চাহ বাগিচাৰ মাটি লৈছে। ইয়াৰ বিৰুদ্ধে চাহ শ্ৰমিক যেতিয়া ৰাজপথলৈ ওলাই আহিব তাত ময়ো সহযোগ কৰিম বুলি বিধায়ক গোৱালাই ব্যক্ত কৰে। ভাদৈ আঞ্চলিক পঞ্চায়তৰ সদস্যা জ্যোতিৰূপা হাজৰিকাই আঁত ধৰা অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে ডিৰিয়াল চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ পলাশজ্যোতি শৰ্মাই। ইফালে মন্ত্ৰী সঞ্জয় কিষাণৰ লগতে ডিব্ৰুগড় জিলাৰ অতিৰিক্ত উপায়ুক্ত ড° মণিকা বড়া, সহকাৰী শ্ৰম আয়ুক্ত পুণ্য প্ৰসাদ বাস্তুলা, টেঙাখাত ৰাজহ চক্ৰ বিষয়া নিতুল খাটনিয়াৰ, টেঙাখাত খণ্ড উন্নয়ন বিষয়া নিৰ্মালি তেৰংপী, ডিৰিয়াল চাহ বাগিচা পৰিচালক অংকুৰ বৰুৱাৰ লগতে বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াৰ লগতে বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি, ২৬ মে' ঃ** কাছাৰ জিলাত বিমান বন্দৰ নিৰ্মাণৰ বিষয়টো ৰাষ্ট্ৰীয় সুৰক্ষাৰ কথা জড়িত আছে। জিলাখনৰ ডলু চাহ বাগিচাৰ ২৫শ বিঘা মাটিত উচ্ছেদ চলোৱা বিষয়টো কেইবাটাও শ্ৰমিক সংগঠনৰ সৈতে চুক্তি কৰি লোৱা হৈছে। উচ্ছেদ কৰা পৰিমাণৰ চাহ গছ ৰোপণ কৰা আৰু বাগিচাখনৰ কৰ্মৰত শ্ৰমিকসকলৰ স্বাৰ্থ বিঘ্নিত নকৰাৰ প্ৰতিশ্ৰুতি এই শ্ৰমিক সংগঠনক প্ৰদান কৰাৰ পাছতহে উচ্ছেদ অভিযান চলোৱা হৈছে। এই ভাষ্য

## সৰুক্ষেত্ৰীৰ কাৱৈমাৰীত পুখুৰীত পৰি ডেৰবছৰীয়া শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভক্তৰডবা, ২৬ মে' ঃ** বৰপেটা জিলাৰ ৪৬নং সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কাৱৈমাৰী ১০নং ব্লক নিৱাসী হাছমত আলীৰ ডেৰবছৰীয়া শিশু পুত্ৰ শ্বেৰমান আলীৰ কালি পুখুৰীত পৰি সলিল সমাধি ঘটে। জানিব পৰা মতে কালি পুৱাৰ ভাগত ডেৰবছৰীয়া শিশু শ্বেৰমানে চোতালত খেলি থকাৰ সময়ত পৰিয়ালৰ লোকৰ অজ্ঞাতে ঘৰৰ কাষত থকা পুখুৰীত পৰে। আৰু পিছত পৰিয়ালৰ লোকে পুখুৰীত ওপঙি থকা প্ৰত্যক্ষ কৰি শিশুটোক উদ্ধাৰ কৰি ততাতৈয়াকৈ ভক্তৰডবা আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও উন্নত চিকিৎসাৰ সু-ব্যৱস্থা নথকাত পিছত বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ লৈ যোৱাৰ সময়ত আদবাটতে শিশু শ্বেৰমান আলীৰ মৃত্যু হয়। এই ঘটনাই স্থানীয় অঞ্চলটোত শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে।

## মৰিগাঁও মহাবিদ্যালয়ত বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰিব অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ননী গোপাল মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৬ মে' ঃ** মধ্য অসমৰ অগ্ৰণী উচ্চ শিক্ষা অনুষ্ঠান মৰিগাঁও মহাবিদ্যালয় আৰু অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান এণ্টি-গ্ল'বৈল-ৱাৰ্মিং ছ'চাইটীয়ে যুটীয়াভাৱে 'গ্ৰীন অসম বঁটা 2022' আৰু গ্ৰীন মৰিগাঁও ২০২২ৰ বাবে এইবাৰ নিৰ্বাচন কৰিছে উত্তৰ-পূৰ্বাঞ্চলৰ আগশাৰীৰ উচ্চশিক্ষা প্ৰতিষ্ঠান 'ইউনিভাৰ্ছিটী অৱ ছায়েন্স এণ্ড টেকনলজী, মেঘালয়' আৰু মৰিগাঁৱৰ প্ৰকৃতিপ্ৰেমী মঞ্চলৈ। উল্লেখ্য যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ইউনিভাৰ্ছিটী অৱ ছায়েন্স এণ্ড টেকনলজী, মেঘালয়ৰ বিশ্ববিদ্যালয়খনে পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতাৰ বিষয়ত উচ্চমানৰ গৱেষণাৰ লগতে দাঁতিকাষৰীয়া অঞ্চসমূহত পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। এই বিশ্ববিদ্যালয়খনৰ পৰিষ্কাৰ আৰু সেউজীয়া পৰিৱেশে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতিপ্ৰমীসকলক আকৰ্ষণ কৰাৰ স্বীকৃতিস্বৰূপে মৰিগাঁও মহাবিদ্যালয় আৰু এণ্টি-গ্ল'বৈল-ৱাৰ্মিং ছ'চাইটীয়ে যুটীয়াভাৱে এই বঁটা বিশ্ববিদ্যালয়খনক প্ৰদান কৰা হ'ব বুলি এক প্ৰেছ বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা এণ্টি গ্ল'বেল ৱাৰ্মিং ছ'চাইটীৰ সভাপতি ড° লীলাকান্ত বৰঠাকুৰে। বিবৃতিটোত উল্লেখ কৰি ড° বৰঠাকুৰে কয়— আগন্তুক বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি অহা ৬ জুনত মৰিগাঁও মহাবিদ্যালয়ত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ সভাত এই বঁটা প্ৰদান কৰা হ'ব। আনহাতে, এণ্টি-গ্ল'বেল-ৱাৰ্মিং ছ'চাইটীয়ে মৰিগাঁৱৰ আন এটা অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান 'প্ৰকৃতিপ্ৰেমী মঞ্চ'লৈ আগবঢ়াইছে 'গ্ৰীন মৰিগাঁও বঁটা-২০২২'। উক্ত বঁটা প্ৰদান অনুষ্ঠানতে এই গ্ৰীন মৰিগাঁও বঁটা প্ৰদান কৰা হ'ব। তদুপৰি বঁটা প্ৰদান অনষ্ঠানত অসম চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক ননী গোপাল মহন্ত, ডিএছটিএমৰ আচাৰ্য মহবুবুল হক আৰু প্ৰতি উপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাসে অংশগ্ৰহণ কৰিব বুলি উল্লেখ কৰে। উল্লেখ্য যে এণ্টি-গ্ল'বৈল-ৱাৰ্মিং ছ'চাইটীয়ে ২০১১ বৰ্ষত গুৱাহাটী বিশ্বিদ্যালয়ৰ অধ্যাপক ড° দুলাল চন্দ্ৰ গোস্বামীক, ২০১৩ বৰ্ষত পদ্মশ্ৰী যাদৱ পায়েঙক গ্ৰীন অসম বঁটা প্ৰদান কৰিছিল। ২০০৪ বৰ্ষৰ পৰাই নিৰলসভাৱে পৰিৱেশ সম্পৰ্কীয় বিভিন্ন সজাগতা সভা, গছপুলি ৰোপণ, বিতৰণ, ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা, আলোচনা-চক্ৰ অনুষ্ঠিত কৰা, মৰিগাঁও মহাবিদ্যালয়ত গ্ৰীন হাউছ স্থাপন কৰা আদি বিভিন্ন কামত এণ্টি-গ্ল'বেল-ৱাৰ্মিং ছ'চাইটীয়ে নিজকে নিয়োজিত কৰি আহিছে। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৫ আৰু ৬ জুনত দুদিনীয়াকৈ উদ্‌যাপন কৰিব বিচৰা কাৰ্যসূচী সফল কৰাৰ ক্ষেত্ৰত সকলোৱে সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে মৰিগাঁও মহাবিদ্যালয় পৰিয়াল আৰু এণ্টি-গ্ল'বেল-ৱাৰ্মিং ছ'চাটীয়ে।

*নগাঁৱত পুনৰ চুৰি কাণ্ড*

## নগদ ধনসহ লক্ষাধিক টকাৰ সামগ্ৰী লুট

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ মে' ঃ** নগাঁৱত পুনৰ সংঘটিত হৈছে চুৰি কাণ্ড। বিগত কিছুদিন ধৰি নগাঁও চহৰৰ লগতে জিলাখনৰ বিভিন্ন স্থানত চুৰি কাৰ্য হৈ থকাৰ পিছত মঙলবাৰে নিশা নগাঁও চহৰৰ লাওখোৱা পথৰ গ্ৰীনলেণ্ড উপ-পথত এক চুৰি কাৰ্য সংঘটিত হয়। ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰৰ দলে চুৰি কাৰ্য সংঘটিত কৰে। জানিব পৰা মতে নগেন খাউণ্ড নামৰ লোকজন পৰিয়ালসহ কেইদিনমান পূৰ্বে বেংগালুৰুত ফুৰিবলৈ যায়। বৰ্তমানো তেওঁলোক আহি পোৱা নাই। ইয়াৰ সুযোগ গ্ৰহণ কৰি চোৰৰ দলে যোৱানিশা খাউণ্ডৰ ঘৰৰ খিৰিকী ভাঙি ঘৰৰ ভিতৰত প্ৰৱেশ কৰি লুটপাত চলায়। দলটোৱে বিভিন্ন আচবাব লণ্ডভণ্ড কৰাৰ লগতে নগদ ধনসহ সোণৰ অলংকাৰ আদি লুট কৰি লৈ যায়। ঘটনাৰ খবৰ পোৱাৰ পিছত ঘটনাস্থলীত নগাঁৱৰ আৰক্ষী উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰে যদিও কাকো গ্ৰেপ্তাৰ কৰিব পৰা নাই।



## ভৈৰৱকুণ্ড ৰিজৰ্ট প্ৰেক্ষাগৃহত ইউপিপিএলৰ প্ৰাইমাৰী কমিটীৰ শপতগ্ৰহণ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰৱকুণ্ড, ২৬ মে' ঃ** বি টি চিৰ মিত্ৰজোঁটৰ চৰকাৰৰ ইউ পি পি এল পাৰ্টীৰ ৩৮নং ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিৰ নতুনকৈ গঠিত ১২খন প্ৰাইমাৰী কমিটীৰ শপতগ্ৰহণ কাৰ্যসূচী ২৫ মে'ত ৩৮ নং ভৈৰৱকুণ্ড ব্লক সমিতিৰ সভাপতি মনোজ খাকলাৰীৰ সভাপতিত্বত সম্পন্ন হয়। ভৈৰৱকুণ্ড ব্লক সমিতিৰ যুৱ নেতা তথা সমিতিৰ সাধাৰণ সম্পাদক গোপী চেত্ৰীয়ে আঁত ধৰা শপতগ্ৰহণ অনুষ্ঠানত ১২খন প্ৰাইমাৰী সমিতিৰ সভাপতি-সম্পাদকসকলকে ধৰি সদস্যসকলক শপতবাক্য পাঠ কৰোৱায় ইউ পি পি এল ওদালগুৰি জিলা সমিতিৰ সভাপতি ৰবীন্দ্ৰ বসুমতাৰীয়ে। শপতগ্ৰহণ অনুষ্ঠানত দলীয় কৰ্মীসকলক উৎসাহ যোগোৱাৰ লগতে কৰ্মীসকলে কেনেকৈ ৰাইজৰ ওচৰত গৈ চৰকাৰে আগবঢ়োৱা অনুদান আৰু চৰকাৰে লোৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব লাগে তাৰ বিতং বক্তব্য দাঙি ধৰে ৬৯নং ওদালগুৰি বিধানসভাৰ বিধায়ক তথা ৩৮নং ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা বি টি চিৰ উপ-মুখ্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে। সভাত ইউ পি পি এলৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ভ্ৰমণ বাগলাৰী, ওদালগুৰি জিলা সমিতিৰ উপ-সভাপতি লিটন দৈমাৰী, জীৱন নিৰোলা, ইউ পি পি এলৰ গোৰ্খা ছেলৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি দীপক কাৰ্কী, ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিৰ ইউ পি পি এল দলৰ ভি চি ডি চিৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি দুই সহস্ৰাধিক দলীয় কৰ্মীসকলে শপতগ্ৰহণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৩৮নং ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিৰ ব্লক সমিতিয়ে আয়োজন কৰা প্ৰাইমাৰী সমিতিৰ শপতগ্ৰহণ অনুষ্ঠানটো সমিতিৰ সভাপতি মনোজ খাকলাৰী আৰু যুৱ নেতা তথা ব্লক সমিতিৰ সাধাৰণ সম্পাদক গোপী চেত্ৰীৰ সুন্দৰ পৰিচালনাত শপতগ্ৰহণ কাৰ্যসূচী সফল সমাপন হয়। ওদালগুৰি জিলাৰ অন্যতম্ মনোৰম পৰ্যটন ক্ষেত্ৰ অসম, অৰুণাচল আৰু ভূটানৰ গাতে লাগি থকা ত্ৰিবেণী স্থল ভৈৰৱকুণ্ডত অৱস্থিত ভৈৰৱকুণ্ড ৰিজৰ্ট প্ৰেক্ষাগৃহত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠানত ৰাইজৰ উপস্থিতি উল্লেখনীয় আছিল।

## বঙাইগাঁও জিলা হজ কমিটী গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৬ মে' ঃ** দিছপুৰস্থিত যৌথ ৰাজ্যিক হজ কমিটীৰ কাৰ্যবাহী বিষয়া তথা সচিবৰ পত্ৰ মৰ্মে বঙাইগাঁও জিলা দণ্ডাধীশ কাৰ্যালয়ৰ অধীনত বঙাইগাঁও জিলা হজ কমিটীখন গঠন কৰা হৈছে। এই জিলা হজ কমিটীৰ অধ্যক্ষ হিচাপে আছে উপায়ুক্ত নৱদীপ পাঠক আৰু সদস্য সচিব হিচাপে আছে অতিৰিক্ত উপায়ুক্ত পংকজ চমুৱা। বঙাইগাঁও জিলা হজ কমিটীৰ সদস্য পদত আছে ক্ৰমে গৰাইমাৰীৰ আব্দুল কৰিম বণিয়া, চলন্তাপাৰাৰ নজৰুল হক, পঞ্চগাঁৱৰ আব্দুল হুছেইন, বঙাইগাঁৱৰ চৈয়দ নুৰ মহম্মদ, ডাঃ এম ইছলাম, মালেগড়ৰ মুফ্‌টি মহম্মদ ওমৰ ফাৰুক, কোকিলাৰ মুফ্‌টি মহম্মদ ৰফিজ উদ্দিন, অভয়াপুৰীৰ ছামছুল হুদা আৰু বঙাইগাঁৱৰ মহম্মদ আতোৱাৰ ৰহমান। যোৱা ২১ মে'ত এক অধিসূচনা মৰ্মে এই বঙাইগাঁও জিলা হজ কমিটীখন গঠন কৰা হৈছে। এই কমিটীখনে হজত যাবলৈ প্ৰয়োজনীয় প্ৰশিক্ষণ বা আন দিশসমূহৰ সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিব। উল্লেখ থাকে যে ২৮ মে' আৰু ২৯ মে'ত উত্তৰ বঙাইগাঁও এম ই স্কুলত ২০২২ত হজত যাব খোজা হজ যাত্ৰীসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে।



## পাকাবেতবাৰীত ডেংগু প্ৰতিৰোধ সন্দৰ্ভত সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ২৬ মে' ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে বৰপেটা জিলাৰ ৪৬নং সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পাকাবেতবাৰীস্থিত ৪২নং দক্ষিণ বেতবাৰী গাঁও পঞ্চায়ত কাৰ্যালয়ত ৰাষ্ট্ৰীয় ডেংগু দিৱস উপলক্ষে ডেংগু প্ৰতিৰোধ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। পাকাবেতবাৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ইয়াছমিনা পাৰবীনৰ পৌৰোহিত্যত অনুষ্ঠিত সজাগতা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বহুমুখী স্বাস্থ্য কৰ্মী মামিদুল ইছলামে। কেন্দ্ৰটোৰ আশা কৰ্মী পৰিদৰ্শক মল্লিকা খাতুন আৰু ছগৰাকী আশা কৰ্মীকে ধৰি প্ৰায় শতাধিক পুৰুষ-মহিলাৰ উপস্থিতিত ডেংগুৰ লক্ষণ আৰু ইয়াৰ প্ৰতিৰোধ সন্দৰ্ভত ক্ৰমে পাকাবেতবাৰীৰ গাঁওপ্ৰধান নয়ান আলী, বি কে নিত্যানন্দ-ওৱাহেদ আলী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক তথা বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰিয় নাথ ৰায়, স্থানীয় পঞ্চায়তখনৰ সভানেত্ৰীৰ প্ৰতিনিধি তথা সমাজকৰ্মী আজিজুৰ ৰহমানৰ লগতে পাকাবেতবাৰী উপ-স্বাস্থ্য কেন্দ্ৰৰ বিষয়ববীয়াসকলে তথ্যসম্বলিত ভাষণ প্ৰদান কৰে। উক্ত সভাত ডেংগু ৰোগ প্ৰতিৰোধৰ বাবে ৰাইজৰ ঘৰে ঘৰে গৈ সজাগ কৰিবলৈ ইয়াছমিনা পাৰবীনক সভানেত্ৰী, মল্লিকা খাতুনক সম্পাদিকা আৰু ক্ৰমে এ এন এম কহিনুৰ বেগম, আশা কৰ্মী মাজেদা খাতুন, এম পি ডব্লিউ মামিদুল ইছলাম, পাকাবেতবাৰী ১নং ৱাৰ্ডৰ ৱাৰ্ড সদস্য ময়ান মোল্লা, গাঁওপ্ৰধান নয়ান আলী, আনোৱাৰা আহমেদ, মাকণি ৰায় এ এন এম, থুনু তালুকদাৰ, আৰু ৱাৰ্ড সদস্য মামণি ৰায়ক সদস্য হিচাপে লৈ এখন সমিতি গঠন কৰা হয়।

## সৰুক্ষেত্ৰীত ড্ৰাগ্‌ছসহ দুজনক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তা সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ২৬ মে' ঃ** অসম আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাই বহুসংখ্যক ড্ৰাগ্‌ছ ব্যৱসায়িক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে যদিও সম্প্ৰতিও ৰাজ্যত অব্যাহত আছে ড্ৰাগ্‌ছৰ বৃহৎ ব্যৱসায়। বৰপেটা জিলাৰ সৰুক্ষেত্ৰী মৌজা তথা সৰ্থেবাৰী থানাৰ আৰক্ষীয়ে আজি বৃহৎসংখ্যক ড্ৰাগ্‌ছৰ লগতে দুজন ব্যৱসায়িক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত আজি সৰ্থেবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপপ্ত আৰক্ষী বিষয়া গৌৰাঙ্গ দেৱৰ নেতৃত্বত এদল আৰক্ষীয়ে এক অভিযান চলায় সৰ্থেবাৰী থানাৰ অন্তৰ্গত ক্ষুদ্ৰ ফালাদীৰ গোলাপ হুছেইনৰ বাসগৃহৰ গোহালিত গাঁতৰ পৰা উদ্ধাৰ কৰে ৮৯টা ড্ৰাগ্‌ছ ভৰ্তি কণ্টেইনাৰ। উক্ত ঘটনাৰ স'তে জড়িতৰ অভিযোগত হানিফ আলী নামৰ লোক এজনক আটক কৰে। পৰৱৰ্তী সময়ত হানিফ আলীৰ স্বীকাৰোক্তিৰ ভিত্তিত মূল অভিযুক্ত গোলাপ হুছেইনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, বিগত কেইবা বছৰ ধৰি ড্ৰাগ্‌ছ ব্যৱসায়ৰ স'তে গোলাপ হুছেইন নামৰ লোকজন জড়িত আছিল বুলি আৰক্ষীয়ে সদৰী কৰিছে।

# মাজবাটত দুখনকৈ চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভ উদ্বোধন

### শিক্ষা অবিহনে এটা জাতি-এখন সমাজ কেতিয়াও আগুৱাই যাব নোৱাৰে ঃ উৰ্খাও গৌড়া ব্ৰহ্ম

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৬ মে' ঃ** অসম চৰকাৰে চাহ বাগিচাৰ লগতে দাঁতিকাষৰীয়া গাঁওসমূহত বাস কৰা দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই ৰাজ্যৰ চাহ বাগিচাসমূহত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰিছে। এই আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়সমূহত এতিয়া বাগিচাৰ লগতে এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰকৈ শিক্ষা গ্ৰহণ কৰিব পাৰিব। এইক্ষেত্ৰত অভিভাৱকসকলৰ গুৰু দায়িত্ব আছে। আপোনালোকে এই অঞ্চলৰ নিৰক্ষৰ ল'ৰা-ছোৱালীসকলক উলিয়াই আনি এই আদৰ্শ বিদ্যালয়ত নামভৰ্তি কৰাই দি শিক্ষিত কৰিব লাগিব আৰু সমাজত সন্মান সহকাৰে জীয়াই থাকিবলৈ প্ৰেৰণা যোগাব লাগিব। কাৰণ শিক্ষা অবিহনে এটা জাতি, এখন সমাজ কেতিয়াও আগুৱাই যাব নোৱাৰে। ২৫ মে'ত মাজবাটত দুখনকৈ চাহ বাগিচাত স্থাপন কৰা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভ-উদ্বোধন কৰিবলৈ আহি বেটেলী চাহ বাগিচাত এইদৰে কয় অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই। তেওঁ আৰু কয় যে বৰ্তমান সময়ত শিক্ষা অবিহনে চৰকাৰী চাকৰি তথা বাগিচাৰ কৰ্মচাৰীতো দূৰৈৰে কথা সাধাৰণ কোম্পানীৰ চাকৰি বিচাৰি গ'লেও আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজন। ভাষণ প্ৰসংগত তেওঁ বাগিচাসমূহত বাগিচাৰ শ্ৰমিকসকলৰ সন্তানৰ ভৱিষ্যৎ চিন্তা কৰি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় একোখন স্থাপন কৰি দিয়াৰ বাবে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰী ব্ৰহ্মই ফিতা কাটি আৰু নাৰিকল ভাঙি আদৰ্শ বিদ্যালয়খন উদ্বোধন কৰাৰ আগমুহূৰ্তত বিদ্যালয় চৌহদৰ ভিতৰত অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম আৰু বি টি চিৰ পাৰিষদ দীপক মৌৰে দুজোপা গছপুলি ৰোপণ কৰে। ইয়াৰ পিছতে ৭০নং মাজবাট বিধানসভা সমষ্টিৰ বিধায়ক চৰণ বড়োয়ে বিদ্যালয় উদ্বোধনৰ মাংগলিক বন্তি প্ৰজ্বলন কৰে। সভাত বি টি আৰৰ ওদালগুৰি জিলা লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী সদস্য ড° নীলুৎ স্বৰ্গীয়াৰী, বি টি এছ ডি অ' ৰেখা বসুমতাৰী উপস্থিত চি প্ৰাক্তন এম চি এল এ জিতু কিষাণ, ওদালগুৰি জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰক্তিম বুঢ়াগোহাঁই, ওদালগুৰি জিলাৰ স্কুলসমূহৰ পৰিদৰ্শক জয়পাল সিং ব্ৰহ্ম, থাকে। সভাৰ শেষত বিয়লি মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই ধনশ্ৰী চাহ বাগিচাত স্থাপন কৰা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খনো উদ্বোধন কৰে।



*ভূৰাগাঁৱৰ ওজাগাঁও প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱৰ মাজতে অঘটন*

## হঠাত অসুস্থ হৈ মৃত্যু কুপতিমাৰী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৬ মে' ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ এখন প্ৰাথমিক বিদ্যালয়ত কালি গুণোৎসৱ চলি থাকোতেই ঘটিল এক মৰ্মান্তিক ঘটনা। হঠাৎ অসুস্থ হৈ এজন শিক্ষকৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণী মতে ওজাগাঁও প্ৰাথমিক বিদ্যালয়ত আজি আছিল গুণোৎসৱ। উক্ত গুণোৎসৱৰ বাবে কৰ্তব্যৰ খাতিৰত ওজাগাঁও প্ৰাথমিক বিদ্যালয়লৈ গৈছিল কুপতিমাৰী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক আবু হানিফ। বিদ্যালয়খনত আবু হানিফে এজন চি আৰ চি চিৰ লগত কথা পাতি থকাৰ মাজতে হঠাত অসুস্থ হৈ পৰাত শিক্ষকসকলে লৰালৰিকৈ আবু হানিফক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে আবু হানিফক মৃত ঘোষণা কৰে।

## কন্যা মহাবিদ্যালয় প্ৰেক্ষাগৃহত সত্ৰীয়া নৃত্যৰ কৰ্মশালা সম্পন্ন

**গুৱাহাটী, ২৬ মে' ঃ** মহানগৰীৰ গীতা নগৰস্থিত কন্যা মহাবিদ্যালয় প্ৰেক্ষাগৃহত ২৩ আৰু ২৪ মে'ত দুদিনীয়াকৈ সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। সংস্কাৰ ভাৰতী উত্তৰ অসম প্ৰান্ত আৰু সংস্কাৰ ভাৰতী কামৰূপ মহানগৰ জিলাৰ যুটীয়া উদ্যোগত প্ৰায় ডেৰ শতাধিক ছাত্ৰীক প্ৰশিক্ষণ দিয়া হয়। গুৰুজনৰ সৃষ্টিৰাজিৰ এই প্ৰশিক্ষণৰ শুভাৰম্ভ কৰে উত্তৰ অসম প্ৰান্তৰ অধ্যক্ষ মন্‌জু বৰাই। উল্লেখ্য যে সত্ৰীয় নৃত্য প্ৰশিক্ষণ অনুষ্ঠানত সমল ব্যক্তি হিচাপে ক্ৰমে উত্তৰ অসম প্ৰান্তৰ সাধাৰণ সম্পাদক পুলকেশ বৰুৱা, কামৰূপ মহানগৰ জিলাৰ সভানেত্ৰী ৰুমী ভূঞা, ড° অসীমা বৰদলৈ, ড° বেদব্ৰত শইকীয়া, কন্যা মহাবিদ্যালয়ৰ প্ৰবক্তা গুপ্তজিৎ পাঠক উপস্থিত থাকে। প্ৰশিক্ষণ অনুষ্ঠানত আটাই কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে সংস্কাৰ ভাৰতীৰ ওপৰত চমু ভাষণ প্ৰদান কৰে। গুৰু ঊষাৰাণী বৈশ্যই প্ৰশিক্ষণ দিয়া সত্ৰীয় নৃত্য অতি আদৰেৰে গ্ৰহণ কৰিছে ছাত্ৰীসকলে। লগতে প্ৰশিক্ষণত সহযোগিতা আগবঢ়ায় ওজা ভাস্কৰজ্যোতি, কৃষ্ণকান্ত দাস, সঞ্জীৱ ভকতে।



# মন্ত্ৰী অজন্তা নেওগৰ দেৰগাঁৱৰ সোণাখাত চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন

■ মাতৃসকলক নিজৰ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াবলৈ আহ্বান

■ বিদ্যালয় নামৰ মন্দিৰত শিক্ষা গ্ৰহণ কৰিহে চাহ বাগিচাৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ নিৰ্মাণ হ'ব

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২৬ মে' ঃ** অসম চৰকাৰৰ বিত্ত আৰু সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগে আজি দেৰগাঁৱৰ বিধায়ক ভবেন্দ্ৰনাথ ভৰালীৰ উপস্থিতিত গোলাঘাট জিলাৰ দেৰগাঁৱৰ সোণাখাত চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খন উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে যোৱা এটা বছৰত ৰাজ্য চৰকাৰখনে উন্নয়নৰ দিশত এটা নিৰ্দিষ্ট গতি ল'বলৈ সক্ষম হৈছে। ৰাজ্য চৰকাৰখনৰ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন ঠাইৰ চাহ বাগিচা অঞ্চলত ৯৬খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে অসমৰ মুঠ জনসংখ্যাৰ তিনি ভাগৰ এভাগ লোক চাহ বাগিচা আৰু তেওঁলোকৰ কঠোৰ পৰিশ্ৰমৰ বাবেই আমি আজি চাহক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিছোঁ। চাহ জনগোষ্ঠীৰ লোকসকল সাংস্কৃতিকভাৱে চহকী বুলি উল্লেখ কৰি তেওঁ কয় যে তেওঁলোকক সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিকভাৱে আগবঢ়াই লৈ যোৱাৰ বাবে চৰকাৰখনে সকলো ধৰণে প্ৰয়াস চলাইছে। তেওঁ কয় যে বিশেষকৈ শৈক্ষিক দিশত পিছপৰি থকা চাহ জনগোষ্ঠীৰ লোকসকলক এনেভাৱে আগবঢ়াই নিয়া হ'ব, যাতে অনাগত সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমখনক দেশৰ শীৰ্ষৰ ৫খন ৰাজ্যৰ অন্যতম হিচাপে গঢ়ি তুলিবলৈ দেখা সপোন বাস্তৱায়িত কৰাত জনগোষ্ঠীটোৱে বলিষ্ঠ নেতৃত্ব বহন কৰিব পাৰে। চাহ বাগিচাৰ বনুৱাৰ ল'ৰা-ছোৱালী বনুৱা নহয়, ডাক্তৰ, ইঞ্জিনিয়াৰ, আই এ এছ বিষয়া হ'ব লাগিব বুলি তেওঁ আশা প্ৰকাশ কৰে। বিদ্যালয়খনক এটা মন্দিৰ বুলি উল্লেখ কৰি তেওঁ কয় যে এই মন্দিৰতেই শিক্ষা গ্ৰহণ কৰি চাহ বাগিচাৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ নিৰ্মাণ হ'ব। তেওঁ বিশেষকৈ মাতৃসকলক নিজৰ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াবলৈ আহ্বান জনায়। তেওঁ চাহ বাগিচা অঞ্চলত প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মাতৃসকলক নিজৰ লগতে সন্তানকো পুষ্টিকৰ খাদ্য খুওৱাত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে জন্মৰ পৰা ৫ বছৰ বয়সলৈ শিশুসকলে যাতে উপযুক্ত পুষ্টিকৰ খাদ্য লাভ কৰে তাৰ বাবে ৰাজ্য চৰকাৰে চাহ বাগিচাসমূহত ১০০০টা মডেল অংগনৱাড়ী কেন্দ্ৰ স্থাপন কৰিব। লগতে চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে ৮০০খন বাগানত সমূহীয়া দক্ষতা কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। অৰুণোদয় আঁচনি সন্দৰ্ভত তেওঁ কয় যে হিতাধিকাৰী চৰকাৰে সৃষ্টি নকৰে। হিতাধিকাৰী পৰিৱেশেহে সৃষ্টি কৰে। তেওঁ সংশ্লিষ্ট সকলোকে বিদ্যালয়সমূহত গুণগত শিক্ষা প্ৰদান সুনিশ্চিত কৰাৰ বাবে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ভাষণ দি দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন্দ্ৰনাথ ভৰালীয়ে আজিৰ দিনটো অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি কয় যে বাগানৰ ল'ৰা-ছোৱালীক উন্নত মানৰ গুণগত শিক্ষা প্ৰদান কৰি সু-নাগৰিকৰূপে গঢ়ি তোলাৰ বিষয়টোক চৰকাৰে অন্যতম অগ্ৰাধিকাৰ প্ৰদান কৰিছে। তেওঁ বাগিচাৰ লোকসকলক প্ৰতিটো চৰকাৰী কামৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়। উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই আদৰণী ভাষণ দিয়া অনুষ্ঠানটোত জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰাই শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত গোলাঘাট জিলাৰ সহকাৰী শ্ৰম আয়ুক্ত তিলোত্তমা দেউৰী, মহিমা আৰু সোণাখাত চাহ বাগিচাৰ জ্যেষ্ঠ প্ৰবন্ধক প্ৰশান্তজ্যোতি বৰঠাকুৰ, বিদ্যালয়খনৰ অধ্যক্ষ, কেইবাগৰাকীও জ্যেষ্ঠ নাগৰিক, বিষয়া-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু চাহ জনগোষ্ঠীৰ স্থানীয় লোকসকল উপস্থিত আছিল।

# পশ্চিম দৰঙৰ টেঙেৰাত ছিগা মথাউৰি শীঘ্ৰে মেৰামতি কৰাৰ দাবী



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২৬ মে'ঃ** বাৰিষাৰ প্ৰথমটো বানত দুৰ্যোগৰ সন্মুখীন হোৱাৰ সময়ত পশ্চিম দৰঙৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত টেঙেৰাত দিমীলা নৈৰ পশ্চিম ফালে মথাউৰি প্ৰায় ২০ মিটাৰ মান অংশ বাঢ়নী পানীয়ে ছিগি নিয়ে। য'ত এইবেলি হোৱা বানপানীয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল। বৰ্তমান সেই ঠাইৰ দিমীলা নৈৰ জলপৃষ্ঠ ভালেখিনি কমি গৈছে। পুনৰ জলপৃষ্ঠ বাঢ়ি আহিলে যিকোনো মুহূৰ্তত ছিগা অংশেৰে পানী ওলাই অহাৰ প্ৰবল আশংকাই দেখা দিছে। আনপিনে বিভাগীয় কৰ্তৃপক্ষই এই মথাউৰিটোৰ প্ৰতি গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি এই মথাউৰিটো বিজ্ঞানসন্মত মুঠেই নহয়। তদুপৰি দুনী পঞ্চায়তৰ ফালৰ পৰা এম জি এনৰেগাৰ অধীনত এই মথাউৰিটোত মাটি পেলোৱাৰ নামতো হৈছিল বিসংগতি। আধা অংশ মাটি দি সেই অংশটোক সম্পূৰ্ণ কৰা নহ'ল। প্ৰকাশ্যে উল্লেখ কৰিব পাৰি যে সেই অংশটোক পানী কমি অহাৰ পিছতো আজিলৈকে মেৰামতি কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰা দেখা নাই। এইক্ষেত্ৰত শীঘ্ৰে মেৰামতি কৰি মথাউৰিটো বিজ্ঞানসন্মতভাৱে উন্নীত কৰিবলৈ স্থানীয় ৰাইজে চৰকাৰক দাবী উত্থাপন কৰিছে।

## ৰহা-চাপৰমুখৰ বানপীড়িত ৰাইজক খাদ্য সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৬ মে'ঃ** ৰহা-চাপৰমুখৰ বানপীড়িত ৰাইজক সহায়ৰ বাবে বিভিন্ন দল-সংগঠন আগবাঢ়ি অহা পৰিলক্ষিত হৈছে। বানপীড়িতসকলক চৰকাৰৰ ফালৰ পৰা সাহায্যৰ যোগান ধৰা হৈছে যদিও ইয়াৰ সমান্তৰালভাৱে বিভিন্ন দল-সংগঠনেও দুৰ্গত ৰাইজক পাৰ্যমান সহায়ৰ হাত আগবঢ়াইছে। আজি ৰূপহী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সন্থাৰ এটা দলে ৰহাত উপস্থিত হৈ ৰহাৰ জোঙালবলহু শ্বহীদ স্মৃতি হাই স্কুলৰ আশ্ৰয় শিবিৰ, ৰহাৰ হাবিয়ামুখ আৰু গড়মাৰীৰ বন্যাৰ্তসকলৰ অৱস্থাৰ বুজ লোৱাৰ লগতে তেওঁলোকৰ মাজত চাউল, দাইল, চেনি, মিঠাতেল, আলু-পিয়াজ আদিৰ লগতে ফলমূল, বিস্কুট আৰু কাপোৰেৰে যোগান ধৰে। এই সামগ্ৰীসমূহ বিতৰণৰ সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদক মৃদুল হাজৰিকা, নগাঁও মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত বৰা, ৰূপহী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিতুমণি নাথ, সাধাৰণ সম্পাদক বিকাশজ্যোতি হাজৰিকা, উপদেষ্টা কুশল কুমাৰ বৰা, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় কুমাৰ কাকতি, সাধাৰণ সম্পাদক ভাস্কৰ বৰুৱা আদি উপস্থিত থাকে। ইপিনে শিখ সংগঠন 'ইউনাইটেড শিখ'ৰ এটা প্ৰতিনিধি দল আজি চাপৰমুখৰ বানপীড়িত অঞ্চলত উপস্থিত হৈ চাপৰমুখৰ আটীগাঁও আৰু সিংগীমাৰৰ ১০০টা বানপীড়িত পৰিয়ালৰ মাজত খাদ্য-সামগ্ৰীৰ লগতে ফেনাইল আৰু ব্লিচিং পাউডাৰ বিতৰণ কৰে। আনহাতে, চাপৰমুখৰ সমাজকৰ্মী ৰুণু শৰ্মাই যোৱা কেইদিনত ৰহা আৰু চাপৰমুখ, মোলানকাটাত আশ্ৰয় শিবিৰত থকা বন্যাৰ্তৰ মাজত খোৰাপানী আৰু খাদ্য-সামগ্ৰীও বিতৰণ কৰে।




*উচ্ছেদ অভিযান বন্ধৰ দাবীত গুৱাহাটীত বৃহস্পতিবাৰে চিপিআইৰ (এম) প্ৰতিবাদ*

# ব্যতিক্ৰম গ্ৰুপৰ উদ্যোগত ৪ জুনৰ পৰা ৬০ দিনৰ ড্ৰাগ্‌ছ নিৰ্মূল অভিযান আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ মে'ঃ** মহানগৰীৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক সংস্থা ব্যতিক্ৰম মাছডোৰ উদ্যোগত ৬০ দিনৰ এণ্টি ড্ৰাগ্‌ছ কেম্পেইন (মাদকমুক্তি অভিযান) শীঘ্ৰেই আৰম্ভ কৰা হ'ব। সংস্থাৰ তৰফৰ পৰা এক প্ৰেছ বিজ্ঞপ্তিত জনোৱা হয় যে, অহা ৪ জুন তাৰিখে ৰাজভৱনৰ দৰবাৰ হলৰ পৰা শুভাৰম্ভ কৰা হ'ব এই অভিযানৰ। শুভাৰম্ভ কৰিব অসমৰ মহামান্য ৰাজ্যপাল জগদীশ মুখীয়ে। ইতিমধ্যে ইয়াৰ জোৰদাৰ প্ৰস্তুতি চলি আছে। উল্লেখ্য যে, ইয়াৰ আগতেও ব্যতিক্ৰম মাছডোই 'ন' হৰ্ণ প্লিজ' শীৰ্ষক প্ৰদূষণ ৰোধৰ এটি তিনিমহীয়া কেম্পেইন কৰি সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এণ্টি ড্ৰাগ্‌ছ কেম্পেইনৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকিব সাংসদ ভুৱনেশ্বৰ কলিতা, গেট হাস্পতালৰ প্ৰতিষ্ঠাপক ডাঃ বেদব্ৰত পাঠক, নেডফিৰ চেয়াৰমেন তথা মেনেজিং ডিৰেক্টৰ পিভিএছএল এম মূৰ্তি, ষ্টেট বেংক অৱ ইণ্ডিয়াৰ চীফ জেনেৰেল মেনেজাৰ আৰ এছ ৰমেশ। এই কাৰ্যসূচী সংক্ৰান্তীয় বিষয়ত আলোচনাৰ বাবে ব্যতিক্ৰম মাছডোৰ এটি প্ৰতিনিধি দল অসমৰ আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তৰ সৈতে এক দীৰ্ঘ আলোচনাত মিলিত হয়। প্ৰতিনিধি দলটোত উপস্থিত থাকে ব্যতিক্ৰমৰ উপদেষ্টা মনীষা হাজৰিকা, প্ৰতিষ্ঠাপক সভাপতি ড° সৌমেন ভাৰতীয়া, সাংগঠনিক সম্পাদক কাবেৰী শৰ্মা বৰুৱা আৰু দিশা চৌধুৰী। এই এণ্টি ড্ৰাগ্‌ছ কেম্পেইনত পুলিচ বিভাগৰ পৰা সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ নিশ্চয়তা প্ৰদান কৰিছে আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে। আৰক্ষী প্ৰধানগৰাকীৰ জ্ঞাতাৰ্থে সংস্থাৰ সভাপতি ড° সৌমেন ভাৰতীয়াই জনায় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ 'ড্ৰিম প্ৰজেক্ট' হৈছে মাদকমুক্ত অসম। সেই মহৎ কাৰ্যত সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যে ব্যতিক্ৰম মাছডোৰ এণ্টি ড্ৰাগ্‌ছ কেম্পেইন। এই সম্পৰ্কে ব্যতিক্ৰম গোষ্ঠীৰ উপদেষ্টা মনীষা হাজৰিকাই কয়— 'এয়া মাথোঁ আৰম্ভণি। ইয়াৰ পিছত পৰ্যায়ক্ৰমে সমগ্ৰ অসমতে ইয়াৰ বিস্তাৰ ঘটিব। মাদক মুক্তিৰ প্ৰসংগত নৱ-প্ৰজন্মক সঠিক পথ দেখাব নোৱাৰিলে সমাজৰ এক বিস্তৰ ক্ষতি হ'ব।' সেই বাবেই যুৱ-প্ৰজন্মক মাদক দ্ৰব্যৰ পৰা বহুযোজন দূৰ আঁতৰাই ৰখাটোৱে এই অভিযানৰ উদ্দেশ্য। এণ্টি ড্ৰাগ্‌ছ কেম্পেইনক লৈ এটি সজাগতামূলক গীত ইতিমধ্যে ৰচনা আৰু সুৰ কৰিছে প্ৰয়াত জয়ন্ত হাজৰিকাৰ সু-পুত্ৰ ময়ূখ হাজৰিকাই। এই অভিযানত সমাজৰ সকলো লোকে সহযোগ আগবঢ়াব পাৰিব। যোগাযোগ কৰিব পাৰে ৭৩৯৯০০২৪৪৪ নম্বৰত। উল্লেখ্য, এণ্টি ড্ৰাগ্‌ছ কেম্পেইনৰ ব্ৰেণ্ড এম্বেছাডৰ বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া।

## যোগীঘোপাৰ ঝাউকুৰাত নাবালিকা ধৰ্ষণকাৰী বৃদ্ধাক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৬ মে'ঃ** যোগীঘোপা থানাৰ অন্তৰ্গত ঝাউকুৰাত এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ অভিযোগত ৬০বছৰীয়া বৃদ্ধ এজনক যোগীঘোপা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বৃদ্ধগৰাকী ধুবুৰী জিলাৰ সীমান্তৱৰ্তী তথা বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত ঝাউকুৰা প্ৰথমখণ্ড গাঁৱৰ বাসিন্দা আব্দুল কাদেৰ (৬০) বুলি আৰক্ষী সূত্ৰে জনা গৈছে। বৃদ্ধজনৰ কামনাৰ বলি হোৱা ভুক্তভোগী নাবালিকাগৰাকীৰ পিতৃয়ে যোগীঘোপা থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৮৯/২০২২ নম্বৰ এটা গোচৰ পঞ্জীয়ন কৰি কালি বৃদ্ধগৰাকীক গ্ৰেপ্তাৰ কৰে। আজি আৰক্ষীয়ে ধৰ্ষণকাৰী আব্দুল কাদেৰক উত্তৰ শালমাৰা মহকুমা ন্যায়িক দণ্ডাধীশ আদালতত হাজিৰ কৰাই জে'ল হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, ২১ মে'ৰ নিশা প্ৰায় ৮ বজাত ৬০ বছৰীয়া বৃদ্ধজনৰ কামনাৰ বলি হ'ব লগা হৈছিল অষ্টম শ্ৰেণীৰ এগৰাকী ছাত্ৰী। ঝাউকুৰা প্ৰথম খণ্ড গাঁৱৰ আব্দুল কাদেৰ নামৰ ৬০ বছৰীয়া বৃদ্ধজনে সংঘটিত কৰিছিল এই জঘন্য কাণ্ড। ১৩ বছৰীয়া ছাত্ৰীগৰাকীক বলপূৰ্বকভাৱে শৌচালয়ৰ ভিতৰত আবদ্ধ কৰি ভয়-ভাবুকি দেখুৱাই বৃদ্ধজনে ধৰ্ষণ কৰে। এই জঘন্য কাণ্ড সংঘটিত কৰাৰ পিছত ওলোটাই বৃদ্ধজনৰ পৰিয়ালৰ লোকে ভুক্তভোগী নাবালিকাগৰাকীৰ পৰিয়ালৰ লোকৰ ওপৰত শাৰীৰিকভাৱে আক্ৰমণ কৰে। এই ঘটনা সন্দৰ্ভত ২২ মে'ত নাবালিকাগৰাকীৰ পৰিয়ালৰ লোকে যোগীঘোপা থানাত এখন এজাহাৰ দাখিল কৰিছিল। ঘটনাৰ পিছতে পলায়ন কৰা লম্পট বৃদ্ধগৰাকীক কালি যোগীঘোপা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰে। ইপিনে কালি ধৰ্ষণকাৰী লম্পট বৃদ্ধগৰাকীক ফাঁচীৰ দাবীত ঝাউকুৰা গাঁৱৰ পুৰুষ-মহিলাসকলো ওলাই আহি গাঁওখনত প্ৰতিবাদী সভা অনুষ্ঠিত কৰিছিল। সকলোৱে এই জঘন্য ঘটনাক তীব্ৰ নিন্দা কৰাৰ লগতে ধৰ্ষণকাৰীক ফাষ্টট্ৰেক আদালতত বিচাৰ কৰি ফাঁচী দিয়াৰ দাবী জনাই ৰাইজে হাতে হাতে প্লেকাৰ্ড লৈ বিভিন্ন শ্ল'গান দি প্ৰতিবাদো সাব্যস্ত কৰিছিল।

## চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনত বিদ্যাৰম্ভ সংস্কাৰ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৬ মে'ঃ** বৈদিক যুগত প্ৰতিগৰাকী শিশুৱে জন্মৰ পৰা ৪ বছৰ ৪ মাহ ৪ দিন উকলি যোৱাৰ লগে লগে গুৰুৰ গৃহত গৈ বিদ্যা আৰম্ভ কৰিব লাগে । সেই বৈদিক পৰম্পৰা অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা চলাইছে বিদ্যা ভাৰতীৰ অন্তৰ্গত শিশু শিক্ষা সমিতি অসমৰ নিকেতনসমূহে। এই ক্ষেত্ৰত আজি শিশু শিক্ষা সমিতি অসমৰ অন্তৰ্গত মৰিগাঁও জিলাৰ চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনত বৈদিক পৰম্পৰাৰে ছাত্ৰ-ছাত্ৰীক বিদ্যাৰম্ভ সংস্কাৰ প্ৰদান কৰা হয়। এই বিদ্যাৰম্ভ সংস্কাৰ কাৰ্যসূচী অনুসৰি পুৱা কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ পুথি শিৰত লৈ পানী তোলা কাৰ্যসূচী ৰূপায়ণ কৰে নিকেতনৰ আচাৰ্য-আচাৰ্যাসকলে। আৰু পানী তোলা কাৰ্যসূচীৰ পিছতে নিকেতনৰ প্ৰধান আচাৰ্য ভাগ্যৰাম নাথ সমন্বিতে আচাৰ্য-আচাৰ্যাসকলে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে ভৰি ধুৱাই তিলক পৰিধান কৰাই নিকেতনত প্ৰৱেশ কৰিব দিয়া হয়। ছাত্ৰ-ছাত্ৰীসকল নিকেতনত প্ৰৱেশৰ পিছতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক লগত লৈ বৈদিক পৰম্পৰাৰে হোম-যজ্ঞকে বিদ্যা সংস্কাৰ প্ৰদান কৰা হয়। উল্লেখ্য, প্ৰতি বছৰে চৰাইবাহী নিকেতনত এই পৰম্পৰাৰে আৰম্ভ কৰি আহিছে ছাত্ৰ-ছাত্ৰীৰ বিদ্যাৰম্ভ সংস্কাৰ।

## ৰোহিণী উপাধ্যায়ৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৬ মে'ঃ** বিহালী সমষ্টিৰ মোনাবাৰী নিৱাসী তথা মোনাবাৰী চাহ বাগিচাৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰোহিণী উপাধ্যায়ৰ (৭২) আজি নিজ বাসভৱনত মৃত্যু ঘটে। কাঠনিবাৰীঘাটত জন্মগ্ৰহণ কৰা উপাধ্যায় অতি মৃদুভাষী সহজ -সৰল মনৰ অধিকাৰী আছিল। অঞ্চলটোৰ কেইবাটিও অনুষ্ঠানৰ লগত জড়িত উপাধ্যায় কিছুদিন ধৰি মধুমেহ ৰোগত ভুগি আছিল। তেওঁৰ মৃত্যুত মোনাবাৰী, কাঠনিবাৰীৰ বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠান, সংস্থা সংগঠন, মোনাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোটকে ধৰি কেইবাটিও সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ ইহ সংসাৰত পত্নী, এগৰাকী পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী এৰি থৈ যায়। !

## মেৰাপানী চোৰাং গৰুভৰ্তি বলেৰ' বাহন জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৬ মে'ঃ** অসম-নাগালেণ্ডৰ মেৰাপানী সীমাঞ্চলত অব্যাহত আছে চোৰাং গৰুৰ অবৈধ বেহা। মেৰাপানী সীমাৰ পৰা নাগালেণ্ডলৈ এচাম অসাধু চক্ৰই অব্যাহত ৰাখিছে গৰুৰ চোৰাং সৰবৰাহ। তাৰ মাজতে আজি মেৰাপানী আৰক্ষীয়ে অভিযান চলাই গমাৰিগুৰিৰ পৰা এ এছ-05 চি-2587 নম্বৰৰ এখন বলেৰ' পিক্‌আপ বাহনত কঢ়িয়াই অনা ১১টাকৈ চোৰাং গৰু জব্দ কৰে। আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তিনিটাকৈ গৰু সৰবৰাহকাৰীকো আটক কৰিছে। আটকাধীন লোককেইজন হৈছে ক্ৰমে আমিৰ আলী, জাবেদ ৰহমান আৰু মুস্তাহিদুৰ ৰহমান। উল্লেখ্য যে, মেৰাপানীৰ পৰা অতি সংগোপনে চুবুৰীয়া নাগালেণ্ড অভিমুখে নিয়াৰ সময়তে আৰক্ষীৰ তালাচীত উদ্ধাৰ হয় গৰুসমূহ। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অধিক তথ্যৰ বাবে আটকাধীন লোককেইজনক জেৰা অব্যাহত ৰাখিছে।



*চৰাইদেউত বুধবাৰে বিভিন্ন বিভাগৰ কাৰ্যালয় পৰিদৰ্শন সোণাৰিৰ অতিৰিক্ত উপায়ুক্তৰ*

## জাগীৰোডৰ গোপালকৃষ্ণ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় শুভাৰম্ভ মন্ত্ৰী পীযূষ হাজৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ২৬ মে'ঃ** ৰাজ্যৰ চাহ বাগিচাসমূহৰ ছাত্ৰ-ছাত্ৰীসকল বছৰ বছৰ ধৰি বঞ্চিত হৈ আহিছে উপযুক্ত শিক্ষাৰ পৰা । সেয়ে চাহ বাগিচাসমূহৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষা দিয়াৰ উদ্দেশ্যে অসম চৰকাৰে গ্ৰহণ কৰিছে বিশেষ পদক্ষেপ। তাৰেই অংশ হিচাপে ২০২০ বৰ্ষত ৰাজ্যৰ চাহ বাগিচাসমূহত ১১৯খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল ৰাজ্য চৰকাৰে। ইয়াৰে ৰাজ্যখনৰ বিভিন্ন চাহ বাগিচাত স্থাপন কৰা ৯৬খন বিদ্যালয় আজি শুভাৰম্ভ কৰে ৰাজ্য চৰকাৰে। জাগীৰোডৰ গোপালকৃষ্ণ চাহ বাগিছা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খন শুভাৰম্ভ কৰে মন্ত্ৰী পীযূষ হাজৰিকাই। ১৪৪গৰাকী ছাত্ৰ-ছাত্ৰী আৰু ৮জন শিক্ষক-শিক্ষয়িত্ৰী থকা বিদ্যালয়খন শুভাৰম্ভ কৰি সুখ অনুভৱ ব্যক্ত কৰে মন্ত্ৰীগৰাকীয়ে। লগতে আগন্তুক দিনত এনে অধিক পৰিৱৰ্তন ৰাইজে দেখা পাব বুলিও মন্তব্য কৰে মন্ত্ৰী পীযূষ হাজৰিকাই। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে সমবেত সংগীত আৰু ছাত্ৰ-ছাত্ৰীসকলে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰা অনুষ্ঠানত মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, জিলা শিক্ষা বিষয়া বুলি গগৈ, জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ আদি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

## ময়নবৰীত গুণোৎসৱৰ মাজতে মধ্যাহ্ন ভোজনৰ চাউল পুতিলে প্ৰধান শিক্ষকে
## শিক্ষকজনক কঠোৰ শাস্তিৰ দাবী ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলগাছিয়া, ২৬ মে'ঃ** ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ চলি থকাৰ সময়তে বৰপেটা জিলাৰ মন্দিয়া শিক্ষাখণ্ডৰ অন্তৰ্গত ২০০৩নং উত্তৰ ময়নবৰী চৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ত পুতি ৰখা মধ্যাহ্ন ভোজনৰ চাউল উদ্ধাৰ হোৱা ঘটনাই অঞ্চলব্যাপী তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যালয়খনত লকডাউনৰ পাছৰ পৰাই ছাত্ৰ-ছাত্ৰীক দিয়া নাছিল মধ্যাহ্ন ভোজন। কণ কণ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত কৰি বস্তাই বস্তাই চাউল পুতি ৰাখে প্ৰধান শিক্ষক মহম্মদ আজাহাৰ আলীয়ে। ইয়াৰ পূৰ্বেও শিক্ষকগৰাকীয়ে মধ্যাহ্ন ভোজনৰ চাউল পুখুৰীত পেলাই দিয়াৰ পাছত পুখুৰীৰ মাছ মৰাৰো অভিযোগ পোৱা গৈছে। বিদ্যালয়খন চোৱা চিতাৰ দায়িত্বত থকা চি আৰ চি চিগৰাকীয়ে যে ঘৰত শুই বহিয়েই চৰকাৰৰ দৰমহা ভোগ কৰি আহিছে সেয়া ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত কৰি শিক্ষকে চাউল পুতি ৰখা ঘটনাই তাৰেই প্ৰমাণ কৰে। উল্লেখ্য যে, উক্ত বিদ্যালয়খন কিছু দেৱানী-মাতাব্বৰৰ কথাত পৰিচালিত হয় বুলিও অভিযোগ পোৱা গৈছে। পুতি থকা চাউল উদ্ধাৰ কৰাৰ সময়তে প্ৰধান শিক্ষকজনে বিদ্যালয়ৰ পৰা পলায়ন কৰি সাংবাদিকৰ আগত মন্তব্য দিয়াৰ পৰা আঁতৰি থাকে। এইক্ষেত্ৰত শীঘ্ৰেই শিক্ষক মহাম্মদ আজাহাৰ আলীক কঠোৰৰ পৰা কঠোৰ শাস্তি বিহিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ লগতে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত ৰাইজে দাবী জনাইছে।

## প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ পৰীক্ষিত তালুকদাৰৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, , ২৬ মে'ঃ** চামতা ৰূপীয়াবাথান নিৱাসী প্ৰাক্তন ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ তথা গ্ৰামোন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত কাৰ্মচাৰী পৰীক্ষিত তহবিলদাৰ (৬০)ৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ হস্পিতালত বিয়োগ ঘটাত চামতাকে ধৰি সমগ্ৰ নলবাৰী জিলাতে শোকৰ ছাঁ পৰিছে । চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ আজীৱন সভ্য, সংঘৰ প্ৰাক্তন কৃতি ফুটবল খেলুৱৈ পৰীক্ষিত তহবিলদাৰ দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল । চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা স্কুল টুৰ্ণামেণ্টৰ জড়িয়তে অসম স্কুল ফুটবল দলক প্ৰতিনিধিত্ব কৰা তহবিলদাৰ অসম চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগত জ্যেষ্ঠ কাৰ্যালয় সহায়ক পদত চাকৰি কৰি যোৱা এপ্ৰিল মাহত অৱসৰ গ্ৰহণ কৰিছিল ।প্ৰাক্তন কৃতি ফুটবল খেলুৱৈ পৰীক্ষিত তহবিলদাৰৰ বিয়োগত চামতা আঞ্চলিক ক্ৰীড়া সংঘ, পশ্চিম নলবাৰী প্ৰেছ ক্লাব, নলবাৰী ক্ৰীড়া সন্থা আদি অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তহবিলদাৰে মাতৃ, পত্নী, দুই পুত্ৰ-কন্যাসহ বহুতো আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায় ।

## ডিব্ৰুগড়ত চৌকীডিঙিত অগ্নিকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৬ মে'ঃ** ডিব্ৰুগড় চৌকীডিঙি জয়ানগৰত আজি বিয়লি সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ড। এই অগ্নিকাণ্ডত শৈলেন দত্ত নামৰ লোকজনৰ চৌহদত থকা তেওঁৰ চাৰিটাকৈ ভাৰাঘৰ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিকাণ্ডত তিনিটা চিলিণ্ডাৰ বিস্ফোৰণ হয়। অৱশেষত অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নুমুৱাবলৈ সক্ষম হয়। শ্বৰ্ট চাৰ্কিটৰ ফলতে অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। অগ্নিকাণ্ডত চাৰিটা ভাৰাতীয়া পৰিয়ালৰ বহু সা-সম্পত্তি জুই জাহ যায়।

# অসমৰ পৰা প্ৰতিদিনেই নাগালেণ্ডলৈ সৰবৰাহ গৰু
## মেৰাপানীত অব্যাহত গৰুৰ চোৰাং বেহা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৬ মে'ঃ** গোলাঘাট জিলাৰ সীমান্তৱৰ্তী মেৰাপানীৰ পৰা চুবুৰীয়া নাগালেণ্ডলৈ এচাম ব্যৱসায়ী চক্ৰই অব্যাহত ৰাখিছে গৰুৰ চোৰাং বেহা। ৰাজ্য চৰকাৰে গো-আইনৰ অধীনত বহিঃৰাজ্যলৈ গৰুৰ সৰবৰাহৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰি ৰাখিছে যদিও অসম-নাগালেণ্ডৰ মেৰাপানী সীমাত একাংশ লোকে বৰ্তমানো অব্যাহত ৰাখিছে গৰুৰ চোৰাং বেহা। চলে-বলে আৰু কৌশলেৰে একাংশ ব্যৱসায়ীয়ে মেৰাপানী সীমান্তত গৰু সৰবৰাহৰ ছিণ্ডিকেট চলাই প্ৰতিদিনেই গাড়ীয়ে গাড়ীয়ে গৰুৰ সৰবৰাহ অব্যাহত ৰাখিছে। মেৰাপানী ডি ছেক্টৰত নিয়োজিত চি আৰ পি এফ বাহিনীৰ মুঠ ৬টাকৈ স্থায়ী শিবিৰৰ লগতে মেৰাপানীত এখন আৰক্ষী থানা থকা সত্ত্বেও আৰক্ষী প্ৰশাসনৰ চকুত ধূলি দি বৃহৎ চক্ৰটোৱে অব্যাহত ৰাখিছে গৰুৰ চোৰাং বেহা। আৰক্ষী, চি আৰ পি এফৰ তালাচীত মাজে-মধ্যে চোৰাং গৰুসহ বিভিন্ন বাহন আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হৈছে যদিও অধিকসংখ্যকেই গৰুৰ গোপন সৰবৰাহ অব্যাহত ৰাখিছে। এক গোপন সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত এই চক্ৰটোৱে বিভিন্ন পক্ষক মেনেজ কৰি নগা পাহাৰলৈ যোৱা বিভিন্ন পথেৰে গৰুসমূহ নি ফুটহিলত একগোট কৰাই তাৰ পৰাই নাগালেণ্ডৰ বিভিন্ন ঠাইলৈ সৰবৰাহ কৰে। ফলস্বৰূপে মেৰাপানীৰ সীমাৰ তথা নগা অধিকৃত ফুটহিলত এখন অবৈধ গৰুৰ বজাৰো গঢ়ি উঠিছে। চক্ৰটোৱে স্থানীয় লোকসকলৰ লগতে বিভিন্ন স্থানৰ পৰা চুৰি হোৱা গৰু, গাইসমূহো এই গোপন বজাৰলৈ আনি নাগালেণ্ডলৈ সৰবৰাহ কৰি অহাৰো তথ্য পোহৰলৈ আহিছে। এই ক্ষেত্ৰত গৰুৰ চোৰাং বেহা ৰোধ কৰিবলৈ স্থানীয় কেইবাটাও দল-সংগঠনে আৰক্ষী প্ৰশাসন তথা চিআৰপিএফক দাবী জনাইছে।

## পুখুৰীত পৰি কন্যা শিশু মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৬ মে'ঃ** ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত লগুৱাবাৰীত আজি দুপৰীয়া এটি চাৰিবছৰীয়া কন্যা শিশু পুখুৰীত পৰি কৰুণ মৃত্যুক আঁকোৱালি লোৱা বাতৰিয়ে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, লগুৱাবাৰী অঞ্চলৰ নিৱাসী অজিত গগৈ আৰু নিবেদিতা গগৈৰ কন্যা গাৰ্গী গগৈ ঘৰৰ ওচৰতে খেলি থকা অৱস্থাত পুখুৰীত পৰি যায়। পিছত মাতৃৰ লগতে পৰিয়ালৰ লোকে বহু সময় বিচৰাৰ অন্তত পুখুৰীত পৰি থকা প্ৰত্যক্ষ কৰি উদ্ধাৰ কৰি ডিমৌ আদৰ্শ চিকিৎসালয়লৈ লৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। শিশুটিৰ মৃত্যু পৰিয়ালৰ লগতে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

# কাহিলিপাৰাত চৰকাৰী স্কুললৈ ইউএছটিএমৰ গুণগত মানৰ ফাৰ্ণিচাৰ দান

**ন-মাইল, খানাপাৰা, ৰি-ভই, ২৬ মে'ঃ** জনসাধাৰণ কাষ চপাৰ এক অংশ হিচাপে ইউনিভাৰ্ছিটী অৱ ছায়েন্স এণ্ড টেকন'লজি মেঘালয়ে গুৱাহাটীৰ কাহিলিপাৰা, জটিয়াস্থিত ফাগুনা ৰাভা উচ্চ মাধ্যমিক বিদ্যালয়লৈ গুণগত ডেস্ক আৰু বেঞ্চ দান কৰে। আজি কাহিলিপাৰাৰ উক্ত বিদ্যালয়খনৰ চৌহদত অনুষ্ঠিত এক আনুষ্ঠানিক অনুষ্ঠানত ইউএছটিএমৰ আচাৰ্য মেহবুবুল হক আৰু প্ৰসিদ্ধ শিক্ষাবিদ তথা অক্ষৰ ফাউণ্ডেশ্বনৰ কাৰ্যবাহী সঞ্চালক অধ্যাপিকা অলকা শৰ্মাৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু এজন চৰকাৰী বিদ্যালয় পৰিদৰ্শক, ইউএছটিএমৰ বিষয়া আৰু অক্ষৰ ফাউণ্ডেশ্বনৰ শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। এই উপলক্ষে সম্বোধন কৰি মেহবুবুল হকে কয়, "চৰকাৰী বিদ্যালয়সমূহত উন্নয়নৰ বহুতো সম্ভাৱনীয়তা আছে আৰু নিজা পুঁজিৰ অনুষ্ঠানসমূহ অথবা ব্যক্তিগত কৰ্পোৰেটসমূহে জনগণৰ হিতৰ কথা বিবেচনা কৰি এই ৰাজহুৱা শিক্ষানুষ্ঠানসমূহক সমৰ্থন জনাবলৈ আগবাঢ়ি আহিব লাগে, বিশেষকৈ সমাজৰ বঞ্চিতসকলৰ বাবে, যিয়ে ব্যক্তিগত শিক্ষানুষ্ঠানত পঢ়িবলৈ অক্ষম।" মুনাফাবিহীন শৈক্ষিক সংগঠন অক্ষৰ ফাউণ্ডেশ্বনে এই বিদ্যালয়খন গ্ৰহণ কৰিছে আৰু ফাৰ্ণিচাৰ, বিত্তীয় সহায়তা আদি প্ৰদানৰ দৰে সহায় আগবঢ়াই শিক্ষাৰ সবলীকৰণ কৰিবলৈ ইউএছটিএম অক্ষৰৰ সৈতে সংঘবদ্ধ হৈছে। এই সন্দৰ্ভত অধ্যাপিকা অলকা শৰ্মাই কয় যে, চৰকাৰী বিদ্যালয়সমূহৰ মূল সমস্যা হৈছে অধিক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় এৰা আৰু নামভৰ্তিৰ হাৰ নিম্নগামী হোৱা। "ইয়াৰ আঁৰত থকা মূল কাৰণটো হৈছে নিৰ্দিষ্ট বিষয় যেনে গণিত আৰু ইংৰাজীত সাধাৰণতে ছাত্ৰ-ছাত্ৰীৰ দুৰ্বলতা। পৰৱৰ্তী যিটো শ্ৰেণীলৈ তেওঁলোকক উন্নীত কৰা হয় সেই নিৰ্দিষ্ট শ্ৰেণীটোত নিশিকা কথাবিলাক ভালদৰে বুজিবলৈ তেওঁলোকৰ কোনো সুবিধা নাই। অক্ষৰ ফাউণ্ডেশ্বনে ২০২১ চনৰ ডিচেম্বৰত বিভিন্ন বিদ্যালয়ত এক জৰীপ চলাই অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ এক অধ্যয়ন চলাই পাইছিল যে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা অতিকৈ দুৰ্বল। আমি সহায়ৰ সেৱা আগবঢ়োৱা এইখনেই প্ৰথম বিদ্যালয় আৰু আমি লাহে লাহে অন্য বিদ্যালয়লৈও আমাৰ সেৱা আগবঢ়াই যাম", তেওঁ কয়। অক্ষৰ ফাউণ্ডেশ্বনৰ সহ-প্ৰতিষ্ঠাপক আৰু সহযোগী সঞ্চালক পাৰমিতা শৰ্মাই কয়, "অক্ষৰে উদ্ভাৱন কৰা শিক্ষা পদ্ধতিৰ জৰিয়তে প্ৰতিকাৰ মূলক শিক্ষাত নিযুক্ত হৈ আছে আৰু ই ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ পংক্তিবদ্ধতা। আমি ছাত্ৰ-ছাত্ৰীসকলক জীৱিকামূলক শিক্ষাও প্ৰদান কৰি আহিছো। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ৰূপৰেখা হৈছে বিদ্যালয় এৰা শিশুসকলক পুনৰ নামভৰ্তি কৰোৱা আৰু তাৰ বাবে প্ৰতিকাৰমূলক শিক্ষা দিবই লাগিব। আমাৰ শিক্ষা পদ্ধতি অনুসৰি, গণিতৰ ক্ষেত্ৰত এজন ছাত্ৰ পঞ্চম শ্ৰেণীৰ হ'ব পাৰে, অসমীয়াৰ ক্ষেত্ৰত তৃতীয় শ্ৰেণীৰ হ'ব পাৰে আৰু ইংৰাজীৰ ক্ষেত্ৰত দ্বিতীয় শ্ৰেণীৰ হ'ব পাৰে। আমি ছাত্ৰ-ছাত্ৰীসকলক পুনঃ শ্ৰেণীবিভক্ত কৰিছো আৰু টেবলেট, ৱৰ্কশ্বিট আদিৰ সহায়ত তেওঁলোকক প্ৰয়োজন অনুসৰি প্ৰতিকাৰমূলক শিক্ষা প্ৰদান কৰিছো। তদুপৰি কনিষ্ঠ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাবলৈ জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীক নিযুক্ত কৰাটোও আমাৰ শিক্ষা পদ্ধতিৰ এটা অংশ।"




*গুৱাহাটী প্ৰেছক্লাবত বিশিষ্ট লেখিকা সুপৰ্ণা বৰুৱাৰ গ্ৰন্থ 'লাল-সবুজেৰ ঝাড়খণ্ড ঃ তখন আৰু এখন' উন্মোচন কৰিছে বিশিষ্ট শিক্ষাবিদ ঊষাৰঞ্জন ভট্টাচাৰ্য, জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত ৰাজগুৰু আৰু বিশিষ্ট গল্পকাৰ মাইনী মহন্তই*

**বকোৰ প্ৰবীণ কুমাৰ চৌধুৰী হাইস্কুলত গুণোৎসৱ**

# যীচু, আল্লাহ, ভগৱানক স্তুতি কৰিলে বালিঝাৰ হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৬ মে' ঃ** দুই বছৰ পিছত পৰীক্ষাত বহিবলৈ পাই উৎফুল্ল ছাত্ৰ-ছাত্ৰী। অসমৰ প্ৰত্যেকখন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হোৱাৰ সমান্তৰাল কৈ আজি বালিঝাৰ হাইস্কুল আৰু প্ৰবীণ কুমাৰ চৌধুৰী হাইস্কুলতো অনুষ্ঠিত হয় গুণোৎসৱ। কামৰূপ জিলাৰ ছমৰীয়া প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত বিদ্যালয় সমূহত তিনিটা পৰ্যায়ত আৰম্ভ হৈছিল গুণোৎসৱ। অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰত্যেক খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত কৰি বহি মূল্যায়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা আৰু গুণোৰ উৎসৱ পাতি আহিছে। সেয়ে প্ৰত্যেকখন বিদ্যালয়ত বহী মুল্যায়ন বিষয়া নিযুক্তি দিয়াৰ লগতে গুণোৎসৱৰ সকলো বিষয় নিৰীক্ষণ দায়িত্ব অৰ্পণ কৰে। আজি বালিঝাৰ হাইস্কুল আৰু প্ৰবীণ কুমাৰ চৌধুৰী হাইস্কুলত তৃতীয়-অন্তিম পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হয়। আজিৰ এই গুণোৎসৱৰ বহী মূল্যায়ন বিষয়া হিচাপে উপস্থিত থাকে বালিঝাৰ হাইস্কুলত ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা ড' লোহিত ৰাভা আৰু প্ৰবীণ কুমাৰ চৌধুৰী হাইস্কুলত। ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা গীতিকা দাস আৰু বৰিয়া কমলপুৰ সমল জলসিঞ্চন বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা নিবাৰণ চন্দ্ৰ নাথৰ লগতে ন'ৰেন শিক্ষক হিচাপে সহযোগ আগবঢ়ায় বালিঝাৰ হাইস্কুলৰ বিজ্ঞান শিক্ষক স্বাহ জালাল আহমেদ আৰু সহ শিক্ষক আক্ৰাম হুছেইনে। বহী মূল্যায়ন নিৰিক্ষক বিষয়াসকলে বিদ্যালয়ৰ সকলো তথ্যপাতি, পুথিভঁৰাল, বিদ্যালয় কক্ষ, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, বহী মূল্যায়ন আদি নিৰীক্ষণ কৰে। বহী মূল্যায়ন নিৰীক্ষণ কৰাৰ ক্ষেত্ৰত নিৰীক্ষক সহায়-সহযোগীতা আগবঢ়ায় বালিঝাৰ হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুছ ছালাম, আৰু প্ৰবীণ কুমাৰ চৌধুৰী হাইস্কুলৰ প্ৰধান শিক্ষক ইদুল আলীৰ লগতে শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য সদস্যা সকলে। গুণোৎসৱ চলি থকা বিদ্যালয়সমূহ পৰিদৰ্শন কৰে ছমৰীয়া প্ৰাথমিক শিক্ষা খণ্ড বিষয়া নিত্য প্ৰসাদ মহন্ত, খণ্ড প্ৰাথমিক হিচাপ ৰক্ষক গৌতম অলেমান। বিদ্যালয় সমূহত শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণ ভাবেই গুণোৎসৱ চলি আছে বুলি কয় বিষয়া সকলে।



**পশ্চিম টংলা প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱ**

# চৰকাৰী বিদ্যালয় হ'লেও ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫০

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাওঁ, ২৬ মে' ঃ** ওদালগুৰি জিলাৰ শৈক্ষিক সাংস্কৃতিক ব্যৱসায়িক নগৰ টংলাৰ এখন প্ৰাথমিক বিদ্যালয়ত সোমালেই আপুনি অভিভূত হৈ পৰিব। সুন্দৰ বাতাৱৰণ থকা বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাই ২৫০ গৰাকী। অন্য চৰকাৰী বিদ্যালয়সমূহৰ তুলনাত ইয়াৰ সংখ্যাধিকাই সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। বিভিন্ন ভাষা-ভাষীৰ শিক্ষাৰ্থীয়ে পাঠদান কৰা শিক্ষা জীৱনৰ কঠীয়তলী প্ৰাথমিক বিদ্যালয়খনৰ সৌন্দৰ্যই সকলোকে মোহিত কৰে। বিভিন্ন ধৰণৰ গছ-গছনিয়ে বিদ্যালয়ক আশ্ৰম সদৃশ কৰি তুলিছে। কোঠাসমূহকো বিভিন্ন ধৰণৰ শিক্ষাৰ্থীৰ উপযোগী মহৎলোকৰ বাণী, মহৎ ব্যক্তিৰ ছবি, শিক্ষণ সামগ্ৰী আদিৰে সজাই তোলা বিদ্যালয়খনত সহ-শিক্ষয়িত্ৰী সবিতাৰাণী মহলীয়াৰ তত্ত্বাৱধানত প্ৰাচীৰ পত্ৰিকাৰো সুব্যৱস্থা কৰিছে ছাত্ৰ-ছাত্ৰীৰ ভিন্নৰূপী লেখাৰে। পুথিভঁৰাল, নথি-পত্ৰ, ফাইল সুন্দৰ কৈ সজাই থোৱা আছে। অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰবৰ্তন কৰা গুণোৎসৱ উপলক্ষে আজি বিদ্যালয়খনত পৰ্যবেক্ষক তথা মূল্যাংকণ বিষয়া হিচাপে উপস্থিত থাকি প্ৰধান শিক্ষক বেলিৰাম বৰুৱাক টংলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক সন্দিপ ৰয়ে ভূয়সী প্ৰশংসা কৰে। গুণোৎসৱ উপলক্ষে প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক নবীন বেজবৰুৱা,অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰীদ্বয় গুণলতা মেধি ,পাৰুল তালুকদাৰ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গণেশ ৰাভা, সমাজকৰ্মী ৰতন ৰাভা, সহায়িকা মণিকা ডেকা, ৰূমী ডেকা, শিক্ষক, সমাজকৰ্মী শ্যামল দাস, মনিদীপ মহলীয়া, ডেৰশৰো অধিক অভিভাৱক, ৰান্ধনী, আংগন বাড়ী কৰ্মী উপস্থিত থাকে। অন্যান্য চৰকাৰী বিদ্যালয়সমূহত যেনেদৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সেৰেঙা ,বন্ধ হোৱাৰ উপক্ৰম হৈছে তেনে সময়ত এইখন বিদ্যালয় সুন্দৰ নিদৰ্শন হৈ ৰ'ব। আনহাতে ২৫০ শিক্ষাৰ্থী থকা বিদ্যালয়খনত প্ৰধান শিক্ষক বেলিৰাম বৰুৱা, সহ- শিক্ষয়িত্ৰীদ্বয় সবিতাৰাণী মহলীয়া, সুলোচনা ডেকা আৰু সুমন্ত্ৰী বড়োক সহায় কৰিবলৈ আৰু দুগৰাকীমান নতুন শিক্ষক নিযুক্তি দিবলৈ সংবাদ মাধ্যমৰ যোগেদি অভিভাৱকসকলে শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনায়।



# মৰিয়নিত তিনিখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আনুষ্ঠানিক ভাবে শুভ উদ্বোধন কৰে শিক্ষামন্ত্ৰী ডাঃ ৰনোজ পেগুয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৬ মে' ঃ** চাহ বাগিচা অঞ্চলত শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি কৰাৰ লক্ষ্যৰে অসম চৰকাৰে চাহ বাগিচা অঞ্চলত ১১৯ খন উচ্চ মাধ্যমিক বিদ্যালয়ৰ স্থাপন কৰি এক নতুন যুগৰ সূচনা কৰিছে। আজি আৰু কাইলৈ ৯৬খন বিদ্যালয় উদ্বোধন আদৰণি ভাষণ আগবঢ়াই মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। ইয়াৰ পাছত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে নিজৰ বক্তব্যত কয় যে চাহ বাগিচা অঞ্চলত বিগত সত্তৰ বছৰত এখনো উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন হোৱা নাছিল। লাগিব বুলি উল্লেখ কৰে শিক্ষামন্ত্ৰী গৰাকীয়ে। তেখেতে নিজ বক্তব্যত কয় যে এই বিদ্যালয়সমূহৰ আন্তঃগাঁঠনিৰ বাবে পঞ্চাশ লাখকৈ চৰকাৰে অনুদান আগবঢ়োৱা কথা কয়। এই বিদ্যালয়সমূহত আঠজনকৈ শিক্ষক শিক্ষয়িত্ৰী নিযুক্তি দিয়া হৈছে আৰু অতি শীঘ্ৰেই এজনকৈ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তি দিয়া কথা উল্লেখ কৰে মন্ত্ৰীগৰাকী।



কৰা হ'ব। ইয়াৰে মৰিয়নি সমষ্টিৰ তিনিখন চাহ বাগিচা ক্ৰমে চৈকটা, কঠালগুৰি আৰু নাগিনিজান চাহ বাগিচাত নিৰ্মান কৰা তিনিখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আজি শুভ উদ্বোধন কৰে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে। বিদ্যালয়ৰ শুভ উদ্বোধনী অনুষ্ঠানত শিক্ষা মন্ত্ৰীৰ লগতে যোৰহাট লোক সভাৰ সাংসদ তপন গগৈ, মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে অংশ গ্ৰহণ কৰে। ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ফিতা কাটি বন্তি প্ৰজ্বলন কৰি এই বিদ্যালয়কেইখন শুভ উদ্বোধন কৰে। বিজেপি চৰকাৰেগনে চাহ বাগিচা এলেকাত একোখন কৈ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰি এক নতুন যুগৰ সূচনা কৰা বুলি কয়। ইফালে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে নিজ বক্তব্যত কয়যে বিগত সত্তৰ বছৰত চাহ বাগিচা অঞ্চলত এখনো উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা নহ'ল কিন্তু বিজেপি চৰকাৰে চাহ বাগিচা ল'ৰা-ছোৱালীক শিক্ষাৰ দিশত আগবঢ়াই নিবলৈ ৰাজ্যখনত ১১৯ খন উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰি এক নতুন যুগৰ সূচনা কৰা বুলি উল্লেখ কৰি কয় যে এই বিদ্যালয়সমূহ বাগিচাৰ ৰাইজৰ সেয়েহে ৰাইজে ইয়াৰ চোৰা-চিতাৰ দায়িত্ব লব

# মাৰ্ঘেৰিটা টাউন হাইস্কুলৰ গুণোৎসৱত অংশগ্ৰহণ বিধায়ক ভাস্কৰ শৰ্মাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৬ মে' ঃ** মাৰ্ঘেৰিটাতো আৰম্ভ হল শিক্ষা বিভাগৰ গুণোৎসৱ। মন্ত্ৰী-বিধায়ক তথা চৰকাৰী আমোলা বিষয়া সকলো এতিয়া ব্যস্ত হৈ পৰিছে গুণোৎসৱলৈ। মাৰ্ঘেৰিটা টাউন হাইস্কুলতো আজি অনুষ্ঠিত হয় গুণোৎসৱ। গুণোৎসৱ উপলক্ষে মাৰ্ঘেৰিটা বিধায়ক ভাস্কৰ শৰ্মাই বিদ্যালয়খনত উপস্থিত হৈ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বিদ্যালয়খনৰ আন্তঃগাঁঠনি আৰু শিক্ষাৰ



মান পৰ্য্যবেক্ষণ কৰে। পুৰা বিধায়ক গৰাকীৰ মাৰ্ঘেৰিটা টাউন হাইস্কুলত উপস্থিত হৈ ছাত্ৰ ছাত্ৰী সকলৰ সৈতে মত বিনিময় কৰি সন্তোষ প্ৰকাশ কৰে। উল্লেখ যে বিগত সময়ত টাউন হাইস্কুল বিদ্যালয়খনে শিক্ষাৰ ক্ষেত্ৰত মাৰ্ঘেৰিটা ভিতৰতে এক উন্নত ফলাফল প্ৰদৰ্শন কৰি আহিছে। গুণোৎসৱৰ উপলক্ষে আজি বিদ্যালয় খনৰ প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সকলো ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত উপস্থিত থাকে।

# মাজবাটৰ খুচুৰাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত কদৰ্য পৰিৱেশত গুণোৎসৱ পালন

**প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া স্থানীয় ৰাইজৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৬ মে' ঃ** শিক্ষাৰ মান উচ্চ পৰ্যায়লৈ নিয়াৰ উদ্দেশ্যে আৰম্ভ কৰা গুণোৎসৱ-২০২২ শিক্ষা বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী অনুসৰি ২৩ আৰু ২৬ মে'তো ওদালগুৰি জিলা বিদ্যালয় পৰিদৰ্শক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত মাজবাটৰ খুচুৰাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হয়। উক্ত কাৰ্যক্ৰমণিকাত ছাত্ৰ-ছাত্ৰীৰ গুণগত শিক্ষা আৰু শিক্ষকসকলৰ শিক্ষাদানৰ মান কি পৰ্যায়ত আছে , বিদ্যালয়ৰ শিক্ষাদান কৰা সুপৰিৱেশ কেনে আছে, উক্ত বিষয়ত পুংখানুপুংখকৈ খতিয়ান ল'বলৈ ক্ষেত্ৰ পৰিদৰ্শক হিচাপে উপস্থিত থাকে মনোৰঞ্জন পাটিৰ আৰু গবিন্দ কলিতা। বিদ্যালয়খনত প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ হোৱা গুণোৎসৱত ছাত্ৰ-ছাত্ৰীসকলে স্ব-মূল্যায়নৰ যোগেদি প্ৰশ্নসমূহৰ উত্তৰ অ ' এম আৰ ছীটত পূৰণ কৰে। ইমানলৈ গুণোৎসৱৰ কাৰ্যক্ৰমণিকা সকলো ঠিকেই চলি আছিল। কিন্তু গুণোৎসৱ চলি থকাৰ মাজতে বিদ্যালয়খনৰ এগৰাকী চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীক স্থানীয় লোক এজনে বিদ্যালয়খনৰ কাৰ্যালয়ৰ পিচ ফালে চিৰিত বহি থকা দেখা পায়। লোকজনে ছাত্ৰী গৰাকীৰ ওচৰলৈ গৈ কিয় এনেকৈ বহি আছে বুলি সোধাত মূৰ ঘূৰাই বহি থকা বুলি কয়। স্থানীয় লোক এজনে পৰিৱেশ ঠিক আছে নে নাই ছাবলৈ যোৱাত বিদ্যালয়খনৰ প্ৰেচাৰগাৰ চৌহদৰ কদৰ্যময় পৰিবেশ প্ৰত্যক্ষ কৰে আৰু কোনো পধ্যেই সোমাব পৰা পৰিৱেশ নেদেখি একাংশ সচেতন ৰাইজ আৰু সংবাদ কৰ্মীকো লগে লগে খবৰ দিয়ে। এই লৈ স্থানীয় সচেতন ৰাইজ আৰু একাংশ অভিভাৱকে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী দায়িত্ব জ্ঞানহীনতাৰ বাবেই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়খনত এনেকৈ নৰক যন্ত্ৰণা ভূগিবলগীয়া হৈ আহিছে। অইন দিনৰ কথা বেলেগ হ'লেও আজি অন্ততঃ গুণোৎসৱ বুলিয়েই চাফ-চিকুণ কৰিব পাৰিলে হয়। স্থানীয় ৰাইজে সাংবাদিকৰ আগত আৰু কয় যে পূৰ্বতেও বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকীৰ বিৰুদ্ধে এনেধৰণৰ কিছুমান ৰাজহুৱা গুৰুতৰ অভিযোগৰ বাবে বিদ্যালয়ত ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল আৰু নিজে কৰা ভুলৰ বাবে ৰাইজৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা খুজিবলগীয়া হৈছিল। ইয়াৰ পিছতো প্ৰধান শিক্ষয়িত্ৰী গৰাকী চিধা নহ'ল বুলি ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। এই ক্ষেত্ৰত স্থানীয় সচেতন ৰাইজ আৰু একাংশ অভিভাৱককে প্ৰধান শিক্ষয়িত্ৰী গৰাকীৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে জিলা উপায়ুক্তক অনুৰোধ জনাইছে।

# নামনি অসমত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৬ মে' ঃ** শিক্ষা ব্যৱস্থাৰ আমুল পৰিবৰ্তন আৰু উন্নয়নৰ লক্ষৰে চৰকাৰী পৃষ্ঠপোষকতাত ৰাজ্যজুৰি পৰ্যায়ক্ৰমে আৰাম্ভ হৈছে গুনোৎসব । দ্বিতীয় পৰ্যায়ৰ গুনোৎসৱত পিছপৰি থকা নাই বৰপেটা জিলাৰ অন্তৰ্গত হাউলী আদৰ্শ বিদ্যাপীঠ হাইস্কুল। আজি এই দ্বিতীয় পৰ্যায়ৰ গুনোৎসৱ আৰাম্ভ হয় । দুই তিনি দিনত স্কুলৰ সকলো শিক্ষক কৰ্মচাৰী ব্যস্ত আৰু উৎসাহ উদ্দীপনাৰে কাম কৰি আছে। ১৯৭৩ চনতে স্থাপন কৰা এই বিদ্যালয়খনৰ সোনালী জয়ন্তী বৰ্ষ পালনৰ বাবে বেছি দিন নাই। বিদ্যালয়খনৰ পৰিবেশ অতি সুন্দৰ। সকলো ছাত্ৰ-ছাত্ৰী অতি সুন্দৰ পৰিবেশৰ লগত মিলি বিদ্যালয়ৰ পৰিবেশ আৰু সুন্দৰ কৰিছে। বিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰীৰ অভিভাৱক সকলো অতি উৎসাহেৰে শিক্ষক কৰ্মচাৰীক উৎসাহ যোগোৱা দেখা যায় ।সকলো সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ মিলনথলি এই আদৰ্শ বিদ্যাপীঠ হাই স্কুল ।শিক্ষাগুৰু সকলৰ অভাৱ অভিযোগ,বিদ্যালয়ৰ আন্ত:গাঠনি সকলো দিশত গুনোৎসবৰ দৰে কাৰ্যসূচীৰে স্কুলখনৰ উন্নয়নৰ আশাৰে পৰিচালনা সমিতি আৰু ৰাইজে আশাৰে বাট চাই আছে। এই গুনোৎসবত উপস্থিত থাকে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত সমন্বিতে যুটিয়া সচিব অনুসুয়া দত্ত বৰুৱা, খাদ্য আৰু অসামৰিক যোগান বিভাগ গুৱাহাটী। এক্সটাৰনেল ইভোলিউচন ডঃ ৰিজু শৰ্মা সহকাৰী অধ্যাপক মাধৱ চৌধুৰী মহাবিদ্যালয়। খনীনৰ কুমাৰ নাথ সহকাৰী অধ্যাপক গনেশ লাল চৌধুৰী মহাবিদ্যালয় । উদয় নাথ নোদেল শিক্ষক । কুলেন পাটগিৰি প্ৰটোকল অফিচাৰ আৰু নিজৰা নাথ দাস্ চি আৰ চিচি ভৱানীপুৰ শিক্ষা খণ্ড।

# গুণোৎসৱৰ প্ৰাকমুহূৰ্তত পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ মে' ঃ** অসম চৰকাৰে শিক্ষা বিভাগে শিক্ষাৰ সামগ্ৰীক উত্তৰণৰ বাবে গুণোৎসৱৰ প্ৰাকমুহূৰ্তত গুৱাহাটী মহানগৰীৰ শতবৰ্ষ গৰকা পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ত শিক্ষয়িত্ৰী আৰু অভিভাৱক, পৰিচালনা সমিতি, মাতৃ গোট, হিচাপ পৰীক্ষক সভা বিদ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত হয়। পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নিলাক্ষী দাসৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বৰ্তমানৰ প্ৰধান শিক্ষয়িত্ৰী বন্দনা বৰুৱাই। বিগত সভাৰ প্ৰতিবেদন পাঠ কৰে সহশিক্ষয়িত্ৰী বৰ্ষা দাসে। কামৰূপ মহানগৰত ১ আৰু ৪ জুন তাৰিখে অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱৰ সম্পৰ্কে সহশিক্ষয়িত্ৰী ৰিংকি শইকীয়াই কয় যে সকলো অভিভাৱক অভিভাৱিকাই ল'ৰা-ছোৱালীসকলক গুণোৎসৱত আহিবলগীয়া যিকোনো প্ৰশ্নৰ মুখামুখি হ'লে উত্তৰ দিব পৰাকৈ সহায়-সহযোগিতা কৰি যাবলৈ আহ্বান জনায় । আন এগৰাকী সহ- শিক্ষয়িত্ৰী দেৱহুতি শইকীয়াই কেনেকুৱা প্ৰশ্ন আহিব আৰু কেনেকৈ উত্তৰ বোৰ কৰিলে শুদ্ধ হ'বগৈ তাৰে বিতংভাৱে অভিভাৱক সকলক জানিবলৈ দি ছাত্ৰ-ছাত্ৰী সকলে যদি প্ৰশ্নৰ উত্তৰ কৰিব পাৰে তেওঁলোকৰ ভবিষ্যতে সহজ হ'ব বুলি দাবী কৰে। প্ৰধান শিক্ষয়িত্ৰী বন্দনা বৰুৱাই নিলাক্ষী দাস আৰু কেইজনমান বিশেষ অভিভাৱকে সভাত কথা কোৱা আৰু শূনাৰ সুবিধা কৰি মাইক বক্স দিয়াৰ বাবে ধন্যবাদ দিয়ে। সভাত শিক্ষয়িত্ৰী মাকণ হালৈ,সৰোজ কুমাৰী কাকতি,পুৰ্ণিমা, পৰিচালনা সমিতিৰ সভাপতি দীপমনি শৰ্মা আদিয়ে উপস্থিত থাকে।

# বৰপথাৰত পাভজান চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন মন্ত্ৰী কেশৱ মহন্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২৬ মে' ঃ** ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠী লোকসকলৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি দৃষ্টি ৰাখি চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ বাবে স্থাপন কৰা ১১৯ খনকৈ আদৰ্শ বিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আজি আনুষ্ঠানিকভাৱে মুকলি কৰি দিয়া হয়। ৰাজ্যৰ আন প্ৰান্তৰ সমান্তৰালকৈ সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰপথাৰ মৌজাৰ পাভজান চাহ বাগিছাত স্থাপন কৰা আদৰ্শ বিদ্যালয়খন আজি ছাত্ৰ-ছাত্ৰী সকলৰ বাবে উৎসৰ্গিত কৰে গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী তথা ৰাজ্যখনৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্তই। পাভজান চাহ বাগিছাত স্থাপন কৰা পাভজান চাহ বাগিছা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় খন উদ্বোধন কৰি মন্ত্ৰী গৰাকীয়ে চাহ-বাগিছা অধ্যুষিত অঞ্চলৰ বাবে আজি শিক্ষাৰ ক্ষেত্ৰত এক ঐতিহাসিক দিন বুলি মন্তব্য কৰি কয় যে এই আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় খনে অঞ্চলটোৰ চাহ-বাগিছাৰ ছাত্ৰ-ছাত্ৰী সকলৰ দীৰ্ঘদিনৰ এক সমস্যা দূৰ কৰিব। ইপিনে যথা সময়ত আতকধুনীয়াকৈ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠা এই বিদ্যালয়খন আজি শুভ উদ্বোধনৰ পাছতেই ছাত্ৰ-ছাত্ৰী সকলে শিক্ষা লাভ কৰিবলৈ সক্ষম হব। আজিৰ এই উদ্বোধনী অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তৰ লগতে স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিনছেংফা বৰুৱা, ধনশিৰি মহকুমা আৰক্ষী বিষয়াকে ধৰি প্ৰথমবাৰৰ বাবে ছাত্ৰ-ছাত্ৰী সকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। ইপিনে মন্ত্ৰী গৰাকীয়ে বিদ্যালয় খনৰ পুনৰ গৃহ নিৰ্মাণৰ বাবে ৫০ লাখ টকাৰ আৰ্থিক অনুদানৰ কথা ঘোষণা কৰাৰ লগতে সৰুপথাৰত এখন জিলা পৰ্যায়ৰ চিকিৎসালয় স্থাপনৰ পৰিকল্পনাৰ বিষয়ে ৰাইজৰ আগত অৱগত কৰে।



**অসম চৰকাৰৰ অধীনত নিৰ্মিত ভূটিয়াচাং চাহ বাগিচাৰ মডেল স্কুলৰ শুভ উদ্বোধন**

# ১০-১৫ বছৰৰ ভিতৰত চাহ বাগিচাৰ অঞ্চলসমূহৰ সৰ্বাংগীন বিকাশ হোৱাটো নিশ্চিত ঃ ইউ.জি. ব্ৰহ্ম

**দৈনন্দিন বাৰ্তৰ সেৱা, পানেৰী, ২৬ মে' ঃ** অসমৰ চাহ বাগিচাত প্ৰথমবাৰলৈ হাইস্কুল নিৰ্মাণেৰে চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনাৰে ভুটিয়াচাং চাহ বাগিচাত নৱনিৰ্মিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ বৃহস্পতিবাৰে মাংগলিক শুভ উদ্বোধন কৰা হয়। সমগ্ৰ অসমৰ চাহবাগিচা সমূহত ৯৬ খন আদৰ্শ বিদ্যালয় তথা মডেল স্কুল নিৰ্মাণ কৰি যোৱা কালি অৰ্থাৎ ২৫ মে'ৰ পৰা মাংগলিক শুভ উদ্বোধন কৰি আহিছে বুলি কয় অনুষ্ঠানত উপস্থিত অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰ বহ্মাই। সমান্তৰালভাৱে ভুটিয়াচাং চাহ বাগিছা আদৰ্শ বিদ্যালয় শুভ উদ্বোধন কৰা হয়। স্বাধীনতাৰ পিছত এইটো এটা যুগান্তকাৰী ঘটনা বুলি মন্তব্য কৰে ব্ৰহ্মই, কিয়নো সৰ্বমুঠ ২০০ খন মডেল স্কুলৰ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে চাহ বাগিচাৰ বিভিন্ন পিছপৰা অঞ্চল সমূহত। তেওঁ চাহ বাগিচা উন্নয়নৰ বাবে বিজেপিৰ নেতৃত্বাধীন অসম চৰকাৰে লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে বহলাই কয় ভাষণৰ জৰিয়তে। আনহাতে ১০-১৫ বছৰৰ ভিতৰত চাহ বাগিচা সমূহত বসবাস কৰা লোকসকলৰ শিক্ষাৰ লগতে সামাজিক অৰ্থনৈতিক ক্ষেত্ৰত এক উল্লেখযোগ্য উন্নতি নিশ্চিত বুলি মন্তব্য কৰে ব্ৰহ্মাই। ইপিনে বহু বছৰ ধৰি বাগান কৰ্তৃপক্ষই বগান কৰ্মচাৰী তথা শ্ৰমিক সকলৰ শিক্ষাৰ ক্ষেত্ৰত অবহেলা কৰা দেখা পোৱা গৈছিল। কিন্তু বৰ্তমান অসম চৰকাৰে বাগিচা সমূহত স্থাপন কৰা আদৰ্শ বিদ্যালয় জৰিয়তে চাহ শ্ৰমিক সকলৰ লগতে চাহ বাগিচাৰ অঞ্চলসমূহত বসবাস কৰা লোকসকলৰ মাজত এক প্ৰকাৰৰ শিক্ষাৰ ক্ষেত্ৰত চেতনাবোধ জন্মাৰ লগতে তেওঁলোকৰ সকলো দিশতে উন্নতি সাধন হ'ব বুলি কয় উপস্থিত স্থানীয় বিধায়ক তথা বিটিচিৰ উপ-মুখ্য কাৰ্য্যবাহী সদস্য গোবিন্দ্ৰ চন্দ্ৰ বসুমতাৰীয়ে। আনহাতে, ভূটিয়াচাং চাহ বাগিচাৰ অঞ্চলটো অতিকৈ পিছপৰা অঞ্চল হোৱাৰ লগতে বনৰীয়া হাতীৰ উপদ্ৰৱ তথা বাৰিষা কালৰ ফলস্বৰূপে তেনে ধৰণৰ বিভিন্ন সমস্যাৰ মাজেৰে স্কুলখনৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি বৃহস্পতিবাৰে বিদ্যালয়খনৰ শুভ উদ্বোধনী কাৰ্য সম্পন্ন হোৱাত অতিকৈ সুখী অনুভৱ কৰিছো বুলি মন্তব্য কৰে ভূটিয়াচাং আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খনৰ নিৰ্মাণকাৰী ঠিকাদাৰ মঞ্জু দৈমাৰীয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে ক্ৰমে অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰ বহ্ম, উপ-মুখ্য কাৰ্য্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিটিচি কাৰ্য্যবাহী সদস্য সঞ্জীত তান্তী, বিটিচিৰ পাৰিষদ দিলীপ বড়ো,ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ শান্তিয়াচ কুজুৰ, অতিৰিক্ত উপায়ুক্ত, হৰিশিঙা ৰাজহচক্ৰ বিষয়া মনীষা নাথ, জিলা শিক্ষা বিষয়াসকল, বিদ্যালয়খনৰ নিৰ্মাণকাৰী ঠিকাদাৰ মঞ্জু দৈমাৰী, স্কুলৰ অধ্যক্ষ মৃনাল শৰ্মা লগতে অঞ্চলটোৰ বহু বিশিষ্ট তথা ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল।



**দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ সামৰণি**

# মৰিগাঁও জিলাত ব্যাপক সঁহাৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা অভিভাৱকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৬ মে' ঃ** মৰিগাঁও জিলাত আজি দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ সামৰণি পৰে। প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় সমূহত বিদ্যালয় কৰ্তৃপক্ষই উৎসাহেৰে আয়োজন কৰে আজি সামৰণি পৰা গুণোৎসৱৰ। মৰিগাঁও জিলাৰ লাহৰিঘাট শিক্ষা খণ্ডৰ অন্তৰ্ভুক্ত মৈৰাবাৰী বালক প্ৰাথমিক বিদ্যালয়,মৈৰাবাৰী হাইস্কুল,মৈৰাবাৰী আদৰ্শ বিদ্যালয়ত আজি দ্বিতীয় পৰ্যায়ৰ অন্তিম দিনত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া-বুলি গগৈ ভূঞা উপস্থিত হৈ বিদ্যালয় সমূহ পৰিদৰ্শন কৰে। মৈৰাবাৰীৰ আগশাৰীৰ বিদ্যালয় মৈৰাবাৰী হাইস্কুলত শিক্ষা বিষয়াগৰাকী উপস্থিত হৈ বিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে বিদ্যালয়খনৰ পৰিৱেশ নিৰীক্ষণ কৰি শলাগ লোৱা পৰিলক্ষিত হয়।

***মন্দিৰাৰ নিছিলামাৰী মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষণৰ অস্থিৰতা***

# কেঁচা মজিয়াত বহিয়েই শিক্ষাগ্ৰহণ কৰিছে ছাত্ৰ-ছাত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৬ মে' ঃ** ৰাজ্যৰ বিদ্যালয় সমূহত পৰ্যায়ক্ৰমে গুণোৎসৱ চলি থকাৰ সময়তে এখন শিক্ষানুষ্ঠানত অইন সা-সুবিধা দূৰৰে কথা ছাত্ৰ-ছাত্ৰী বহিবলৈও নাই ডেক্স-বেন্সৰ সুবিধা। কামৰূপৰ ছমৰীয়া প্ৰাঃ শিক্ষা খণ্ডৰ অন্তৰ্গত মন্দিৰা নিচিলামাৰী মধ্য ইংৰাজী বিদ্যালয়ত এই নজিৰ বিহীন কাণ্ড, অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে শ্ৰেণীকোঠাৰ কেঁচা মজিয়াত বহিহে শিক্ষাগ্ৰহণ কৰিবলগীয়া হোৱাটো সকলোৰে দৃষ্টিত দুৰ্ভাগ্যজনক! চৰকাৰী শিক্ষানুষ্ঠান এখনৰ এনে তলি উদং চেহেৰাই ভবাই তুলিছে সকলোকে, অষ্টম মানত এযোৰো নাই সপ্তম মানত ছাত্ৰীৰ কিতাপ-বহী ৰাখিবলৈ আছে এযোৰ মাত্ৰ ডেক্স, বেঞ্চ এখনো নাই বহিবলৈ, কেইমাহমানৰ পূৰ্বে হেনো দুৰ্বৃত্তই নিশা জ্বলাই দিছিল বিদ্যালয় খনৰ ডেক্স-বেঞ্চসমূহ! তেতিয়াৰ পৰাই আজিলৈকে এইদৰেই মজিয়াতে চলিছে শিক্ষণ। গুণোৎসৱৰ বাবে কাষৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰা জোৰাটাপলি লগাই কোনোমতেহে শিক্ষাৰ্থীৰ বহাৰ সুবিধাকন কৰা হৈছে। আনহাতে বিদ্যালয় খনত নাই পকী ঘৰ এটাও , কেঁচা মজিয়াতে চলিছে পাঠদান প্ৰক্ৰিয়া। জানিব পৰা মতে তিনিটাকৈ শ্ৰেণীত চৰকাৰীভাৱে এজনহে শিক্ষক যদিও পৰিচালনা সমিতিয়ে স্থানীয় দুজনমানক দিছে পাঠদানৰ দ্বায়িত্ব। একবিংশ শতিকাতো বহাৰ সুবিধাকন নথকা শিক্ষানুষ্ঠান এখনত শিক্ষাৰ্থীক পাঠদান কিমান দূৰ ফলপ্ৰসূ হ'ব সেয়াহে সকলোৰে বাবে এক উত্তৰহীন প্ৰশ্ন। সংশ্লিষ্ট বিভাগে আগলৈ বিদ্যালয়ৰ সা-সুবিধাৰ লগতে আন্তঃগাঁথনি উন্নয়নৰ দিহা কৰিবনে আগলৈ।



# হাজোৰ ভৰালীটোলা প্ৰাথমিক বিদ্যালয়ত শৈক্ষিক দিশৰে উদ্‌যাপিত গুণোৎসৱ কাৰ্যসূচীৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৬ মে ঃ** ৰাজ্যৰ শিক্ষানুষ্ঠান সমূহত চলি আছে গুনোৎসৱ। শিক্ষানুষ্ঠান সমূহৰ মানদণ্ড নিৰ্ধাৰণৰ বাবে অসম চৰকাৰে হাতত লোৱা গুনোৎসৱ কাৰ্য্যসূচীৰ অংশ ৰূপে চৰকাৰী মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান হাজো ভৰালীটোলা প্ৰাথমিক বিদ্যালয়ত শৈক্ষিক দিশৰে উদযাপন কৰা গুনোৎসৱ কাৰ্যসূচীৰ সফল সামৰণি পৰে। অৱশ্যে হাজো ভৰালীটোলা প্ৰাথমিক বিদ্যালয়খনিত গুনোৎসৱৰ প্ৰতিটো দিনৰ প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ চলাই নিয়া বুলি উল্লেখ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবিন চন্দ্ৰ দাসে। গুনোৎসৱ কাৰ্যসূচীত বিদ্যালয়খনত অঞ্চলটোৰ প্ৰায়সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকি বিদ্যালয়ৰ শিক্ষক,ছাত্ৰ ছাত্ৰী,অভিভাৱক, তথা ৰাইজৰ সৈতে মত বিনিময় কৰি শৈক্ষিক ,আভ্যন্তৰীণ দিশৰ বুজ লয় ।বিশেষকৈ বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ শৈক্ষিক ফলাফলসমূহ বিশ্লেষণ কৰি শৈক্ষিক দিশত থকা সমস্যাসমূহ চিহ্নিত কৰি যথোচিত প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদানেই গুনোৎসৱ কাৰ্যসূচীৰ মূল লক্ষ্য বুলি মন্তব্য কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবিন চন্দ্ৰ দাসে।



**SHORT EOI NOTICE / INVITATION FOR EOI No. 06 of 2022-23**

On behalf of the Governor of Assam, Expression of Interests (EOIs) are invited online against EOI No. 06 of 2022-23 from the eligible Class-I, Class-II & Class-Ill registered contractors under Public Health Engineering Deptt., Assam only, in one Part viz., Part-I : Technical Bid For "ADDITIONAL EMPANELMENT OF LEFT OUT/ NEWLY PHE REGISTERED CONTRACTORS FOR EXECUTION OF WATER SUPPLY WORKS AT DIFFERENT LOCATIONS OF ASSAM TO BE EXECUTED UNDER JAL JEEVAN MISSION ASSAM". *THE CONTRACTORS ALREADY EMPANELLED EARLIER UNDER JAL JEEVAN MISSION ASSAM HAVING VALID ID NEED NOT APPLY.*

The detailed EOI Document will be available in the web portal www.jjmassam.in and can be viewed from 30.05.2022 and the end date for submission shall be 16:00 hrs. of 20.06.2022. Necessary documents as sought in the EOI are to be submitted and uploaded online in the link provided in the Tender Section of the JJM Assam portal. All bids as and when received by the Department will be accepted for technical evaluation. No manual bid will be accepted. Intending PHE registered contractors may apply online in the JJM Assam website www.jjmassam.in from 30.05.2022. Any bids received after the closing date and time shall be summarily rejected and shall not be considered for further technical evaluation.

Chief Engineer (PHE), Water, Assam,
Cum
Addl. Mission Director, JJM Assam
Hengrabari. Guwahati-36

Janasanyog/C/3243/22

প্ৰথম পৃষ্ঠাৰ পৰা—

# ২২ বছৰৰ পিছত ঐতিহাসিক

উচিত। উল্লেখ্য যে, ১৮৭৪ চনতে গঢ় লৈ উঠা ১৪৮ বছৰীয়া ঐতিহ্যৰে পৰিমণ্ডিত অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰোধা ৰূপকোঁৱৰৰ পৈতৃক গৃহ 'পকী'ত সুদীৰ্ঘ ২২ বছৰৰ পিছত আজি অসম চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে পদাৰ্পণ কৰে। কালি মাৰাথন চৰকাৰী কাৰ্যসূচী লৈ কালি নিশাৰেই বৰঢ়াপুৰৰ পিছত তেজপুৰ চহৰৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পিছত নিশা তেজপুৰ আৰ্ক ভৱনত ৰাতি কটোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পুৱাই মহাভৈৰৱ মন্দিৰত উপস্থিত হৈ এক আশিস গ্ৰহণ কৰে। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ, শংখ-ঘণ্টা-উৰুলি ধ্বনিৰ মাজতে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে সৰ্বধৰ্ম শিৱ লিংগ স্নান কৰোৱাই বস্ত্ৰ পৰিধান কৰাই আৰতি কৰি পূজা অৰ্চনা আগবঢ়ায়। ইয়াৰ পিছতেই মহাভৈৰৱৰ মন্দিৰৰ ভোগ ঘৰতে পুৱাৰ জলপান গ্ৰহণ কৰাৰ পিছত পোনে পোনে গৈ উপস্থিত হয় গৈ তেজপুৰৰ ঐতিহাসিক পকীত। পকীত প্ৰৱেশ কৰিয়েই ৰূপকোঁৱৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ সময়ত জ্যোতি ভাৰতীৰ শিল্পী সকলে ৰূপকোঁৱৰৰ 'তোৰে মোৰে আলোকৰে যাত্ৰা' শীৰ্ষক গীত পৰিবেশন কৰি মুখ্যমন্ত্ৰী গৰাকীক আদৰণি জনায়। জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া তথা সাংস্কৃতিক উন্নয়ন বিষয়া জিতেন কুমাৰ দাসে মুখ্যমন্ত্ৰী গৰাকীক ফুলাম গামোচাৰে আদৰণি জনোৱাৰ পিছতে মুখ্যমন্ত্ৰী গৰাকীয়ে দীঘলীয়া সময় অতি মনোযোগেৰে পকীত সংৰক্ষিত হৈ থকা ৰূপকোঁৱৰে ব্যৱহাৰ কৰা সা সামগ্ৰী সমূহ পৰ্যবেক্ষণ কৰে। এই পৰ্যবেক্ষণৰ কালছোৱাত জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতেন কুমাৰ দাসে সকলো কথা অৱগত কৰি দেখুৱাই যোৱাৰ সমান্তৰাল ভাৱে ৰূপকোঁৱৰৰ কালজয়ী সৃষ্টি 'শোণিত কুঁৱৰী' শীৰ্ষক গীত এটাৰ গীতও গোৱা হয়। প্ৰসংগত উল্লেখ্য যে, 'শোণিত কুঁৱৰী'ৰ আটাইকেইটা গীত পৰিৱেশন কৰি সমগ্ৰ 'পকী'ৰ চৌহদত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালনালয়ৰ অধীনস্থ জ্যোতি ভাৰতীৰ চৌহদ। আনহাতে ইয়াৰ পিছতেই জ্যোতি ভাৰতীৰ ৰূপকোঁৱৰৰ মঞ্চৰ প্ৰেক্ষাগৃহত তেজপুৰৰ বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ বিষয়ববীয়াৰ আৰু তেজপুৰৰ বিশিষ্ট নাগৰিক সকলৰ বিভিন্ন অভাৱ অভিযোগৰ সন্দৰ্ভত কিছু সময় এ অন্তৰংগ ভাৱে আলাপ কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বৰুৱাই আঁত ধৰা এই অনুষ্ঠানটিৰ আৰম্ভণিতে সকলো অনুষ্ঠানৰ পৰা মুখ্যমন্ত্ৰী গৰাকীক সন্মান জনোৱাৰ লগতে বিভিন্ন অভাৱ অভিযোগৰ স্মাৰক পত্ৰও প্ৰদান কৰে। অনুষ্ঠানটিত তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়াই সাহিত্য কাণ্ডাৰীৰ ডেকশ বছৰীয়া জয়ন্তীৰ সময়ছোৱাত সাহিত্য কাণ্ডাৰীৰ জীৱনৰ ওপৰত ৰচনা কৰা প্ৰথমখন উপন্যাস 'কাণ্ডাৰী' মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰাৰ উপৰি বিশিষ্ট অনাতাঁৰ শিল্পী দুৰ্গাময়ী বৰাই ৰচনা কৰা আৰু অলপতে বাগ থিয়েটাৰেও উন্মোচিত কৰা মুখ্যমন্ত্ৰী গৰাকীৰ প্ৰয়াত পিতৃ কৈলাশ নাথ শৰ্মাৰো গীত আৰু কথা সংপৃক্ত 'মোৰ গান মোৰ প্ৰাণ' শীৰ্ষক গ্ৰন্থ আৰু শিশু লক্ষ্য জয় কলিতাই ৰচনা কৰা দুখন গ্ৰন্থও অৰ্পণ কৰে মুখ্যমন্ত্ৰী গৰাকীৰ হাতত। তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস, মন্ত্ৰী অশোক সিংহল, তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভা, ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী ৰাভা, এমটুৰৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, অতিৰিক্ত উপায়ুক্ত কৰী বৰুৱা, পংকজ নাগ বংশী সহকাৰী আয়ুক্ত নৱজ্যোতি দাসকে ধৰি জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থকা অনানুষ্ঠানিক এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰৰ অধিক সৌন্দৰ্য্যকৰণ আৰু উন্নত নগৰৰ ক্ষেত্ৰত ৰাইজৰ উপযোগিতা কৰা সকলো সমস্যাৰ সমাধানৰ এ আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে, আজিৰ এই আলাপ অনুষ্ঠানটিত বাণ থিয়েটাৰ, তৰুণ অসম সংঘ, অসমীয়া ক্লাব, কামৰূপী সনাতন ধৰ্মসভা, লেখিকা সমাৰোহ সমিতি, তেজপুৰ জিলা ক্ৰীড়া সন্থা, পিতাম্বৰ বৰুৱাৰ মাজ, চুপহা সত্ৰ তেজপুৰ এনাজীভকেমলহ চাহইকি সমূহ বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়া উপস্থিত থকাৰ লগতে তেজপুৰৰ পৌৰসভাৰ সভাপতি প্ৰজ্ঞানু ভট্টচাৰ্যৰ লগতে একাংশ পৌৰ সদস্যই মুখ্যমন্ত্ৰী গৰাকীক আদৰণি জনোৱাৰ লগতে পৌৰ সদস্যা মধুস্মিতা হাজৰিকা বৰদলৈয়ে প্ৰদান কৰা দৰমহা মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুঁজিলৈ প্ৰদান কৰে। ইয়াৰ উপৰি গাহৰু মণ্ডল বিজেপি, শোণিতপুৰ আচাৰ্য্য, আছা, বিজেপিৰ মহিলা মৰ্চ্চাই মুখ্যমন্ত্ৰী গৰাকীক আদৰণি জনায়। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীগৰাকীয়ে সতীৰ্থ মন্ত্ৰী অশোক সিংহল, সাংসদ পল্লৱ লোচন দাস, বিধায়ক পৃথিৰাজ ৰাভা আৰু কৃষ্ণ কমল তাঁতী আৰু তেজপুৰৰ পৌৰপতি প্ৰজ্ঞানু ভট্টাচাৰ্যৰ লগতে বিভাগীয় বিষয়া-কৰ্মচাৰীক লগত লৈ তেজপুৰ চক বজাৰ পৰিদৰ্শন কৰে। উল্লেখ্য যে, বিগত বৰ্ষৰ ৮ মে'ৰ নিশা ভয়ংকৰ অগ্নিকাণ্ডত চক বজাৰ বিস্তৰ ক্ষতিসাধন হৈছিল। পৰৱৰ্তী সময়ত বজাৰখনত কিছু পৰিমাণে অস্থায়ী নিৰ্মাণ কাৰ্যৰে দোকান-পোহাৰসমূহ দিয়া হৈছিল যদিও তেজপুৰৰ বজাৰৰ মধ্যমণি মূল বজাৰখনৰ আটকধুনীয়াকৈ নিৰ্মাণ কৰাৰ দাবী উত্থাপন কৰি আহিছিল সচেতন মহলে। আজি মুখ্যমন্ত্ৰীগৰাকীয়ে বজাৰ কমিটিৰ বিষয়ববীয়াসকলৰ লগত আলোচনা কৰাৰ লগতে ব্যৱসায়ীসকলৰ সমস্যাৰ বুজ লয়। ইফালে তেজপুৰ চ'ক বজাৰত প্ৰথমবাৰৰ বাবে এগৰাকী মুখ্যমন্ত্ৰীয়ে ৰাইজ তথা দোকানী পোহাৰীসকলৰ সৈতে এটাইৰ মত বিনিময় কৰাত উৎফুল্লিত হৈ পৰে ব্যৱসায়ীসকল। চ'ক বজাৰৰ সমস্যা দূৰ কৰা আৰু ইয়াক নৱৰূপ দিয়াৰ বাবে কাৰ্যপন্থা গ্ৰহণৰ পদক্ষেপ ল'বলৈ আবাসিক আৰু নগৰ পৰিকল্পনা মন্ত্ৰী অশোক সিংহল আৰু স্থানীয় বিধায়ক পৃথিৰাজ ৰাভাক নিৰ্দেশ দিয়ে।

# ৰাজ্যত অব্যাহত চোৰাং বগা

উল্লেখ্য যে একাংশ চোৰাং বেপাৰীয়ে দুখীয়াৰ বাবে আবণ্টিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল চোৰাং বজাৰত সৰবৰাহ অব্যাহত ৰাখিছে। অভিযোগ মতে, চোৰাং ব্যৱসায়ী চক্ৰই দুখীয়াৰ বাবে আবণ্টিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল চুৰুৰীয়া ৰাজ্য মেঘালয়, পঞ্জাৱ আৰু চুবুৰীয়া দেশ বাংলাদেশলৈ সৰবৰাহ কৰি আছে। ইয়াৰ ফলত, পদধাৰী বিষয়াৰ লগতে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ খোদ একাংশ দুৰ্নীতিপৰায়ণ বিষয়া-কৰ্মচাৰীয়ে একাংশ দালালৰ সহযোগত দুখীয়াৰ বাবে আবণ্টিত চাউল ক'লা বজাৰত বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছে। ৰাজ্যখন বিশেষকৈ নামনি অসমৰ বৰপেটা আৰু বঙাইগাঁও জিলাৰ বিভিন্ন প্ৰান্তত দীঘদিন ধৰি সক্ৰিয় হৈ আছে এনে এক বৃহৎ চোৰাং ব্যৱসায়ী চক্ৰ। ব্যৱসায়ী চক্ৰটোৱে জিলা দুখনৰ একাংশ যোগান বিভাগৰ উৰ্দ্ধতন বিষয়াক হাতৰ মুঠিত লৈ সেইসমূহটোকলে পোনে পোনে চুবুৰীয়া ৰাজ্য মেঘালয়লৈ সৰবৰাহ কৰে। চোৰাং ব্যৱসায়ী চক্ৰটোৱে শেহতীয়াকৈ বঙাইগাঁও জিলাৰ যোগীঘোপাত ঘাটি তুলিছে। চোৰাং চাউল ব্যৱসায়ৰ বৃহৎ ঘাটি। যোগীঘোপাৰ কাবাইটাৰীত তিনিটাকৈ বৃহৎ ঘাটি স্থাপন কৰা চোৰাং চাউলৰ ব্যৱসায়ী চক্ৰটোৱে বৰপেটা জিলাৰ আৰু বঙাইগাঁও জিলাৰ একাংশৰ ঘাটিৰ পৰা চাউল মেঘালয়লৈ চাউল কাবাইটাৰীৰ ঘাটিলৈ আনে। উক্ত ঘাটিত এফচিআইৰ মোহৰ থকা বস্তাসমূহৰ পৰা চাউল আন বস্তাত ভৰাই প্ৰতিদিনে গোপনে ঘাটিলৈ পঠিয়াই। পিছত উক্ত ঘাটিৰ পৰা প্ৰতিদিনে নিশাৰ ভাগত মেঘালয়, পঞ্জাৱ আৰু চুবুৰীয়া দেশ বাংলাদেশলৈ সৰবৰাহ কৰে চাউল। এক বিশেষ সূত্ৰে জনা মতে, গোৱালপাৰাৰ মাধিয়া এজনৰ নেতৃত্বত দীৰ্ঘদিনৰ পৰা কাবাইটাৰীত চোৰাং চাউলৰ ঘাটি স্থাপন কৰি নিৰ্বিঘ্নে ৰমৰমীয়া ব্যৱসায় চলাই আছিল। উল্লেখ্য যে বিগত ২০২১ বৰ্ষৰ ১৮ নৱেম্বৰত বিজনি ও মাহাতাৰ পৰা অহা এখন ট্ৰাকৰ অভিযোগৰ ভিত্তিত চাউলৰ অনুসন্ধানৰ শাখাৰ পাঁচজনীয়া এটি দলে কাবাইটাৰীৰ চোৰাং চাউলৰ ঘাটিত অভিযান চলাইছিল। দলটোৱে কাবাইটাৰীৰ চতুৰ্থ খণ্ড গাঁৱৰ দিলদাৰ আলী, মাহাফ আলী আৰু ৰহমত আলীৰ গুদামত অভিযান চলাইছিল। দলটোৱে উক্ত অভিযানত ৰঙা কৃষ্ণ চোৰাং চাউল, নীলা ৰেথাচিন, এফচিআইৰ মোহৰ থকা খালী চাউলৰ বস্তা জব্দ কৰিছিল। জনা মতে, উক্ত ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখাই এটা গোচৰ পঞ্জীয়ন কৰি তদন্ত চলাইছিল। দলটোৱে অভিযানত কিছুদিন পিছতে পুনৰ উক্ত স্থানতে চোৰাং চাউলৰ ক'লা বজাৰ তথা ঘাটি গুটি উঠাত ৰহস্যৰ সৃষ্টি হৈছে। এক বিশেষ সূত্ৰে জনা মতে, আৰক্ষী তথা বিভাগীয় কৰ্তৃপক্ষই কেতিয়া চোৰাং চাউল জব্দ কৰিলে চোৰাং চাউলৰ বেপাৰীয়ে অধিক চাউলৰ ব্যৱসায়ৰ সৈতে বিভাগৰ পৰা উক্ত জব্দকৃত চাউলসমূহ চৰকাৰী নিয়ম ভিত্তিত পুনৰ প্ৰতিবেদন প্ৰস্তুত কৰি আইনৰ পৰা ৰক্ষা পৰে। খোদ ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাসৰ অভিভাৱকত্বৰ মন্ত্ৰী হিচাপে থকা বঙাইগাঁও জিলাত এনেদৰে খোলা সুৰক্ষৰে চাউল চোৰাং বজাৰত বিক্ৰী কৰি থকাৰ সময়ত মন্ত্ৰীগৰাকীৰ নীৰৱ ভূমিকা প্ৰশ্ন কৰি আহিছে। এইক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই পৰৱৰ্তী সময়ত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

# ২৪, ৩৯ আৰু ১৯জন পূৰ্বে

বিদ্যালয়ৰ বাবে প্ৰায় দুখছৰ আগতে আধাৰশিলা স্থাপন কৰিছিল। অসম চৰকাৰৰ আন্তৰিক প্ৰয়াসৰ ফলত দুটা বছৰৰ ব্যৱধানত ইয়াতে ৯৬খন বিদ্যালয়ৰ বাবে সাজু হৈ উঠিছে। আজি মন্ত্ৰী পীযূষ হাজৰিকাই গহপুৰৰ প্ৰথমাজান, হেলেম আৰু নগা যখৰা চাহ বাগিচাত তিনিখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় ৰাইজৰ বাবে উৰ্ছগা কৰে। প্ৰথমাজান চাহ বাগিচাত উচ্চ মাধ্যমিক বিদ্যালয়খন বাগিচাৰ ৰাইজৰ উৰ্ছগা কৰি দিয়া বক্তব্যত মন্ত্ৰীগৰাকীয়ে কয় যে আধাৰশিলা স্থাপন কৰাৰ পাছত কম সময়ৰ ভিতৰতে একেটা স্থানতে সম্পূৰ্ণ হোৱা অনুষ্ঠান এটা ৰাইজৰ বাবে উৰ্ছগা কৰিব পৰাটো হৈ ৰাজনীতিবিদ এজনৰ বাবে বেলেগ ভাৱৰ কথা একো হ'ব নোৱাৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাৰ ফলত চাহ বাগিচা অঞ্চলৰ লোকসকলৰ উন্নয়নৰ ক্ষেত্ৰত নৱনিৰ্মিত আদৰ্শ বিদ্যালয়কেইখনে বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে কয় যে গহপুৰৰ আজি তেওঁ ঘোষণা কৰা বিদ্যালয়কেইখনত ইতিমধ্যেই পঢ়া বাদ দিয়া কেইবাগৰাকী ল'ৰা-ছোৱালীয়ে পুনৰ নামভৰ্তি কৰাটো অতি সুখৰ কথা। উল্লেখ্য যে আজি উদ্বোধন কৰা প্ৰথমাজান চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত ২৪জন, হেলেম চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত ৩৯জন আৰু নগা যখৰা চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত পুনৰ ১৯গৰাকী ল'ৰা-ছোৱালীয়ে ইতিপূৰ্বে বিদ্যালয় বাদ দিয়াৰ পাছত পুনৰ আহি নামভৰ্তি কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতি মুহূৰ্ততে অসমৰ চাহ বাগিচাৰ অধিবাসীসকলৰ জীৱন আৰু জনজাতীয় লোকসকলৰ উন্নতিৰ বাবে চিন্তা কৰে আৰু তেনে চিন্তাৰ ফলতে ১১৯খন চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় খোলাৰ পাছতো আন ২০০খন চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় খোলাৰ কথা ভাবিছে। মন্ত্ৰী পীযূষ হাজৰিকাই আজি ভাষণ প্ৰসংগত কয়। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে চাহ বাগিচা অঞ্চলৰ বিকাশৰ বাবে বৰ্তমান মুখ্যমন্ত্ৰীয়ে প্ৰথমবাৰৰ বাবে তেতিয়াৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী হৈয়েই চাহ বাগিচা অঞ্চলৰ বাট-পথ নিৰ্মাণৰ বাবে ৮৫০ কোটি টকাৰ বিশেষ পুঁজি মঞ্জুৰি কৰি দিছিল। আনহাতে, আজি উদ্বোধন কৰা বিদ্যালয়কেইখনত নিজৰ ল'ৰা-ছোৱালীক পঢ়াবলৈ পঠিয়াবলৈও মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ স্থানীয় লোকসকলক অনুৰোধ জনায়। শিক্ষাৰ অভাৱতহে ব্যক্তি এজন অথবা সমাজ এখন আগবাঢ়ি যাব নোৱাৰে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চাহ বাগিচাৰ সন্তান ল'ৰা-ছোৱালীক বিদ্যালয়লৈ নপঠিয়াই নাৰাখিবলৈ স্থানীয় ৰাইজক শপত ল'বলৈ আহ্বান জনায়। আজি উদ্বোধন কৰা বিদ্যালয়কেইখনৰ শিক্ষকসকলক মন্ত্ৰীগৰাকীয়ে চাহ বাগিচা অঞ্চলৰ ল'ৰা-ছোৱালীৰ শৈক্ষিক উন্নয়নৰ বাবে সেৱাৰ মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীৰ গহপুৰৰ আজিৰ দিনজোৰা কাৰ্যসূচীত সংগ দিয়ে স্থানীয় বিধায়ক উৎপল বৰা, গহপুৰ মহকুমাধিপতি তথা স্থানীয় কেইবাগৰাকী সমাজকৰ্মীয়ে।

# পানীৰ মাজত উত্তৰ গুৱাহাটী

পিছে আনহে হিতোপদেশ দিয়া থোৱা স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীৰ মাজতে গাত। ২২খন উপস্বাস্থ্য কেন্দ্ৰ সামৰি উত্তৰ গুৱাহাটী খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ দুৰ্দশাৰ ছবিয়ে আচলতে মুখ্যমন্ত্ৰীগৰাকীলৈকে হিতিকি কৰি আহিছে। চিকিৎসালয়খনৰ চৌদিশে এক ভয়ানক দৃশ্য, যি পৰিবেশ সততে বিৰল। ৰোগীৰ বিছনাৰ পিছফালে হাবি-জংঘল লগোৱা চিকিৎসকৰ কোঠাৰ দুৱাৰ আৰু এটা গাঁতৰ পানী। চিকিৎসালয়ত আজি পৰ্যন্ত কোনো দৰ্জা-খিৰিকীৰে সোমাই সাপ-বেং সকলো। উত্তৰ গুৱাহাটী খণ্ড প্ৰাথমিক চিকিৎসালয়ত দৰমহাভোগী চাহাই কৰ্মী এগৰাকী আছে। কিন্তু তেওঁৰ পৰিৱৰ্তে চিকিৎসালয়লৈ আহে তেওঁ পঠিয়াই দিয়া হাজিৰা কৰ্মী। মুন্না বাছফৰ নামৰ চাহাই কৰ্মীজনৰ প্ৰায়ে চিকিৎসালয়ত কাম চলাই দিয়ে। তেওঁৰ কামৰ নমুনা দেখিলে আচৰিত হ'বৰ কথা। পেলনীয়া সামগ্ৰী, আবৰ্জনাৰে চিকিৎসালয়ৰ বাৰাণ্ডা তিনিয়ে ভৰি আছে। পৰিবেশ দূষিত পানীৰে পানীৰ বাবে বিখ্যাত হৈ পৰিছে চিকিৎসালয়টো। মুখ্যমন্ত্ৰীৰ সমষ্টিৰ উত্তৰ গুৱাহাটীত আছিলো ৰাইজে নাগালে এখন উন্নত চিকিৎসালয়। চিকিৎসালয়খনতো নাই বিছনা কিম্বা সা-সুবিধা। প্ৰতি বছৰে চিকিৎসালয় মেৰামতিৰ বাবে মঞ্জুৰ কৰা আনটাইড ফাণ্ডৰ ধনে লক্ষ লক্ষ টকা ভৰপূৰ খৰচ কৰা অভিযোগ উঠিছে তথা উপযোগিতা হৈ আহিছে। সমষ্টিৰ বিধায়ক তিনিবাৰকৈ স্বাস্থ্যমন্ত্ৰী আৰু এতিয়া মুখ্যমন্ত্ৰীৰ আসনত থকাৰ পিছতো চিকিৎসা ব্যৱস্থাৰ ঘৰুৱা তথা অৱস্থা। মুখ্যমন্ত্ৰীৰ সমষ্টিতে শিতানৰ বাহিৰেও প্ৰতিজন ৰোগীৰ নাম পঞ্জীয়নৰ নামতো দহ টকা সংগ্ৰহ কৰা হয়। চৰকাৰী নিয়ম অনুসৰি এই ধন অসমৰ শিতান তথা চিকিৎসালয় চাফ-চিকুণৰ বাবে খৰচ কৰিব লাগে। কিন্তু উত্তৰ গুৱাহাটী খণ্ড প্ৰাথমিক চিকিৎসালয়ত এই ধনো কৰ্মচাৰীৰ পকেটলৈ যোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ইফালে মুলাজান উ জি মেচিন চিকিৎসালয়ৰ বাহিৰত গাড়ীৰ পৰা নমোৱা দিনৰ্বই আনন্দ পানীৰ ওপৰতে থকাত নষ্ট হৈ যোৱাৰ উপক্ৰম ঘটিছে। ইয়াৰ উপৰি পানীৰ ওপৰৰ পৰাই উ জি সংযোগৰ বাবে যি কোনো মুহূৰ্তত কোনো লোক প্ৰাণ হোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। যেকেৱল চৰকাৰী সম্পত্তি নষ্ট হৈছে। যাৰ বাবে তেওঁৰ বিৰুদ্ধে তাক চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। এইসকল বিষয়া-কৰ্মচাৰীৰ দায়বদ্ধ তাক 'স্পষ্টকৈ প্ৰমাণ কৰে উত্তৰ গুৱাহাটীৰ এই স্বাস্থ্য কেন্দ্ৰৰ কৰ্মহীন অৱস্থাই। এতিয়া ৰাইজে কেৱল হা-হুমুনিয়াহ কঢ়াৰ বাহিৰে আছে কি ? ইমানবোৰ হৈ থকাৰ পিছত চৰকাৰ প্ৰশাসনৰ অনাগত দিনত এইবিলাক চকু মেলি চাবনে সেয়া সময়ততে হ'ব লক্ষণীয়।

# বিশ্বনাথত তিনিখন আদৰ্শ

মাধ্যমিক বিদ্যালয় তিনিখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধনী ভাষণ প্ৰসংগত কই যে- 'শিক্ষা হৈছে এক শক্তিশালী মাধ্যম, যাৰ জৰিয়তে এটা জনগোষ্ঠীয়ে নিজকে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিকভাৱে শক্তিশালী কৰিব পাৰে।' তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে- চাহ বাগিচা অঞ্চলৰ লোকে নিমখ দিয়া চাহ সেৱন কৰি আহিছে যিটো নেকি স্বাস্থ্যৰ বাবে বৃহৎ ক্ষতিকাৰক বুলি কৈ বাগিচা অঞ্চলত বসবাস কৰা লোকক নিমখ চাহ নাখাবলৈ অনুৰোধ জনায়। তদুপৰি মুখ্যমন্ত্ৰীগৰকীয়ে কয় যে, ৰাজ্যৰ বিভিন্ন জিলাত ৯৬খন মডেল হাইস্কুল স্থাপনৰ আমাৰ এই পদক্ষেপে আগন্তুক দিনত চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক অৱস্থাত এক অপৰিসীম পৰিৱৰ্তন ঘটাব বুলি মই বিশ্বাসী। লগতে চাহ জনগোষ্ঠীৰ অভিভাৱকসকললৈও আহ্বান জনায়। উল্লেখ যে, শেহতীয়াভাৱে ৰাজ্যৰ ৯৬ খন চাহ বাগিচা অঞ্চলত সম্পূৰ্ণ হৈ উঠা চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত মুঠ ১৫ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে বুলি সদৰী কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। বিশ্বনাথ চাৰিআলি শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰ- ছাত্ৰীৰ সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানত বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই আদৰণী বক্তব্য দাঙি ধৰাৰ লগতে তেজপুৰ সংসদীয় সমষ্টিৰ সাংসদ পল্লৱলোচন দাস, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে ভাষণ আগবঢ়ায়। সভাখনত বিহালীৰ বিধায়ক ৰঞ্জীত দত্ত, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বীজ নিগমৰ অধ্যক্ষ প্ৰবীণ হাজৰিকা, পশুধন নিগমৰ উপাধ্যক্ষ পৰেশ বৰকাকতী, জিলা পৰিষদৰ অধ্যক্ষ লাৱণ্য চাৰেংগীয়া, সমাজকৰ্মী পংকজ বৰা, দিগন্ত ঘাটোৱাৰ, ডাঃ ৰঞ্জন গগৈ উপস্থিত থাকে। গুৰুত্বপূৰ্ণ বিষয়টো হ'ল যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বিশ্বনাথত চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৱাসগৃহ উদ্বোধন কৰিবলৈ উপস্থিত হৈ সভাত কেইবাটাও বৃহৎ ঘোষণা কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে- মোৰ পাঁচবছৰীয়া কাৰ্যকালত ৰাজ্যৰ চাহ বাগিচা এলেকাত কলেজ নিৰ্মাণ কৰা হ'ব। ইপিনে, চলিত বৰ্ষৰ ভিতৰত বিশ্বনাথৰ উমাটুমণি মন্দিৰলৈ যাবলৈ ৰ'প নিৰ্মাণ কৰাৰ সম্ভাৱনা ঘোষণা কৰে। তদুপৰি, বিশ্বনাথৰ প্ৰতাপগড় চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খন নৱোদয় বিদ্যালয়লৈ উন্নীতকৰণৰ চিন্তা-পৰিকল্পনা কৰা হৈছে বুলি ঘোষণা কৰে। আনহাতে, উদ্বোধনী সভাখনতেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশ্বনাথ জিলাৰ ক্ৰীড়া প্ৰকল্প (ষ্টেডিয়াম) নিৰ্মাণৰ বাবে ৫০ কোটি আৰু উপায়ুক্ত কাৰ্যালয় নিৰ্মাণৰ বাবে ৫০ কোটি টকাৰ পেকেজ মুকলি কৰি দিয়া হ'ব বুলি ঘোষণা কৰে। ইপিনে, মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতাপগড় চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খন চাহ শ্ৰমিক নেতা বিজয় চন্দ্ৰ ভাগৱতীৰ নামত উৎসৰ্গা কৰা হ'ব বুলিও জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশ্বনাথ জিলাৰ তিনিখনকৈ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৱাসগৃহ উদ্বোধন কৰি বিয়লি প্ৰস্তাৱিত বিশ্বনাথ মেডিকেল কলেজ হাস্পতালৰ নিৰ্মাণ কাৰ্য পৰ্যৱেক্ষণ কৰি কামৰ খতিয়ান বুজ লয়। মেডিকেল কলেজখনৰ নিৰ্মাণ কাৰ্যৰ চৰজমিন তদন্ত কালত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়া-কৰ্মচাৰীক বিভিন্ন দিহা-পৰামৰ্শ দিয়াৰ উপৰি কাম-কাজসমূহ সুচাৰুৰূপে সম্পাদন কৰিবলৈ নিৰ্দেশ জাৰি কৰাৰ লগতে মেডিকেল কলেজখনৰ নিৰ্মাণ কাৰ্যৰ স'তে জড়িত আৰ্কিটেকৰ ওপৰত খৰ্গহস্ত হৈ পৰা পৰিলক্ষিত হয়। মুখ্যমন্ত্ৰী আৰ্কিটেকগৰাকীক আৰ্কিটেকৰ কাম শীঘ্ৰে সম্পন্ন কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়াও পৰিলক্ষিত হয়।

**চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকল হ'ব ভৱিষ্যতৰ মানৱ সম্পদ ঃ বিশ্বনাথত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ঃঃ ৫০ কোটি টকা ব্যয় সাপেক্ষে উপায়ুক্ত কাৰ্যালয় ঃ ৫০ কোটি টকাৰে বিশ্বনাথত ষ্টেডিয়াম নিৰ্মাণ ঘোষণা ঃ ২০২৪ চনত মেডিকেল কলেজ মুকলি বিশ্বনাথ চাৰিআলি**

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৬ মে' ঃ** ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বিকাশৰ বাবে বিশ্বনাথত আজি তিনিখনকৈ চাহ বাগিচাত আদৰ্শ বিদ্যালয় উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে প্ৰথমবাৰলৈ অসমৰ চাহ বাগিচাসমূহত হাইস্কুল নিৰ্মাণেৰে উচ্চ শিক্ষাৰ সোণালী যুগৰ সূচনা কৰিব বিচাৰিছে অসম চৰকাৰে। ৰাজ্যৰ ৯৬খন চাহ বাগিচা এলেকাত নৱ-নিৰ্মিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ মাংগলিক কাৰ্যৰে উদ্বোধনৰ লক্ষৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্বনাথ জিলাৰ সাকোমঠা, হাটিঙা আৰু প্ৰতাপগড় চাহ বাগিচাত নৱ-নিৰ্মিত তিনিখনকৈ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন কৰে। চাহ জনজাতি লোকসকলৰ মাজত শিক্ষাৰ অভাৱৰ বাবে পিছপৰি আছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আমি এই বাগিচাৰ বিদ্যালয়ৰ পৰাই এটা এটা বিশাল মানৱ সম্পদৰ সৃষ্টি কৰিব লাগিব। আনহাতে, এই উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰি কয় যে এই বিদ্যালয়সমূহ অহা বছৰলৈ উচ্চতৰ মাধ্যমিকলৈ উন্নীতকৰণ কৰা লগতে একোখন মহাবিদ্যালয় স্থাপন কৰা ঘোষণা কৰে। লগতে ঘোষণা কৰে বিশ্বনাথ জিলা উপায়ুক্ত এটা নতুনকৈ কাৰ্যালয় নিৰ্মাণ কৰাৰ কথা। ৫০ কোটি টকাৰে নিৰ্মাণ হ'বলগীয়া উপায়ুক্ত কাৰ্যালয়তো সকলো বিভাগ একেলগে থাকিব বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। আনহাতে, বিশ্বনাথৰ দীৰ্ঘদিন ধৰি ৰাইজে দাবী জনাই অহা বিশ্বনাথ ঘাটৰ উমাটুমনী দ্বীপলৈ যাব বাবে শীঘ্ৰে ৰ'প নিৰ্মাণ আৰু বিশ্বনাথত ৫০ কোটি টকাৰে এখন ষ্টেডিয়াম নিৰ্মাণৰ বাবে চৰকাৰ আগবাঢ়িছে বুলি প্ৰকাশ কৰে। উদ্বোধনী সভাৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্মীয়মাণ বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰো বুজ লয়। বুজ লৈ চিকিৎসা মহাবিদ্যালয়খনৰ কাম-কাজ খৰকটীয়া কৰিবলৈ ঠিকাদাৰক নিৰ্দেশ দিয়ে। অহা বিধানসভা নিৰ্বাচনৰ আগত তথা ২০২৪ চনত বিশ্বনাথক মেডিকেল কলেজখন উপহাৰ দিয়া কথা সাংবাদিক আগত প্ৰকাশ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। আজিৰ এই অনুষ্ঠানত বিশ্বনাথ জিলা বিজেপিৰ সভাপতি পংকজ বৰা, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিহালী সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত দত্ত, তেজপুৰ লোকসভা সমষ্টিৰ সংসদ পলৱ লোচন দাসৰ লগতে বিশ্বনাথৰ উপায়ুক্ত উপস্থিত থাকে।

# ডাম্পিং গ্ৰাউণ্ড স্থাপনেৰে

জাতিৰ আৰু মাছমৰীয়া হোৱা বাবে পুৰুষানুক্ৰমে দীপৰ বিলত মাছ মাৰি জীৱিকা নিৰ্বাহ কৰি আহিছে। কিন্তু বিগত সময়ছোৱাত দীপৰ বিলৰ পানীভাগ অধিক প্ৰদূষিত হোৱা বাবে বহুতো মাছ-কাছ, জলজ উদ্ভিদৰ মৃত্যু হৈছে। এই মন্তব্য দীপৰ বিল সুৰক্ষা মঞ্চৰ কাৰ্যকৰী সভাপতি আৰু কেওটপাৰাৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী গোলক দাসৰ। ২৫ মে'ৰ সন্ধিয়া দীপৰ বিল সুৰক্ষা মঞ্চৰ উদ্যোগত কেওটপাৰাত আয়োজিত 'ডাম্পিং গ্ৰাউণ্ড স্থাপনেৰে পৰিৱেশ বিনষ্ট, পামহী কেনেলেৰে দূষিত পানী পেলোৱা কাৰ্য বন্ধ কৰা, নিৰ্মাণৰত অৱস্থাত থকা শ্বহীদ উদ্যানৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই অনা বিষয়ত জাতীয় দল-সংগঠনৰ ভূমিকা' বিষয়ত এক অন্তৰংগ আলাপ আৰু মতবিনিময় অনুষ্ঠানত ভাগ লৈ এই মন্তব্য কৰে মঞ্চৰ কাৰ্যকৰী সভাপতি গোলক দাসে। অনুষ্ঠানত গোলক দাসে কয়— কেওটপাৰাকে ধৰি দাঁতিকাষৰীয়া অঞ্চলৰ যিসকল বাসিন্দাই দীপৰ বিলত মাছ মাৰি জীৱিকা নিৰ্বাহ কৰি আহিছে তেওঁলোকৰ এতিয়া জীৱন-জীৱিকাৰ ক্ষেত্ৰত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। এই অৱস্থাৰ সৃষ্টি হৈছে দীপৰৰ পানী প্ৰদূষিত হোৱা বাবে। এটা সময়ত সোৱাদ মাছৰ বাবে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সুনাম থকা দীপৰ বিলৰ সেই সুনাম আজি নোহোৱা বাবে চৰকাৰে দায়ী বুলি আক্ষেপ প্ৰকাশ কৰে গোলক দাসে। আনহাতে, মঞ্চৰ সাধাৰণ সম্পাদক প্ৰমোদ কলিতাই আঁত ধৰা অনুষ্ঠানত ভাগ লৈ মঞ্চৰ সভাপতি হেনৰী ডেভিড টেৰণে আক্ষেপ প্ৰকাশ কৰি কয়— ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ ( এন জি টি ) নিৰ্দেশনা উলংঘা কৰি গুৱাহাটী পৌৰ নিগমে দীপৰ বিলক প্ৰদূষিত কৰাৰ বাবে তলা বন্ধ কৰি দিয়া প্ৰায় ১৭ বছৰীয়া ডাম্পিং গ্ৰাউণ্ডৰ পৰা মাত্ৰ ডেৰ কিঃমিঃ নিলগৰ পৰিৱেশ সংবেদনশীল অঞ্চলৰ অন্তৰ্গত পশ্চিম বৰাগাঁৱৰ বেলৰতলত হাউছফেডৰ প্ৰায় ৬০ বিঘা মাটিত ডাম্পিং গ্ৰাউণ্ড নিৰ্মাণ কৰা, এলিফেণ্ট কৰিড'ৰ হিচাপে পৰিচিত দীপৰ বিলৰ দাঁতিয়েদি থকা পূৰ্বৰ ৰে'ল লাইনৰ ওচৰেৰে বিদ্যুৎ পৰিবাহী দ্বৈত ৰে'লপথ নিৰ্মাণ কৰাৰ বাবে ৰে'লৰে কৰ্তৃপক্ষই যি কাম আৰম্ভ কৰিছে আমি তাৰ তীব্ৰ বিৰোধিতা কৰিছো আৰু কৰি যাম। তেনেদৰে অসম আন্দোলনৰ ৮৫৫জন জাতীয় শ্বহীদৰ ত্যাগৰ স্মৃতি চিৰযুগমীয়া কৰাৰ লক্ষ্যৰে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চৰকাৰৰ দিনত আৰম্ভ হোৱা শ্বহীদ উদ্যানখনৰ নিৰ্মাণকাৰ্য বিগত প্ৰায় দুবছৰ আগৰে পৰা চলি আহিছে। ডাম্পিং গ্ৰাউণ্ডটো শ্বহীদ উদ্যানৰ ওচৰতে আছে আৰু ডাম্পিং গ্ৰাউণ্ডটো স্থাপন হৈছে মাত্ৰ ন মাহ আগতে। যাৰ বাবে অসমৰ সকলো দল-সংগঠনে শ্বহীদ উদ্যানখনৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই অনা তথা শ্বহীদ উদ্যানখন ৰক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি আহিব লাগে বুলি হেনৰী ডেভিড টেৰণে সদৰী কৰে। আনহাতে, অনুষ্ঠানত মঞ্চৰ সহকাৰী সাধাৰণ সম্পাদক সুশীল টেৰণ, পামহী কাৰ্বিপাৰা ৰাইজৰ সভাপতি সনেশ টেৰণ, দীপৰ বিল পাচপাৰা সমবায় সমিতিৰ উপদেষ্টা নীৰেন দাস, সম্পাদক গোলক দাস, আজাৰা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মনোৰঞ্জন ভট্টাচাৰ্য, খানামুখ মিলন সংঘৰ উপ-সভাপতি দিলীপ কলিতাকে (চক্ৰ) ধৰি কেইবাজনো বক্তাই পামহী কেনেলেৰে গুৱাহাটীৰ দূষিত পানীভাগ বিলত অহৰহ পেলাই থকা আৰু বিগত আগষ্ট মাহৰ পৰা বিলৰ পৰা কিছু নিলগৰ বেলৰতলত গুৱাহাটী পৌৰ নিগমে ডাম্পিং গ্ৰাউণ্ড স্থাপন কৰি দূষিত গেলা-পচা জাবৰ, আৱৰ্জনা পেলাই অহা কাৰ্য কোনোপধ্যেই গ্ৰহণযোগ্য নহয় বুলি ব্যক্ত কৰি ডাম্পিং গ্ৰাউণ্ডবিৰোধী আন্দোলনটো ব্যাপক ৰূপত প্ৰসাৰ হ'ব লাগে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত মঞ্চৰ সাধাৰণ সম্পাদক প্ৰমোদ কলিতাই ডাম্পিং গ্ৰাউণ্ড সন্দৰ্ভত গুৱাহাটী পৌৰ নিগমৰ সৈতে বিগত সময়ছোৱাত হোৱা আলোচনাৰ অগ্ৰগতিৰ এক খতিয়ান দাঙি ধৰে।

# নেলীৰ ৰাজপথত দাউ দাউকৈ

দাউকৈ জ্বলি উঠে বাহনখন। গুৱাহাটীৰ পৰা নগাঁও অভিমুখী বাহনখনৰ নম্বৰ এ এছ-০১ ই ভি-৫৩৩৯। কথমপি প্ৰাণ ৰক্ষা বাহনখনত থকা তিনি যাত্ৰীৰ। যাত্ৰীকেইজন কামৰূপ মেট্ৰ' জিলাৰ উদীপ শইকীয়া, মাইনুল আৰু প্ৰহ্লাদ বসুমতাৰীৰ ঘৰ লখিমপুৰ জিলাত বুলি জানিব পৰা গৈছে। অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত জুই নিৰ্বাপিত কৰা হয় যদিও হোণ্ডাই বাহনখন সম্পূৰ্ণৰূপে ভস্মীভূত হয়।

**দুলীয়াজানত ভয়ংকৰ পথ দুৰ্ঘটনা ঃ গুৰুতৰভাৱে আহত তিনি**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি ঃ** কালি নিশা তৈলনগৰী দুলীয়াজানত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ফলত তিনিজন লোক গুৰুতৰভাৱে আহত হয়। এই দুৰ্ঘটনাত এজনক অতি সংকটজনক অৱস্থাত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। ঘটনাৰ প্ৰাপ্ত খবৰ অনুসৰি এ এছ-০৬ এল-৫১৮৯ নম্বৰৰ এখন জাইল' গাড়ীয়ে ১৬নং তিনিআলিৰ পৰা হুকুটা চাৰিআলি অভিমুখে তীব্ৰ বেগেৰে আহি থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই কমলাবাৰীৰ সমীপৰ এটা বাসগৃহত প্ৰচণ্ড জোৰত খুন্দা মাৰে। ফলত চালকসহ তিনিজন লোক গুৰুতৰভাৱে আহত হয়। আহত লোককেইজনক দুলীয়াজান আৰক্ষী আৰু স্থানীয় ৰাইজে ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰি ততাতৈয়াকৈ অইল ইণ্ডিয়া হাস্পতালত ভৰ্তি কৰে। এই দুৰ্ঘটনাৰ আঁৰত অত্যধিক মদ্যপান কৰি তীব্ৰ বেগেৰে গাড়ী চলোৱাৰ বাবেই উক্ত ঘটনাটো সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

**চাপৰমুখৰ জয়শ্ৰীত বানত ডুবি এজনৰ মৃত্যু ঃ ৰহাৰ জাকৰুৱাত কলঙত সন্ধানহীন এজন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা ঃ** বানবিধ্বস্ত ৰহা-চাপৰমুখ অঞ্চলত আজি বানত পৰি এজনৰ মৃত্যু হোৱাৰ লগতে আন এজন লোক নৈত পৰি সন্ধানহীন হৈ আছে। জানিব পৰা মতে চাপৰমুখৰ সমীপৰ জয়শ্ৰীত কালি নিশা মাছ মাৰিবলৈ গৈ বানপানীত পৰি জয়শ্ৰীৰ মৃদুল দাস (৪৫) নামৰ লোকজনৰ মৃত্যু হয়। আজি পুৱা দাসৰ মৃতদেহ বানপানীত ওপঙি থকা অৱস্থাত উদ্ধাৰ হয়। আনহাতে ৰহা ফুলগুৰিৰ জাকৰুৱাত ভৰা কলঙত পৰি যাদৱ দাস (৪৩) নামৰ এজন লোক আজি পুৱাৰ পৰা সন্ধানহীন হৈ আছে। স্থানীয় ৰাইজ আৰু এছ ডি আৰ এফৰ লোকে নৈত অভিযান চলাইছে যদিও বাতৰি লিখাৰ পৰলৈকে লোকজনৰ কোনো সন্ধান ওলোৱা নাই।

# সাত মাহৰ মূৰকত আটক

কোকৰাঝাৰ চহৰৰ প্ৰয়াত নিতাই দাসৰ একমাত্ৰ কন্যা নিবেদিতা দাস স্বামীৰ পৰা বিচ্ছিন্ন হৈ বিগত ৬ বছৰ ধৰি কোকৰাঝাৰ ডাকঘৰৰ ক্ষুদ্ৰ সঞ্চয় যোজনাৰ এগৰাকী অভিকৰ্তা হিচাপে কাম কৰি সুদক্ষ নিষ্ঠাৱান অভিকৰ্তা হিচাপে গ্ৰাহক ৰাইজৰ মাজত জনপ্ৰিয় হৈ পৰিছিল। এনেকি কোকৰাঝাৰৰ বিভিন্ন ব্যৱসায়ী, অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰি দৈনিক বজাৰৰ ক্ষুদ্ৰ ব্যৱসায়ীসকল এই নিবেদিতা দাসৰ ওচৰতে ধন সঞ্চয় কৰিছিল । সকলো ঠিকেই আছিল কিন্তু বিগত বৰ্ষৰ অক্টোবৰ মাহত অভিকৰ্তাগৰাকীৰ কিছুমান কাৰ্যকালাপে গ্ৰাহক ৰাইজৰ মাজত সন্দেহৰ সৃষ্টি কৰে। বহুত গ্ৰাহকে ধন জমাৰ ক্ষেত্ৰত বিভিন্ন খেলিমেলি দেখিবলৈ পায় আৰু একাংশই তেওঁলোকৰ ধন আত্মসাৎ কৰা বুলি নিশ্চিত হয়। নিজৰ জমাকৃত প্ৰাপ্য ধন বিচাৰি তেওঁৰ ঘৰলৈ গৈ দেখে অভিকৰ্তাগৰাকী ইতিমধ্যে পলায়ন কৰিছে বুলি জানিব পাৰে। এই বিষয়ে ভাৰতীয় দণ্ড বিধি আইনৰ ১২০(বি ) /৪২০/৪০৯/৩৮৪/৪৬৮/৪৭১ ধাৰাত কোকৰাঝাৰ সদৰ থানাত ৭৬৪/২০২১ নম্বৰত বিগতবৰ্ষৰ ৩১ অক্টোবৰত এক গোচৰ ৰজু হয়। ইয়াৰ পিছত আৰক্ষী আৰু গ্ৰাহক ৰাইজে অভিকৰ্তাগৰাকীক বিচাৰি বিভিন্ন স্থানত তালাচী চলায় যদিও মানুহগৰাকী যেন বতাহৰ স'তে মিলি গৈছিল। এনেকুৱা সময়তে ২৩ মে' তাৰিখে কোকৰাঝাৰৰ মনা শিকদাৰ নামৰ এগৰাকী যুৱকে অভিকৰ্তা নিবেদিতা দাসক আলিপুৰ দুৱাৰ ৰে'ল ষ্টেচনত দেখা পায় আৰু লগ ধৰে। কিন্তু অভিকৰ্তা নিবেদিতাই শিকদাৰক মই আজি কোকৰাঝাৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিম বুলি জানিবলৈ দিয়ে যদিও শিকদাৰে বিশ্বাসত নলৈ উপস্থিত একাংশৰ সহায়ত আলিপুৰ দুৱাৰ থানাত ফোন কৰি দিয়ে। সেই মৰ্মে আলিপুৰ দুৱাৰৰ আৰক্ষীয়ে আটক কৰি পিছত কোকৰাঝাৰ আৰক্ষীক খবৰ দিয়ে। পিছত আইনী প্ৰক্ৰিয়া অনুসৰি তিনি দিন আৰক্ষীৰ জিম্মালৈ অহাত তদন্তৰ দায়িত্ব ছালাকাটি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক দিয়া হয় যদিও এতিয়ালৈ অভিকৰ্তা নিবেদিতাই মুখ নোখোলাত তদন্তৰ গতি আগবঢ়াই নিবলৈ অসুবিধাৰ সন্মুখীন হৈছে। আজি কোকৰাঝাৰৰ সাংবাদিকৰ দল এটায়ো অভিকৰ্তাগৰাকীক সাক্ষাৎ কৰে। যদিও তেওঁ গ্ৰাহকৰ ধন আত্মসাৎ কৰা বুলি স্বীকাৰ কৰে আৰু সেই ধনৰ পৰিমাণ প্ৰায় ৩০ লাখ হ'ব বুলি জানিবলৈ দিয়ে । কিন্তু উক্ত ধন ৰাশি ক'ত কেনেকৈ খৰচ হ'ল সেই বিষয়ে তেওঁ অজ্ঞতা প্ৰকাশ কৰে। উল্লেখ্য যে বিগত অক্টোবৰ মাহৰ শেষাৰ্ধত স্বামী পৰিত্যক্ত নিবেদিতা দাসে ভগ্নীৰ ঘৰত ফুৰিব যাব ওলোৱাৰ সময়তে কোনোবাই তেওঁৰ বিৰুদ্ধে কোকৰাঝাৰ থানাত গোচৰ ৰজু হোৱা বুলি জানিবলৈ দিয়ে। তেতিয়াৰে পৰা তেওঁ বঙাইগাঁও ৰে'ল ষ্টেচন তাৰ পিছত ধুবুৰী ৰে'ল ষ্টেচন, কোচবিহাৰ, গুৱাহাটী আৰু শেষত আলিপুৰ দুৱাৰ ৰে'ল ষ্টেচনত ঠিকনা সলনি কৰোঁতে তেওঁ আৰক্ষীৰ কজ্জালৈ আহে বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰা অভিকৰ্তা নিবেদিতাই তেওঁ একমাত্ৰ সন্তান হিচাপে লাভ কৰা পৈতৃক সম্পত্তি বিক্ৰী কৰি গ্ৰাহকৰ প্ৰাপ্য ধন উভতাই দিব বুলি কয়। আনহাতে, যদিও নিবেদিতাই গ্ৰাহকৰ ধন ক'ত কেনেকৈ খৰচ হৈ গ'ল নাজানো বুলি কৈ আহিছে তেওঁৰ এই কু-কাৰ্যৰ আঁৰত বিভাগৰ কোনোবা বিষয়া জড়িত হৈ থকা বুলি সন্দেহ কৰা হৈছে। বিশেষকৈ কোকৰাঝাৰ শান্তি নগৰ ডাকঘৰ শাখাৰ পোষ্ট মাষ্টৰ জড়িত হৈ থাকিব পাৰে বুলি সন্দেহৰ থল উদ্ভৱ হৈছে। ইতিমধ্যে নিজৰ জমাকৃত ধন আত্মসাৎ কৰি আত্মগোপন কৰি থকা নিবেদিতা দাসক আৰক্ষীয়ে আটক কৰাত আনন্দ প্ৰকাশ কৰিছে গ্ৰাহকসকলে। তেওঁলোকৰ প্ৰাপ্য ধন ওভতাই বিচৰাৰ লগতে অভিকৰ্তাগৰাকীক আইনী শাস্তি প্ৰদান কৰাৰ দাবী উত্থাপিত কৰিছে।

# লক্ষীপুৰত পুনৰ বন্যহস্তীৰ

জানিব পৰা গৈছে। বৈদ্যনাথৰ ঘৰ লক্ষীপুৰৰ হাছডোবাত। যোৱানিশা হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় বৈদ্যনাথ কোচ ওৰফে নাথেং কোচ। অতিকৈ সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে যদিও লোকজনৰ চিকিৎসালয়ত মৃত্যু হয়। যোৱানিশাও হাতীয়ে সন্ত্ৰাস চলাই ভাঙি চুৰমাৰ কৰে কুৰিৰো অধিক বাসগৃহ। বিনষ্ট কৰে মানুহৰ সা-সামগ্ৰী। ধান-চাউলকে ধৰি খাদ্য-সামগ্ৰীও বিনষ্ট কৰে বন্যহস্তীৰ জাকে। ফলস্বৰূপে নিজৰ একমাত্ৰ বাসগৃহ হেৰুৱাই মুকলি আকাশৰ তলত বহু পৰিয়াল থাকিবলগীয়া হৈছে। অনিদ্ৰা আৰু আতংকৰ মাজত দিন পাৰ কৰিবলগীয়া হৈছে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতিকাষৰীয়া গ্ৰামাঞ্চলবাসী। উল্লেখ্য যে যোৱা বুধবাৰে বন্যহস্তীৰ আক্ৰমণত লক্ষীপুৰৰ কুৰ্শাপাখৰী গাঁৱত এজন কিশোৰ নিহত হোৱাৰ পিছত যোৱা সোমবাৰে শালবাৰী গাঁৱত বন্যহস্তীৰ আক্ৰমণত একেটা পৰিয়ালৰ তিনিজনকৈ লোকৰ মৃত্যু হয়। যোৱানিশা পুনৰ এনেদৰে বন্যহস্তীৰ জাকটোৰ আক্ৰমণত এইগৰাকী লোক হাতীৰ আক্ৰমণত মৃত্যু হয়। ৰাইজে হাতী জাকৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা ল'বলৈ দাবী জনাই আহিছে যদিও চৰকাৰ তথা কৰ্তৃপক্ষই কোনো গুৰুত্ব দিয়া নাই বুলি অভিযোগ উঠিছে। প্ৰসংগত উল্লেখনীয় যে বন্যহস্তীৰ আক্ৰমণ তথা উপদ্ৰৱৰ পৰা ৰক্ষা পোৱা, মৃত্যু হোৱা লোকক উপযুক্ত ক্ষতিপূৰণ দিয়া আদি কেইবাটাও দাবীৰ ভিত্তিত এলানি আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতিকাষৰীয়া ভুক্তভোগী গ্ৰামাঞ্চলৰ ৰাইজে।

# নিজৰ গাঁঠিৰ ধনেৰে ৫৮

গাঁওখনৰ দুখীয়া দৰিদ্ৰ পৰিয়ালৰ কাষলৈ গৈ ৰাইজক আশ্বাস প্ৰদান কৰিয়েই দায়িত্ব শেষ কৰি আহিছে জনপ্ৰতিনিধি কিম্বা পঞ্চায়ত প্ৰতিনিধিসকলে। এয়াই নেকি চৰকাৰৰ বহুমুখী উন্নয়ন !ফুচকৰামুখ, কৰঙা, নাগপুৰ, মৰনৈ চাপৰি, কৌপাতনী, পাৰঘালি, বাটচৰামুখ, বালিজান, পাতৃচুক, মৰনৈকে আদি কৰি প্ৰায় ১০-১২খন গাঁৱৰ ৰাইজৰ লগতে বহু স্কুলীয়া ছাত্ৰ-ছাত্ৰী পাৰ হয় মৰা চামপৰা নৈৰ ওপৰেৰে। ইপিনে চৰকাৰী পক্ষৰ ওচৰত গাঁওবাসীয়ে দীৰ্ঘদিনে বাৰিষা-খৰালি উভয় কালতে জলধাৰাৰে পৰিপুষ্ট হৈ থকা এই পথছোৱা ওপৰত এখন স্থায়ী দলং নিৰ্মাণৰ বাবে বিগত সময়ত ঢকুৱাখনা স্থানীয় বিধায়কৰ লগতে গড়কাপ্তানী বিভাগৰ ওপৰত আশা পালি দিন নিয়াইছিল চহা পৰিয়ালসমূহে। স্বাধীনতাৰ ৭৩টা বছৰ অতিক্ৰম কৰিলে, কিন্তু দলং নহ'ল মৰা চামপৰা নদীৰ ওপৰত। কেৱল আশ্বাস আৰু প্ৰতিশ্ৰুতিতেই সীমাবদ্ধ হৈ ৰ'ল কৌপাতনী-ফুচকৰামুখ সংযোগী মৰা চামপৰা নদীৰ ওপৰ দলং। যাৰ বাবে কৌপাতনী গাঁৱৰ এজন ব্যক্তিয়ে ৰাইজৰ যাতায়াতৰ সুবিধাৰ্থে নিজৰ গাঁঠিৰ ধন ভাঙি প্ৰায় ১ লাখ ১০ হাজাৰ টকা ব্যয় কৰি কোনো ধৰণৰ চৰকাৰী অনুদানৰ অবিহনেই মৰা চামপৰা নৈৰ ওপৰত নিৰ্মাণ কৰি উলিয়াইছে এখন বাঁহৰ দলং। দুবাহুত প্ৰচণ্ড বল আৰু কৰ্মশক্তি থকা লোকজন হৈছে ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত মৰনৈ পঞ্চায়তৰ কৌপাতনী গাঁৱৰ ৰঞ্জিত চুতীয়া। চুতীয়াই বিগত ২৩টা বছৰে সেই স্থানত নিজৰ একক প্ৰচেষ্টাত স্থানীয় কেইজনমান যুৱকৰ সহযোগত প্ৰায় ৫৮ মিটাৰ দৈৰ্ঘ্যৰ বাঁহৰ দলং নিৰ্মাণ কৰি আজি সকলো ৰাইজৰ প্ৰশংসা বুতলিবলৈ সক্ষম হৈছে। বিশেষকৈ পৰিৱৰ্তন আৰু বিকাশৰ শ্ল'গানেৰে ঢাক-ঢোল বজোৱা শাসকীয় বিজেপি চৰকাৰে কৰিব নোৱৰা কাম এটা কৰি দেখুৱালে এইজন সহজ-সৰল ব্যক্তিয়ে। দহ-বাৰখন গাঁৱৰ ৰাইজৰ একমাত্ৰ ভৰসা এইখন দলঙেৰে এতিয়া দৈনন্দিন অহা-যোৱা কৰে শ শ ব্যক্তি। যাৰ বাবে কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, জনসাধাৰণ আৰু ৰোগীৰ বাবে সুবিধা হৈ পৰিছে এতিয়া এই দলং। সঁচাকৈয়ে ৰাইজৰ দুখ-দুৰ্দশা প্ৰতি চিন্তা কৰা ব্যক্তিজনৰ মহানুভৱতা তথা প্ৰশংসনীয় কামৰ বাবে শলাগ লৈছে স্থানীয় লোকসকলৰ লগতে ঢকুৱাখনাবাসীয়ে। এতিয়া গাঁৱৰ ৰাইজৰ চৰকাৰখনৰ বিভাগীয় মন্ত্ৰীৰ লগতে ঢকুৱাখনা স্থানীয় বিধায়ক নৱ কুমাৰ দলেক উক্ত স্থান পৰিদৰ্শন কৰি সেই স্থানত এখন পকী দলং নিৰ্মাণ কৰাৰ লগতে উক্ত পথছোৱা যাতায়াতৰ ক্ষেত্ৰত সুচল কৰিবলৈ পুনৰবাৰ অনুৰোধ জনায়।

# নগাঁৱত অত্যধিক বৃদ্ধি পাইছে

পোহপাল দিয়া বহু পৰিয়ালৰ জীৱনলৈ নামি আহে ঘোৰ অমানিশা। নগাঁও জিলা কৃষি বিভাগৰ পৰা পোৱা তথ্য অনুসৰি জিলাখনৰ কামপুৰ, ৰহা আৰু নগাঁও সদৰ ৰাজহ চক্ৰৰ এলেকাধীন মুঠ ২৫৫খন গাঁৱৰ ৩৩,২৫৮ গৰাকী কৃষক ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি মুঠ ১৬,৩৬৯ হেক্টৰ কৃষিভূমি ক্ষতিসাধন হয়। জিলাখনৰ উল্লিখিত তিনিটা ৰাজহ চক্ৰৰ আহু ধানৰ খেতি ১০,৫৮১ হেক্টৰ, বাঁও ধানৰ খেতি ৭০২ হেক্টৰ, মৰাপাটৰ খেতি ৩৪৩ হেক্টৰ, কুঁহিয়াৰ ১৪৩ হেক্টৰ, মাহজাতীয় খেতি ৩৭৪ হেক্টৰ, শাক-পাচলি ২৯৮৭ হেক্টৰ, মচলা জাতীয় খেতি ৮৬ হেক্টৰ আৰু অন্যান্য খেতি ১১৫৩ হেক্টৰ অনিষ্ট হয়। এই বৃহৎ পৰিমাণৰ ক্ষতিৰ সন্মুখীন হৈ কৃষক ৰাইজে মূৰে-কপালে হাত দিবলগীয়া হৈছে। ইফালে, নগাঁও জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই কৃষি বিভাগৰ বিষয়ববীয়াৰ সহযোগত এই ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি ইতিমধ্যে কৃষি বিভাগৰ ঊৰ্দ্ধতন কৰ্তৃপক্ষলৈ সমূহ তথ্য প্ৰেৰণ কৰিছে যদিও বৰ্তমান সময়লৈকে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চৰকাৰে কেনে ধৰণে সহায় কৰিব সেই বিষয়ে জানিব পৰা হোৱা নাই। সেইদৰে, বানপানীত ক্ষতিগ্ৰস্ত হোৱা বিষয়টোৰ গইনা লৈ এতিয়া বজাৰত বৃদ্ধি পাইছে শাক-পাচলিৰ দাম। জিলাখনত ২৯৮৭ হেক্টৰ শাক-পাচলিৰ খেতি বানপানীয়ে ক্ষতিসাধন কৰিছে। এইসমূহ খেতিৰ পৰা পৰ্যাপ্ত পৰিমাণে শাক-পাচলি নগাঁৱৰ বিভিন্ন বজাৰলৈ যোৱাৰ লগতে আন জিলাসমূহলৈ প্ৰেৰণ কৰে কৃষকসকলে। এই শাক-পাচলিৰ খেতিসমূহ নষ্ট হোৱাৰ বাবে বজাৰত এতিয়া শাক-পাচলিৰ দাম অত্যধিক বৃদ্ধি কৰিছে ব্যৱসায়ীসকলে।

# বকোত দুষ্প্ৰাপ্য বনৰৌৰ বাকলিসহ দুজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৬ মে' ঃ** ৰাজ্যখনৰ আৰক্ষী প্ৰশাসনৰ চকুত ধূলি মাৰি একাংশ অসাধু চক্ৰই চলাই আহিছে অপৰাধজনিত কাণ্ড। ইফালে আজি কামৰূপ জিলাৰ বকোত সংঘটিত হৈছে এনে অপৰাধৰ এক ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি বকো থানাৰ অন্তৰ্গত কেন্দুগুৰিৰ ধাবাত বন বিভাগ আৰু বন্যপ্ৰাণী অপৰাধ নিয়ন্ত্ৰণ শাখাৰ যৌথ অভিযানত দুষ্প্ৰাপ্য প্ৰাণী বনৰৌৰ বাকলিসহ নগদ ধন জব্দ কৰে। অভিযানকাৰী দলটোৱে জব্দ কৰে ২ কিলো ৮00 গ্ৰাম বাকলিৰ লগতে ১৪ হাজাৰ টকাসহ আটক কৰে দুজন ব্যৱসায়ীক। আটক কৰা লোক দুজন হ'ল হিতেশ খাখলাৰী আৰু বিজুলী কে লিংডো। উল্লেখ্য যে, এক গোপন খবৰৰ ভিত্তিত বন বিভাগৰ লোকে ব্যৱসায়ী সাজি কিনাৰ ছলেৰে আটক কৰে অপৰাধী চক্ৰটোক । বৰ্তমান দুয়োকে বকোৰ শিংৰা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত সোধা-পোছা কৰি আছে। ইফলে বন বিভাগৰ লোকে জানিবলৈ দিয়া মতে জব্দকৃত বনৰৌৰ বাকলিখিনিৰ মূল্য প্ৰায় ১,৫০,০০০ টকা হ'ব।



# কলিয়াবৰত নকল সোণ-নগদ

নিশা আৰক্ষীয়ে অভিযান চলাই আটক কৰে নকল সোণসহ চাৰিটাকৈ প্ৰৱঞ্চকক। চুলুং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল নাথৰ নেতৃত্বত চলিছিল এই অভিযান। অভিযানৰ সময়ত আৰক্ষীয়ে প্ৰায় ৩৮৭ গ্ৰাম নকল সোণসহ নগদ ১২,৯০০ টকা আৰু দুটা ম'বাইল হেণ্ডচেট জব্দ কৰিছে আৰক্ষীয়ে। উলুৰনী থানা এলেকাধীন তিনি নং বৰঘুলিৰ চিৰাজুল ইছলামৰ ঘৰত ৰূপহীহাট থানা এলেকাধীন মহম্মদ চাহাবুদ্দিন আৰু কাফিলুদ্দিন নামৰ দুই প্ৰৱঞ্চকে বাক্সা জিলাৰ চুলতান আলীৰ সৈতে মিলিত হৈ প্ৰৱঞ্চনাৰ জাল পেলোৱাৰ সময়তে আৰক্ষীয়ে হাতে-লোটে আটক কৰে প্ৰৱঞ্চকৰ দলটোক। সম্প্ৰতি উলুৰনী আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪২০/৪৬৭/৩৪ৰ অধীনত ২৯/২২ নম্বৰত এটি গোচৰ ৰুজু কৰি চাৰি অভিযুক্তক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে।

# বকোৰ ছমৰীয়াত শিক্ষা

জিলাৰ বকো থানাৰ অন্তৰ্গত ছমৰীয়াত যোৱানিশা জব্দ কৰে দুখন কিতাপ ভৰ্তি ট্ৰাক। প্ৰাপ্ত তথ্য অনুসৰি ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ চৰকাৰী বিনামূলীয়াকৈ প্ৰদান কৰিবলৈ লোৱা মুঠ দুই ট্ৰাক চৰকাৰী কিতাপ কোনো দুষ্ট চক্ৰই ডেম্পোত বিক্ৰী কৰিছিল। এই কিতাপৰ মুঠ ৫০০ বস্তা কিতাপ বৰ্তমান বিদ্যালয়ৰ পাঠ্যপুথি হিচাপে ব্যৱহাৰ হৈ থকা সত্বেও বিক্ৰী হৈছে ডেম্পোত। উল্লেখ্য যে, বকোৰ ছমৰীয়াত শিক্ষা বিভাগৰ কিতাপৰে ভৰা দুখন ট্ৰাক জব্দ কৰে ৰাইজে। জানিব পৰা মতে, স্থানীয় ৰাইজৰ সন্দেহ ওপজাত কণ্টেইনাৰ দুখন পৰীক্ষা কৰোতে ওলাই পৰে এই বিস্ফোৰক তথ্য। ইফালে বহিঃৰাজ্যলৈ পেলনীয়া কাগজ হিচাপে সৰবৰাহৰ সময়তে কণ্টেইনাৰ দুখন জব্দ কৰে ৰাইজে। আনহাতে, ২০২১ বৰ্ষত ছপা কৰা শিক্ষা বিভাগৰ কিতাপসমূহত অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ শুভেচ্ছা বাণী প্ৰকাশ কৰে। ইফালে ট্ৰাক দুখনৰ পৰা প্ৰায় ৫০০টা কিতাপৰ বাণ্ডিল জব্দ কৰা হৈছে। দেখা পোৱা মতে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ পাঠদানত ব্যৱহাৰ কৰা কিতাপৰ টোপোলাসমূহ জব্দ হৈছে। বকোৰ কালাতলীৰ ডেম্পো এটাৰ পৰা সৰবৰাহ কৰা হৈছিল কিতাপসমূহ। ইফালে জব্দকৃত ট্ৰাক দুখনৰ নম্বৰ এইচ আৰ-55 এ জি-0121 আৰু এইচ আৰ-55 ডব্লিউ-0972 । আনহাতে, বকো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ চালকক সোধা-পোছা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। যিয়েই নহওক এনে দুষ্কাৰ্য সংঘটিত কৰা লোকসকলক দৃষ্টান্তমূলক শাস্তিৰ দাবী তুলিছে অঞ্চলটোৰ ৰাইজে।

# বন্ধুয়ে মিলি হত্যা কৰিলে

আজি পুৱা নিজৰ ঘৰতেই উদ্ধাৰ হয়। পৰিয়ালৰ লোকে সংবাদ মাধ্যমৰ আগত জনোৱা মতে পৱনৰ বন্ধুয়েই পৱনক হত্যা কৰিছে। স্থানীয় সূত্ৰ মতে যোৱানিশা পৱনে তেওঁ বন্ধুৰ সৈতে মিলি তেওঁ ঘৰতেই সুৰাৰ আড্ডাত বহিছিল। উল্লেখ্য যে, পৱন ঘৰটোত অকলশৰীয়াকৈ বসবাস কৰে। যোৱানিশা সুৰাৰ আড্ডা চলি থকাৰ মাজতে তেওঁলোকৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। সুৰাৰ আড্ডাত বহা এজন যুৱকে কাজিয়া ভাঙি ঘৰলৈ যায়। আজি পুৱা সেই যুৱকজন পৱনৰ ঘৰলৈ আহি পৱনৰ মৃতদেহ মজিয়াত পৰি থকা প্ৰত্যক্ষ কৰি যুৱকজনে পৱনৰ পৰিয়ালক খবৰ দিয়ে। এই খবৰ লাভ কৰাৰ লগে লগে পৰিয়ালৰ লোকৰ লগতে গাঁওবাসীৰ মাজত হাহাকাৰৰ সৃষ্টি হয়। স্থানীয় সূত্ৰই জনোৱা মতে পৱনৰ বন্ধুয়ে পৱনৰ ডিঙিত গামোচা মেৰিয়াই হত্যা কৰে। এই সন্দৰ্ভত স্থানীয় লোকে আৰক্ষীক খবৰ দিয়াৰ লগে লগে নগাঁও সদৰ থানা আৰু নৰৈ আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৱনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ক্ষিপ্ৰতাৰে তদন্ত কৰি এই ঘটনাৰ লগত জড়িত তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা যুৱককেইজন ক্ৰমে- পাখিমৰীয়া কোটায়নি চুকৰ তাইজুদ্দিন আলী (১৮), জোন আলী (২৬) বৰপাঠৰি গাঁৱৰ কেশৱানন্দ কেওট (৪০)। এই ঘটনাৰ অধিক তথ্য আহৰণৰ বাবে নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা তিনিও যুৱকক মাৰাথন জেৰা অব্যাহত ৰাখিছে। স্থানীয় লোকে এই হত্যাকাণ্ডৰ লগত জড়িতসকলক কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

# 'পৰিৱাৰবাদী' দল কেৱল

চিন্তা কৰে। বেগমপেট বিমানবন্দৰত বিজেপি কৰ্মীসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে পৰিৱাৰবাদী দল কেৱল এটা ৰাজনৈতিক সমস্যা নহয়, আমাৰ দেশৰ গণতন্ত্ৰ আৰু যুৱ-প্ৰজন্মৰ আটাইতকৈ ডাঙৰ শত্ৰু। এনে দলত দুৰ্নীতিয়ে এটা পৰিয়ালক ছানি ধৰে আৰু তেনে ৰাজনৈতিক দলবোৰৰ উদ্দেশ্য কেৱল দুৰ্নীতি হৈ পৰে। এই দলবোৰে দৰিদ্ৰ লোকসকলৰ অভাৱ-অভিযোগৰ প্ৰতি গুৰুত্ব নিদিয়ে, তেওঁলোকৰ ৰাজনীতিৰ উদ্দেশ্য কেৱল এটাই— সেয়া হৈছে কেনেকৈ এটা একক পৰিয়ালে ক্ষমতাত থাকিব পাৰে সেয়া নিশ্চিত কৰা। এনে দলে যিমান পাৰে সিমান দেশৰ সম্পদ লুণ্ঠন কৰিব জানে। মানুহৰ বিকাশত তেওঁলোকৰ কোনো আগ্ৰহ নাই। প্ৰধানমন্ত্ৰীয়ে কয়, 'একবিংশ শতিকাৰ ভাৰতে 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'মেক ইন ইণ্ডিয়া'ৰ সপোন লৈ আগবাঢ়িছে। আমাৰ ষ্টাৰ্টআপবোৰে পৃথিৱীৰ ওপৰত এক প্ৰভাৱ পেলাইছে। আজি, আমি বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্টআপত পৰিণত হৈছো। এনে অৱস্থাত ভাৰতত পৰিয়ালতন্ত্ৰৰ কোনো স্থান নাই।' ইপিনে হায়দৰাবাদত উপস্থিত হোৱা মোদীক আদৰণি জনোৱাৰ পৰা বিৰত থাকে তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাও। তেলেংগানাৰ মুখ্যমন্ত্ৰীগৰাকীয়ে মোদীক আদৰণি নজনায় বুলি আগতেই প্ৰকাশ কৰিছিল। ৰাজৈনিক মতভেদৰ বাবেই তেওঁ মোদীক আদৰণি জনোৱাৰ পৰা বিৰত থাকে বুলি ধাৰণা কৰা হৈছে।

# পৰিকল্পিতভাৱে বটদ্ৰৱা থানা

উক্ত ঘটনা সংক্ৰান্তত গঠন কৰি দিয়া বিশেষ তদন্তকাৰী গোটে বহুখিনি তথ্য লাভ কৰিছে আৰু ঘটনাৰ দিনাৰ ভিডিঅ' ফুটেজ চাই ঘটনাৰ লগত জড়িত প্ৰায় ৩০-৩২গৰাকী অপৰাধীক চিনাক্ত কৰা হৈছে। আনহাতে, বটদ্ৰৱাত বহু লোকে ভুৱা মাটিৰ পট্টাৰে ঘৰ সাজি থকা বুলি উল্লেখ কৰি আৰক্ষী অধীক্ষকগৰাকীয়ে লগতে কয় যে সেই লোকসকলৰ ওপৰত শীঘ্ৰেই ব্যৱস্থা লোৱা হ'ব। বটদ্ৰৱাৰ বহু ড্ৰাগ্‌ছ মাফিয়া আৰু অপৰাধীৰ তথ্য বটদ্ৰৱা থানাত মজুত আছিল। সেই তথ্যসমূহ ধ্বংস কৰাৰ বাবেই বটদ্ৰৱা থানাত অগ্নিসংযোগ কৰা হৈছিল। এই ঘটনাৰ আঁৰত জেহাদীৰ লিংক বিচাৰিও ইতিমধ্যে বঙাইগাঁও আৰু বৰপেটা আৰক্ষীৰ লগত যোগাযোগ কৰা হৈছে। তেওঁলোকৰ মোবাইল নম্বৰসমূহো পৰীক্ষা কৰা হৈছে। আৰক্ষী অধীক্ষকগৰাকীয়ে লগতে কয় যে বটদ্ৰৱা থানা আক্ৰমণ কৰা যিসকল অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে তেওঁলোক ড্ৰাগ্‌ছ সৰবৰাহ কৰা, ডকাইতিত জড়িত থকাৰ প্ৰমাণ পোৱা গৈছে। বৰ্তমানলৈকে আৰক্ষীয়ে ৭জনক গ্ৰেপ্তাৰ কৰিছে। আনহাতে, আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অভিযুক্ত কেইজনৰ সন্দৰ্ভত আৰক্ষী অধীক্ষকগৰাকীয়ে কয়— আমি কোনো নিৰ্দোষী লোকক হাৰাশাস্তি কৰা নাই। আটক কৰা ১৪গৰাকী লোকক আমি প্ৰমাণ নোপোৱাৰ বাবে মুকলি কৰি দিছো।

# হাজাৰ হাজাৰ আৱেদনকাৰীৰ

শিৱসাগৰত সৃষ্টি হৈছে তুমুল চাঞ্চল্যৰ। বিগত আঠ মাহৰ পূৰ্বেই কাৰ্ড নিৰ্মাণৰ নামত যাৱতীয় প্ৰমাণ-পত্ৰৰ লগতে ধন আদায় লোৱাৰ পিছতো কাৰ্ড দিয়াৰ পৰিৱৰ্তে বালাজী নামৰ প্ৰতিষ্ঠানটোৱে পৌৰ সভাৰ কাৰ্যালয়ৰ পৰা কৰ্মচাৰীসহ অন্তৰ্ধান হোৱাৰ ঘটনাক লৈয়েই সৃষ্টি হৈছে এই চাঞ্চল্যৰ। আঠ মাহৰ পূৰ্বে আধাৰ কাৰ্ড নিৰ্মাণৰ বাবে বালাজীৰ কাৰ্যালয়ত ধন জমা দি দীৰ্ঘ সময় ধৰি কাৰ্ড বিচাৰি বিমুখ ভুক্তভোগী ৰাইজে উত্থাপন কৰিছে এই বিস্ফোৰক অভিযোগ। জানিব পৰা মতে লক-ডাউনৰ পূৰ্বেই শিৱসাগৰ পৌৰ সভাৰ এটা কোঠাত থিতাপি লৈছিলহি এই বালাজী নামৰ আধাৰ কাৰ্ড নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৱে। জিলা প্ৰশাসনৰ নিয়ন্ত্ৰণত আৰু এগৰাকী অতিৰিক্ত উপায়ুক্তৰ প্ৰত্যক্ষ পৰিচালনাত নিয়োজিত বালাজীয়ে সেই সময়ত আৱেদন কৰা বহু ব্যক্তিক আধাৰ কাৰ্ড প্ৰদান কৰিলে যদিও তাৰ পৰৱৰ্তী সময়ত আৱেদন কৰা কেইবা হাজাৰ আৱেদনকাৰীয়ে আজি পৰ্যন্ত কিন্তু আধাৰ কাৰ্ড লাভ নকৰিলে। ভুক্তভোগী আৱেদনকাৰীৰ অভিযোগ অনুসৰি প্ৰতিখন কাৰ্ডৰ বিপৰীতে বালাজীয়ে ডেৰশ টকাকৈ সংগ্ৰহ কৰিছিল। এনেদৰে শিৱসাগৰ জিলাখনৰ কেইবা হাজাৰ আৱেদনকাৰীৰ পৰা বৃহৎ অংকৰ ধন কাৰ্ডৰ নামত সংগ্ৰহ কৰি বিভিন্ন মিথ্যাচাৰ কথাৰে সময় অতিবাহিত কৰি কিছু দিনৰ পূৰ্বে কম্পিউটাৰ অপাৰেটৰসহ বালাজী অন্তৰ্ধান হয় পৌৰ সভাৰ চৌহদৰ পৰা। ইফালে সকলো ধৰণৰ বিত্তীয় লেনদেনৰ লগতে বিভিন্ন ক্ষেত্ৰত আধাৰ সংযোগ অপৰিহাৰ্য হৈ পৰাৰ লগে লগেই আধাৰ কাৰ্ড বিচাৰি হায়ৰান হৈছে আৱেদনকাৰীসকল। কিয়নো আধাৰ অবিহনে সকলো কামতেই এক প্ৰতিবন্ধকতাৰ সৃষ্টি হোৱাৰ সময়তেই বৃহৎ অংকৰ ধন লৈ বালাজী নিৰুদ্দেশ হোৱাৰ খবৰে অধিক আতংকগ্ৰস্ত কৰি তুলিছে ৰাইজক। পৌৰ সভাৰ কাৰ্যালয়লৈ বাটকুৰি বাই হায়ৰান হোৱা ভুক্তভোগী আৱেদনকাৰীসকলে এইক্ষেত্ৰত উপায়ুক্তৰ তাৎক্ষণিক হস্তক্ষেপ কামনা কৰাৰ লগতে আৱেদনকাৰীসকলক আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।



## হাজোৰ দামপুৰত এভাৰেষ্ট জয়ী হেদায়ৎ আলীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৬ মে’ ঃ** এভাৰেষ্ট জয় কৰা সপ্তম গৰাকী অসমীয়া হিচাপে পৰিগণিত হৈছে হাজো-দামপুৰৰ হেদায়ৎ আলী। এই সন্মান অৰ্জনৰে হেদায়ৎ আলীয়ে হাজোলৈ কঢ়িয়াই আনিছে গৌৰৱ। সম্প্ৰতি হাজো-দামপুৰৰ সু-সন্তান হেদায়েৎ আলীক লৈ আনন্দ। হাজোৰ দামপুৰৰ সু-সন্তান হেদায়ৎ আলী আমেৰিকাৰ কেলিফৰ্ণিয়াৰ বাসিন্দা। হেদায়েৎ আলীয়ে এভাৰেষ্ট শৃংগ আৰোহণ কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগে হেদায়েৎ আলীৰ পিতৃ গৃহ দামপুৰত আনন্দৰ বন্যা। এই খবৰ সদৰী হোৱাৰ পিছতে দামপুৰ গাঁও উন্নয়ন কমিটিৰ তৰফৰ পৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত হেদায়েৎ উল্লাহক কমিটিৰ সম্পাদক ইছলামুদ্দিন আহমেদে এখনি গামোছা আৰু এটি ফুলাম জাঁপিৰে সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানটিত গাঁও উন্নয়ন কমিটিৰ সমূহ বিষয়ববীয়া, দামপুৰ ইছলামীয়া মাদ্ৰাছাৰ শিক্ষকবৃন্দ, মাদ্ৰাছা পৰিচালনা কমিটিৰ বিষয়ববীয়া, দামপুৰ ছাত্ৰ সন্মিলনী, জনকল্যাণ এন জি অকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে উপস্থিত থাকি তেখেতক শুভেচ্ছা জনায়। উল্লেখ্য হেদায়েৎ আলীৰ পিতৃ চৈয়াদুল্লা আলী জনসংযোগ বিভাগৰ কৰ্মচাৰী। সেই সূত্ৰে হেদায়ৎ আলীয়ে ডিফুৰ ধৰমনালা এল পি স্কুলত অধ্যায়ন কৰাৰ পিছত গোৱালপাৰা সৈনিক স্কুলত নামভৰ্ত্তি কৰিছিল। তাৰ পিছত যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ পৰা চফট ওৱেৰ ইঞ্জিনীয়াৰ পাছ কৰি ১৯৯৮ চনত আমেৰিকাত চাকৰিত যোগদান কৰে। তেতিয়াৰ পৰাই আমেৰিকাত বসতি কৰি আছে।

# ছিপাঝাৰত দৰং আছুৰ ১০ ঘণ্টীয়া অনশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৬ মে’ ঃ** দৰং জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আজি ২৬ মে’ত ছিপাঝাৰ কলেজ চ’কৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত চাৰিদফীয়া দাবী কাৰ্যকৰী কৰাৰ দাবীত পুৱা ৭ বজাৰ পৰা এক ১০ ঘণ্টীয়া অনশন কাৰ্যসূচী ৰূপায়ণ কাৰ্যসূচী গ্ৰহণ কৰে। দৰং জিলা ছাত্ৰ সংগঠনটোৰ দাবী সমূহ হ’ল- বাইহাটা চাৰিআলিৰ পৰা তেজপুৰলৈ ফৰলেণ্ড যুক্ত পথ শীঘ্ৰে নিৰ্মাণ, ২৪ মে’ত ছিপাঝাৰত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত নিহতসকলৰ পৰিয়ালক ২০ লাখ আৰু আহতসকলৰ পৰিয়ালক ১০ লাখতকৈ ক্ষতিপূৰণ দিয়াৰ লগতে আহতসকলৰ চিকিৎসা সম্পূৰ্ণ বিনামূলীয়া কৰা, দৰঙত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা, ছিপাঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সকলো সা-সুবিধা উপলব্ধ কৰি ২০০খন বিছনাযুক্ত চিকিৎসায়লৈ অতি শীঘ্ৰে উন্নীতকৰণ আদি। বিগত সময়ত সাংসদসকলে ৰে’ল লাইনকে ধৰি জিলাখনত গুৰুত্বপূৰ্ণ সমস্যাসমূহ সংসদত এবাৰ মাত মাতিয়েই পেলাই থোৱাৰ বাবে আজিও সমস্যা হৈয়ে থকা বুলি প্ৰকাশ কৰে।



## টীয়ক ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত মানসিক শক্তি আৰু স্মৃতি বৃদ্ধি শীৰ্ষক কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৬ মে’ ঃ** টীয়ক ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বুধবাৰে সফলতাৰে অনুষ্ঠিত হয় মানসিক শক্তি আৰু স্মৃতি বৃদ্ধি শীৰ্ষক কৰ্মশালা। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কৃষ্ণ কান্ত বৰাই আঁতধৰা অনুষ্ঠানটোত উপস্থিত থকা ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত ব্যক্তিসকলক কেনেকৈ নিজৰ মানসিক শক্তি আৰু স্মৃতি বৃদ্ধি কৰিব পাৰে তাৰ ওপৰত ভাষণ প্ৰদান কৰে মানসিক শক্তি আৰু স্মৃতিশক্তি বৃদ্ধি তথা যোগ প্ৰশিক্ষক পৰশমণি বৰাই প্ৰশিক্ষণ দিয়ে। তেখেতে কৰ্মশালাখনত বিশেষভাৱে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যে কয় যে ছাত্ৰ-ছাত্ৰীসকলে ধ্যান আৰু ইচ্ছা শক্তিৰ জৰিয়তে নিজৰ স্মৃতি শক্তিৰ উৎকৰ্ষ সাধন কৰিব পাৰে লগতে মানসিক শক্তি বৃদ্ধিৰ ক্ৰিয়া কলাপো প্ৰদৰ্শন কৰি দেখুৱায়। পৰশমনি বৰাৰ লগতে উপস্থিত থাকে বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ কাৰিকৰী বিষয়া ভুৱন কছাৰী। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক স্বাৱলম্বিতাৰ ওপৰত বিশেষভাৱে বাঁহৰ জৰিয়তে কেনেকৈ বিভিন্ন সামগ্ৰী বনাব পাৰে তাৰ ওপৰত গুৰত্ব প্ৰদানেৰে বহু কথা অৱগত কৰে। উল্লেখযোগ্য যে অধ্যক্ষ হেমন্ত ভূঞাৰ বিশেষ উদ্যোগত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক স্বাৱলম্বিতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি অহা কাৰ্যক অভিভাৱকসকলে সহাঁৰি প্ৰদান কৰিছে। কৰ্মশালাৰ শেষত স্থানীয় বেচৰকাৰী সংস্থা আলোক প্ৰয়াসৰ সহযোগত বিদ্যালয়খনৰ একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ২৫ গৰাকীৰ মাজত তিনিমহীয়া এক ৰিটেইল কৰ্চ সমাপ্ত কৰাৰ অন্তত এই অনুষ্ঠানতে চাৰ্টিফিকেটসমূহ সংস্থাৰ সঞ্চালক বিশ্বজ্যোতি কলিতাৰ উপস্থিতিত প্ৰদান কৰা হয়। অনুষ্ঠানটোৰ শেষত অধ্যক্ষ হেমন্ত ভূঞাই দুয়োগৰাকী ব্যক্তিকে কৃতজ্ঞতা প্ৰদানৰ লগতে পৰিচালনা সমিতিৰ সভানেত্ৰী, চুবুৰীয়া অনুষ্ঠানটোত উপস্থিত থকা নীলমণি ফুকন উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ শিক্ষকসকল বিদ্যালয়ৰ অভিভাৱক সকলোকে কৃতজ্ঞতা প্ৰদানেৰে অনুষ্ঠানটো সমাপ্তি হয়।

## বানপীড়িতলৈ কঠীয়াতলী আঞ্চলিক যুৱক সংঘৰ সাহায্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৬ মে’ ঃ** নগাঁৱৰ কঠীয়াতলী আঞ্চলিক যুৱক সংঘই বহু হৃদয়ৱান লোকৰ সহযোগত কালি বানাক্ৰান্ত ৰাইজৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণ কৰে। যুৱক সংঘৰ বিষয়ববীয়াসকলে কালি বৰহোলা গাঁও, নৰৰত্ন উচ্চ মাধ্যমিক, নৰৰত্ন মধ্য ইংৰাজী বিদ্যালয়, মনোহৰ গাঁও প্ৰাথমিক, নৰৰূপ জাতীয় বিদ্যালয়, জুমৰমুৰ মিলন বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়, জুমৰমুৰ প্ৰাথমিক বিদ্যালয়, জুমৰমুৰ উপ-স্বাস্থ্য কেন্দ্ৰ আৰু বামুণী গোসাঁই থানত বিভিন্ন খাদ্য-সামগ্ৰীৰ লগতে খোৱাপানী বিতৰণ কৰে।

## হলংগাপাৰাত শিশুৰ সলিল সমাধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৬ মে’ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত হলংগাপাৰাত আজি পানীত পৰি এগৰাকী শিশুৰ সলিল সমাধি ঘটাত বৃহত্তৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে জিলাখনৰ উল্লেখিত আৰক্ষী থানাৰ এলেকাধীন হলংগাপাৰা গাঁৱৰ বাসিন্দা আমিনুল ইছলামৰ পুত্ৰ আব্দুল কায়ুম (৭)নামৰ শিশুটিয়ে ঘৰৰ ওচৰতে থকা সুতি নদী এখনত বান্ধি থোৱা নাও এখনৰ ওপৰত খেলি থকা অৱস্থাত হঠাৎ নাও খনৰ পৰা বিচলি পৰি দ’ পানীত ডুব যায়। বহু সময় পিছত পৰিয়ালৰ লোকে তেওঁক বিচাৰ খোচাৰ কৰি নাপাই হুৱা দুৱা লাগে। পিছত উক্ত সুতি নৈত শিশুটিক পানীত উপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰি তাৰ পৰা উদ্ধাৰ কৰি ততাতয়াকৈ নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্ত্তি কৰায় পৰিয়ালৰ লোকে। চিকিৎসকে শিশুটিৰ স্বাস্থ্য পৰীক্ষা কৰি মৃত বুলি ঘোষণা কৰে। শিশুটিৰ এনে অবাঞ্চিত মৃত্যুত পৰিয়ালৰ লোকে শোকত ভাগি পৰিছে। ইপিনে শিশুটিৰ এনে মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।



*মাজুলীৰ এখন প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱ উপলক্ষে বিধায়ক মানৱ ডেকা, বৃহস্পতিবাৰে*

## দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ ত্ৰিংশতিতম বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ মে’ ঃ** দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ ত্ৰিংশতিতম বাৰ্ষিক অধিৱেশনখন অহা ২৯ মে’ত মুখ্য কাৰ্যালয় বিনোদন ভৱন, মিৰ্জাত দিনযোৱা কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলাইছে বুলি সন্থাৰ বিষয়ববীয়াই জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব সন্থাৰ সভাপতি অনিল চন্দ্ৰ কলিতাই, ৯.৩০ বজাত স্মৃতি তৰ্পন কৰিব সন্থাৰ কাৰ্যকৰী সভাপতি যোগেশ কুমাৰ আৰু সম্পাদক অমিয় কুমাৰ কলিতাই, ১০ বজাত বৃক্ষৰোপণ কৰিব সন্থাৰ উপদেষ্টা কামেশ্বৰ কলিতা, তৰুণ চন্দ্ৰ দাস আৰু উপ-সভাপতি গজেন চন্দ্ৰ দাসে। দিনৰ ১১ বজাৰ পৰা হবলগীয়া মুকলি সভাত যোৱা সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু দৃঢ়ীকৰণ, সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন পাঠ, পৰীক্ষিত হিচাপ দাখিল, প্ৰস্তাৱ গ্ৰহণ আদি কাৰ্যসূচী অনুষ্ঠিত হ’ব। উক্ত সভাতেই গ্ৰন্থকাৰ ড° শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াৰ ‘ৰক্ত কণিকাৰ ৰং’ গ্ৰন্থখন উন্মোচন কৰিব পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই আৰু প্ৰাক্তন অধ্যক্ষ কৈলাশ নাথ শৰ্মাৰ ‘অসমীয়া গীতৰ প্ৰথম সংকলন’ উন্মোচন কৰা হ’ব। ইয়াৰ পিছতে নতুন সদস্য ভৰ্তিকৰণ কৰা হ’ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

**গুজৰাট-দিল্লীৰ মডেল নহয় অসমীয়া বিচাৰিছে অসম মডেল !**

## পঞ্চায়ত নিৰ্বাচনৰ ফলাফলে অসমত ২০২৬ত আঞ্চলিকতাবাদী চৰকাৰ প্ৰতিষ্ঠাৰ বাট মুকলি কৰিব ঃ গিৰিশংকৰ গোস্বামী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ মে’ ঃ** পঞ্চায়ত নিৰ্বাচনৰ পাছতেই সলনি হব অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট। বিজেপিৰ শাসনকলৈ সন্তুষ্ট নহয় অসমৰ জনগণ। ভয়-ভাবুকি প্ৰতিশ্ৰুতি প্ৰলোভনৰে অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰি ড° হিমন্তবিশ্ব শৰ্মাই চলাই থকা চৰকাৰখনে বিগত এটা বছৰে অসমৰ জাতীয় জীৱনৰ সমস্যা সমূহ সমাধান কৰাটো দূৰৰ কথা জনগণৰ দৈনন্দিন জীৱনৰ মৌলিক সমস্যা সমূহ সমাধানটো ব্যৰ্থ হৈছে।মুখ্যমন্ত্ৰীয়ে চুট বুট পিন্ধি হেলিকপ্টাৰত উঠি কেমেৰামেন লগত লৈ আত্মপ্ৰচাৰৰ অভিলেখ গঢ়িছে আৰু ৰাইজে দুবেলা দুমুঠি খাই জীয়াই থকাৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে। এই মন্তব্য ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক গিৰিশংকৰ গোস্বামীৰ।কালি এক সমীক্ষাই ড° হিমন্তবিশ্ব শৰ্মাক অসমৰ সফল মুখ্যমন্ত্ৰী আখ্যা দিয়াৰ সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গোস্বামীয়ে কয় শিক্ষা স্বাস্থ্য আৰু বাট-পথৰ দুৰৱস্থাই প্ৰমান কৰে মুখ্যমন্ত্ৰী ৰূপে ড° হিমন্তবিশ্ব শৰ্মা সফল নে বিফল? এটাৰ পাছত আনটো মথাউৰি ভাঙি বলিয়া বানে অসমৰ বাইছখন জিলাত যি তাণ্ডৱ চলালে তাৰ বাবে বিগত ছবছৰে অসম শাসন কৰা বিজেপি চৰকাৰখনেই জগৰীয়া। ড° হিমন্তবিশ্ব শৰ্মাৰ সফলতাৰ স্বীকৃতি সংবাদ মাধ্যমৰ সমীক্ষাৰে ৰাইজক প্ৰতিপন্ন কৰিবলগীয়া ঘটনাই প্ৰমান কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় স্তৰত নিজকে জনপ্ৰিয় মুখ্যমন্ত্ৰীৰূপে প্ৰমাণ কৰিবৰ বাবে মিডিয়া মেনেজমেণ্টৰ আশ্ৰয় ল’বলগীয়া হৈছে। ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক গিৰিশংকৰ গোস্বামীয়ে কয় একাংশ বিৰোধী ৰাজনৈতিক দল আৰু নেতাৰ আপোচকামী স্থিতিৰ বাবেহে ড° হিমন্তবিশ্ব শৰ্মাই অসমৰ ৰাজনীতিত প্ৰাসংগিক হৈ আছে। বিজেপি আৰু ড° হিমন্তবিশ্ব শৰ্মা অপৰাজেয় নহয়। বিৰোধী দলবোৰে ৰাইজৰ সন্মুখত ড° হিমন্তবিশ্ব শৰ্মা চৰকাৰৰ অপশাসন ব্যৰ্থতা উদঙাই দিব পৰা নাই বাবে মুখ্যমন্ত্ৰীয়ে ধৰ্মীয় উন্মাদনা বিয়পাই দি ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি কৰাত সফল হৈছে। অসমত আপৰ ৰাজনৈতিক সক্ৰিয়তাকলৈয়ো মুখ খুলিছে ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক গিৰিশংকৰ গোস্বামীয়ে। গোস্বামীয়ে অৰবিন্দ কেজৰিয়ালক ভাল মানুহ আখ্যা দি কয় অসমৰ ৰাজনীতিত আপৰ কোনো প্ৰাসংগিকতা নাই। বিগত এটা দশক জুৰি অসমৰ ৰাজনীতিত আপ এ সাংগঠনিক কাম কাজ কৰি আছে যদিও অসমৰ ৰাইজে অসমৰ জাতীয় জীৱনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো স্পষ্টতা নথকা আপক প্ৰশ্ৰয় দিয়া নাই। দহবছৰে ৰাজ্যৰ ৰাজনীতিত কাম কাজ কৰি থকা দল এটাই পৌৰ সভাৰ নিৰ্বাচনত দুই এখন আসন পালেই তেওঁলোকক অসমৰ ৰাইজে বিজেপিৰ বিকল্প ৰূপে আদৰি লব সেই কথাৰ কোনো যুক্তি নাই। কেজৰিয়ালৰ দলটোয়ে অসমৰ বাংলাদেশীৰ অবৈধ অনুপ্ৰবেশৰ সমস্যা খিলঞ্জীয়া লোক সকলৰ ৰাজনৈতিক সামাজিক অৰ্থনৈতিক সুৰক্ষা অসমীয়াৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক লৈ কৰি আহা দিঘলীয়া সংগ্ৰাম বৃহৎ নদীবান্ধ অসমৰ সম্পদৰ ওপৰত অসমীয়াৰ অধিকাৰ আদি বিষয়ত ৰহস্যজনকভাৱে মৌন। দলটোৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক নেতৃত্বৰ মুখত অসমৰ জাতীয় জীৱনৰ সমস্যাসমূহৰ সন্দৰ্ভত তেওঁৰলোকৰ স্থিতি কি স্পষ্ট নহয়। সৰ্বভাৰতীয় ৰাজনৈতিক দল বিজেপি কংগ্ৰেছ আপৰ হাতত অসম আৰু অসমীয়াৰ ভৱিষ্যত সুৰক্ষিত নহয় কাৰন দিল্লীৰ দৰে উন্নত ৰাজ্য এখনৰ তুলনাত অসমৰ সমস্যা বহুত বেছি। বিজেপিৰ গুজৰাট মডেলৰ দৰে আপৰ দিল্লী মডেলৰ প্ৰাসংগিকতা অসমত নাই কাৰন অসমৰ খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিব পৰা জাতীয় জীৱনৰ সকলো সমস্যাৰ স্থায়ী সমাধান সম্ভৱ কৰিব পৰা অসম মডেলহে অসমীয়াই বিচাৰে। গতিকে অসমত জাতীয়তাবাদী আৰু আঞ্চলিক শক্তিয়েহে বিজেপিক ক্ষমতাচ্যুত কৰি অসমৰ জনগণৰ স্বাৰ্থ সুৰক্ষিত কৰিব পাৰিব বুলি গিৰিশংকৰ গোস্বামীয়ে মত পোষণ কৰে। সমাগত পঞ্চায়ত নিৰ্বাচনত ৰাইজৰ দলে এককভাৱে সকলো আসনতে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি স্পষ্ট কৰি দি কয় যে ৰাজপথৰ সংগ্ৰামখনক ৰাজনৈতিক সংগ্ৰামলৈ ৰূপান্তৰিত কৰিবৰ বাবে ৰাইজৰ দল সাজু হৈছে আৰু পঞ্চায়ত নিৰ্বাচনৰ ফলাফলৰ পাছত ২০২৬ত অসমত আঞ্চলিকতাবাদী চৰকাৰ প্ৰতিষ্ঠা কৰাৰ বাট মুকলি হ’ব বুলি ৰাইজৰ দলৰ নেতাগৰাকীয়ে দাবী কৰে। গোস্বামীয়ে কয় ৰাইজৰ দলে নিজৰ জাতীয়তাবাদী আৰু আঞ্চলিক চৰিত্ৰৰ লগত সমাগত সময়ত কোনো কাৰণতে আপোচ নকৰে। জাতীয়তাবাদৰ পুনৰোত্থান আৰু আঞ্চলিকতাবাদী চৰকাৰ প্ৰতিষ্ঠাৰ বাবে ৰাইজৰ দলে অসমৰ জনগণৰ পক্ষত থিয়হৈ বিজেপিৰ কংগ্ৰেছ এআইইউডিএফ এই তিনিটা অপশক্তিৰ বিৰুদ্ধে অসমৰ সকলো জাতীয় জনগোষ্ঠীয় ৰাজনৈতিক দল অৰাজনৈতিক সংগঠনক ঐক্যবদ্ধ কৰি অসমৰ ৰাজনীতিত অসম আৰু অসমীয়াৰ প্ৰতি দায়বদ্ধ আঞ্চলিকতাবাদী ৰাজনৈতিক বিকল্প অসমৰ জনগণক দিয়াৰ প্ৰয়াস কৰিব। আনহাতেদি ৰাজ্যখনৰ আইন শৃংখলাৰ অৱনতি আৰু ৰাজ্যজুৰি সৃষ্টি হোৱা অৰাজক পৰিস্থিতিৰ বাবে গৃহমন্ত্ৰীৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাকে দোষাৰোপ কৰি গিৰিশংকৰ গোস্বামীয়ে কয় যে সংবিধানৰ নামত শপত লোৱা শৰ্মাই ৰাজ্যত আইনৰ শাসন প্ৰতিষ্ঠা কৰক। অন্যথা ইতিহাসত তেওঁ এজন দাম্ভিক স্বেচ্ছাচাৰী জাতীয় দায়বদ্ধতাহীন ব্যৰ্থ মুখ্যমন্ত্ৰী ৰূপেহে পৰিগণিত হব। চেলফী উঠি ফুৰিবলৈ সময় পোৱা মুখ্যমন্ত্ৰীজনক ডিমা হাচাওৰ অবৰ্ণনীয় প্ৰাকৃতিক দুৰ্যোগত সৰ্বহাৰা হোৱা লোকসকলৰ কাষত থিয় হবলৈ তিনি-চাৰিদিন কিয় লাগে বুলি প্ৰশ্ন কৰি ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক গিৰিশংকৰ গোস্বামীয়ে বটদ্ৰৱাত আইন-শৃংখলাৰ চুৰান্ত অৱনতি ঘটা আৰক্ষী থানা দুৰ্বৃত্তই জ্বলাই দিয়াৰ পাছতো সত্ৰনগৰীখনৰ খিলঞ্জীয়া ৰাইজৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে এবাৰ বৰদোৱালৈ যাবলৈ ড° হিমন্তবিশ্ব শৰ্মাই সময় নোপোৱা কথাটো আশ্চৰ্য প্ৰকাশ কৰে।

## ‘লঘু উদ্যোগ ভাৰতী’ৰ উদ্যোগত সমাজৰ ভিন্ন ক্ষেত্ৰৰ ৫ ব্যক্তিক সম্বৰ্ধনা



**জয়ন্ত বৰা, বড়মপুৰ, ২৫ মে’ ঃ** ‘লঘু উদ্যোগ ভাৰতী’ (নগাঁও ইকাই) ৰ উদ্যোগত ‘স্থাপনা দিৱস’ৰ সৈতে সঙ্গতি ৰাখি আজি বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়োৱা নগাঁৱৰ পাঁচগৰাকী বিশেষ ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সংগঠনটোৰ নগাঁও জিলা সমিতিৰ সভাপতি ৰোহিত আগৰৱালা আৰু সম্পাদক অশ্বিনী ভজনকাৰে জনোৱা মতে, সাংস্কৃতিক জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে শিল্পী, সমাজকৰ্মী, ‘গান্ধাৰ’ৰ প্ৰধান সম্পাদক তথা ডিমৰুগুৰি নিবাসী প্ৰদীপ বৰা; বিশিষ্ট অভিনেতা, নাট্যকাৰ, পৰিচালক তথা লাচিতপুৰ নিবাসী দীপক বৰা; বাঁহ-বেতৰ শিল্পকৰ্মৰে নিজে স্বাৱলম্বী হোৱাৰ লগতে আন কেইবাজনকো কৰ্মসংস্থাপনৰ সুবিধা দিয়াৰ বাবে গধৰীয়া গাঁও নিবাসী পদ্মেশ্বৰ বৰা; মৰাপাট আৰু মেটেকাৰে নিৰ্মিত হস্তশিল্পকৰ্মৰ জৰিয়তে সুনাম অৰ্জনৰ লগতে ব্যৱসায়িক ক্ষেত্ৰত এগৰাকী সফল ব্যক্তি তথা মিলনপুৰ নিবাসী অচিন্ত্য শৰ্মা আৰু ক’ভিডকালীন পৰিস্থিতিৰ সময়ত নিজাববীয়া প্ৰচেষ্টাৰে ৪০ টাৰো অধিক টীকাকৰণ শিবিৰ স্থাপনকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ সেৱা আগবঢ়োৱাৰ বাবে প্ৰতিষ্ঠিত ব্যৱসায়ী, মাৰোৱাৰী সন্মিলনৰ প্ৰাক্তন সভাপতি তথা নগাঁও চহৰৰ নিবাসী অনিল শৰ্মাক সংগঠনটোৰ প্ৰতিনিধি দলে নিজ নিজ বাসগৃহলৈ গৈ সম্বৰ্ধনা জনায়।

## ‘ছত্ৰ’ৰ উদ্যোগত আজিম প্ৰেমজী ফিলান্ট্ৰফিক ইনিছিয়েটিভৰ সহযোগত বিশ্ব স্কিজোফ্ৰেনীয়া দিবস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৬ মে’ ঃ** ছিপাঝাৰৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান ‘ছত্ৰ’ৰ উদ্যোগত আৰু আজিম প্ৰেমজী ফিলান্ট্ৰফিক ইনিছিয়েটিভৰ সহযোগত সপ্তাহ যোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা বিশ্ব স্কিজোফ্ৰেনীয়া দিৱসৰ অংশ হিচাপে আজি ছিপাঝাৰৰ সাতঘৰীয়াস্থিত ‘ছত্ৰ’ৰ কাৰ্যালয়ত এখনি সজাগতা সভা অনুষ্ঠিত কৰা হয়। ২০০৬ চনৰ পৰাই মানসিক ৰোগৰ চিকিৎসা পৰামৰ্শ আৰু ৰোগীসকলৰ জীৱিকাৰ সৈতে নিৰৱছিন্নভাৱে কাম কৰি অহা ‘ছত্ৰ’ৰ উদ্যোগত আজি পুৱাৰ পৰা দিনযোৱা কাৰ্যসূচীৰে এই দিৱসটি অনুষ্ঠিত হয়। মানসিক ৰোগৰ জ্যেষ্ঠ চিকিৎসক ডা: সুজাতা বৰকাকতি, ইফতিখাৰ হুছেইন, দৰং জিলা শিশু সুৰক্ষা বিষয়া পল্লৱী শৰ্মা, ছত্ৰ’ৰ কাৰ্যবাহী সঞ্চালক ননী কুমাৰ শইকীয়াৰ লগতে ছিপাঝাৰ অঞ্চলৰ প্ৰায় শতাধিক স্কিজোফ্ৰেনীয়া ৰোগী আৰু ৰোগীৰ যতন লওঁতা সকলৰ উপস্থিতিত অনুস্থিত সভাখনত ছত্ৰ’ৰ জ্যেষ্ঠ কৰ্মী জগদীশ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতেই আমন্ত্ৰিত অতিথি সকলে এটি ফুলৰ গছত পানী দি কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। ‘ছত্ৰ’ৰ কাৰ্যবাহী সঞ্চালক ননী কুমাৰ শইকীয়াই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি সজাগতা সভাখন পৰিচালনা কৰে। সভাখনত কেবাগৰাকীও ৰোগীয়ে নিজৰ ৰোগৰ বৰ্ণনা কৰাৰ লগতে কেবাটাও মননশীল গীত গাই শ্ৰোতাৰ মাজত প্ৰভূত মনোৰঞ্জন আনি দিয়ে। মনোৰোগ বিশেষজ্ঞ ডাঃ ইফ্‌তিখাৰ হুছেইনে সজাগতা মূলক বক্তব্যত এই ৰোগৰ লক্ষণ আৰু চিকিৎসা সম্পৰ্কে ব্যাখ্যা দাঙি ধৰি কয় যে অকলে অকলে কথা কোৱা বা হাঁহি থকা, বিসংগতিপূৰ্ণ কথা-বতৰা বা আচাৰ-ব্যৱহাৰ কৰা, অতিমাত্ৰা খং-ৰাগ, অস্থিৰতা, সামাজিকভাৱে উদাসীন বা আগ্ৰহহীন হৈ পৰা, সন্দেহবাদী হৈ পৰা, আত্মহত্যাৰ চেষ্টা কৰা, অযুক্তিকৰ বদ্ধমূল ধাৰণা ৰখা, আনে নেদেখা-নুশুনা কিছুমান কথা শুনা বা বস্তু দেখা পোৱা, পোছাক-পৰিচ্ছদ অথবা চাফ-



চিকুণতাৰ প্ৰতি অৱহেলা কৰা। নিজৰ ৰোগ হৈছে বুলি মানি ল’ব নোখোজা আদি লক্ষণসমূহৰ কথা কয়। ইয়াৰ প্ৰতিটো লক্ষণেই থাকিব লাগিব বুলি কোনো কথা নাই। মাত্ৰ এটা-দুটা লক্ষণৰ উপস্থিতিও ৰোগৰ পৰিচায়ক হ’ব পাৰে। ইয়াৰ ফলত শাৰীৰিক অসুবিধাসমূহ যেনে টোপনি কম হোৱা বা টোপনি নহা, খোৱা-বোৱাৰ খেলি-মেলি হোৱা, যৌনস্পৃহা নোহোৱা হোৱা বা বেছি হোৱা। দীঘলীয়াকৈ এই ৰোগত ভুগিলে ৰোগী লাহে লাহে শাৰীৰিক আৰু মানসিক ভাৱে অক্ষম হৈ আহে। অন্যহাতে কেতিয়াবা ইয়াক মানুহে ভূত-প্ৰেত বা যাদু-মন্ত্ৰৰ প্ৰভাৱ বুলি ভাৱে আৰু ওজা-বেজ লগাই চিকিৎসা কৰোৱাৰ প্ৰতিহে গুৰুত্ব দিয়ে। ভাষণ প্ৰসঙ্গত তেওঁ কয় প্ৰকৃততে স্কিজ’ফ্ৰেনিয়া মগজুৰ এবিধ ৰোগ আৰু ইয়াৰ চিকিৎসাৰ বিভিন্ন উপায় আছে। ঔষধৰ দ্বাৰা চিকিৎসা, শ্বক পদ্ধতিৰ চিকিৎসা, মনোবৈজ্ঞানিক চিকিৎসা, ব্যৱহাৰিক চিকিৎসাৰ লগতে বহুতো উপায় স্কিজোফ্ৰেনীয়াৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা হয়। প্ৰথম অৱস্থাতে এই ৰোগৰ চিকিৎসা গ্ৰহণ কৰিলে তাক আৰোগ্য কৰিব পাৰি। কেতিয়াবা চিকিৎসাৰ প্ৰক্ৰিয়া দিঘলীয়া হ’ব পাৰে। সেয়ে, পৰিয়ালৰ লোকে ধৈৰ্য্য ৰাখি চিকিৎসা চলাই ৰখাত জোৰ দিব লাগে। চিকিৎসা নিয়মীয়া নকৰিলে সাধাৰণতে ৰোগ বাঢ়িহে যায়, আৰু পাছলৈ ৰোগী সম্পূৰ্ণৰূপে আনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈ পৰিব পাৰে। চিকিৎসকৰ পৰামৰ্শ অবিহনে সেয়ে ঔষধ বন্ধ কৰা সমীচীন নহয়। মাজতে ঔষধ বন্ধ কৰিলে ভাল হৈ অহা ৰোগীৰো লক্ষণ আকৌ দেখা দিব পাৰে বুলি মত পোষণ কৰে। স্কিজোফ্ৰেনীয়া ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত হেমাহি নকৰি আৰু ৰোগীক মানসিকভাৱে সবল হোৱাত সহায় কৰি প্ৰতিগৰাকী ব্যক্তিয়েই এই ৰোগৰ নিৰাময়ত ভূমিকা ল’বলৈ আহ্বান জনায়। উপস্থিত সকলোকে ছত্ৰ’ৰ তৰফৰ পৰা শলাগৰ শৰাই আগবঢ়ায়। সজাগতা সভাৰ অন্তত প্ৰায় ৮০ জনতকৈও অধিক স্কিজোফ্ৰেনীয়া ৰোগীৰ চিকিৎসা আৰু পৰিয়ালৰ লোকে পৰামৰ্শ প্ৰদান কৰে। উক্ত অনুষ্ঠানতেই বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হয়। উপস্থিত থকা পৰিয়ালৰ লোকসকলে ছত্ৰ’ৰ এনে মহৎ কাৰ্যই জিলা খনৰ চিকিৎসাৰ পৰা বিভিন্ন জটিলতাৰ বাবে বাদ পৰা পৰিয়াল সমূহক যথেষ্ট সকাহ দিয়াৰ কথা অকপতে স্বীকাৰ কৰে লগতে ‘ছত্ৰ’ৰ কাম-কাজৰ শলাগ লয়। ধাৰাবাহিক ভাৱে মানসিক স্বাস্থ্য আৰু ৰোগীৰ জীৱন জীৱিকাৰ লগতে বিনামূলীয়া চিকিৎসা আগবঢ়াই অহা ‘ছত্ৰ’ই জিলাখনৰ প্ৰায় ১০০ খন গাঁৱৰ ২ সহস্ৰাধিক মানসিক ৰোগীৰ লগতে শাৰীৰিক বাধাগ্ৰস্থ লোকক বাধাগ্ৰস্থতাৰ প্ৰমাণ পত্ৰৰ লগতে জীৱিকাৰ ব্যৱস্থা কৰি দিয়ে। চৰকাৰীভাৱে স্থানীয় চিকিৎসা ব্যৱস্থাত কোনো গুৰুত্ব নোপোৱা মানসিক ৰোগী আৰু পৰিয়ালৰ সদস্যসকলে এইক্ষেত্ৰত নিৰ্বাচিত প্ৰতিনিধিসকলৰ কাৰ্যকৰী পদক্ষেপ আশা কৰে। মানসিক ৰোগী আৰু পৰিয়ালৰ মৰ্মবেদনা উপলব্ধি কৰি প্ৰাথমিক চিকিৎসালয়সমূহত চিকিৎসা আৰু ঔষধ উপলব্ধ কৰিবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনায়। ইতিমধ্যে সামাজিক মাধ্যমৰ জৰিয়তে ছত্ৰৰ কৰ্মী আৰু শুভাকাংক্ষীসকলেও এইক্ষেত্ৰত জোৰদাৰ প্ৰচাৰ চলাই আহিছে।

## ডুমডুমাৰ লটাছ একাডেমীত বিজ্ঞানৰ মডেল প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৬ মে’ ঃ** ডুমডুমাৰ জি এন বি ৰোড অঞ্চলত থকা চি বি এছ ই-ৰ অন্তৰ্গত লটাছ একাডেমী নামৰ চিনিয়ৰ চেকেণ্ডৰী স্কুলখনত বিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত আৰু শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক ৰাইজৰ সহযোগত অহা ৫ জুনত পৰিৱেশ দিৱসৰ লগত সংগতি ৰখাই দিনযোৱা কাৰ্যসূচীৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞানৰ মডেল প্ৰতিযোগিতাৰ লগতে বিজ্ঞানৰ এখন প্ৰদৰ্শনী পতাৰ পূৰ্ণ প্ৰস্তুতি চলাই থকাৰ বতৰা পোৱা গৈছে। এই আয়োজনত লটাছ আৰু অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ লগতে তিনিচুকীয়া জিলাখনৰ চি বি এছ ই-ৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰিব বুলি জনা গৈছে। বিশেষকৈ ‘ধৰিত্ৰীক ৰক্ষা কৰোঁ আহক’ উদ্দেশ্যতে ইয়াৰ আয়োজন চলা বুলি বিদ্যালয়খনৰ অধ্যক্ষ মানস কুমাৰ দেই জানিবলৈ দিছে আৰু বিদ্যালয়সমূহৰ যোগদান আন্তৰিকতাৰে কামনা কৰিছে।

## কঠীয়াতলীত বেংকৰ তৰফৰ পৰা বানাক্ৰান্তৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৬ মে’ ঃ** নগাঁৱৰ কামপুৰ-কঠীয়াতলীত বানৰ প্ৰকোপ কমিলেও শিবিৰ এৰিব পৰা নাই বানাক্ৰান্তসকলে। কিয়নো প্ৰায়বোৰ পৰিয়ালৰ গৃহত এফুট-দুফুট পৰ্যন্ত বোকাময় হৈ থকাত আৰু বহু লোকৰে চোতালৰ পৰা পানী এই পৰ্যন্ত আঁতৰ নোহোৱাৰ বাবে আশ্ৰয় শিবিৰত বহু কষ্টস্বীকাৰ কৰি হ’লেও জীৱন নিৰ্বাহ কৰিব লগা হৈছে শিবিৰবাসীয়ে। আজি ভাৰতীয় ষ্টেট বেংক, কঠীয়াতলীৰ শাখা প্ৰৱন্ধক নীলাক্ষী মিলি, কৰ্মচাৰী ত্ৰিদিব পেগু, হিমাংশু দাস আৰু ৰণ্টু কলিতাই সমাজসেৱক ঘনকান্ত বৰাক লগত লৈ অৰুণ গাঁও বুঢ়াৰ জৰিয়তে ৩১টা পৰিয়ালক আলু, পিয়াঁজ, মিঠাতেল, দাইল, বিস্কুট আৰু কণী যোগান ধৰে। শাখা প্ৰৱন্ধক নীলাক্ষী মিলি আৰু কৰ্মচাৰীসকলৰ মহানুভৱতাৰ প্ৰশংসা কৰিছে বানাক্ৰান্তসকলে।

## জকাই ২নং ভূৰ ভূৰী মৃৎশিল্পী ধৰ্মপ্ৰাণা গোলাপী কলিতাৰ পৰলোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৬ মে’ ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত বৰবৰুৱা উন্নয়ন খণ্ডৰ অধীনৰ জকাই গাঁও পঞ্চায়তৰ এলেকাস্থিত জকাই ২নং ভূৰ ভূৰী গাঁৱৰ মৃৎশিল্পী জকাই শৰাইঘাট নামঘৰ নামাৰ্চাৰ্য, গোপিনী গোলাপী কলিতাৰ (৯১) আজি দিনৰ ১১-৪০ বজাত নিজাবাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। যোৰহাট জিলাৰ টীয়ক দুনৈমুখত জন্ম গ্ৰহণ কৰা গোলাপী কলিতাই যোৰহাটৰ নিমাতি ককিলামুখলৈ বিবাহ হয়। পৰৱৰ্ত্তী সময়ত ডিব্ৰুগড় জিলাৰ পশ্চিম ৰাজহ চক্ৰৰ জকাই ২নং ভূৰ ভূৰীত স্বামীৰ সৈতে স্থানান্তৰ হৈ বসবাস কৰি জীৱন আৰু জীৱিকাৰ প্ৰয়াসত গোলাপী কলিতাই সত্তৰ দশকৰ পৰা মানৱ সভ্যতাৰ প্ৰাচীনতম বৈদিক যুগৰ মৃৎশিল্প চৰ্চাৰে ব্ৰতীৰে জীৱন আৰু জীৱিকা অৰ্জন কৰিছিল। বহু কষ্টৰে মৃৎশিল্প বা কুমাৰ মাটিৰ শিল্প চৰ্চাৰে মাটিৰ বাচন-বৰ্তন কলহ, টেকেলি, চাকি, মলাচৰু আদি আটক সুন্দৰকৈ নিজৰ হাতৰ পৰশত প্ৰাণৱন্ত কৰি শৈল্পিক নৈপুণ্যতাৰে গোলাপী কলিতাই এক অন্যতম পৰিচয় দিবলৈ সক্ষম হৈছিল। জকাই অঞ্চলৰ ভিতৰতে মৃৎশিল্পী হিচাপে পৰিচিত গোলাপী কলিতাই একশৰণ বৈষ্ণৱ ধৰ্মৰ আধাৰত ধৰ্মীয় উৎকৰ্ষ সাধন কৰিছিল জকাই শৰাইঘাট নামঘৰ নামলগোৱা গোপিনীৰূপে সেৱা আগবঢ়াইছিল। আনহাতে পুৰণি বিয়ানামৰ শিল্পী হিচাপে গোলাপী কলিতাৰ এক অন্যতম পৰিচয়ৰে সমাদৃত। মৃত্যুৰ সময়ত নিজ পুত্ৰ-বোৱাৰী, নাতি-পুতিকে ধৰি আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ গৈছে। মৃৎশিল্পৰ চৰ্চাৰে প্ৰচাৰ বিমুখ মৃৎশিল্পী গোলাপী কলিতাৰ মৃত্যুত জকাই শৰাইঘাট নামঘৰ পৰিচালনা সমিতিৰ সভাপতি মোহোৰাম কলিতা, জকাই ২নং ভূৰ ভূৰী নামঘৰ পৰিচালনা সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।



আমগুৰিৰ নামতিত পথ দুৰ্ঘটনা

## থিতাতে নিহত অৱসৰপ্ৰাপ্ত জোৱান

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২৬ মে' ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ নামতিত ধোদৰ আলিত বুধবাৰে বিয়লি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। নামতি চাৰিআলিৰ পৰা আমগুৰি অভিমুখে গৈ থকা এখন তেল পৰিবাহী টেংকাৰে এজন চাইকেল আৰোহীক মহতিয়াই নিয়াত থিতাতে নিহত হয় ভাৰতীয় সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত জোৱান শংখধৰ গগৈ। এনএল-০৫জি-১৩০০ নম্বৰৰ টেংকাৰখনে সংঘটিত কৰে এই ঘটনা। নামতি চাৰিআলিৰ পৰা আমগুৰি অভিমুখে গৈ থকা অৱস্থাত টেংকাৰখনে মহতিয়াই নিয়ে শংখধৰ গগৈ নামৰ ব্যক্তিজনক। নিহত ব্যক্তিজনৰ ঘৰ দিকচু মাউত গাঁৱত বুলি জানিব পৰা গৈছে। ঘটনাৰ পিছতে স্থানীয় লোকে টেংকাৰখন আবদ্ধ কৰি আৰক্ষী থানাত খবৰ দিয়ে। ঘটনাস্থলীত নামতি আৰক্ষী উপস্থিত হৈ টেংকাৰৰ চালকক আটক কৰাৰ লগতে মৃতদেহটো উদ্ধাৰ কৰে। উল্লেখ্য যে ধোদৰ আলিৰ বিধ্বস্ত অৱস্থাৰ বাবেই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি স্থানীয় লোকে প্ৰকাশ কৰিছে।

পশ্চিম দৰঙত কমিব ধৰিছে বান

## বানৰ পাছত হ'ব পৰা বেমাৰ-আজাৰক লৈ শংকা বানাক্ৰান্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৬ মে' ঃ** সংহাৰী বানে পশ্চিম দৰং অঞ্চলৰ ৪০খনতকৈয়ো অধিক গাঁৱৰ লোকক হাহাকাৰ তথা দিকবিদিক হেৰুৱাই পেলোৱাৰ পিছত ক্ৰমাৎ অঞ্চলটোত পানী শুকাবলৈ লৈছে যদিও বানৰ পাছত হ'ব পৰা সম্ভাব্য বেমাৰ-আজাৰক লৈ শংকা প্ৰকাশ কৰিছে। উল্লেখ্য যে অঞ্চলটোৰ প্ৰায় ৯৫ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থকা লোক। এই লোকসকলে ঘৰৰ অৰ্থনৈতিক স্বাৱলম্বনৰ একমাত্ৰ উপাৰ্জন হ'ল পোহনীয়া গৰু-ছাগলী, হাঁহ-কুকুৰা, পাৰ আদি। ইতিমধ্যে বানত খাবলৈ নাপায় গৰু-ছাগলীবোৰ দুৰ্বল হৈ পৰিছে যদিও খেৰ-কল পাত আদি খাদ্য হিচাপে খুৱাই জীয়াই ৰাখিছে। কিন্তু বানাক্ৰান্ত লোকসকলৰ চিন্তা যে বানৰ পাছত হ'ব পৰা ৰোগসমূহতে। যাৰ বাবে বানত নাজল-নাখল হৈ পৰা এইসকল লোকৰ যদি বানৰ পাছত আহিব পৰা বেমাৰত পোহনীয়া জীৱ-জন্তু, হাঁহ -কুকুৰা হেৰুৱাবলগীয়া হয়, তেন্তে এইলোক সকল যে দুৰ্ভিক্ষৰ কবলত পৰিব এই কথা নিশ্চিত। সেয়ে চৰকাৰ, বিভাগে যাতে বান ক্ষতিগ্ৰস্ত অঞ্চলটোত পশুধনৰ চিকিৎসা সেৱাৰ ব্যৱস্থা কৰে, তাৰ বাবে অনুৰোধ জনাইছে। আনহাতে বান ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে চৰকাৰে বিশেষ সাহায্য আঁচনি গ্ৰহণ কৰিবলৈয়ো কাৰণে অনুৰোধ জনাইছে।



গুৱাহাটীত বুধবাৰে পদপথ ব্যৱসায়ী সংস্থাৰ প্ৰতিবাদ

## খাৰুপেটীয়াৰ দুগৰাকী সাংবাদিকৰ প্ৰচেষ্টাত অৰ্ধ শতাধিক বানাক্ৰান্তক খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুলা/খাৰুপেটীয়া, ২৬ মে' ঃ** ৰাইজে নখ জোকাৰিলে নৈ বয়। উক্ত কথাষাৰ পুনৰ প্ৰমাণ হ'ল খাৰুপেটীয়াত। মঙলবাৰে দলগাঁও সমষ্টিৰ অন্তৰ্গত আৱিমাৰীত পুনৰ সংস্থাপিত পৰিয়াল মাজত খাৰুপেটীয়াৰ যুৱ সাংবাদিক আবুল হাছেম আৰু খইবৰ মণ্ডলে খাদ্য-সামগ্ৰী বিতৰণ কৰে। সোমবাৰে বাতৰি সংগ্ৰহ কৰিবলৈ আৱিমাৰীত সংস্থাপিত পৰিয়ালৰ কাষত উপস্থিত হৈছিল যুৱ সাংবাদিক দুগৰাকী। উল্লেখ্য যে ছিপাঝাৰৰ ধলপুৰৰ উচ্ছেদিত পৰিয়ালসমূহক দলগাঁৱৰ শ্যামপুৰ আৱিমাৰীত সংস্থাপিত কৰে। আৱিমাৰী গাঁও পঞ্চায়তৰ কাষত সংস্থাপিত পৰিয়াল ঘৰ-দুৱাৰসমূহ পানীৰ তলত ডুব যোৱাৰ লগতে পৰিয়ালসমূহৰ মাজত তীব্ৰ খাদ্য সংকটে দেখা দিছে। উক্ত পৰিয়ালসমূহৰ দুৰ্দশাৰ বাতৰি প্ৰকাশ কৰাৰ লগতে তেওঁলোকৰ মাজত খাদ্য-সামগ্ৰী যোগান ধৰিবলৈ সাংবাদিক দুগৰাকীয়ে ফেচবুক পোষ্টৰ জৰিয়তে ৰাইজলৈ আহ্বান জনাইছিল। সাংবাদিক দুগৰাকীৰ ফেচবুক পোষ্টৰ প্ৰতি সঁহাৰি জনাই বিভিন্নজনে চাউল, চিৰা-মুড়ি, মচুৰ দাইল, আলু, পিয়াঁজ, চয়াবিন, বিস্কুটৰ পেকেট আদি যোগান ধৰে। আনকি ফোন পে, গুগল পেৰ জৰিয়তেও বিভিন্ন প্ৰান্তৰ পৰা সহায়ৰ হাত আগবঢ়ায়। বানাক্ৰান্ত লোকলৈ আগবঢ়োৱা খাদ্য-সামগ্ৰীসমূহ সংগ্ৰহ কৰাৰ লগতে বিভিন্নজনে আগবঢ়োৱা ধনেৰে অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী ক্ৰয় কৰি খাৰুপেটীয়াৰ আন সতীৰ্থ সাংবাদিকৰ সহযোগত মঙ্গলবাৰে বানাক্ৰান্ত পৰিয়ালসমূহৰ মাজত বিতৰণ কৰে। সাংবাদিক দুগৰাকীৰ এনে প্ৰচেষ্টাক প্ৰশংসা কৰিছে দৰং জিলাবাসীয়ে। ইফালে বানাক্ৰান্ত পৰিয়ালসমূহৰ মাজত দুপৰীয়াৰ আহাৰ যোগান ধৰিছিল হিউৰেন ৱেলফেয়াৰ ফাউণ্ডেচনে।

আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

# জগন্নাথ সেৱা কেন্দ্ৰ নিৰ্মাণৰ বাবে প্ৰতিখন চাহ বাগিচালৈ ১ কোটি টকাকৈ ৮০০ কোটি টকা আগবঢ়াব ৰাজ্য চৰকাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ মে' ঃ** অসমৰ চাহ বাগিচা অঞ্চলত প্ৰথমবাৰলৈ হাইস্কুল স্থাপনেৰে চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে শোণিতপুৰ জিলাত ৬ খনকৈ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। উল্লেখ্য যে ৩০ মে'ৰ ভিতৰত ৯৬খন চাহ বাগিচা এলেকাত নৱনিৰ্মিত এনে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়সমূহ মন্ত্ৰী, সাংসদ আৰু স্থানীয় বিধায়কসকলে নিজ নিজ এলেকাত উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে তেজপুৰ-ঘগৰা চাহ বাগিচা আদৰ্শ বিদ্যালয়, ৰূপাজুলি চাহ বাগিচা আদৰ্শ বিদ্যালয়, সোনাজুলি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, নাহৰণি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, ফুলবাৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু ঠাকুৰবাৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাসমূহত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চাহ জনগোষ্ঠীৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্যৰে শিক্ষাক মূল চালিকা শক্তি হিচাপে লৈ ৰাজ্য চৰকাৰে পোনপ্ৰথমবাৰৰ বাবে ৰাজ্যৰ চাহ বাগিচাসমূহত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰিছে। এই বিদ্যালয়সমূহত গুণগত শিক্ষা লাভ কৰি ছাত্ৰ-ছাত্ৰীসকলে অসমৰ নাম উজ্জ্বল কৰিব পাৰিব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে ৯৬খন চাহ বাগিচা এলেকাত নৱ নিৰ্মিত এই আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়কেইখনত ১৫ হাজাৰতকৈ অধিক গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি

### ছাত্ৰ-ছাত্ৰীৰ সৈতে মধ্যাহ্ন আহাৰ গ্ৰহণ, মত-বিনিময় মুখ্যমন্ত্ৰীৰ

কৰিছে। ই এক আশাৰ বতৰা বুলিও তেওঁ কয়। শিক্ষাদান যাতে সুচাৰুৰূপে পৰিচালিত কৰিব পৰা যায় তাৰ বাবে প্ৰতিখন বিদ্যালয়তে ৮গৰাকীকৈ শিক্ষক নিযুক্তি দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চাহ বাগিচাৰ মাটিৰ সৈতে সম্পৰ্ক থকা একোগৰাকী পুৰোধা ব্যক্তিৰ নামত এই আদৰ্শ বিদ্যালয়সমূহ নামাকৰণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাৰ লগতে জাতি নিৰ্মাণত অনুপ্ৰেৰণা যোগোৱা ব্যক্তিসকলৰ আদৰ্শৰে যাতে উঠি অহা প্ৰজন্মই আগুৱাই যাব পাৰে সেই উদ্দেশ্যৰে ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। তেজপুৰ ঘগৰা চাহ বাগিচা আদৰ্শ বিদ্যালয়ক শ্বহীদ মাংৰি ওৱাং আদৰ্শ বিদ্যালয়, ৰূপাজুলি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক লোকনায়ক অমিয় কুমাৰ দাস আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, সোনাজুলি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক শ্বহীদ হেমলাল কালান্দি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় হিচাপে নামাকৰণ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ লগতে কয় যে বৰ্তমান উচ্চ মাধ্যমিকলৈ শ্ৰেণী থকা প্ৰতিখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক অহা বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণীলৈকে উন্নীতকৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে অহা বৰ্ষৰ পৰা এই আদৰ্শ বিদ্যালয়সমূহত ইংৰাজী ভাষাৰ মাধ্যমত অংক আৰু বিজ্ঞান বিষয় আৰু অসমীয়া ভাষাৰ মাধ্যমত সমাজ বিজ্ঞান শিকোৱাৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি অসমীয়া বিষয়ৰ পাঠ্যক্ৰমো থাকি এই বিদ্যালয়সমূহত। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ নৱ প্ৰজন্মই অসমীয়া আৰু ইংৰাজী এই দুয়োটা ভাষাৰে জ্ঞান আহৰণ কৰি একে সময়তে তেওঁলোকে যাতে অসমীয়া হৈ থাকিব পাৰে আৰু পৃথিৱী জয় কৰাৰো সুযোগ পাব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই ৰাজ্য চৰকাৰে এই উদ্যোগ গ্ৰহণ কৰিছে। এই বিদ্যালয়সমূহ পৰিচালনাৰ বাবে প্ৰতিখন বিদ্যালয়লৈ ১ লাখ টকাকৈ আগবঢ়োৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰথম কিস্তিত প্ৰতিখনলৈ ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে আৰু অতিশীঘ্ৰে বাকী ৭৫ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। তেওঁ কয় যে এই আদৰ্শ বিদ্যালয়সমূহত বিনামূলীয়া পাঠ্যপুথি, মধ্যাহ্ন ভোজনৰ সামগ্ৰী আৰু বিনামূলীয়া ইউনিফৰ্ম প্ৰদান কৰি থকা হৈছে। এই বিদ্যালয়সমূহৰ কোনো সমস্যা যাতে নাথাকে, তাৰ ওপৰত নজৰ দিয়াৰ লগতে বিদ্যালয়সমূহলৈ প্ৰয়োজনীয় আচবাব আদি যোগান ধৰা হৈছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সন্তানৰ সুৰক্ষিত আৰু উজ্জ্বল ভৱিষ্যতৰ বাবে চাহ বাগিচাৰ লোকসকলক তেওঁলোকৰ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিওৱাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ চাহ বাগিচাৰ লোকসকলক নিজৰ স্বাস্থ্য অটুত ৰখাৰ বাবে স্বাস্থ্যসন্মত জীৱন যাপন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। চাহ বাগিচা এলেকাত কলা, খেল-ধেমালি, ঝুমুড় নৃত্য আদি ক্ৰীড়া-সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শনৰ লগতে দক্ষতা বিকাশৰ বাবে 'জগন্নাথ সেৱা কেন্দ্ৰ' স্থাপন কৰি প্ৰতিখনলৈ ১ কোটি টকাকৈ অসমৰ ৮০০ খন চাহ বাগিচালৈ মুঠ ৮০০ কোটি টকা আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে সোনাজুলি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মধ্যাহ্ন আহাৰ গ্ৰহণ কৰে আৰু তেওঁলোকৰ লগত মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰতিখন বিদ্যালয়তে প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰে। এই অনুষ্ঠানসমূহত নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংঘাল, সাংসদ পল্লৱ লোচন দাস, বিধায়কসকল ক্ৰমে কৃষ্ণ কমল তাঁতী, পৃথ্বীৰাজ ৰাভা, গণেশ লিম্বু প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে অসম চৰকাৰৰ 'সোণোৱালী শৈশৱ বিকশিত অসম' আঁচনিৰ অধীনত আজি শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ফুলবাৰী চাহ বাগিচাত প্ৰথমটো আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। ২৫ লাখ টকা ব্যয় সাপেক্ষে এই অংগনবাড়ী কেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। শোণিতপুৰ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ প্ৰতিটো সমষ্টিতে ১১ টাকৈ মুঠ ৫৫টা এনে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

## মূল্যবৃদ্ধি-নিবনুৱা সমস্যা আৰু বান-খহনীয়াক লৈ তেজপুৰত চি পি আই এমৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৬ মে' ঃ** অস্বাভাৱিক মূল্যবৃদ্ধি আৰু নিয়োগ সমস্যাক লৈ চাৰিটাকৈ বামপন্থী দলে সাতদিনীয়াকৈ দেশজুৰি আৰম্ভ কৰা প্ৰতিবাদ কাৰ্যসূচী বুধবাৰৰ পৰা তেজপুৰতো ৰূপায়ণ কৰা হয়। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাক্সৰ্বাদী) চমুকৈ চি পি আই (এম)ৰ শোণিতপুৰ জিলা সমিতিৰ সম্পাদক মনেশ্বৰ বড়োৰ নেতৃত্বত দিনৰ ১১মান বজাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ শতাধিক কৰ্মী তেজপুৰ ক'ৰ্ট চাৰিআলি সমীপত সমৱেত হৈ বিভিন্ন ধৰ্ণাৰে পৰিৱেশ উত্তাল কৰি তোলে। পেট্ৰলজাত সামগ্ৰীৰ ওপৰত থকা সকলো উপ-কৰ আৰু চাৰচাৰ্জ প্ৰত্যাহাৰ কৰক, ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী কৰি চাউলৰ উপৰি দাইল, আটা, মিঠাতেল, চেনি আদি যোগান ধৰক, আয়কৰক আওতাত নপৰা পৰিয়ালক প্ৰদান কৰি থকা ধনৰ পৰিমাণ ৭৫০০ টাকৈ বৃদ্ধি কৰক, এম জি এনৰেগাৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ বৃদ্ধি কৰক, নিবনুৱা ভাট্টা সম্পৰ্কীয় এক কেন্দ্ৰীয় আঁচনি ৰূপায়ণৰ বাবে এক আইন প্ৰণয়ন কৰক, চহৰ অঞ্চলত কৰ্ম সংস্থাপনৰ নিশ্ৰয়তাৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰক, সকলো খালী পদ পূৰণ কৰক, বানপানীত ক্ষতিগ্ৰস্ত সকলোকে পৰ্যাপ্ত সাহায্য আৰু ক্ষতিপূৰণ প্ৰদান কৰক আদি ধৰ্ণালে আকাশ বতাহ কঁপাই তোলা প্ৰতিবাদথলীত কেবাগৰাকী নেতাই ভাষণ প্ৰদান কৰে। এই প্ৰতিবাদী কাৰ্যসূচী অন্তত উক্ত দাবী সম্বলিত এখন স্মাৰক পত্ৰ জিলা উপায়ুক্তৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

## জি আই এম টিত সবিস্কাৰা-২০২২ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৬ মে' ঃ** আজৰাস্থিত গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ মেনেজমেন্ট এণ্ড টেকন'লজিৰ বাণিজ্যিক ব্যৱস্থাপনা বিভাগে ১৯ আৰু ২০ মে' তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে মেনেজমেণ্ট ফেষ্ট উৎযাপন কৰে। উক্ত অনুষ্ঠানত বিজনেছ প্লেন, এডমেকিং, বিজনেছ কুইজ আৰু টি চাৰ্ট মেকিং প্ৰতিযোগিতাৰ আয়োজন কৰে। শ্ৰীমন্ত শংকৰ একাডেমী গোষ্ঠীৰ সভাপতি ৰাতুল দাসে উদ্বোধন কৰা সভাত ভাষণ ৰাখে প্ৰতিষ্ঠানৰ অধ্যক্ষ অধ্যাপক ড° থুলেশ্বৰ নাথে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মেৰিকো লিমিটেডৰ প্লাণ্ট মুৰব্বী ৰামদৰশ মিশ্ৰ, বিশিষ্ট অতিথি হিচাপে থাকে ব্ৰিটেনীয়া ইণ্ড্ৰাষ্ট্ৰী লিমিটেডৰ ফেক্টৰী এছ আৰ মেনেজাৰ ৰিনি পি কাশ্যপ আৰু ৰিজনেল হেড, এক্সাইড লাইফ ইণ্ডুৰেঞ্চৰ জেনেৰেল মেনেজাৰ উৎপলজ্যোতি চুতীয়া। ভাষণ প্ৰসঙ্গত ৰিনিপি কাশ্যপে কয় যে বিভিন্ন কোম্পানীয়ে সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীক নিয়োগ দিব পৰাকৈ পদ আছে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ কামৰ প্ৰতি থকা একাগ্ৰতাৰ প্ৰয়োজন। উক্ত অনুষ্ঠান আৰু প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰে অসমৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু জামিয়া মিলিয়া ইছলামীয় বিশ্ব বিদ্যালয়ৰ পৰা অহা ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে। মেনেজমেণ্ট ফেষ্ট্ বা উৎসৱৰ শেষৰ দিনা প্ৰতিষ্ঠানৰ বাণিজ্যিক ব্যৱস্থাপনা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰে ৰহনীয়া সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপন কৰে।

## আই এ এছ এছ টিত বিজ্ঞানবিষয়ক চুটি গল্প লিখনিৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৬ মে' ঃ** গুৱাহাটীৰ পশ্চিম বৰাগাঁওস্থিত বিজ্ঞান আৰু প্ৰযুক্তিৰ উচ্চ অধ্যয়ন প্ৰতিষ্ঠান চমুকৈ আই এ এছ এছ টিয়ে ২৭ মে'ত বিজ্ঞান বিষয়ক চুটিগল্প লিখনিৰ এখন এদিনীয়া কৰ্মশালাৰ আয়োজন কৰিছে। কৰ্মশালাখন আয়োজন কৰাৰ মূল উদ্দেশ্য হ'ল প্ৰতিষ্ঠানটোত কৰ্মৰত বিজ্ঞানী আৰু গৱেষক ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ধৰণৰ গৱেষণাত সৃষ্ট গৱেষণা পত্ৰসমূহ তেওঁলোকৰ দ্বাৰা সৰ্বসাধাৰণ মানুহে বুজি পোৱাকৈ স্থানীয় ভাষাত লিখি উলিয়াব পৰা বিভিন্ন প্ৰণালী আৰু কৌশলগত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা। প্ৰতিষ্ঠানটোৰ সঞ্চালক অধ্যাপক আশীষ কুমাৰ মুখাৰ্জীৰ আদৰণি ভাষণেৰে আৰম্ভ হ'বলগীয়া কৰ্মশালাখন উদ্বোধন কৰিব গুৱাহাটীস্থিত 'নেচনেল ইনষ্টিটিউত অৱ ফাৰ্ম্যাচিউটিকেল এডুকেচন এণ্ড ৰিচাৰ্চ'ৰ সঞ্চালক ড° ইউ এচ এন মূৰ্ত্তিয়ে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব 'নৰ্থ ইষ্ট ইনষ্টিটিউত অৱ চায়েঞ্চ এণ্ড টেকনল'জী'ৰ অৱসৰপ্ৰাপ্ত বৈজ্ঞানিক তথা অসমীয়া বিজ্ঞান সাহিত্যৰ জনপ্ৰিয় লিখক আৰু ৰাষ্ট্ৰীয় বাল সাহিত্য ২০১৪ বঁটা প্ৰাপক ড° দীনেশ চন্দ্ৰ গোস্বামী। তেনেদৰে অনুষ্ঠানত অসমীয়া সাহিত্যৰ লিখক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক অৰনী কুমাৰ ভাগৱতী, তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ জনসংযোগ আৰু সংবাদিকতা বিভাগৰ অধ্যাপক অভিজিৎ বৰা আৰু আসাম ট্ৰিবিউন কাকতৰ বিশেষ সম্পাদক প্ৰশান্ত জে.বৰুৱা উপস্থিত থাকিব।




অৰুণাচল প্ৰদেশৰ টিৰাপত বৃহস্পতিবাৰে অপহৰণ কাণ্ডৰ প্ৰতিবাদ গাঁওবাসীৰ

বৰপেটাৰোডৰ ধূপগুৰি গাঁৱত শোকাৰহ ঘটনা

## পুখুৰীত পৰি মৃত্যু এজন যুৱকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৬ মে' ঃ** বৰপেটাৰোড শিমলাগুৰীৰ সমীপৰ ধূপগুৰী গাঁৱত শোকাৰহ ঘটনা। পথাৰত মাছ মাৰিবলৈ আহি দ' পুখুৰীত পৰি মৃত্যু এজন যুৱকৰ। মৃত যুৱকজন দক্ষিণ কলহভাঙ্গা গাঁৱৰ লক্ষণ ক্ষত্ৰিয়ৰ পুত্ৰ সমৰ ক্ষত্ৰিয়(১৯)। সমৰ ক্ষত্ৰিয় আসাম ব্ৰিলিয়েন্ট একাডেমীৰ একাদশ শ্ৰেণীৰ ছাত্ৰ। বুধবাৰে দুপৰীয়া বৰপেটাৰোডৰ সমীপৰ বাক্সা জিলাৰ শিমলাগুৰী আৰক্ষী পহৰা চকীৰ অন্তৰ্গত ধূপগুৰী গাঁৱত এই শোকাৰহ ঘটনা সংঘটিত হয়। একে গাঁৱৰে সমনীয়াৰ সৈতে পথাৰত মাছ মাৰিবলৈ আহিছিল ৬জনকৈ যুৱক ক্ৰমে বিতল সূত্ৰধৰ, চিৰঞ্জীৱ সূত্ৰধৰ, অনন্ত সূত্ৰধৰ, শিৱা বিশ্বাস, নেপাল সূত্ৰধৰ আৰু সমৰ ক্ষত্ৰিয়। ইয়াৰে সমৰ ক্ষত্ৰিয় নামৰ যুৱকজন দ পুখুৰীত পৰি গৈ পাৰলৈ উঠি আহিব নোৱাৰিলে। ফলত ঘটনাস্থলিতে মৃত্যু হয় যুৱকজনৰ। তাৰ পিছতে এনে ধৰণৰ ঘটনাৰ খবৰ শুনি গাঁওবাসী ঘটনাস্থলীত উপস্থিত হয় আৰু শিমলাগুৰী আৰক্ষী পহৰা চকীত খবৰ দিয়াত আৰক্ষীৰ দল উপস্থিত হয়। আৰক্ষীৰ উপস্থিতিত ৰাইজে উদ্ধাৰ অভিযানত নামি পৰে। প্ৰায় দুঘণ্টা সময় পুখুৰীত ৰাইজে অভিযান চলাই অৱশেষত পানীৰ তলৰ পৰা যুৱকজনক উদ্ধাৰ কৰে। তাৰ পিছতে উক্ত যুৱকজনক বৰপেটাৰোড চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে যুৱকজনক মৃত বুলি জানিবলৈ দিয়ে।



নগাঁও জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন মন্ত্ৰী পীযূষ হাজৰিকা আৰু বিধায়ক ৰূপক শৰ্মাৰ, বুধবাৰে

## শগুণবাহী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ দ্বাৰ উন্মোচন স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৬ মে' ঃ** অসম চৰকাৰে অসমৰ চাহ বাগিচাসমূহত শিক্ষাৰ ক্ষেত্ৰত বৈপ্লৱিক জোৱাৰ অনাৰ লক্ষ্যৰে ৰাজ্যৰ ৯৬ খন চাহ বাগিচাত একোখনকৈ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভ উদ্বোধন কৰি বাগিচাসমূহৰ শিক্ষাৰ্থীসকলৰ লগতে পিতৃ-মাতৃ তথা অভিভাৱকসকলক সকাহ দিয়াৰ লগতে শিশুসকলকো বিদ্যালয়মুখী কৰি শৈক্ষিক বিপ্লৱৰ সূচনা কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ব্যয়বহুল আঁচনি গ্ৰহণ কৰিছে। সেই অনুসৰি বুধবাৰে সমগ্ৰ ৰাজ্যৰ লগতে নগাঁৱৰ বড়মপুৰ সমষ্টিৰ অন্তৰ্গত শগুণবাহীত স্থাপন কৰা শগুণবাহী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খনৰো শুভ উন্মোচন কৰে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্তই। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে চাহ বাগিচাৰ জনসাধাৰণৰ কল্যাণৰ বাবে চৰকাৰখনে অধিক কাম কৰি যোৱাৰ সংকল্পৰ কথা উল্লেখ কৰে। উদ্বোধন কৰাৰ আগে আগে বিদ্যালয়খনৰ অধ্যক্ষ উজ্বল শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰে। বিদ্যালয়ৰ ছাত্ৰীসকলে এটি ঝুমুইৰ নৃত্য প্ৰদৰ্শন কৰি উপস্থিত তিনি শতাধিক লোকক আনন্দিত কৰি তোলে। নগাঁও জিলা উপায়ুক্ত নিসৰ্গ হিৱৰেই বিদ্যালয়সমূহৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰৰ লগত সহযোগিতা আগবঢ়াই যাব বুলি কয়। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে শিক্ষাৰ প্ৰসাৰৰ কাৰণে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোৱা বলিষ্ঠ পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰে আৰু পৰৱৰ্তী পৰ্যায়ত বাকী থকা বাগিচাসমূহতো এনে বিদ্যালয় স্থাপন কৰা হ'ব বুলি জানিবলৈ দিয়ে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে অতিৰিক্ত উপায়ুক্ত তথা জিলা মিছন সমন্বয়ক প্ৰশান্ত বৰুৱা, ডিম্পল বৰুৱা, বিদ্যালয় পৰিদৰ্শক মৃদুল নাথ, জিলা প্ৰাথমিক শিক্ষা বিষয়া লাভজা জাৰম বুছা, কাৰ্যবাহী অভিযন্তা (লোক নিৰ্মাণ বিভাগ) নিকুঞ্জমোহন গোস্বামী, সহকাৰী কাৰ্যবাহী অভিযন্তা মিনাৰা হোছেইন, কঠীয়াতলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নিৰু বৰা, কঠীয়াতলী খণ্ড উন্নয়ন বিষয়া হিৰণ্য চমুৱাৰ লগতে নগাঁও জিলাৰ উচ্চস্তৰীয় বিষয়াসকল, কঠীয়াতলী শিক্ষা খণ্ডৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়কসকল, খণ্ড সমল সমন্বয় ৰতন দাস, বিদ্যালয়সমূহৰ প্ৰধান শিক্ষক প্ৰমুখ্যে সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীসকল, শিক্ষাৰ্থী, অভিভাৱক, বিজেপি কৰ্মকৰ্তাসকলৰ লগতে অঞ্চলটোৰ গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতিৰ সদস্য বিজু ৰাউতিয়াই আঁতধৰা উন্মোচনী অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় চাহ বাগিচাৰ মুখ্য পৰিচালক তথা বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি দিগন্ত ৰাজখোৱাই।

## তামুলপুৰত ড্ৰাগ্‌ছ উদ্ধাৰ ঃ এজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৬ মে' ঃ** তামুলপুৰ জিলাৰ কাউৰবাহা আৰক্ষী চকীৰ খন্দিকৰত আৰক্ষীয়ে এক অভিযান চলাই এজন দুৰ্ধৰ্ষ ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে কিছু ড্ৰাগ্‌ছ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বুধবাৰে পুৱতি নিশা তামুলপুৰ আৰক্ষীয়ে এক অভিযান চলাই খন্দিকৰৰ নিজ বাসভৱনৰ পৰা আটক কৰে ৰিয়াজুল আলী (৩৫) নামৰ ড্ৰাগ্‌ছ ব্যৱসায়ীজনক। ধৃত ৰিয়াজুলৰ ঘৰত লুকাই ৰখা অৱস্থাত আৰক্ষীয়ে জব্দ কৰে প্ৰায় ১০৮ গ্ৰাম হেৰ'ইন, নগদ ৩৫ হাজাৰ টকাসহ এখন এল্টো (এএছ-০১ইএক্স-৩৪৩০) গাড়ী, দুখন বাইক আৰু এখন ট্ৰেক্টৰ।

ছিপাঝাৰত পুনৰ পথ দুৰ্ঘটনা

## কথমপি প্ৰাণ ৰক্ষা দুজন লোকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২৬ মে' ঃ** মঙ্গলবাৰে ছিপাঝাৰ কলেজ চ'কত কাহিলি পুৱাতে সংঘটিত পথ দুৰ্ঘটনাত শাৰীৰিক অনুশীলনলৈ অহা তিনিজন কিশোৰ আৰু খোজ কাঢ়িবলৈ অহা দুগৰাকী মহিলাসহ পাঁচজনকৈ লোকৰ মৃত্যু আৰু গুৰুতৰভাৱে দুজন আহত হোৱাৰ বাতৰিয়ে সমগ্ৰ ৰাজ্য জোকাৰি যোৱাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই পুনৰ ছিপাঝাৰৰ ৰাজপথত সংঘটিত হৈছে আন এক দুৰ্ঘটনা। উল্লেখ্য যে আগদিনাৰ দুৰ্ঘটনাস্থলীৰ পৰা এক কিলোমিটাৰ নিলগত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত মাৰৈত সংঘটিত হৈছে এই দুৰ্ঘটনা। মঙ্গলদৈৰ পৰা গুৱাহাটীমুখী এএছ-২৫এফচি-০৯৬২ নম্বৰৰ ট্ৰাকে খুন্দিয়ায় এখন ডি আই বাহনত। বিদ্যুৎ বিভাগৰ এএছ-০১ইচি-৭৪৭৭ নম্বৰৰ ৰৈ থকা ডি আইখনত প্ৰচণ্ড জোৰে খুন্দা মাৰে নিয়ন্ত্ৰণহীন ট্ৰাকখনে। ফলত দ খাৱৈত পৰেগৈ ডি আই বাহনখন। এই ঘটনাত দুজনকৈ লোক আহত হয়। আহত লোক দুজন হ'ল মাৰৈ গাঁৱৰ মুছলিম ৰাব্বানী আৰু মোবাৰক আলী । দুৰ্ঘটনাৰ খবৰ পোৱা মাত্ৰেই ঘটনাস্থলী পৰিদৰ্শন কৰে উচ্চপদস্থ আৰক্ষী বিষয়া ব্ৰজেন জিৎ সিংহই।

# তেজপুৰত সম্প্ৰীতিৰ চানেকি দাঙি ধৰা পৌৰ সদস্য শ্বেৰ আলম আৰু নাই

### বেংগালুৰুৰ চিকিৎসালয়ত দেহাৱসান ঃ ভাষা-ধৰ্ম-নিৰ্বিশেষে দুৰ্গতজনক পাৰ্যমানে সহায় আগবঢ়াই অহা সুহৃদগৰাকীৰ মৃত্যুত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৬ মে' ঃ** দৰিদ্ৰ পৰিয়ালৰ এটি ছমহীয়া হিন্দু কন্যা শিশুক পিতৃ হিচাপে নিজ সন্তানৰ দৰে ডাঙৰ-দীঘল কৰি উচ্চ শিক্ষিত কৰাৰ পিছত এগৰাকী হিন্দু যুৱকৰ সৈতে বিবাহ দি সম্প্ৰীতিৰ এক নিদৰ্শন দাঙি ধৰা তেজপুৰৰ শ্বেৰ আলম আৰু নাই। হৃদৰোগী শ্বেৰ আলমক সুদূৰ বাংগালুৰুস্থিত নাৰায়না ইনষ্টিটিউট অৱ কাৰ্ডিয়েক চায়েন্স নামৰ চিকিৎসালয়খনত যোৱা ১৯ এপ্ৰিলত ভৰ্তি কৰোৱাৰ পিছত ৪ মে'ত তেওঁৰ অপেন হাৰ্ট বায়পাছ চাৰ্জাৰী সুকলমে কৰোৱা হৈছিল। কিন্তু পিছলৈ দুৰ্ভাগ্যৱশতঃ সংক্ৰমণিত ৰোগত আক্ৰান্ত হৈ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটে। চিকিৎসালয়খনতেই চিকিৎসাধীন অৱস্থাত থকা শ্বেৰ আলমক ভেণ্টিলেশ্যনত ৰখা হৈছিল যদিও নিশা ১০.৩০ মান বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে দুৰ্গতজনক পাৰ্যমানে সহায়-সহযোগিতা আগবঢ়াই অহা তেজপুৰ পৌৰ সভাৰ এক নং ৱাৰ্ডৰ বাসিন্দা তথা পৌৰ সদস্য শ্বেৰ আলমৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোৰ লগতে চহৰখনতো শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে তেজপুৰৰ প্ৰখ্যাত হাজি আচিমুদ্দিন সৌদাগৰৰ কনিষ্ঠ পুত্ৰ শ্বেৰ আলমে ১৯৫৬ চনৰ ১৩ জানুৱাৰীত চহৰখনতে জন্মগ্ৰহণ কৰিছিল। তেজপুৰৰ কনভেন্ট স্কুল আৰু নগাঁৱৰ এখন বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ পিছত আলমে তেজপুৰ কলেজিয়েট হাইস্কুলৰ পৰা শিক্ষা গ্ৰহণ কৰিছিল। স্মৰ্তব্য যে তেজপুৰ প্ৰখ্যাত সৌদাগৰৰ পৰিয়ালৰ সৈতে নটসূৰ্য ফণী শৰ্মা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ দৰে বৰেণ্য শিল্পীসকলৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। এনে বৰেণ্য ব্যক্তিসকলৰ নিজ ঘৰলৈ আহযাহ কৰাৰ বাবেই হয়তো শ্বেৰ আলমৰ মন-মগজুত সম্প্ৰীতিৰ আদৰ্শ আৰু দুৰ্গতসকলক পাৰ্যমানে সহায় কৰা মানসিকতাই গঢ় লৈ উঠিছিল। উল্লেখ্য যে ৰায়েশা মিশ্ৰ নামৰ এগৰাকী দৰিদ্ৰ পৰিয়ালৰ ছমহীয়া কন্যা শিশুক নিজ গৃহত পিতৃৰ দৰে ডাঙৰ-দীঘল কৰা সমান্তৰালভাৱে উচ্চ শিক্ষিতৰে প্ৰতিষ্ঠা কৰাৰ পিছত তেজপুৰৰে অমিত পাল নামৰ এগৰাকী অধিবক্তাৰ সৈতে যোৱা ২০১৬ চনৰ ৪ ডিচেম্বৰত ব্যাপক আয়োজনেৰে বিবাহ দিছিল শ্বেৰ আলমে। এই ক্ষেত্ৰত তেখেতৰ পত্নী চুলতানা আলমেও মাতৃৰ স্নেহ প্ৰদান কৰাত কৃপনালি কৰা নাছিল। আলম দম্পত্তিৰ এই বদান্যতা আৰু সম্প্ৰীতিৰ নিৰ্দশনে সেই সময়ত ৰাজ্যৰ সংবাদ মাধ্যমত শিৰোনাম দখল কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ এনে উদাৰমনা চৰিত্ৰৰ বাবেই তেজপুৰ পৌৰসভাৰ এক নং ৱাৰ্ডৰ পৰা দুবাৰকৈ নিৰ্বাচনৰ জৰিয়তে জনপ্ৰতিনিধি হ'বলৈ সক্ষম হৈছিল। হিন্দী ভাষিক হিন্দু ধৰ্মাৱলম্বী অধ্যুষিত এক নং ৱাৰ্ডৰ পৰা ২০০৬ চনত কংগ্ৰেছৰ প্ৰাৰ্থিত্বৰে পৌৰসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হোৱাৰ লগতে ২০১৫ চনত মনোনীত সদস্য হিচাপেও তেজপুৰ পৌৰসভাত কাৰ্যনিৰ্বাহ কৰিছিল। কিন্তু সাম্প্ৰতিক ৰাজনৈতিক পৰিপ্ৰেক্ষিতত ৱাৰ্ডবাসীয়ে তেখেতক চলিত বৰ্ষত অনুষ্ঠিত পৌৰসভা নিৰ্বাচনত কংগ্ৰেছৰ পৰিৱৰ্তে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰি জয়যুক্ত কৰাইছিল। ৬৭ বছৰত তেখেতে মৃত্যুক সাৱটি লোৱা বাতৰি বিয়পি পৰাৰ লগে লগেই তেজপুৰ বাসগৃহত চহৰখনৰ বিভিন্ন প্ৰান্তৰ ভাষা-ধৰ্ম নিৰ্বিশেষে অসংখ্য লোক উপস্থিত হৈ এক শোকাকুল পৰিৱেশৰ সৃষ্টি কৰে। মৃত্যুৰ সময়ত তেখেতে পত্নীসহ আমেৰিকাৰ বিখ্যাত জনছন এণ্ড জনছন কোম্পানীত এগৰাকী অভিযন্তা হিচাপে কৰ্মৰত পুত্ৰ, বোৱাৰী লগতে তেজপুৰত কন্যা, জোৱাঁই, চাৰিগৰাকী নাতিসহ অসংখ্য গুণমুগ্ধক এৰি থৈ যায়। কাইলৈ সুদূৰ বাংগালুৰুৰ পৰা তেখেত নশ্বৰ দেহ তেজপুৰত আহি পোৱাৰ পিছত জানাজাৰ ব্যৱস্থা কৰা হ'ব বুলি পৰিয়ালবৰ্গই জানিবলৈ দিছে। শ্বেৰ আলমৰ মৃত্যুত তেজপুৰৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, পৌৰপতি প্ৰজ্ঞানু ভট্টাচাৰ্য, প্ৰাক্তন পৌৰপতি পুষ্পা ডেকা, আলাউদ্দিন আহমেদ, প্ৰাক্তন উপ পৌৰপতি সত্যজিৎ স্বৰ্গীয়াৰীৰে গভীৰ শোক প্ৰকাশ কৰি পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# আন্তৰ্জাতিক বক্সিং ফেডাৰেছনৰ এথলীট কমিটীৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত লাভলীনা

## কমিটীত সদস্যৰূপে স্থান পালে দুবাৰকৈ অলিম্পিক খেলা বক্সাৰ শিৱ থাপাই



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ২৬ মে’ ঃ** টকিঅ’ অলিম্পিকত মহিলা বক্সিঙত ব্ৰঞ্জৰ পদক বিজয়ী অসম কন্যা লাভলীনা বৰগোহাঁইক আন্তৰ্জাতিক বক্সিং ফেডাৰেছনে (আই বি এ) এথলীটছ্ কমিটীৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰিছে। ইফালে এই কমিটীৰে সদস্য হিচাপে নিৰ্বাচিত হৈছে দুবাৰকৈ অলিম্পিক খেলা অসমৰ বক্সাৰ শিৱ থাপা। উল্লেখ্য যে ইস্তানবুলত সদ্য সমাপ্ত ২০২২ ৰ মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ সময়তে এই কমিটী গঠন কৰা হৈছিল। আন্তৰ্জাতিক বক্সিং ফেডাৰেছনৰ কংগ্ৰেছত এইবাৰ ভাৰতীয় প্ৰতিনিধি হিচাপে অংশ লৈছিল ভাৰতীয় বক্সিং ফেডাৰেছনৰ সচিব অসমৰ হেমন্ত কুমাৰ কলিতাই। সেই সভাতে হোৱা নিৰ্বাচনত ভাৰতীয় বক্সাৰ তথা টকিঅ’ অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী অসম কন্যা লাভলীনাই সৰ্বাধিক ভোট লাভ কৰি নিৰ্বাচিত হয় আইবিএৰ এথলীটছ কমিটিৰ অধ্যক্ষ তথা পৰিচালনা সমিতিৰ ভোটিং সদস্য হিচাপে। ইয়াৰ উপৰিও বিগত আই বি এ পুৰুষ বিশ্ব চেম্পিয়নশ্বিপৰ সময়ত অনুষ্ঠিত নিৰ্বাচনৰ পিছত ভাৰতীয় বক্সাৰ শিৱ থাপাও আই বি এ এথলীটছ কমিটিৰ সদস্য হিচাপে নিৰ্বাচিত হৈছে। উল্লেখ্য যে দুয়োজন অসম সন্তানে বৰ্তমান টাৰ্গেট অলিম্পিক প’ডিয়াম আঁচনিৰ অধীনত আছে আৰু তেওঁলোকে নিজৰ ভূমিকা দায়িত্বৰে গ্ৰহণ কৰাৰ লগতে পৰিচালনা সমিতিৰ বৈঠকত ভাৰত আৰু অন্যান্য বক্সাৰসকলক প্ৰতিনিধিত্ব কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। ইফালে, লাভলীনা আৰু শিৱৰ এই সফলতাত উভয় খেলুৱৈক অভিনন্দন জনাই কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে টুইটাৰত কয় ‘লাভলীনা অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে আৰু শিৱ সদস্য নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰিলোঁ। এয়া এক ডাঙৰ দায়িত্ব। আশা কৰিলো দেশৰ বাবে উভয়ে কৰ্তব্য পালন কৰাত সফল হ’ব।’ ইফালে, অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ পাছত নিজৰ প্ৰতিক্ৰিয়াত লভলিনাই কয় ‘আই বি এৰ এথলীট কমিটিৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাত মই গৌৰৱ অনুভৱ কৰিছো। আচলতে মই সদস্য হোৱাৰ আশা কৰিছিলো। কেতিয়াও ভবা নাছিলো মই যে কমিটীৰ অধ্যক্ষ হ’ম। এই দায়িত্বই ভাৰতীয় বক্সিং বিশেষকৈ মহিলা বক্সিংক বিশ্বৰ আন বক্সাৰসকলৰ আগত প্ৰচাৰ কৰাত সহায় হ’ব।’ ইফালে, নিজৰ দায়িত্ব আৰু কৰ্ম আঁচনি সন্দৰ্ভত লাভলীনাই কয়, ‘এয়া মোৰ বাবে বক্সিঙৰ প্ৰচাৰৰ এক বিশাল সুযোগ আৰু মই প্ৰথমে বিশ্বৰ আন সদস্য আৰু বক্সাৰসকলৰ লগত এইবছৰ বক্সিঙত কি কি হ’ল সেই সকলোবোৰ সম্বোধন কৰিব লাগিব তথা সেই বিষয়ে আলোচনা কৰাৰ পৰিকল্পনা কৰিছো আৰু তাৰ পিছত সেই পৰামৰ্শ আৰু অভিযোগসমূহ ব’ৰ্ড অৱ ডাইৰেক্টৰৰ কমিটীত জনাৱ লাগিব।’ ইফালে, ভাৰতীয় বক্সিং ফেডাৰেছনৰ সচিব তথা অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাই লাভলীনা-শিৱক শুভেচ্ছা জনাই কয় যে এই ঘটনাই প্ৰমান কৰি দিলে যে ভাৰতীয় বক্সিঙত অসমৰ স্থান এতিয়া শীৰ্ষ পৰ্যায়ত। আনহাতে, বিশ্বত ভাৰতীয় বক্সিঙৰ মৰ্জদা কি সেয়াও সকলোৱে গম পালে।



## ৰাষ্ট্ৰীয় ৱাড’কাই কাৰাটেত অসমৰ সাফল্য

**গুৱাহাটী, ২৬ মে’ ঃ** ভূৱেনেশ্বৰত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় ৱাড’কাই কাৰাটে চেম্পিয়নশ্বিপত বিশ্বনাথৰ সাতগৰাকী খেলুৱৈয়ে আজুৰি আনিলে ১০ টাকৈ পদক । ইয়াৰে ভিতৰত প্ৰিন্স ডেকাই এটা স্বৰ্ণ পদক, ভাগ্যশ্ৰী ভূএঃাই এটা স্বৰ্ণ, এটা ব্ৰঞ্জ, য়াছ ছেত্ৰীয়ে দুটা ৰূপ ,প্ৰণৱ বৰাই দুটা ব্ৰঞ্জ, দিপাঙ্কৰ ভূএঃাই দুটা ব্ৰঞ্জ, মুনমী দাসে এটা ব্ৰঞ্জ আৰু বিৰিণা ভূএঃাই এটা ব্ৰঞ্জৰ পদক লাভ কৰি জিলাৰ লগতে ৰাজ্যখনলৈও গৌৰৱ কঢ়িয়াই আনিছে।ইয়াৰপূৰ্বেও চাৰিগৰাকী খেলুৱৈ ক্ৰমে প্ৰণৱ বৰা,ভাগ্যশ্ৰী ভূএঃা,মুনমী দাস আৰু য়াছ ছেত্ৰীয়ে গুজৰাটৰ সোমনাথত অনুষ্ঠিত ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত সাতটাকৈ স্বৰ্ণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

## ১৭ বছৰ অনূৰ্ধ্ব ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী, ২৬ মে’ ঃ** পশ্চিম যোৰহাট ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হৈ থকা পশ্চিম যোৰহাট আন্তঃক্লাব ১৭ বছৰ অনূৰ্ধ্ব ফুটবল লীগ তথা নক আউট প্ৰতিযোগিতাত লহপহীয়া চাহ বাগিচা দলে পুলিবৰ ইউনাইটেড ফুটবল ক্লাবক ৩-২ গ’লত পৰাজিত কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰে । খেলৰ আৰম্ভণিতে বিশিষ্ট অতিথি হিচাপে মনজিত চাংমাই, দুষ্মন্ত বৰাক খেলুৱৈসকলৰ লগত পৰিচয় কৰোৱা হয় । ফিফাৰ খেল পৰিচালক সুমন্ত দত্তক সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয় । প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত হয় মনোজ নায়ক । খেল পৰিচালনা কৰে সুমন্ত দত্ত, ৰাজীৱ শইকীয়া, ৰঞ্জিত দত্ত আৰু চিৰঞ্জীৱ বৰাই । কাইলৈ বিয়লি তিনি বজাৰ পৰা জ্ঞানজ্যোতি ক্লাব বনাম চকলাটিং চাহ বাগিছাৰ মাজত খেল অনুষ্ঠিত হ’ব ।



*শ্ৰীলংকা আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত দ্বিতীয় টেষ্টত শ্ৰীলংকান খেলুৱৈৰ শ্বট*

## ফুটবল প্ৰতিযোগিতাত এনটিপিচি, বঙাইগাঁও দলৰ চেম্পিয়ন ট্ৰফী লাভ

### বঙাইগাঁৱৰ এইচ বেঞ্জামিন মাৰ্খিানলাল চিমতেৰ গ’ল্ডেন বুট তালচেৰ কানিহাৰ অনিল কুমাৰ প্ৰধানৰ গ’ল্ডেন গ্ল’ভ অৰ্জন

**গুৱাহাটী, ২৬ মে’ ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ছালেকাটিস্থিত এনটিপিচি, বঙাইগাঁৱে তালচেৰ কানিহাক ৪-০ গ’লত পৰাস্ত কৰি ইআৰ-দ্বিতীয়ৰ আঞ্চলিক ভিত্তিক ক্ৰীড়া সমাৰোহৰ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী জয় কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যৈ ছদিনীয়া ৰোমাঞ্চকৰ প্ৰতিযোগিতাত চাৰিটা দল যথাক্ৰমে এনটিপিচি-বঙাইগাওঁ, দৰলিপালি, তালচেৰ থাৰ্মেল আৰু তালচেৰ কানিহাই অংশগ্ৰহণ কৰে। আয়োজক টীম এনটিপিচি, বঙাইগাঁৱে লীগৰ আটাইকেইখন মেচতে জয়লাভ কৰে। উল্লেখ্য যে মুখ্য অতিথি অসীম কুমাৰ গোস্বামী আৰু ভাৰতীয় ফুটবলাৰ অসম সন্তান হলিচৰণ নাজাৰীয়ে চূড়ান্ত প্ৰতিযোগিতাখনি উদ্বোধন কৰে। উপস্থিত থাকে এনটিপিচি, বঙাইগাঁৱৰ কাৰ্যবাহী সঞ্চালক সুব্ৰত মণ্ডল, টি ৰবিন্দৰ, উমেশ সিং, ডি পি পাত্ৰ, ইন্দুৰী ৰেড্ডী আৰু অৰুণাশীষ দাস। উল্লেখ্য যে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি এই সমাৰোহ অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাত এনটিপিচি, বঙাইগাঁৱৰ এইচ বেঞ্জামিন মাৰ্খিানলাল চিমতেয়ে গ’ল্ডেন বুট , এনটিপিচি, তালচেৰ কানিহাৰ অনিল কুমাৰ প্ৰধানে গ’ল্ডেন গ্ল’ভ অৰ্জন কৰাৰ লগতে এনটিপিচি, দৰলিপালি টীমে ফেয়াৰ প্লে’ বঁটা, এনটিপিচি, বঙাইগাঁৱৰ অৰ্জুন ৰয়ে শ্ৰেষ্ঠ খেলুৱৈ বঁটা লাভ কৰে।

## ৰাষ্ট্ৰীয় ৰাগবিলৈ অসম দল বাছনিৰ প্ৰক্ৰিয়া আৰম্ভ

**গুৱাহাটী, ২৬ মে’ ঃ** ৰাষ্ট্ৰীয় ৰাগবীৰ বাবে ঘোষিত অসম দলত ওদালগুৰি জিলাৰ তিনি খেলুৱৈ নিৰ্বাচিত হৈছে। জিলাখনৰ কলাইগাঁৱৰ কছাৰীতলৰ বিজুত ৰাভা আৰু নিপম ৰাভাৰ লগতে ভেড়গাঁৱৰ বকপুৰিৰ পাৰ্থ প্ৰতিম ৰাভাই যোৱা ১৯ মেত নলবাৰীত হোৱা বাচনিত সফলতা লাভ কৰি ৰাজ্যিক দললৈ নিৰ্বাচিত হয় । উল্লেখ যে অহা ১৯ জুনত বিহাৰত হ’ব লগিয়া ৰাষ্ট্ৰীয় ৰাগবী প্ৰতিযোগিতাত উক্ত তিনি গৰাকী খেলুৱৈয়ে অসম দলৰ হৈ প্ৰতিনিধিত্ব কৰিব । ইফালে, তিনি গৰাকী খেলুৱৈয়ে অসম ৰাগবী দলত স্থান লাভ কৰাৰ বাবে কলাইগাও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাই তিনি গৰাকীকে অভিনন্দন জ্ঞাপন কৰিছে। লগতে কলাইগাও আৰছুৰ হৈ ৰনজিত ৰাভাই অনাগত দিনত আটাইকেই গৰাকী খেলুৱৈয়ে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি কয়।

## নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেল তেজপুৰৰ প্ৰথম ইনিংছত ১৬৩ ৰাণ

**গুৱাহাটী, ২৬ মে’ ঃ** চলিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ পৰা আৰম্ভ হৈছে দুয়োখন ছেমিফাইনেল মেচ। বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ছেমিফাইনেলত তেজপুৰে খেলিছে শিলচৰৰ বিৰুদ্ধে। তিনি দিনীয়া মেচখনৰ প্ৰথমদিনা তেজপুৰে ১৬৩ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত দিনান্তত শিলচৰে কৰে ৮৪-২ ৰাণ। ইফালে, আনখন ছেমিফাইনেলত ডিব্ৰুগড় মুখামুখি হৈছে বিশ্বনাথ চাৰিআলিৰ। এই মেচখন নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। প্ৰথমদিনা বিশ্বনাথ ১৪০ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত দিনান্তত ডিব্ৰুগড়ে কৰে ১০৪-৬ ৰাণ।

## সমগ্ৰ ৰাজ্যতে আছিহাৰা কাৰাটেৰ প্ৰশিক্ষণ শিবিৰ

**গুৱাহাটী, ২৬ মে’ ঃ** যোৰহাটত অনুষ্ঠিত হোৱা আছিহাৰা কাৰাটেৰ প্ৰশিক্ষণ শিবিৰত এজাক উদীয়মান খেলুৱৈয়ে অংশ লৈ দুৰ্দান্ত ক্ৰীড়া প্ৰদৰ্শন কৰে। উল্লেখ্য যে অহা ২৩ আৰু ২৪ জুলাইত দেৰগাঁৱত অনুষ্ঠিত হ’ব ৰাজ্যিক পৰ্যায়ৰ আছিহাৰা কাৰাটে প্ৰতিযোগিতা। সেয়ে সম্প্ৰতি জিলাই জিলাই চলিছে প্ৰশিক্ষণৰ লগতে বাছনি শিবিৰ । শিৱসাগৰত বাছনি শিবিৰ সফলতাৰে অনুষ্ঠিত হোৱাৰ পাছত এইবাৰ এই শিবিৰ অনুষ্ঠিত হৈছে যোৰহাট জিলাত। শিবিৰত বহুসংখ্যক সমৰকলা খেলুৱৈৰ অংশগ্ৰহণ কৰিছে। আছিহাৰা কাৰাটে স্কুল অৱ যোৰহাট টেকেলা গাঁৱৰ ক্লাবে অনুষ্ঠিত কৰে এক প্ৰশিক্ষণ শিবিৰ । প্ৰায় ৮০ গৰাকীৰো অধিক প্ৰৰীক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই শিবিৰত দুগৰাকীকৈ প্ৰশিক্ষণে আছিহাৰা কাৰাটেৰ প্ৰশিক্ষণ আগবঢ়ায় । প্ৰশিক্ষক দুগৰাকী হ’ল ঃ সুশান্ত দাস আৰু দিব্যজ্যোতি বৰা । উল্লেখ্য যে, আছিহাৰ কাৰাটে স্কুল অৱ অসমৰ জিলা আছে মুঠ ১৮ খন। পৰৱৰ্তী বাছনি তথা প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ’ব ডিব্ৰুগড়ত । জুনৰ ভিতৰতে ৰাজ্যৰ সকলো জিলাতে অনুষ্ঠিত হ’ব বাছনিসমূহ।


## এছিয়া কাপ হকীৰ ছেমি ফাইনেলত ভাৰতীয় পুৰুষ দল

**জাকাৰ্টা, ২৬ মে’ ঃ** চলিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় পুৰুষ হকী দলে ইণ্ডোনেছিয়াৰ বিৰুদ্ধে ১৬-০ গ’লত জয়ী হৈ চমক সৃষ্টিৰে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে ছেমিফাইনেল লৈ যোগ্যতা অৰ্জন কৰিবলৈ ভাৰতে এই মেচত ১৫-০ ৰ ব্যৱধানত জয়ী হোৱাৰ প্ৰয়োজন আছিল আৰু দলটোৰ যুৱ খেলুৱৈসকলে চমকপ্ৰদ প্ৰদৰ্শন কৰি লক্ষ্যত উপনীত হয়। ভাৰতীয় পুৰুষ হকী দলে অন্তিম কোৱাৰ্টাৰত ছটা গ’ল দি এছিয়া কাপৰ নক আউট পৰ্যায়লৈ উত্তৰণ কৰে। বিপৰীতে পাকিস্তানৰ আশাত চেচাপানী ঢালি দিয়াৰ লগতে পাকিস্তানৰ বাবে বিশ্বকাপৰ দুৱাৰখনো আজিয়েই বন্ধ কৰি দিয়ে। স্মৰ্তব্য যে ভাৰত আৰু পাকিস্তান দুয়ো দলে পুল ‘এ’ত জাপানৰ পিছতে চাৰি পইণ্টেৰে লাভ কৰে যদিও ডিফেণ্ডিং চেম্পিয়ন ভাৰতে উন্নত গ’লৰ ব্যৱধানৰ বাবে ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰে। ইয়াৰপূৰ্বে আজিৰ আন এখন মেচত জাপানৰ হাতত ৩-২ গ’লত পৰাস্ত হৈছিল পাকিস্তান। এই ফলাফলে পাকিস্তানক কেৱল প্ৰতিযোগিতাখনৰ পৰা বাহিৰ কৰি দিয়াই নহয়, বিশ্বকাপৰ যোগ্যতা অৰ্জনৰ আশাকো ম্লান কৰি পেলালে। কিয়নো এই প্ৰতিযোগিতাৰ শীৰ্ষ তিনিটা দলকহে বিশ্বকাপৰ যোগ্যতা ইভেণ্টৰ টিকট দিয়া হ’ব। আজিৰ মেচত ভাৰতৰ হৈ দিপছান টিৰ্কিয়ে পাঁচটা আৰু সুদেৱ বেলিমাগাই তিনটা গ’ল কৰে। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ প্ৰথমখন মেচত পাকিস্তানেৰে ড্ৰ খেলাৰ পিছত দ্বিতীয়খন মেচত ২-৫ গ’লৰ বিশাল ব্যৱধানত জাপানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰতীয় পুৰুষ দলটো।



## চৰাইদেউৰ সাপেখাতীত কাবাডী প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, সাপেখাতী, ২৬ মে’ ঃ** সাপেখাতী কাবাডী ক্লাবৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত কাবাডী প্ৰতিযোগিতাখনি আজি ঐতিহাসিক চৰাইদেউ জিলাৰ ৰহনৰ ডাম চাওঁ ডিম্বেশ্বৰ গগৈৰ সোঁৱৰণী মঞ্চত এদিনীয়াকৈ অনুষ্ঠিত কৰে। খেল খনিৰ পতাকা উত্তোলন কৰে চৰাইদেউ কাবাডী ক্লাবৰ সভাপতি পুষ্প জ্যোতি গগৈয়ে ।স্বৰ্গীয় পৰাগ ৰাইদিহিঙীয়া সোঁৱৰণীত স্মৃতি তৰ্পন কৰে ৰহণ পঞ্চয়তৰ সভাপতি বুধিন বড়াই। খেল খনিৰ শুভ উদ্বোধন কৰে ৰহণ পুখুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দুৰ্গেশ্বৰ বড়াই। প্ৰতিযোগিতা খনিত শিৱসাগৰ কাবাডী ক্লাব, চৰাইদেউ কাবাডী ক্লাব আৰু নামৰূপ কাবাডী ক্লাৱৰ মুঠ ১৮ টা কাবাডী দলে অংশ গ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাখনিত সাপেখাতী প্ৰেছ ক্লাবৰ সভাপতি কেশৱ গগৈ, কৃষক সংগ্ৰাম সমিতিৰ চৰাইদেউ জিলাৰ সম্পাদক গৌতম গগৈ, শিক্ষয়িত্ৰী পদ্মা গগৈ, কবিতা গগৈ, জুনু ফুকনৰ লগতে বহু কেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে




*আৰচিবিৰ বিৰুদ্ধে হ’বলগীয়া দ্বিতীয়খন কোৱালিফায়িং মেচৰ পূৰ্বে অনুশীলন ৰাজস্থানৰ খেলুৱৈৰ*

## গুৱাহাটীত সফলতাৰে সমাপ্ত ফুল কণ্টেক্ট কাৰাটে

# অসমৰ শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন

**গুৱাহাটী, ২৬ মে’ ঃ** গুৱাহাটীত অনুষ্ঠিত সৰ্বভাৰতীয় কে ডব্লিউ এফ অপেন ফুল কন্টেক্ট কাৰাটে চেম্পিয়নশ্বিপৰ সামৰনি পৰিছে। অসম কাইকুচিন কাই-কান কাৰাটে সন্থাৰ উদ্যোগত তথা বি কে মাৰ্চিয়েল আৰ্টছ একাডেমীৰ সহযোগিতাত গুৱাহাটীৰ কটন বিশ্ববিদ্যালয় ইনড’ৰ হলত অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় অ’পেন ফুল কন্টেক্ট কাৰাটে চেম্পিয়নশ্বিপ । তৃতীয় সৰ্বভাৰতীয় কে ডব্লিউ এফ অপেন এই ফুল কন্টেক্ট কাৰাটেত অসমকে ধৰি দেশৰ আঠখন ৰাজ্যৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে । লক্ষ্যণীয় যে দীৰ্ঘদিনৰ বিৰতিত অসমত ফুল কন্টেক্ট কাৰাটে প্ৰতিযোগিতা অনুষ্ঠিত হৈছে । প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কামৰূপ মহানগৰ জিলাৰ পৰিবহন বিষয়া হিমাংশু দাস আৰু বিশিষ্ট চিকিৎসক ডাক্তৰ ঐশ্বৰ্যা জে কৌৰ । এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দেশৰ আঠখন ৰাজ্য হ’ল মেঘালয় , ত্ৰিপুৰা , অৰুণাচল প্ৰদেশ , মণিপুৰ , অন্ধ্ৰপ্ৰদেশ , কেৰালা , পশ্চিমবংগ আৰু আয়োজক অসম । প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আনন্দিত দেশৰ বিভিন্ন ৰাজ্যৰ কাৰাটেকা। বিয়লি সামৰণি অনুষ্ঠানত উপস্থিত থাকি বঁটাসমূহ বিতৰণ কৰে অসমীয়া চলচ্চিত্ৰৰ সুদৰ্শন অভিনেতা ৰবি শৰ্মা আৰু মোহময়ী অভিনেত্ৰী মৈত্ৰেয়ী শৰ্মাই । টুৰ্ণামেণ্টখন আয়োজন কৰি সন্তোষ প্ৰকাশ কৰিলে কায়কচিন কাই কান কাৰাটেৰ মুখ্য প্ৰশিক্ষক ভাগ্যেশ্বৰ কুলিয়ে । টুৰ্ণামেণ্টত অসমে সৰ্বাধিক পদক লাভ কৰি শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰে । দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে পশ্চিমবংগ আৰু মেঘালয়ে।

# আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস আয়োজনৰ প্ৰস্তুতি অসম অলিম্পিক সন্থাৰ



**গুৱাহাটী, ২৬ মে’ ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে অহা ২৩ জুনত অসম অলিম্পিক সন্থাৰ উদ্যোগত গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা আৰু আন্তঃমহাবিদ্যালয় ক্ৰীড়া কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। তৰ্ক প্ৰতিযোগিতাত প্ৰতিখন বিশ্ববিদ্যালয়ৰ দুজন প্ৰতিযোগী আৰু কুইজ প্ৰতিযোগিতাত প্ৰতিখন মহাবিদ্যালয়ৰ দুজনকৈ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব। অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে জনোৱা অনুসৰি উক্তদিনা পুৱা ন বজাৰ পৰা আৰম্ভ হ’বলগীয়া তৰ্ক প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা দলকেইটাই ক্ৰমে ৫০,০০০, ৩০,০০০ আৰু ২০,০০০ হেজাৰ টকাৰ প্ৰাইজমানী লাভ কৰিব। তদুপৰি শ্ৰেষ্ঠ তাৰ্কিকজনে ২৫,০০০ হেজাৰ টকাৰ প্ৰাইজমানী লাভ কৰিব। আনহাতে, ক্ৰীড়া কুইজ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা দলকেইটাই ক্ৰমে ৫০,০০০, ৩০,০০০ আৰু ২০,০০০ টকাৰ প্ৰাইজমানী লাভ কৰিব। ইফালে, কুইজ মাষ্টাৰ নিৰ্বাচন কৰাৰ বাবে অসম অলিম্পিক সন্থাই কুইজ মাষ্টাৰসকলৰ সাক্ষাৎকাৰ অনুষ্ঠিত কৰিব। কুইজ মাষ্টাৰসকলে ক্ৰীড়া কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰাৰ সন্দৰ্ভত সবিশেষ অৱগত কৰিব লাগিব। কিন্তু এই সাক্ষাৎকাৰ কেতিয়া অনুষ্ঠিত হ’ব সেয়া জনোৱা নাই অসম অলিম্পিক সন্থাই। আনহাতে, তৰ্ক প্ৰতিযোগিতাৰ বিষয় সন্দৰ্ভতো কোনো সিদ্ধান্ত লোৱা হোৱা নাই। তৰ্ক আৰু কুইজ প্ৰতিযোগিতাত যোগদান কৰিবৰ বাবে দৰ্শনা বাৰ্মাৰ লগত ৯৯৫৭০৮৩০৩৫ আৰু সুমন দত্তৰ লগত ৯৮৫৪৬৩১৪৬৫ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।



*শ্ৰীলংকা আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত দ্বিতীয় টেষ্টত ৰাণ সংগ্ৰহৰ চেষ্টা শ্ৰীলংকাৰ খেলুৱৈৰ*

# কামপুৰত বন্যাৰ্তক সাহায্য প্ৰদান ভাৰতীয় জনতা যুৱ মৰ্চাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ মে' ঃ** ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি সিদ্ধাংকু অংকুৰ বৰুৱা ডাঙৰীয়াৰ নেতৃত্বত এটা সঁজাতি দলে নগাঁও জিলাৰ বঢ়মপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত তেতেলিসৰা পঞ্চায়তৰ এটা স্থানত আৰু নিজ কামপুৰ পঞ্চায়তৰ দুটা স্থানৰ বানাক্ৰান্ত ৰাইজৰ মাজত বান-সাহাৰ্য বিতৰণ কৰে। কপিলী নদীৰ বানে আক্ৰান্ত কৰা দুয়োটা পঞ্চায়তৰ ৰাইজক কিছু সকাহ দিয়াৰ উদ্দেশ্যে ভাৰতীয় জনতা যুৱ মৰ্চাই প্ৰায় দুই শতাধিক পৰিয়ালক খাদ্য বস্তুৰ টোপোলা প্ৰদান কৰে । ৰাজ্যিক সভাপতি সিদ্ধাংকু অংকুৰ বৰুৱাক আজি সংগ দিয়ে নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিৎ নাথ, ৰাজ্যিক উপসভাপতি তাপস কলিতা, ৰাজ্যিক সম্পাদক ঈশান ভৰালী, নয়ন হাজৰিকা, জিলা যুৱ সভাপতি সুন্দৰ শৰ্মা, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক অভিনৱ গোস্বামী , সঞ্জীৱ ডেকা, নৃপেন ৰাজবংশী আৰু মুন দাসে। ৰাজ্যিক যুৱ মৰ্চাৰ সভাপতি বৰুৱাই কয় যে, যুৱ মৰ্চাৰ কাৰ্য্যকৰ্তাসকলে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বান পৰিস্থিতিত দুৰ্দশাগ্ৰস্থ ৰাইজক সন্মুখৰ পৰা কৰি আছে । পৰিস্থিতি ঠিক নোহোৱা পৰ্য্যন্ত কাৰ্যকৰ্তা সকলক ৰাইজৰ মাজত থাকি সেৱা কৰিবলৈ আহ্বান জনায়।



# কটনৰ বাকৰিত আজি প্ৰতিষ্ঠা দিৱস প্ৰাক্তন শিক্ষাৰ্থীৰ বিশেষ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ মে' ঃ** ঐতিহ্যমণ্ডিত কটন কলেজ (বৰ্তমান কটন বিশ্ববিদ্যালয়)ৰ ১২২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কটন কলেজ প্ৰাক্তন শিক্ষাৰ্থী সংস্থা (কটন এলামনাই এছ'চিয়েচন)ৰ উদ্যোগত আৰু কটন বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত ২৭মে', শুকুৰবাৰে বিয়লি ৪.৩০ বজাৰ পৰা কটনৰ বাকৰিত এটি আটকধুনীয়া অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিষ্ঠা দিৱসৰ লগতে কটন প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ বাৰ্ষিক অধিৱেশনখনিও অনুষ্ঠিত কৰা হ'ব। শতায়ু গৰকা এগৰাকী কটনিয়ানে মুকলি কৰিবলগীয়া এই অনুষ্ঠানত ভিন্ন প্ৰান্তৰ পৰা আহি কেইবা শতাধিক কটনিয়ানে অংশগ্ৰহণ কৰিব। ৪ বজাত পঞ্জীয়নেৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানটো বিভিন্ন অন্তৰংগ অনুষ্ঠানৰ লগতে একেলগে নৈশ আহাৰ গ্ৰহণৰ মাজেৰে সামৰণি মৰা হ'ব। উল্লেখযোগ্য যে এই অনুষ্ঠানতে কেইবাগৰাকীও ৯০ বছৰীয়া অথবা নব্বৈ উৰ্ধৰ প্ৰাক্তন কটনিয়ানক সম্বৰ্ধনা জনোৱা হ'ব। ইতিমধ্যে অনুষ্ঠানৰ আৰম্ভণি গীতটি ড° তিলোত্তমা বৰুৱা, ড° ৰূপালী ফুকন, ড° সংগীতা কাকতি, কুইন দাস আৰু তৃষ্ণা দেৱীৰ নেতৃত্বত নেতৃত্বত বহুকেইগৰাকী কটনিয়ানে অনুশীলন কৰি আছে। এই অনুষ্ঠান প্ৰসংগত কটন প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সম্পাদক জগদীশ দত্তই কয়— 'ক'ভিডকালীন পৰিস্থিতিৰ অন্তত যি এক মুকলি পৰিবেশৰ সৃষ্টি হৈছে, এনে পৰিবেশত বিভিন্ন স্থানত থকা সকলো প্ৰাক্তন কটনিয়ান এক হৈ কিছু অন্তৰংগ আলোচনা বাৰ্তালাপ যাতে কৰিব পাৰে, কটনৰ দিনবোৰলৈ উভতি চাব পাৰে, সেই উদ্দেশ্য আগত ৰাখি এই অনুষ্ঠানটো অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে, সকলো প্ৰাক্তন কটনিয়ানৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিলোঁ।' কটন প্ৰাক্তন শিক্ষাৰ্থী সংস্থাই বিভিন্ন সময়ত শিক্ষানুষ্ঠানখনৰ হকে বিভিন্ন উত্তৰণমুখী পদক্ষেপ গ্ৰহণ কৰি অহাৰ লগতে সমগ্ৰ ৰাজ্যখনৰ হকে অনেক জনহিতকৰ কাম-কাজ কৰি আহিছে। কাইলৈ অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানটোৰ সফলতা সকলো কটনিয়ানে আন্তৰিকতাৰে কামনা কৰিছে।

# গহপুৰত তিনিখনকৈ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় শুভ উদ্বোধন মন্ত্ৰী পীযূষ হাজৰিকাৰ

**দৈনন্দিন বাৰ্তা সেৱা, ডুবিয়া, ২৬ মে' ঃ** চাহ বাগিচাৰ শিক্ষাৰ ক্ষেত্ৰতখনত সোণালী যুগৰ সূচনা কৰি ৰাজ্য চৰকাৰে লোৱা বিশেষ পদক্ষেপৰ অংশ স্বৰূপে বৃহস্পতিবাৰে গহপুৰৰ ব্ৰহ্মাজান, হেলেম আৰু ঘগৰা চাহ বাগিচাত আৰ্দশ উচ্চ মাধ্যমিক বিদ্যালয় আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰে মন্ত্ৰী পীযূষ হাজৰিকাই। মন্ত্ৰী গৰাকীয়ে নিজৰ ভাষণত কয় যে,চাহ বাগিচা সমূহত প্ৰথমবাৰলৈ হাইস্কুল স্থাপনৰ বাবে চৰকাৰে লোৱা এই যুগান্তকাৰী পদক্ষেপে ৰাজ্যৰ শৈক্ষিক মানচিত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিব।ইয়াৰোপৰি আগন্তুক দিনত চাহ বাগিছা অঞ্চলত আৰু ২০০ খন বিদ্যালয় স্থাপন কৰাৰ কথাও নিজৰ ভাষণত উল্লেখ কৰে। কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই বিদ্যালয়ৰ শুভ উদ্বোধন অনুষ্ঠানত মন্ত্ৰী গৰাকীক সহযোগিতা আগবঢ়াই গহপুৰৰ বিধায়ক উৎপল বৰা, মহকুমাধিপতি দ্বিপন বৰ্মন প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে।

## গোসাইগাঁও- কচুগাঁও শিক্ষা খণ্ডৰ বিদ্যালয়ত গুণোৎসৱ পালন

# দূৰ হ'বনে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ অভাৱ ?

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২৬ মে' ঃ** ৰাজ্যৰ শিক্ষা খণ্ডৰ গুণগত মান মূল্যায়নৰ বাবে অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ সামৰণি পৰিল। ৰাজ্যৰ অন্য জিলাৰ লগতে কোকৰাঝাৰ জিলাতো দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হল এই গুণোৎসৱ ।দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ অন্তিমটো দিনত পুৱাৰ পৰাই কোকৰাঝাৰ জিলাৰ গোসাইগাঁও শিক্ষা খণ্ড আৰু কচুগাঁও শিক্ষা খণ্ডৰ অধীনস্থ বিদ্যালয় সমূহত দেখা গল উখল মাখল পৰিৱেশ। গোসাইগাঁও শিক্ষা খণ্ডৰ নৈচাপুৰ প্ৰাথমিক বিদ্যালয়তো গুণোৎসৱ উপলক্ষে এক উখল মাখল পৰিৱেশ ।প্ৰাতঃসভাত ছাত্ৰ -ছাত্ৰী সকলে শাৰীৰিক কুচকাৱাজৰ লগতে সংকল্প ,মহৎ লোকৰ বাণী ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে। ব্যহিক মূল্যায়ক হিচাপে উপস্হিত থাকে হালাকুৱা মহাবিদ্যালয়ৰ সহকাৰী প্ৰবক্তা ইব্ৰাহিম শ্বেখে। নৈচাপুৰ বিদ্যালয়ৰ শিক্ষক কমুদ কলিতাই কয় যে ছাত্ৰ -ছাত্ৰীক গুণগত শিক্ষা প্ৰদান কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছো ।যাৰ ফলত বিদ্যালয়খনত ছাত্ৰ -ছাত্ৰীৰ সংখ্য ক্ৰামন্বয়ে বৃদ্ধি পাইছে । টেট শিক্ষক সকলে নিযুক্তি পোৱাৰ পিছৰ পৰাই চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰখনত যথেষ্টখিনি উন্নয়ণ হৈছে ।চৰকাৰে শিক্ষক সকলৰ সমস্যা খিনিৰ কথা হৃদয়ংগম কৰি শিক্ষকৰ সমস্যা আৰু বিদ্যালয়ৰ আন্তঃগাঁথনি সমূহ দূৰ কৰাৰ বাবে আহ্বান জনায় ।গোসাইগাঁও শিক্ষা খণ্ডৰ তেলিপাৰা এম ই স্কুলতো গুণোৎসৱ পালন কৰা হয় । বিদ্যালয়খনত শিক্ষকৰ অভাৱ আছে বুলি প্ৰধান শিক্ষক ভুষন শাঁওৰে সদৰী কৰে। ছেৰফাংগুৰী মোক্তাব এল পি স্কুলতো উদুলি-মুদলি পৰিৱেশত গুণোৎৱ পালন কৰে । বিদ্যালয়খনত গোসাইগাঁও শিক্ষা খণ্ডৰ শিক্ষা বিষয়া গৰাকী উপস্থিত হৈ স্কুল পৰিচালনা সমিতি আৰু মাতৃ গোটৰ সৈতে মত বিনিময় কৰে আৰু বিদ্যালয়খনৰ পৰিস্কাৰ পৰিচ্ছন্নতা দেখি আপুত হয় । বিদ্যালয়খনত ১৭৫ গৰাকী ছাত্ৰ ছাত্ৰীয়ে অধ্যায়ন কৰি আছে যদিও তাৰ বিপৰীতে মাত্ৰ তিনি গৰাকী শিক্ষক আছে। গোসাইগাঁও শিক্ষা খণ্ডৰ অধীনস্থ বিশ্ৱৰাম মেমোৰিয়াল মধ্যইংৰাজী বিদ্যালয়তো গুণোৎসৱ পালন কৰা হয় ।বিদ্যালয় খনত এক প্ৰকাৰ বিপৰীত ছবি দেখা যায় ।বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী শিক্ষক,কৰ্মচাৰী,পৰিচালনা সমিতিৰ লগতে অভিভাৱক সকলৰ মাজত এক উৎসৱ মূখৰ পৰিবেশ দেখা যায়। বিদ্যালয় খনত সৰ্বমুঠ ছাত্ৰ ছাত্ৰী সংখ্যা ১৪৬ গৰাকী, উপস্থিত আছিল ১৩৮ গৰাকী আৰু অনুপস্থিত আছিল ৮ গৰাকী । ১৬ গৰাকী শিক্ষকৰ ভিতৰত ১৬ গৰাকী শিক্ষক শিক্ষয়ত্ৰী উপস্থিত আছিল ।গুণোৎসৱ কাৰ্যসূচীত গোসাইগাঁও শিক্ষাখণ্ডৰ শিক্ষা বিষয়া ৰজন গৌৰা বসমুতাৰী , আই এ এছ বিষয়া সদক সিঙৰ লগতে বিভাগীয় বিভিন্ন পদত থকা বিষয়ববীয়াসকল উপস্থিত থাকে। কচুগাঁও শিক্ষা খণ্ডৰ অধীনস্হ প্ৰাথমিক বিদ্যালয় ২নং হাছৰাওবাৰীতো গুণোৎসৱ পালন কৰা হয় । বিদ্যালয়খনত ৰান্ধনী গৃহ নাই লগতে বিদ্যালয়খনৰ আন্তঃগাঁথনিও দুৰ্বল ।২ নং সাপকাটা এল পি স্কুলতো গুণোৎসৱ পালন কৰা হয় ।বিদ্যালয়খন ব্যহিক মূল্যাংকন হিচাপে উপস্থিত থাকে সমবায় বিভাগৰ জেষ্ঠ্য পৰিদৰ্শক ৰঞ্জন কলিতা । কলিতাই স্কুলৰ পৰিপাটী আৰু ছাত্ৰ ছাত্ৰীসকলৰ পৰিদৰ্শতা দেখি আনন্দিত হোৱা বুলি সদৰী কৰে ।স্কুলখনত ১০৮ গৰাকী ছাত্ৰ-ছাত্ৰী অনুপাতে দুই গৰাকী শিক্ষক দেখি আশ্চৰ্য প্ৰকাশ কৰে । তথাপি দুই গৰাকী শিক্ষকে ছাত্ৰ ছাত্ৰীক গুণগত শিক্ষা দিয়াৰ ক্ষেত্ৰত যে যৎপৰোনাস্তি চেষ্টা কৰিছে সেয়া ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞানৰ পৰিধিৰ পৰা বুজা পাইছো । সাপকাটা এম ই স্কুলতো সুশৃংখলিত ভাৱে গুণোৎৱ পালন কৰা হয় । বিদ্যালয়খনত দুবছৰে হিন্দী শিক্ষক অবিহনে চলিছে বুলি প্ৰধান শিক্ষক গৰাকীয়ে সদৰী কৰে ।১৮৮ নং সাপকাটা প্ৰাথমিক বিদ্যালয়তো গুণোৎসৱ পালন কৰা হয় ।বিদ্যালয়খনৰ পৰিপাটী ব্যৱস্থা যথেষ্ট ভাল ।যি কোনো লোকক বিদ্যালয়ৰ ব্যৱস্থাপনাই সকলোকে অপুত কৰি তুলিব ।কিন্তু বিদ্যালয়খত ২৩৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ চাৰি গৰাকী শিক্ষক আছে। য'ত নেকি শিক্ষা নীতিৰ আধাৰত ছাত্ৰ -ছাত্ৰী অনুপাতে ৮ গৰাকী শিক্ষকৰ প্ৰয়োজন আছে। উল্লেখনীয় বিষয় যে গ্ৰাম্য অঞ্চলৰ বেছি ভাগ বিদ্যালয় আন্তঃগাঁথনিৰ ক্ষেত্ৰত দূৰ্বল ।চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব দিবনে ?




**एनएचपीसी NHPC**

**NHPC Limited**
(A Government of India Enterprise)
CIN: L40101HR1975GOI032564
Sector-33, Faridabad-121003 (Haryana) India

75 Azadi Ka Amrit Mahotsav

**EXTRACT OF STATEMENT OF AUDITED FINANCIAL RESULTS FOR THE QUARTER AND YEAR ENDED 31ST MARCH 2022**

(Rs. in Crore)


| S. No. | Particulars | Standalone | | | | | Consolidated | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | Quarter Ended | | | Year Ended | | Quarter Ended | | | Year Ended | |
| | | 31.03.2022 Audited | 31.12.2021 Unaudited | 31.03.2021 Audited | 31.03.2022 Audited | 31.03.2021 Audited | 31.03.2022 Audited | 31.12.2021 Unaudited | 31.03.2021 Audited | 31.03.2022 Audited | 31.03.2021 Audited |
| 1) | Total Income from operations | 1,505.76 | 1,932.39 | 1,341.48 | 8,353.80 | 8,506.58 | 1,674.31 | 2,156.72 | 1,609.17 | 9,188.78 | 9,647.89 |
| 2) | Net Profit before Tax (before Exceptional items and Movement in Regulatory Deferral Account Balances) | 511.97 | 913.03 | 529.37 | 4,046.86 | 3,982.16 | 442.92 | 1,115.81 | 677.10 | 4,427.44 | 4,567.57 |
| 3) | Net Profit before Tax (before Exceptional items and after Movement in Regulatory Deferral Account Balances) | 586.35 | (514.26) | 544.43 | 2,776.44 | 4,110.19 | 552.70 | (294.53) | 1,035.86 | 3,217.35 | 4,679.74 |
| 4) | Net Profit before Tax (after Exceptional items and before Movement in Regulatory Deferral Account Balances) | 511.97 | 913.03 | 529.37 | 4,046.86 | 3,797.16 | 442.92 | 1,115.81 | 677.10 | 4,427.44 | 4,382.57 |
| 5) | Net Profit before Tax (after Exceptional items and Movement in Regulatory Deferral Account Balances) | 586.35 | (514.26) | 544.43 | 2,776.44 | 3,925.19 | 552.70 | (294.53) | 1,035.86 | 3,217.35 | 4,494.74 |
| 6) | Net Profit for the period after tax (after Exceptional items) attributable to : | | | | | | | | | | |
| | - Owners of the Parent company | 560.09 | 760.56 | 415.90 | 3,537.71 | 3,245.06 | 467.15 | 813.21 | 442.33 | 3,523.57 | 3,271.78 |
| | - Non-controlling interest | - | - | - | - | - | 48.75 | 75.55 | 40.02 | 250.76 | 328.10 |
| 7) | Total Comprehensive Income for the period [Comprising Profit and Other Comprehensive Income (after tax)] attributable to : | | | | | | | | | | |
| | - Owners of the Parent company | 526.67 | 754.50 | 501.87 | 3,550.47 | 3,252.26 | 432.63 | 807.20 | 529.19 | 3,535.36 | 3,279.15 |
| | - Non-controlling interest | - | - | - | - | - | 47.70 | 75.59 | 40.87 | 249.83 | 328.26 |
| 8) | Paid-up Equity Share Capital (Face Value of ₹10/- each) | 10,045.03 | 10,045.03 | 10,045.03 | 10,045.03 | 10,045.03 | 10,045.03 | 10,045.03 | 10,045.03 | 10,045.03 | 10,045.03 |
| 9) | Reserves (excluding Revaluation Reserve) | 23,441.07 | 24,274.50 | 21,558.08 | 23,441.07 | 21,558.08 | 24,875.95 | 25,845.26 | 23,008.27 | 24,875.95 | 23,008.27 |
| 10) | Net Worth | 33,486.10 | 34,319.53 | 31,603.11 | 33,486.10 | 31,603.11 | 34,920.98 | 35,890.29 | 33,053.30 | 34,920.98 | 33,053.30 |
| 11) | Paid-up debt capital | 28,047.72 | 25,548.64 | 25,379.98 | 28,047.72 | 25,379.98 | 28,113.15 | 25,552.05 | 25,382.44 | 28,113.15 | 25,382.44 |
| 12) | Debt equity ratio | 0.84 | 0.74 | 0.80 | 0.84 | 0.80 | 0.81 | 0.71 | 0.77 | 0.81 | 0.77 |
| 13) | Earning per share (Basic and Diluted) - (not annualised) (Equity shares, face value of Rs.10/- each) | | | | | | | | | | |
| | - Before movements in Regulatory Deferral Account Balances (in ₹) | 0.48 | 2.18 | 0.40 | 4.79 | 3.10 | 0.36 | 2.21 | 0.08 | 4.71 | 3.15 |
| | - After movements in Regulatory Deferral Account Balances (in ₹) | 0.56 | 0.76 | 0.41 | 3.52 | 3.23 | 0.47 | 0.81 | 0.44 | 3.51 | 3.26 |
| 14) | Capital redemption reserve | 2,255.71 | 2,255.71 | 2,255.71 | 2,255.71 | 2,255.71 | 2,255.71 | 2,255.71 | 2,255.71 | 2,255.71 | 2,255.71 |
| 15) | Debenture (Bond) redemption reserve | 1,366.25 | 1,641.95 | 1,641.95 | 1,366.25 | 1,641.95 | 1,366.25 | 1,641.95 | 1,641.95 | 1,366.25 | 1,641.95 |
| 16) | Debt service coverage ratio (DSCR) | 1.88 | 3.67 | 1.48 | 3.62 | 3.03 | 1.82 | 4.13 | 1.64 | 3.84 | 3.29 |
| 17) | Interest service coverage ratio (ISCR) | 5.31 | 6.58 | 4.14 | 7.18 | 6.60 | 5.14 | 7.42 | 4.59 | 7.61 | 7.16 |
| 18) | Securities Premium Account | - | - | - | - | - | - | - | - | - | - |

Notes:
1. The above is an extract of the detailed format of Financial Results filed with the Stock Exchanges under Regulations 33 & 52 of SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015. The full format of these Financial Results are available on the website of Stock Exchange(s) **www.nseindia.com** and **www.bseindia.com** and on the Company's website **www.nhpcindia.com**.
2. Previous periods figures have been regrouped/rearranged wherever considered necessary.

For and on behalf of the Board of Directors of NHPC Ltd.
Sd/-
(RAJENDRA PRASAD GOYAL)
DIRECTOR (FINANCE)
DIN-08645380

Place : Faridabad
Date : 25th May, 2022
DAVP 34128/12/0002/2223

https://www.nhpcindia.com join us : Turning challenges into opportunities




Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি